● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

মোৰ লক্ষ্য আনতকৈ ভাল হোৱাটো নহয়, বৰঞ্চ প্ৰতিদিনে নিজতকৈ ভাল হোৱাটোহে।



ৱেইন ডায়াৰ
*আমেৰিকাৰ লেখক*

www.dainikagradoot.in

৭ বিলাসী জীৱনক লৈ বিতৰ্কত প্ৰধানমন্ত্ৰী পদপ্ৰাৰ্থী ঋষি
১৫ জুডোত ভাৰতৰ সুশীলা দেৱীৰ ৰূপ
৪ অসমত জেহাদী-সন্ত্ৰাসবাদীৰ কাৰ্যকলাপ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৯৩তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ১৬ শাওণ ১৪২৯ ভাস্কৰাব্দ ২ আগষ্ট ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 2 August 2022 মূল্য ঃ ৯.০০ টকা

■ পুৰাতে বিদ্যুৎ-পানী যোগান কৰ্তন আৱাসৰ ■ অন্ধকাৰত চৰকাৰী আৱাসী-মুখ ধুবলৈও পানী নাই ■ ভাড়াঘৰ বিচাৰি নোপোৱাত হাহাকাৰ বিধায়কৰ ■ কৰ্তৃপক্ষৰ একপক্ষীয় সিদ্ধান্ত আখ্যা

# দিছপুৰতে গৃহহীন বিধায়কৰ হাহাকাৰ



*এইদৰেই বিদ্যুৎ সংযোগ কৰ্তন কৰি দিয়া হ'ল অসম আৰ্হিৰ বিধায়ক আৱাসৰ, দিছপুৰত সোমবাৰে।*

**আমাৰ প্ৰতি প্ৰদৰ্শন কৰা আচৰণ অপমানজনক-দুৰ্ভাগ্যজনক ঃ ক্ষোভ উজাৰিলে বিধায়কে**

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১ আগষ্ট ঃ** স্বয়ং ৰাজধানী দিছপুৰতে বিলাই-বিপত্তি নোহোৱা হৈছে শাসক-বিৰোধী একাংশ বিধায়কৰ। অসম আৰ্হিৰ বিধায়ক আৱাসবোৰ ভাঙি তাৰ ঠাইত তিনিটাকৈ ১০ মহলীয়া অট্টালিকা নিৰ্মাণৰ বাবে তৎপৰতা অব্যাহত ৰাখিছে অসম বিধানসভা সচিবালয়ে। সেইবাবে অসম আৰ্হিৰ আৱাসসমূহত থকা বিধায়কসকলক আজিৰে পৰা বলপূৰ্বকভাৱে উচ্ছেদৰ অভিযানত নামি পৰে বিধানসভা কৰ্তৃপক্ষ। বিদ্যুতৰ লগতে পানীযোগান কৰ্তনেৰে উচ্ছেদ অভিযান আৰম্ভ কৰাক লৈ বিলাই-বিপত্তি নোহোৱা হয় সংশ্লিষ্ট বিধায়কসকলৰ। এনে আচৰণৰ বাবে তেওঁলোক বিধানসভাৰ অধ্যক্ষ আৰু বিধানসভা সচিবালয়ৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰিছে। একোটা সমষ্টিৰ জনপ্ৰতিনিধি হোৱা সত্ত্বেও তেওঁলোকে সন্মুখীন হোৱা সমস্যাৰ অনুধাৱন নকৰাকৈ তেওঁলোকৰ প্ৰতি প্ৰদৰ্শন কৰা আচৰণ অপমানজনক আৰু দুৰ্ভাগ্যজনক বুলি আজি কে'বাজনো বিধায়কে মন্তব্য কৰে। উল্লেখ্য যে বিধানসভা সচিবালয়ে প্ৰথমতে ২০ জুলাইৰ ভিতৰত অসম আৰ্হিৰ আৱাসবোৰ খালী কৰিবলৈ বিধায়কসকলক নিৰ্দেশ দিছিল। তাৰপাছত সেই সময়সীমা ৩১ জুলাইলৈ বৃদ্ধি কৰে। সেই সময়সীমা পাৰ ১০ পৃষ্ঠাত চাওক

## প্ৰতিষ্ঠান ধ্বংস-সমাজ ধ্বংস (৯)

■ সঞ্জীৱ সভাপণ্ডিত



সমাজ বোলা শব্দটো বৰ গোলমলীয়া। মই ভাবো যে সমাজ বুলিলে একোটা জনসমষ্টিক বুজায়, যাৰ মাজত অজস্ৰ মতবিৰোধ থাকিলেও অনবৰতে কটা-মৰাৰ এটা মানসিকতা দৃশ্যমান হৈ নাথাকে। সমাজৰ মানুহৰ মাজত মতবাদৰ আকাশ-পাতাল পাৰ্থক্য থাকিব পাৰে। মূল্যবোধৰ অভাৱনীয় তাৰতম্য থাকিব পাৰে। ৰুচি-অভিৰুচি, ৰীতি-নীতি, ১০ পৃষ্ঠাত চাওক

## মানাহত ৬০টালৈ বৃদ্ধি পালে ঢেঁকীয়াপতীয়া বাঘৰ সংখ্যা



অগ্ৰদূত বাৰ্তা
**শালবাৰী, ১ আগষ্ট ঃ** বিশ্ব ঐতিহ্যক্ষেত্ৰ তথা ব্যাঘ্ৰ প্ৰকল্প মানাহ ৰাষ্ট্ৰীয় উদ্যানত ৬০টালৈ বৃদ্ধি পালে ঢেঁকীয়াপতীয়া বাঘৰ সংখ্যা। বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে মানাহৰ শেহতীয়া বন্যপ্ৰাণী নিৰীক্ষণৰ ফলাফল প্ৰকাশৰ জৰিয়তে সদৰী কৰিছে এই তথ্য। ছয় পৃষ্ঠাত চাওক

শিক্ষা মন্ত্ৰণালয়ৰ পৰ্যালোচনা বৈঠকত অসমৰ অগ্ৰগতিক লৈ চৰ্চা ■ বিদ্যায়তনিক-শিক্ষানুষ্ঠানৰ অন্যান্য আন্তঃগাঁথনি গঢ়ি তোলাত ব্যৰ্থ

# সমগ্ৰ শিক্ষাৰ প্ৰকল্প ৰূপায়ণত পিছ পৰিছে অসম, উদ্বেগ প্ৰকাশ কেন্দ্ৰৰ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১ আগষ্ট ঃ** কেৱল শিক্ষক নিযুক্তি আৰু শিক্ষকৰ বদ-বদলৰে অসমৰ শিক্ষা ব্যৱস্থাৰ উন্নয়ন সম্ভৱ নহয়। সময় নিৰ্ধাৰিত আন্তঃগাঁথনি নিৰ্মাণ অবিহনে শিক্ষা খণ্ডৰ উন্নয়ন ত্বৰান্বিত হ'ব নোৱাৰে; অথচ অসমৰ শিক্ষা খণ্ডত আন্তঃগাঁথনিৰ দুৰ্বলতাই মাধমাৰ শোধাইছে। ইয়াকে লৈ অলপতে ভাৰত চৰকাৰৰ প্ৰকল্প অনুমোদন ব'ৰ্ডৰ বৈঠকত উদ্বেগ প্ৰকাশ কৰা হয়। এই বৈঠকৰ প্ৰস্তাৱত উল্লেখ কৰা তথ্যতে ৰাজ্যৰ শিক্ষাখণ্ডৰ বিদ্যায়তনিক ধৰি অন্যান্য দিশৰ আন্তঃগাঁথনিত থকা দুৰ্বলতাৰ ছবিখন পোহৰলৈ আহে। বৈঠকত হোৱা পৰ্যালোচনা অনুসৰি বিদ্যায়তনিক ক্ষেত্ৰত সমগ্ৰ শিক্ষা অভিযানৰ অধীনত ২০২১-২২ত নখন উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপনৰ অনুমোদন দিয়া হৈছিল। তাৰে ছখনৰ কামেই আৰম্ভ হোৱা নাই। কলা আৰু হস্তকৰ্মৰ ছয় পৃষ্ঠাত চাওক

**অনুমোদিত কামৰ আৰম্ভণিয়ে হোৱা নাই**

## লোককল্যাণ দিৱসত জিলা পৰ্যায়ৰ ৮৯, ৰাজ্যিক পৰ্যায়ৰ ১০ কৰ্মচাৰী হ'ব পুৰস্কৃত

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১ আগষ্ট ঃ** অসম চৰকাৰৰ কেবিনেটৰ সিদ্ধান্ত মৰ্মে অহা পাঁচ আগষ্টত উদ্‌যাপিত হ'বলগীয়া লোককল্যাণ দিৱসত ৰাজ্যৰ ৩৫ খন জিলা পৰ্যায়ৰ মুঠ ৮৯ জন আৰু ১০ পৃষ্ঠাত চাওক

**ৰাজ্যত এপিডিচিএলৰ নামত এছএমএছ চাইবাৰ অপৰাধী চক্ৰৰ**

■ ৰাইজক সাৱধান হ'বলৈ আহ্বান জনায়েই দায় সাৰিলে আৰক্ষীয়ে

## দৈনিক গড়ে পাঁচজনকৈ লোকৰ বেংক একাউণ্টৰ তলি উদং কৰিছে প্ৰৱঞ্চকে



ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১ আগষ্ট ঃ** ডিজিটেল বিশ্বৰে খোজ মিলাবলৈ গৈ অথন্তৰৰ সন্মুখীন হৈছে ৰাজ্যৰ নিম্ন-মধ্যবিত্তই। কেইঘণ্টামানৰ পাছতেই বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰাৰ ভাবুকিৰ ভীতসন্ত্ৰস্ত ৰাজ্যৰ বহু লোকে নিমিষতে হেৰুৱাবলগীয়া হৈছে বেংকৰ সঞ্চিত ধন। বহিঃৰাজ্যৰ দুষ্কৃতিকাৰীয়ে এনেদৰে অতি কৌশলেৰে ৰাজ্যৰ সৰ্বসাধাৰণ জনতাক সৰ্বস্বান্ত কৰিবলৈ ধৰাৰ সময়তো ঘটনাৰ উৰাদিহ ধৰিব পৰা নাই অসম আৰক্ষীয়ে। উল্লেখ্য যে বিদ্যুৎ মাচুল পৰিশোধ নকৰাৰ বাবে সংযোগ কৰ্তনৰ ১০ পৃষ্ঠাত চাওক

**এপিএছচি ঃ এই পৰ্যন্ত ২১জনলৈ জাননী**

## ২০১৪ৰ কেলেংকাৰিত অভিযুক্ত ১১ বিষয়াক শৰ্মা আয়োগৰ কৈফিয়ৎ তলব



ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১ আগষ্ট ঃ** অসম লোকসেৱা আয়োগৰ ২০১৪ৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ জৰিয়তে বিভিন্ন পদত নিযুক্তি লাভ কৰা ১১ জন অভিযুক্তক আজি ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ আয়োগে কৈফিয়ৎ তলব কৰে। ইতিমধ্যে ডিব্ৰুগড় আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা অভিযুক্তকেইজনৰ আঠজন অসম অসামৰিক সেৱা (এ চি এছ), এজন অসম আৰক্ষী সেৱা (এ পি এছ) ছয় পৃষ্ঠাত চাওক

## দাবীকৃত ধন দিব নোৱৰা বাবে আৱাস যোজনাৰ গৃহৰ পৰা বঞ্চিত

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ১ আগষ্ট ঃ** একাংশ বিষয়া-কৰ্মচাৰী আৰু দালাল চক্ৰৰ অশুভ বুজাবুজিৰ বাবে ৰাজ্যৰ বিভিন্ন স্থানত প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ গৃহ নিৰ্মাণ আঁচনি দুৰ্নীতিৰ গৰাহত পৰিছে। বিভিন্ন জিলাত এই আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত এনে অশুভ চক্ৰৰ দুৰ্নীতিৰ ১০ পৃষ্ঠাত চাওক

■ অসম সাহিত্য সভা-বড়ো সাহিত্য সভা-আছু-এবছুৰ যৌথ বৈঠক ■ ৰাজ্য চৰকাৰে সিদ্ধান্ত প্ৰত্যাহাৰ নকৰিলে প্ৰতিবাদৰ সকীয়নি ■ এই সিদ্ধান্তই বড়ো শান্তি চুক্তি উলংঘা কৰিব

# মাতৃভাষা বিৰোধী মনোভাব ত্যাগ কৰক

বিদ্যালয় প্ৰাদেশিকীকৰণ বন্ধ-ইংৰাজী মাধ্যম জাপি দিলে ৰাজ্যৰ ভাষা-সংস্কৃতি-শিক্ষাত বিৰূপ প্ৰভাৱ পেলাব

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১ আগষ্ট ঃ** অসম চৰকাৰে শেহতীয়াভাৱে শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণ বন্ধ কৰা, তৃতীয়ৰ পৰা দ্বাদশ শ্ৰেণীলৈ ইংৰাজী মাধ্যমত গণিত আৰু বিজ্ঞানৰ পাঠদান কৰা, প্ৰতিটো সমষ্টিত চিবিএছই ১০ পৃষ্ঠাত চাওক



*যৌথ বৈঠকৰ পাছত সংবাদমেলত চাৰিওটা সংগঠনৰ নেতৃবৃন্দ, মহানগৰীত সোমবাৰে।*

## কাজিৰঙাত গঁড় হত্যাৰ পৰিকল্পনাকাৰী চাৰিজন চোৰাংচিকাৰীক গ্ৰেপ্তাৰ

## শ্বুটাৰ হিচাপে নিয়োগ প্ৰাক্তন এনডিএফবি সদস্যক

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ১ আগষ্ট ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ গঁড় হত্যাৰ পৰিকল্পনা কৰা এটা চাৰিজনীয়া চোৰাংচিকাৰীৰ দলক গ্ৰেপ্তাৰ কৰে বন বিভাগে। এই দলটোত গঁড় হত্যা কৰিবলৈ 'শ্বুটাৰ' হিচাপে নিয়োজিত কৰা হৈছিল অধুনালুপ্ত ছয় পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ২৬° |
| ডিব্ৰুগড় | ২৯° | ২৫° |
| দিল্লী | ৩৩° | ২৭° |
| কলকাতা | ৩২° | ২৭° |
| মুম্বাই | ৩১° | ২৭° |
| চেন্নাই | ৩৪° | ২৭° |
| বাংগালুৰু | ২৯° | ২০° |
| শ্বিলং | ২২° | ১৮° |

*১ আগষ্ট, ২০২২*

পশ্চিমবংগৰ জল্পেশ মন্দিৰত পূজা দিবলৈ যোৱা অৱস্থাত দুৰ্ঘটনাগ্ৰস্ত

# কোচবিহাৰত বিদ্যুৎস্পৃষ্ট ব'ল ব'ম যাত্ৰীৰ বাহন, ১০জনৰ থিতাতে মৃত্যু



ডিজে বজাবলৈ সংযোগ কৰা বেটাৰীৰ পৰা বিদ্যুৎস্পৃষ্ট ■ মৃতক ১৮-২২ বছৰ বয়সীয়া

অগ্ৰদূত বাৰ্তা
**শ্ৰীৰামপুৰ/তামাৰহাট, ১ আগষ্ট ঃ** আজি পুৱতি নিশা ব'ল ব'ম যাত্ৰা কৰিবলৈ গৈ অকাল মৃত্যুক সাৱটি ল'লে ১০জন শিৱ ভক্তই। এই ভয়ংকৰ ঘটনা সংঘটিত হৈছে অসমৰ চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ কোচবিহাৰ জিলাৰ চেংড়াবান্ধা নামৰ ঠাইত। আজি পুৱতি নিশা ব'ল ব'মৰ যাত্ৰী কঢ়িয়াই নিয়া এখন বাহন বিদ্যুৎস্পৃষ্ট হোৱাৰ ফলতে এই দুৰ্ঘটনা সংঘটিত হয়। এই দুৰ্ঘটনাত ১০জন ব'ল ব'ম যাত্ৰী নিহত হোৱাৰ লগতে আন ১৬জন লোক গুৰুতৰভাৱে আহত হয়। উন্নত চিকিৎসাৰ বাবে আহতসকলক ততাতৈয়াকৈ শিলিগুৰিত ভৰ্তি কৰা হৈছে। সম্প্ৰতি তেওঁলোক চিকিৎসাধীন অৱস্থাত আছে যদিও ইয়াৰে চাৰিজনৰ অৱস্থা অতি গুৰুতৰ। ১০ পৃষ্ঠাত চাওক

## কলিয়াবৰত বনৰীয়া ম'হৰ আক্ৰমণত নিহত চাহ বাগিচাৰ শ্ৰমিক

মৃতদেহ লৈ প্ৰতিবাদী শ্ৰমিকৰ পথ অৱৰোধ, মন্ত্ৰীৰ কনভয় আবদ্ধ



অগ্ৰদূত বাৰ্তা
**কলিয়াবৰ, ১ আগষ্ট ঃ** বনৰীয়া ম'হৰ আক্ৰমণত এজন শ্ৰমিকৰ মৃত্যু হোৱাক কেন্দ্ৰ কৰি আজি এক উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয় কলিয়াবৰৰ বুঢ়াপাহাৰ চাহ বাগিচাত। উত্তেজিত স্থানীয় ৰাইজে বন বিভাগৰ কাৰ্যালয় ঘেৰাও কৰাৰ লগতে মৃত শ্ৰমিকৰ মৃতদেহ লৈ অৱৰোধ কৰে ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ। আজি পুৱা বাগিচাখনত কাম কৰি থকা অৱস্থাতে এটা বনৰীয়া ম'হে আক্ৰমণ কৰে বাগিচাখনৰ নিগ্ৰো ওৰাং নামৰ শ্ৰমিকজনক। ম'হৰ উপৰ্যুপৰি আক্ৰমণত ছয় পৃষ্ঠাত চাওক

**ৰাজ্য চৰকাৰে প্ৰকাশ কৰিব জনজাতি ভূমি নীতি ঃ মুখ্যমন্ত্ৰী ড° শৰ্মা**

## জাতিগত প্ৰমাণপত্ৰ ডিজিটেল ৰূপত লাভৰ বাবে 'মিছন ভূমিপুত্ৰ' উদ্বোধন



ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১ আগষ্ট ঃ** ৰাজ্যৰ জাতিগত প্ৰমাণপত্ৰ প্ৰদান ব্যৱস্থাটোৰ পৰিৱৰ্তন সাধনৰ লক্ষ্যৰে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই 'মিছন ভূমিপুত্ৰ'ৰ উদ্বোধন কৰে। জনজাতি পৰিক্ৰমা (ভৈয়াম) আৰু সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজন কৰা এক অনুষ্ঠানত জনসাধাৰণলৈ সহজলভ্য সেৱা আগবঢ়োৱাৰ অন্যতম অংশ হিচাপে জাতিগত প্ৰমাণপত্ৰ ডিজিটেল ৰূপত সহজে লাভ কৰা অনলাইন মাধ্যমৰ উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই ব্যৱস্থাৰ জৰিয়তে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ ছাত্ৰ-ছাত্ৰীসকলে অতি দ্ৰুত আৰু স্বচ্ছতাৰে জাতিগত প্ৰমাণপত্ৰ ১০ পৃষ্ঠাত চাওক

**চেঙা তেল**



*কি আচৰিত! এওঁৰ ৰাজহাড়েই বিচাৰি পোৱা নাই, এতিয়াহে বুজিলো তেওঁ বিৰোধী বিধায়ক!*

**ইতিহাস সৃষ্টিৰে মহিলাৰ লন বলত পদক নিশ্চিত কৰিলে ভাৰতে**

■ আন এক প্ৰতিভাৱান কন্যাৰ সাফল্যত আনন্দৰ পৰিৱেশ ধনশিৰিত

# কমনৱেল্‌থ গেমছত পদক নিশ্চিত কৰিলে অসমৰ নয়নমণি শইকীয়াই

■ নিউজ ব্যুৰ'
**বাৰ্মিংহাম/বৰপথাৰ, ১ আগষ্ট ঃ** জয়ন্ত তালুকদাৰৰ পাছত পুনৰ কমনৱেল্‌থ গেমছৰ পদক আহিল অসমলৈ। আজি বাৰ্মিংহাম কমনৱেল্‌থ গেমছৰ মহিলাৰ ফ'ৰ্ছ লন বল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰে ভাৰতীয় দলে। সেই সূত্ৰে ভাৰতীয় দলে ইতিহাস সৃষ্টি কৰি কমনৱেল্‌থ গেমছত প্ৰথমবাৰলৈ লন বলৰ পদক নিশ্চিত কৰিলে। ফাইনেলত প্ৰৱেশৰ সূত্ৰে ভাৰতে এই বিভাগত কমেও ৰূপৰ পদক অৰ্জন কৰিব। আজিৰ ফাইনেলত ভাৰতীয় দলে কমনৱেল্‌থ গেমছৰ লন বলত ১০ পৃষ্ঠাত চাওক



■ জাগীৰোডত দুই অভিযুক্তক জেৰা অব্যাহত ৰাখিছে কেন্দ্ৰীয় সংস্থায়ো

## মুস্তাফাৰ ফোনত জেহাদী-তালিবানী কাৰ্যকলাপৰ ভিডিঅ' উদ্ধাৰ ঃ জিপি

অগ্ৰদূত বাৰ্তা
**জাগীৰোড, ১ আগষ্ট ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ চহৰীয়া পামৰ জমিৰ উল মাদ্ৰাছাৰ শিক্ষক মুফটি মুস্তাফা আৰু মৰিগাঁৱৰ মিলনপুৰৰ পৰা গ্ৰেপ্তাৰ কৰা কম্পিউটাৰ আদি সামগ্ৰীৰ দোকানী আফচাৰউদ্দিন ভূএগক জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে। ভাৰতীয় উপমহাদেশত অল কায়দা (আকিছ)ৰ মূল সংগঠন আনছাৰউদ্দিন বাংলা টীম (এবিটি)ৰ স'তে যোগাযোগ থকাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা এই ১০ পৃষ্ঠাত চাওক

বাগাৰীয়াৰ আত্মহত্যা

## এমাহৰ অন্তত আত্মসমৰ্পণ আৰু এজন অভিযুক্তৰ

বিশেষ সংবাদদাতা
**ডিব্ৰুগড়, ১ আগষ্ট ঃ** সুদীৰ্ঘ প্ৰায় এমাহৰ অন্তত ডিব্ৰুগড়ৰ বিনীত বাগাৰীয়াৰ চাঞ্চল্যকৰ আত্মহত্যা গোচৰৰ অন্যতম অভিযুক্ত সঞ্জয় শৰ্মাই আত্মসমৰ্পণ কৰে। আজি ডিব্ৰুগড়ৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত আত্মসমৰ্পণ কৰে দীৰ্ঘদিন আৰক্ষীৰ ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২ আগষ্ট, ২০২২ মঙলবাৰ পৃষ্ঠা তিনি

## ১০ আগষ্টত বঙাইগাঁৱত চিন্তন অভিৱৰ্তন

### কে এলঅ'- চৰকাৰৰ সাম্ভাব্য আলোচনাক আদৰণি

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১ আগষ্ট ঃ** কোচ ৰাজবংশী জনগোষ্ঠীৰ আত্মনিয়ন্ত্ৰৰ অধিকাৰ সুনিশ্চিত কৰাৰ স্বাৰ্থত কমতাপুৰ ৰাজ্য গঠনকে ধৰি কোচ ৰাজবংশী জনগোষ্ঠীৰ অস্তিত্ব ৰক্ষাৰ দাবীত সুদীৰ্ঘ দিন সশস্ত্ৰ সংগ্ৰাম কৰা কমতাপুৰ লিবাৰেচন অৰ্গেনাইজেচন চমুকৈ কে এলঅ' ই কোচ - কমতাৰ এক ঐতিহাসিক ৰাজনৈতিক সমাধান বিচাৰি কেন্দ্ৰীয় চৰকাৰৰ লগত এক শান্তি আলোচনাৰ পোষকতা কৰি কে এলঅ'ৰ সেনাধ্যক্ষ ছয় পৃষ্ঠাত চাওক

## পানী বুলি ভুলবশতঃ কীটনাশক পান কৰি চতিয়াত এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**চতিয়া, ১ আগষ্ট ঃ** ভুলবশতঃ পানী বুলি কীটনাশক দ্ৰব্য পান কৰি চতিয়াৰ বুবুল হাজৰিকা ওৰফে (বুল) (২৩) নামৰ এজন লোকৰ যোৱা নিশা মৃত্যু ঘটে। প্ৰাপ্ত তথ্য অনুসৰি, উত্তৰ চতিয়াৰ সাপেখাতী গাঁৱৰ অবিবাহিত লোকজনে হাজিৰা কাম কৰি পেট প্ৰবৰ্তাইছিল। কালি একেগাঁৱৰে মমি ভূঞা নামৰ মহিলা এগৰাকীৰ ঘৰত তেওঁ কাম কৰিবলৈ আহিছিল। মণি ভূঞাৰ বাৰীৰ পিছফালৰ সীমাৰ ছয় পৃষ্ঠাত চাওক

■ মৰ্কজ একাডেমীৰ মৃত ছাত্ৰৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড়লৈ প্ৰেৰণ ■ নিশালৈকে উত্তেজনা হোজাইত

## বিদ্যালয় কৰ্তৃপক্ষৰ বিপক্ষে হত্যাকাণ্ডৰ গোচৰ ৰুজু

অগ্ৰদূত বাৰ্তা

**হোজাই, ১ আগষ্ট ঃ** হোজাইৰ স্বেচ্ছাসেৱী সংগঠন মৰ্কজুল মা আৰিফৰ দ্বাৰা পৰিচালিত হোজাই চহৰৰ দুৱাৰমুখত অৱস্থিত আবাসিক বিদ্যালয় মৰ্কজ একাডেমীৰ দশম শ্ৰেণীত অধ্যয়নৰত মৰাণৰ ফাৰহাজ হুছেইন নামৰ ছাত্ৰজনৰ মৃত্যুক লৈ কালি হোজাইত সৃষ্টি হোৱা উত্তেজনা মাজৰাতি শাম কাটে। আজি নিচেই পুৱা পৰিয়ালৰ সদস্যসকলে ছাত্ৰজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে হোজাই আৰক্ষীৰ সহযোগত ডিব্ৰুগড়লৈ লৈ যায়। তথ্য মতে, আজি দুপৰীয়া ডিব্ৰুগড়ত মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পাছত ছাত্ৰজনৰ শেষকৃত্য সম্পন্ন কৰা হয়। উল্লেখ্য যে যোৱা শনিবাৰে তবলিকলৈ যোৱা ডিব্ৰুগড়ৰ মৰাণৰ ছাত্ৰজন হোজাই গীতাশ্ৰমৰ গাতে লাগি থকা এটা পুখুৰীত গা ধুবলৈ গৈ মৃত্যু ঘটে। এই ঘটনাৰ পাছত কালি দুপৰীয়াৰ পৰা হোজাইত এক উত্তেজনাৰ সৃষ্টি হয়। মৃত ছাত্ৰজনৰ হোজাই আৰু ডবকাৰ আত্মীয়ই হত্যা কৰাৰ অভিযোগ তুলি বিদ্যালয়খনত এক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰে। পাছত আৰক্ষী আৰু অৰ্ধসামৰিক ছয় পৃষ্ঠাত চাওক

■ নলবাৰীত পেঞ্চন সেৱা কেন্দ্ৰ মুকলি মন্ত্ৰী অজন্তা নেওগৰ ■

মই নথকা সময়ত নিৰাপত্তাৰক্ষীয়ে কি কৰিছে কেনেকৈ গুৰুত্ব দিম

# প'ৰ্টেলৰে অৱসৰৰ পাছত পেঞ্চন লাভৰ পথ প্ৰশস্ত

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১ আগষ্ট ঃ** 'এতিয়াৰ পৰা এজন ব্যক্তিৰ অৱসৰকালীন কাম-কাজ সুচলতা আৰু স্বচ্ছতাৰে সম্পন্ন হ'ব।' এই মন্তব্য বিত্ত আৰু সমাজ কল্যাণ মন্ত্ৰী অজন্তা নেওগৰ। অসম চৰকাৰৰ প্ৰশাসনিক সংস্কাৰ, প্ৰশিক্ষণ, পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগৰ সৌজন্যত চৰকাৰৰ নৱ প্ৰৱৰ্তিত 'কৃতজ্ঞতা' আঁচনিৰ অধীনত নলবাৰী জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত আজি জিলাৰ অভিভাৱক মন্ত্ৰী নেওগে আজি এটা পেঞ্চন সেৱা কেন্দ্ৰ মুকলি কৰে। অসম চৰকাৰৰ 'কৃতজ্ঞতা' আঁচনিৰ অধীনত মুকলি কৰা পেঞ্চন সেৱা কেন্দ্ৰৰ জৰিয়তে এতিয়াৰে পৰা অৱসৰ গ্ৰহণ কৰা কৰ্মচাৰীয়ে নিজৰ নিজৰ আৱশ্যকীয় নথিসমূহ কৃতজ্ঞতা প'ৰ্টেলত দাখিল কৰিব পাৰিব আৰু নথি দাখিলৰ পাছত অতি কম সময়ৰ ভিতৰতে পেঞ্চন লাভ কৰিবলৈ সক্ষম হ'ব বুলি মন্ত্ৰীগৰাকীয়ে কয়। এই সেৱা কেন্দ্ৰই পেঞ্চন সংক্ৰান্তীয় কামৰ গতি ত্বৰান্বিত কৰাৰ লগতে ফাইল-পত্ৰৰ সম্পূৰ্ণ সুৰক্ষা প্ৰদান কৰিব বুলি সদৰী কৰি মন্ত্ৰী নেওগে কয় যে ইয়াৰ দ্বাৰা আকস্মিক দুৰ্ঘটনাজনিত কাৰণত তথ্য নষ্ট হোৱাৰ পৰা ৰক্ষা পৰিব। এই সেৱাই অচিৰেই সকলো বিভাগকে সামৰিব বুলিও মন্ত্ৰীগৰাকীয়ে দোহাৰে। সেৱা কেন্দ্ৰটো মুকলি কৰি মন্ত্ৰী নেওগে কয়, 'পেঞ্চন সেৱা কেন্দ্ৰটোৱে অৱসৰ গ্ৰহণ কৰা শিক্ষক-কৰ্মচাৰীসকলক ছয় পৃষ্ঠাত চাওক



## তামুলপুৰৰ ভেৰাখাটত ৰাভা জাতীয় সংগঠনৰ বিশেষ অভিৱৰ্তন



### নিজস্ব ভাষা, অভিজাত সংস্কৃতিৰে চহকী ৰাভাসকল সকলো দিশতে পিছপৰা

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১ আগষ্ট ঃ** তামুলপুৰ জিলাৰ ভেৰাখাটত কালি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত তামুলপুৰ জিলাৰ বিভিন্ন ৰাভা জনগোষ্ঠীৰ জাতীয় সংগঠনসমূহৰ বিশেষ অভিৱৰ্তনৰ সামৰণি পৰে। কালি পুৱাৰ ভাগত বাগ্‌সা জিলা ৰাভা সাহিত্য সভাৰ সভাপতি সুৰেন ৰাভা, সদৌ ৰাভা জাতীয় পৰিষদৰ বাগ্‌সা জিলাৰ সভাপতি গোলাপ ৰাভা, তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি পূৰ্ণ সিং ৰাভা আৰু তামুলপুৰ জিলা ৰাভা মহিলা পৰিষদৰ সভানেত্ৰী মেনকা ৰাভাই পতাকা উত্তোলনেৰে ছয় পৃষ্ঠাত চাওক

লাফিকুল ইছলাম আহমেদৰ হত্যাকাণ্ডৰ বিচাৰ সোনকালে হ'ব লাগে ঃ বড়ো

## বিটিআৰত অপ্ৰাদেশীকিকৃত বিদ্যালয়সমূহৰ প্ৰাদেশিকীকৰণৰ কাম চলি আছে

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১ জুলাই ঃ** বিটিআৰ অঞ্চলৰ শিক্ষাৰ্থীসকলে যাতে আইআইটি , ইউপিএছচি, চিকিৎসা খণ্ডৰ দৰে প্ৰতিযোগিতামূলক পৰীক্ষাত সফল হ'ব পাৰে, তাৰ বাবে বিটিচি চৰকাৰে আৰম্ভ কৰা বড়োলেণ্ড ছুপাৰ ৫০ আচঁনিৰ প্ৰশিক্ষণ কেন্দ্ৰ আজি উদ্বোধন কৰে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। কোকৰাঝাৰ চহৰৰ ডিমলগাঁওস্থিত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বড়োলেণ্ড ছুপাৰ ৫০ আচঁনি উদ্বোধন কৰি বিটিচি প্ৰধান বড়োৱে আঁচনিৰ সফলতা কামনা কৰে। প্ৰথমবাৰৰ বাবে ৰূপায়ণ কৰা বড়োলেণ্ড ছুপাৰ ৫০ আচঁনিৰ অধীনত জেইইৰ বাবে



কোচিং লবলৈ ৩৮গৰাকী শিক্ষাৰ্থী উপস্থিত থাকে। অহা পাঁচ আগষ্টত ইউপিএছচিৰ কোচিঙৰ বাবে বাছনি পৰীক্ষা অনুষ্ঠিত হ'ব আৰু আবেদন জনোৱা ১,৪০০ প্ৰাৰ্থীৰ ভিতৰত ৫০জনক বাছনি কৰি ইউপিএছচিৰ কোচিং দিয়া হ'ব। ঠিক সেইদৰে অহা নৱেম্বৰত নীটৰ বাবে কোচিং আৰম্ভ হ'ব। যিসকলৰ কোচিং লোৱাৰ সামৰ্থ নাই অথচ মেধাৱী, তেনে শিক্ষাৰ্থীকহে বড়োলেণ্ড ছুপাৰ ৫০ আচঁনিৰ অধীনত নিৰ্বাচন কৰাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হ'ব বুলি মন্তব্য কৰিছে মুখ্য কাৰ্যবাহী বড়োৱে। ইপিনে, ২০১৮ৰ পহিলা আগষ্টত ছয় পৃষ্ঠাত চাওক

চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি কৰা, মূল্যবৃদ্ধি ৰোধ কৰাৰ দাবী

## ৰাজ্যৰ ভিন্ন প্ৰান্তত সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ প্ৰতিবাদ

বিশেষ সংবাদদাতা

**নগাঁও, ১ আগষ্ট ঃ** সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি শুভ্ৰজ্যোতি বৰ্ধন আৰু সাধাৰণ সম্পাদক অৰূপ কুমাৰ মহন্তই এক প্ৰেছ বিবৃতিযোগে কয় যে সদৌ ভাৰত কৃষি আৰু গ্ৰামীণ শ্ৰমিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ আহ্বানত আজি দেশজুৰি মোদী-শ্বাহৰ কোম্পানীৰাজ আৰু বুলড'জাৰৰাজৰ বিৰুদ্ধে সকলোৰে বাবে সংস্থাপন, আৱাসগৃহ, ভূমি, খাদ্য, শিক্ষা, স্বাস্থ্য মজুৰি বৃদ্ধি আৰু সমতাৰ দাবীত দেশজোৰা প্ৰতিবাদী কাৰ্যসূচীৰ



আহ্বান জনায়। দেশজোৰা এই আহ্বানৰ প্ৰতি সমৰ্থন জনাই সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাই ডিব্ৰুগড়, যোৰহাট আৰু নগাঁও জিলাৰ বিভিন্ন পঞ্চায়ত, খণ্ড উন্নয়ন বিষয়া, চক্ৰ বিষয়া আৰু জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে সংশ্লিষ্ট বিষয়াসকলৰ জৰিয়তে অসমৰ ছয় পৃষ্ঠাত চাওক

## যোৰাবাটত জব্দ ৪০ কিলোগ্ৰাম গাঞ্জা ঃ আটক তিনি

অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ১ আগষ্ট ঃ** ৰাজ্যজুৰি নিচা জাতীয় দ্ৰব্যৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত থকাৰ সময়তে যোৰাবাটত জব্দ হ'ল ৪০ কিলোগ্ৰামকৈ অবৈধ গাঞ্জা। এক গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত যোৰাবাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া কপিল পাঠকৰ নেতৃত্বত যোৱা অভিযানকাৰী দলে আজি পুৱতি নিশা আঠমাইল অঞ্চলৰ পৰা গাঞ্জাখিনি জব্দ কৰিবলৈ সক্ষম হয়। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে মেঘালয়ৰ কিৰ্টবক লেং ছয় পৃষ্ঠাত চাওক

## মানাহৰ দুই বনপালকক চাকৰিকালীন বিদায় মানাহ কৰ্তৃপক্ষৰ

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১ আগষ্ট ঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যানত দীৰ্ঘদিন কৰ্মৰত দুজন বনপালক (ফৰেষ্টাৰ-গ্ৰেড ২)। সুদীৰ্ঘ চাৰিটা দশকত মানাহৰ সুৰক্ষাৰ দায়িত্বত নিয়োজিত হৈ অৱশেষত দেওবাৰে চাকৰিৰ পৰা বিদায় ল'লে দুই বনপালক কন্দৰ্প দাস আৰু বীৰছা তাঁতীয়ে। মানাহ ৰাষ্ট্ৰীয় উদ্যানতে দাসৰ চাকৰিজীৱন আছিল ৪১ বছৰ আৰু তাঁতীৰ ৪০ বছৰ। উল্লেখ্য মাউতৰ পৰা বনপালকলৈ পদোন্নতি লাভ কৰা কৰ্মচাৰী মানাহত এই দুজনেই প্ৰথম। বনপালক দাসে জনায় যে তেওঁ মাত্ৰ 'ক' শ্ৰেণীতে স্কুলীয়া শিক্ষা শেষ ছয় পৃষ্ঠাত চাওক

## সত্ৰীয়া সংস্কৃতিৰ অন্যতম সাধক লক্ষ্মীপ্ৰসাদ দেৱ গোস্বামী প্ৰয়াত



অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১ আগষ্ট ঃ** অসমৰ সত্ৰীয়া সংস্কৃতিৰ অন্যতম সাধক তথা পশ্চিম শিলপুখুৰী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ লক্ষ্মীপ্ৰসাদ দেৱ গোস্বামীৰ আজি পুৱা পাঁচ বজাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত তেওঁৰ মৃত্যু হয়। যোৱা ২০ জুলাইত নগাঁৱত হোৱা এক পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈ তেওঁ চিকিৎসাধীন হৈ আছিল। মৰিগাঁও জিলাৰ শ্ৰী শ্ৰী নৰোৱা কুজসত্ৰত ১৯৬৩ৰ এপ্ৰিলত জন্ম গ্ৰহণ কৰা অতি অমায়িক প্ৰয়াত গোস্বামী সত্ৰখনৰ অন্যতম গুৰিয়াল আছিল। শংকৰী কৃষ্টি-সংস্কৃতিত দক্ষতা থকাৰ লগতে গায়ন-বায়ন, সূত্ৰধাৰ আৰু নাম লগুৱা হিচাপে খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছিল। তদুপৰি অসম সাহিত্য সভাৰ মৰিগাঁও জিলা সমিতি উপ সভাপতি, শ্ৰী শ্ৰী শংকৰদেৱ কলাকেন্দ্ৰৰ প্ৰতিষ্ঠাপক সম্পাদক, ৰংমিলি বিহু সন্মিলনৰ প্ৰতিষ্ঠাপক আছিল। নগাঁও, মৰিগাঁও জিলাৰ বিভিন্ন সত্ৰীয়া অনুষ্ঠানৰ লগতে সামাজিক অনুষ্ঠানৰে ঘনিষ্ঠভাৱে জড়িত গোস্বামীৰ মৃত্যুৰ খবৰে সমগ্ৰ জিলা দুখনত শোকৰ ছাঁ পৰিছে। অসম সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক কুসুম কুমাৰ মহন্তই লক্ষ্মী প্ৰসাদ দেৱ গোস্বামীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি অসমৰ সত্ৰ সমাজৰ অপূৰণীয় ক্ষতি বুলি অভিহিত কৰে। তদুপৰি গোস্বামীৰ মৃত্যুত সদৌ অসম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ছয় পৃষ্ঠাত চাওক

**কঠিয়াতলিত পথ দুৰ্ঘটনাত নিহত বৃদ্ধ**

## ডবকাত ব'ল ব'মৰ বাহনৰ খুন্দাত মহিলা আহত

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ১ আগষ্ট ঃ** কালি সন্ধিয়া কঠিয়াতলীৰ ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এক পথ দুৰ্ঘটনাত ৰবি দাস নামৰ ৮৫ বছৰীয়া এজন বৃদ্ধৰ মৃত্যু হয়। প্ৰাপ্ত তথ্য অনুসৰি, কালি সন্ধিয়া প্ৰায় সাত বজাত নগাঁৱৰ পৰা ডবকা অভিমুখে গৈ থকা এখন ট্ৰাকৰ খুন্দাত বৃদ্ধজন গুৰুতৰভাৱে আহত হয়। আহত লোকজনক স্থানীয় লোকে কঠিয়াতলি চিকিৎসালয়লত ভৰ্তি কৰে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। মৃত লোকজনৰ ঘৰ কঠিয়াতলিৰ খ্ৰীষ্টান বস্তিত। আনহাতে, দুৰ্ঘটনা সংঘটিত কৰিয়েই ট্ৰাকখনৰ চালকে বাহনসহ সেই স্থানৰ পৰা পলায়ন কৰে। ইপিনে, ডবকাত যোৱা নিশা ব'ল ব'মৰ যাত্ৰী কঢ়িওৱা এখন বাহনৰ খুন্দাত এগৰাকী মহিলা গুৰুতৰভাৱে আহত হয়। আহত মহিলা গৰাকী নুৰুন নেছা বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে। ব'ল ব'মৰ পৰা ঘৰমুৱা হোৱা এএছ-০২ বিচি-৭৮৯৬ নম্বৰৰ মেক্সিম বাহনখনৰ চালকে সুৰাৰ ৰাগীত দুৰ্ঘটনা সংঘটিত কৰা বুলি অভিযোগ ছয় পৃষ্ঠাত চাওক

Directorate of Museums
Indigenous and Tribal Faith and Culture Department
organises
A Special Exhibition
"Tradition and Art of Terracotta"
by the participants of the Creative Museum Summer Programme 2022
organised by the Assam State Museum, Ambari, Ghy
Date: 2nd August to 12th August 2022
Venue: Assam State Museum, Ambari
Time: 10.00 am - 4:30 pm
Closed on Mondays and on all public holidays
R.S.V.P: assamstatemuseum@gmail.com
জনসংযোগ/ছি/১৫৭৭/২২



১৯৬৩ৰ পৰাই চলি আছে ঠেকেৰাগুৰিৰ ডাব নাৰিকলৰ ব্যৱসায়

ডাব নাৰিকলৰ ব্যাপক চাহিদাৰ বিপৰীতে উৎপাদন প্ৰতি বছৰে হ্ৰাস পাইছে



## তৃষ্ণাতুৰ পথিকক হাতবাউল দি মাতে ঠেকেৰাগুৰিৰ ডাব নাৰিকলে

বিশেষ সংবাদদাতা

**নগাঁও, ১ আগষ্ট ঃ** ঠেকেৰাগুৰি। তৃষ্ণাতুৰ পথিকৰ বাবে এক চিনাকি নাম। প্ৰধানকৈ পথৰ দাঁতিত থকা শাৰী শাৰী ডাব নাৰিকলৰ অস্থায়ী দোকানসমূহৰ বাবেই প্ৰখ্যাত এই ঠেকেৰাগুৰি। মৰিগাঁও জিলাৰ জাগীৰোড বিধানসভা সমষ্টিৰ অন্তৰ্গত সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱাৰ জন্মস্থান আঁহতগুৰিৰ সমীপৰ নগাঁও- মৰিগাঁও জিলাৰ সীমান্তৱৰ্তী ঠেকেৰাগুৰিক ৰাজ্যবাসীৰ বাহিৰেও দেশ-বিদেশৰ লোকে ডাব নাৰিকলৰ বাবেই চিনি পায়। নামনিৰ পৰা উজনিলৈ যোৱা আৰু উজনিৰ পৰা নামনিলৈ যোৱা যাত্ৰীৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু সত্ৰ নগৰী মাজুলীলৈ যোৱা দেশ-বিদেশৰ পৰ্যটকৰ বাবে নাৰিকলৰ ডাবৰ অমৃতসম পানীৰে তৃষ্ণা পূৰণৰ লগতে এডোখৰ জিৰণীৰ স্থান এই ঠেকেৰাগুৰি। ৰহা চাৰিআলিৰ পৰা প্ৰায় ১৩ কিলোমিটাৰ পশ্চিমে অৱস্থিত এই ঠাইডোখৰেই হৈছে ভাৰত তথা পৃথিৱীৰ বিভিন্ন দেশৰ পৰা অসমলৈ অহা বিদেশী পৰ্যটকৰ জিৰণীৰ স্থল। ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী মঙলবাৰ ১৬ শাওণ ১৪২৯ ভাস্কৰাব্দ ২ আগষ্ট ২০২২

# সম্ভৱপৰ হ'বনে?

বতৰ বিজ্ঞান বিভাগৰ প্ৰতিবেদনত প্ৰকাশ পোৱা মতে দেশত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ পৰিবলৈ ধৰিছে। ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিৱৰ্তনৰ আন্তঃৰাষ্ট্ৰীয় কমিটী (আই পি চি চি)য়ে গোলকীয় তাপমাত্ৰা অথবা উষ্ণতা ১.৫ ডিগ্ৰী চেলছিয়াছত সীমিত বা নিয়ন্ত্ৰিত কৰি ৰখাত ব্যৰ্থ হ'লে জলবায়ু পৰিৱৰ্তনে ভয়ংকৰ ৰূপ লোৱাৰ আগজাননী দিছে। ইয়াৰ ফলত পৃথিৱীত জলবায়ুৰ মহাপ্ৰলয় সৃষ্টি হ'ব বুলি কৈছে আই পি চি চিয়ে। উল্লেখ্য যে ঔদ্যোগিক বিপ্লৱৰ সময়ৰে পৰা গোলকীয় তাপমাত্ৰা ১.৫ ডিগ্ৰী চেলছিয়াছ বৃদ্ধি পাইছে; কিন্তু ইয়াক নিয়ন্ত্ৰণ বা সীমিত কৰি ৰখাত ব্যৰ্থ হ'লে জলবায়ু পৰিৱৰ্তনে মহাপ্ৰলয় সৃষ্টি কৰিব। ৰাষ্ট্ৰসংঘৰ মতে অহা ২০৩০ৰ ভিতৰত বিশ্বৰ মুঠ কাৰ্বন নিৰ্গমন ৪৩ শতাংশ হ্ৰাস কৰাটো জৰুৰী। কাৰ্বন নিৰ্গমন বন্ধ বা হ্ৰাস কৰিব নোৱাৰিলে জলবায়ুৰ মহাপ্ৰলয় সৃষ্টি হ'ব। উত্তপ্ত বতাহ, বনজুই, সমুদ্ৰৰ জলপৃষ্ঠৰ উচ্চতা বৃদ্ধি, হিমবাহসমূহ শুকাই যোৱা, খৰাং পৰিস্থিতি, ঘূৰ্ণীবতাহ, ধুমুহা আদি বিশ্বজুৰি দেখিবলৈ পোৱা যাব। বিশেষকৈ খৰাং আৰু সমুদ্ৰৰ জলপৃষ্ঠৰ উচ্চতা বৃদ্ধিয়ে ভাৰতৰ দৰে উন্নয়নশীল দেশবোৰত, আফ্ৰিকাৰ দৰিদ্ৰ দেশবোৰত পৰিস্থিতি অধিক ভয়াৱহ কৰি তুলিব। কৃষি উৎপাদন বন্ধ বা হ্ৰাসৰ ফলত খাদ্যাভাৱে দেখা দিব। সমুদ্ৰৰ জলপৃষ্ঠৰ উচ্চতা বৃদ্ধিয়ে বহু দেশৰ বৃহৎ বৃহৎ অঞ্চল পানীত বুৰাই পেলাব। লাখ লাখ লোকে নিৰাপদ আশ্ৰয়স্থল বিচাৰি প্ৰব্ৰজন আৰম্ভ কৰিব। বিশ্বজুৰি ভয়ংকৰ আৰ্থিক সংকটে দেখা দিব। লাখ লাখ প্ৰজাতিৰ প্ৰাণী তথা উদ্ভিদ বিলুপ্তিৰ মুখত পৰিব। জৈৱ পৰিৱেশ তথা জৈৱ-বৈচিত্ৰ্য ধ্বংসৰ মুখত পৰিব। খাদ্য সংকট, কৃষি উৎপাদন হ্ৰাস আৰু নানান ৰোগ-ব্যাধিয়ে দেখা দিব সমগ্ৰ বিশ্বত। ইতিমধ্যে জলবায়ু পৰিৱৰ্তনৰ ফলত তাপমাত্ৰা অত্যধিক বৃদ্ধিৰ উপৰি খৰাং আৰু অপ্ৰত্যাশিত ধুমুহা-বৰষুণ আদি বিশ্বৰ বিভিন্ন অঞ্চলত দেখা দিব।

গোলকীয় তাপমাত্ৰা বৃদ্ধি নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে জলবায়ু পৰিৱৰ্তনে ভয়ংকৰ ৰূপ লোৱাটো নিশ্চিত। গোলকীয় তাপমাত্ৰা বা উষ্ণতা বৃদ্ধি হ্ৰাস বা ৰোধ কৰিবলৈ হ'লে কাৰ্বন নিৰ্গমন ৰোধ কৰিবই লাগিব। জলবায়ু পৰিৱৰ্তনৰ আন্তঃৰাষ্ট্ৰীয় সন্মিলনে কাৰ্বন নিৰ্গমন হ্ৰাস বা কৰ্তনৰ বাবে নিৰ্দিষ্ট সময়সীমা ঘোষণা কৰিছে। এই ক্ষেত্ৰত নেট জিৰ' কাৰ্বন নিৰ্গমনৰ প্ৰস্তাৱ অত্যন্ত গুৰুত্বপূৰ্ণ। পেৰিছত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় জলবায়ু পৰিৱৰ্তন সন্মিলনত স্বাক্ষৰিত নেট জিৰ' কাৰ্বন চুক্তি অনুসৰি অহা ২০৫০ৰ ভিতৰত গ্ৰীণ হাউছ গেছ নিৰ্গমন ১.৫ ডিগ্ৰী চেলছিয়াছৰ ভিতৰত সীমিত কৰি ৰাখিব লাগিব। অৰ্থাৎ গোলকীয় উষ্ণতা দুই ডিগ্ৰী চেলছিয়াছৰ তলত ৰাখিব লাগিব। ইয়াৰ বাবে প্ৰয়োজন হ'ব কয়লা, পেট্ৰ'ল, ডিজেল আদি পৰম্পৰাগত ইন্ধনৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ হোৱাটো। ভাৰতে অহা ২০৩০ৰ ভিতৰত সকলো যান-বাহন বৈদ্যুতিক বা বিদ্যুৎচালিত কৰা হ'ব বুলি ঘোষণা কৰিছে; কিন্তু কয়লাৰ ব্যৱহাৰ বন্ধ কৰাৰ ক্ষেত্ৰত ভাৰতে অধিক সময় বিচাৰিছে। ভাৰতে ২০৭০ৰ ভিতৰত নেট জিৰ' নিৰ্গমনৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। ভাৰতৰ কয়লা নিৰ্ভৰ উদ্যোগসমূহ বন্ধ কৰা আৰু সেই উদ্যোগসমূহৰ পৰিৱৰ্তে কাৰ্বনশূন্য প্ৰদূষণমুক্ত প্ৰযুক্তিৰ ব্যৱহাৰৰ যোগেদি নতুন উদ্যোগ স্থাপন বৰ্তমান সময়ত সম্ভৱ নহয়। বিশেষজ্ঞসকলে ভাৰতে জিৰ' কাৰ্বন নিৰ্গমনৰ সময়সীমা ২০৭০ৰ পৰিৱৰ্তে ২০৬০ কৰিব পাৰে বা কৰিব লাগে বুলিও পৰামৰ্শ দিছে। চীনেও ২০৬০ৰ কথা কৈছে। জিৰ' কাৰ্বনৰ প্ৰতিশ্ৰুতিৰ ক্ষেত্ৰত ভাৰতে এইদৰে পলম কৰাৰ ফল ক্ষতিকাৰক হোৱাৰ আশংকাই বেছি; কিন্তু ২০৩০ৰ ভিতৰত পেট্ৰ'ল-ডিজেল চালিত যান-বাহনৰ পৰিৱৰ্তে সকলো যান-বাহন বৈদ্যুতিক কৰাটোও হ'ব ভাৰতৰ বাবে ডাঙৰ প্ৰত্যাহ্বান।

## খোলা মঞ্চ

### অৰ্ধ শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা



মানৱ সভ্যতাত সংবাদ মাধ্যমে এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰাৰ লগতে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপেও মানৱ সমাজত এক গতিশীল ভূমিকা গ্ৰহণ কৰি আহিছে। অগ্ৰদূত কাকতখনে প্ৰথমাৱস্থাত পযেকীয়া কাকত হিচাপে প্ৰতিষ্ঠান লভি সমাজত সমাদৰ লাভ কৰাৰ পাছত তিনিদিনীয়া কাকত হিচাপে নিয়মীয়াভাৱে প্ৰকাশিত হৈ পঢ়ুৱৈ সমাজৰ মাজত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰি আহিছে। অগ্ৰদূত কাকতে পঢ়ুৱৈ সমাজত উজ্বল নক্ষত্ৰৰ দৰে জিলিকি উঠাত অতি উৎসাহ আৰু গৌৰৱোজ্বলবোধ কৰি ১৯৯৫ত কনকসেন ডেকাই মুখ্য সম্পাদক হিচাপে বলিষ্ঠ পদক্ষেপেৰে 'দৈনিক অগ্ৰদূত' প্ৰকাশ কৰিবলৈ লয়। মুখ্য সম্পাদক কনকসেন ডেকা আৰু সম্পাদক প্ৰাঞ্জলসেন ডেকাৰ অশেষ কষ্ট, ত্যাগৰ ফলত দৈনিক অগ্ৰদূত কাকতখনে পঢ়ুৱৈ সমাজৰ হৃদয় স্পৰ্শ কৰি প্ৰতিজন অগ্ৰদূত প্ৰেমীৰ মন দাপোনত ভোটা তৰাৰ দৰে জিলিকি উঠিছে। বৰ্তমানলৈ সংবাদ জগতত যি কেইখন সংবাদ পত্ৰই নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিছে তাৰ ভিতৰত 'দৈনিক অগ্ৰদূত' কাকতখনেও অন্যতম ভূমিকা গ্ৰহণ কৰি আহিছে। অগ্ৰদূত কাকতখনে নিৰ্ভীক আৰু সাহসিকতাৰ পৰিচয় দি লেখক লেখিকাসকলৰ মনৰ ভাৱবোৰ বলিষ্ঠ ৰূপত প্ৰকাশ কৰাৰ সুবিধা দি আহিছে। এই কাকতখনৰ জৰিয়তে নিজৰ লিখনি প্ৰকাশ কৰি বহুতো লেখক, লেখিকাই, সাহিত্যিক হোৱাৰ সুযোগ পাইছে। অগ্ৰদূতত লেখক-লেখিকাসকলে গল্প-প্ৰৱন্ধ আদি লিখি অসমীয়া সমাজৰ মাজত জাতীয় চেতনাবোধ জগাই তুলিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰি সম্পাদকীয় লিখনিৰে সমাজ সংস্কাৰৰ দিশবোৰ মানুহৰ মাজত প্ৰচাৰ কৰি আহিছে। আনৰ কথাতো বাদেই, মই নিজেই দৈনিক অগ্ৰদূত কাকতৰ জৰিয়তে কবিতা লিখাৰ সুবিধা পাইছো। খোলা মঞ্চত লিখা কথাবোৰ নিৰ্ভীকভাৱে ছপা কৰি উলিওৱা বাবে মই অগ্ৰদূত কাকতখনৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছো। অসমত হত্যা, ধৰ্ষণ, লুণ্ঠন, নাৰী কেলেংকাৰি, ঘোচখোৰ, ড্ৰাগছৰ অবাধ প্ৰচলনৰ লগতে ভূমি বেদখলকাৰীৰ বিৰুদ্ধে নিৰ্ভীক আৰু সাহসিকতাৰ পৰিচয় দি 'দৈনিক অগ্ৰদূত'ৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰি জনসাধাৰণৰ মনত প্ৰতিবাদী মনোভাৱ জগাই তোলাৰ লগতে প্ৰশাসনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। শব্দৰ বাহক ভাষাৰ লালিত্য আদিৰে পূৰ্ণতা অৰ্জন কৰি অৰ্ধ শতাব্দী অতিক্ৰম কৰা অগ্ৰদূত কাকতখনে পঢ়ুৱৈ সমাজৰ লগতে লেখক, লেখিকা, কবি-সাহিত্যিক, বুদ্ধিজীৱী আদিক ন উদ্যমেৰে লিখনি আগবঢ়াই নিয়াৰ কামনা কৰাৰ লগতে অগ্ৰদূত সম্প্ৰীতিৰ বাহক ৰূপে আগবাঢ়ি গৈ পূৰ্ণতা লাভ কৰক, এয়ে কামনা।

**মনমোহন চৌধুৰী,** লেখক

ফোন ঃ ৭০০২১৩১৫৪৩

# অসমত জেহাদী-সন্ত্ৰাসবাদীৰ কাৰ্যকলাপ

## দৰিদ্ৰ মিঞা জনসাধাৰণৰ পৃথক ৰাজ্য বা দেশক লৈ কোনো মতলব নাই

অসমত জেহাদী সন্ত্ৰাসবাদীৰে সম্পৰ্ক থকাৰ অভিযোগত দুখনমান মাদ্ৰাছা ৰাজ্য চৰকাৰে ইতিমধ্যে বন্ধ কৰি দিছে। একে অভিযোগতে আৰু কেইখনমান মাদ্ৰাছাও বন্ধ কৰাৰ সম্ভাৱনা আছে। এই ক্ষেত্ৰত চৰকাৰৰ স্থিতি স্পষ্ট আৰু দৃঢ়। অসমত চৰকাৰী মাদ্ৰাছা আৰু নাই। যিবোৰ মাদ্ৰাছা চলি আছে, সকলোবোৰ ব্যক্তিগত খণ্ডৰ। চৰকাৰে ব্যক্তিগত খণ্ডত বিদ্যালয় বা উচ্চ শিক্ষা প্ৰতিষ্ঠানবোৰৰ স্থাপনত উৎসাহহে যোগাই আহিছে। ধৰ্মমতৰ অনুসৰণ, অনুশীলন বা প্ৰচাৰো নাগৰিকসকলৰ সাংবিধানিক অধিকাৰ। গতিকে ব্যক্তিগত খণ্ডত মাদ্ৰাছাবোৰো চলি আছে আৰু হয়তো আগলৈয়ো চলি থাকিব— অন্ততঃ যেতিয়ালৈকে দেশৰ অখণ্ডতা আৰু নিৰাপত্তাৰ প্ৰতি সেইবোৰ ভাবুকি হৈ নপৰে।

খেলি-মেলিবোৰ লগাইছে জেহাদী সন্ত্ৰাসবাদীবোৰেহে। এই সন্ত্ৰাসবাদী বা জেহাদীসকলৰ বাবে বৰপেটা, নগাঁও, মৰিগাঁও আদি মিঞা বসতিপ্ৰধান জিলাকেইখন মুক্তাঞ্চলৰ দৰে হৈ পৰিছে। বৰপেটাত এনে ৮/৯ জন জেহাদীক আৰক্ষীয়ে ইতিমধ্যে আটক কৰিছে। মৰিগাঁও জিলাৰো মৈৰাবাৰী থানা অঞ্চলত থকা 'জমিউল হুদা' নামৰ মাদ্ৰাছাখনৰ পৰিচালকজনক জেহাদী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে। তেওঁৰ লগতে মৰিগাঁও চহৰৰ আন এজন জেহাদী লিংকমেনকো গ্ৰেপ্তাৰ কৰা হৈছে। 'জমিউল হুদা' নামৰ মাদ্ৰাছাখনো বন্ধ কৰি দিয়া হৈছে। আৰক্ষীৰ খবৰ মতে এই জেহাদীবোৰৰ সম্পৰ্ক বাংলাদেশস্থিত 'আনছাৰুল্লাহ বাংলা টীম' নামৰ জেহাদী সংগঠনটোৰ লগত এই জেহাদী সংগঠনটোৰ লক্ষ্য হৈছে অসমক অস্থিৰ কৰা আৰু মিঞা বসতিপূৰ্ণ নামনি আৰু মধ্য অসমক হয় বাংলাদেশৰ লগত চামিল কৰা, নহয় এখন পৃথক মুছলমান দেশ বা ৰাজ্যত পৰিণত কৰা। এটা ভয়ানক ষড়যন্ত্ৰ। অধিক দুশ্চিন্তাৰ কাৰণ হৈছে এয়ে যে সেই ষড়যন্ত্ৰক বাস্তৱায়িত কৰিব পৰা এক বৃহৎ আৰু ব্যাপক জনসংখ্যাৰ সমাজ এখন ষড়যন্ত্ৰকাৰীসকলে হাততে পাই গৈছে তেওঁলোকৰ নিৰাপদ আশ্ৰয়স্থল আৰু শক্তিৰ উৎস হিচাপে।

এই জেহাদীসকলে বিদেশৰ ধনেৰে কেতবোৰ মাদ্ৰাছা স্থাপন কৰা নাইবা পুৰণি মাদ্ৰাছাত শিক্ষক





হিচাপে নিযুক্ত হৈ থকা ঘটনাবোৰ এটা-দুটাকৈ পোহৰলৈ আহিছে। জেহাদীৰ ধৰ্মান্ধ তথা বিচ্ছিন্নতাবাদী কাৰ্যকলাপবোৰ দেশৰ নিৰাপত্তা আৰু অখণ্ডতাৰ প্ৰতি পোনপটীয়া ভাবুকি। সেয়ে জেহাদী জড়িত থকা নাইবা জেহাদী কাৰ্যকলাপত লিপ্ত



**অসবৰ্ণ**

**হীৰেন গগৈ**

থকা মাদ্ৰাছাকেইখন চৰকাৰে বন্ধ কৰিছে আৰু এনে মাদ্ৰাছাৰ সংখ্যা আৰু বাঢ়িব বুলিও আশংকা প্ৰকাশ কৰিছে। কেৱল সন্দেহৰ ভিত্তিত চৰকাৰে মাদ্ৰাছাবোৰ বন্ধ কৰিব নোৱাৰে; কিন্তু তাৰ বাবেই চৰকাৰক হেঁচা দিছে বিশ্ব হিন্দু মহাসংঘৰ অধ্যক্ষ তথা দক্ষিণপাট গৃহাশ্ৰমী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে। তেওঁৰ যুক্তি, অসমত শেষৰখন মাদ্ৰাছা থকালৈকে জেহাদী থাকিব; গতিকে সকলো মাদ্ৰাছা বন্ধ কৰি দিব লাগে। অৱশ্যে তেওঁৰ দাবী চৰকাৰে মানি ল'ব পাৰিব বুলি আশা কৰিব নোৱাৰি। এ আই ইউ ডি এফ আৰু কংগ্ৰেছৰ মিঞা বিধায়ক দুজনমানেও দেৱগোস্বামীক উভতি ধৰিছে। এনেকৈ উভতি ধৰা মানুহ লাখে লাখে অসমত আছে। লাখে লাখে নহয়, কোটিৰো উৰ্ধ্বত। তেওঁলোকে নিজৰ প্ৰয়োজনত যিকোনো কাণ্ড অসমত ঘটাব পাৰে। বৰপেটাত এন-আৰ-চিৰ পাইলট প্ৰজেক্টটো হাংগামা কৰি বন্ধ কৰি দিয়া মানুহবোৰো আছিল এওঁলোকেই। অসমৰ এইটো অতি নিষ্ঠুৰ বাস্তৱ। চৰকাৰে আইন-কানুন মানিয়েই আগবাঢ়িব লাগিব।

বস্তু এটাৰ পৰিমাণ বাঢ়ি বাঢ়ি গৈ থাকিলে এটা সময়ত বস্তুটোৰ গুণৰো পৰিৱৰ্তন ঘটেগৈ। ই বিজ্ঞানো, দৰ্শনো। কোনো এখন ঠাইত বহিৰাগতৰ সংখ্যা যেতিয়ালৈকে কম হৈ থাকে, পৃথক পৰিচয়ৰ বাসনাও তেওঁলোকৰ অৱদমিত হৈ থাকে। থলুৱাক প্ৰত্যাহ্বান জনোৱাৰ দুঃসাহসো তেওঁলোকে নকৰে; কিন্তু যেতিয়াই তেওঁলোকৰ জনসংখ্যা এটা নিৰ্দিষ্ট পৰ্যায়লৈ বাঢ়ি গৈ থলুৱাক প্ৰত্যাহ্বান জনাব পৰা হ'ব, তেতিয়া তেওঁলোকৰ আচৰণ, কথা-বতৰা, কাম-কাজ সকলোবোৰলৈ এটা পৰিৱৰ্তন আহিবই। জনসংখ্যা বাঢ়ি গ'লে সম্প্ৰদায়গত বা ভাষা-ধৰ্মগত ভয়-শংকাবোৰ নোহোৱা হয়, আত্ম পৰিচয়ৰ বাসনা তীব্ৰতৰ হয়, প্ৰতিৰোধ-প্ৰত্যাক্ৰমণৰ প্ৰৱণতা বাঢ়ি যায় আৰু নিজৰ সাংস্কৃতিক প্ৰভাৱ বিস্তাৰৰ কুচকাৱাজবোৰো আৰম্ভ হয়। একালৰ সংখ্যালঘু কালক্ৰমত কেনেবাকৈ সংখ্যাগুৰু জনসমষ্টিত পৰিণত হ'বলৈ হ'লে তেওঁলোকে থলুৱাৰ পৰিচয়ো গাৰ বলেৰে কাঢ়ি ল'ব পাৰে। গণতন্ত্ৰই হওক বা ৰাজতন্ত্ৰই হওক, সংখ্যাবল সদায় এটা নিৰ্ণায়ক শক্তি হ'বই।

অসমত জনসংখ্যাৰ বলেৰে ৰাজনীতি, সমাজ, সংস্কৃতি আদি প্ৰায়বোৰ ক্ষেত্ৰতে আধিপত্য বিস্তাৰ কৰা সম্প্ৰদায়টো হৈছে বংগমূলীয় মিঞা মুছলমানসকল। ৰাজ্যৰ খেতি-বাতি, বিভিন্ন ধৰণৰ বৃত্তি আৰু শাৰীৰিক শ্ৰম- নিৰ্ভৰ কাম-কাজবোৰতো তেওঁলোকৰে একাধিপত্য। কঠোৰ পৰিশ্ৰম তেওঁলোকৰ মূলধন। সেই শ্ৰম ক্ষমতাইও তেওঁলোকক প্ৰবল আত্মবিশ্বাসী আৰু আগ্ৰাসী কৰি তুলিছে। যিকোনো শ্ৰম কৰিব পাৰে কাৰণে দাৰিদ্ৰলৈয়ো তেওঁলোকৰ কোনো ভয় নাই। দৰিদ্ৰ হৈ, কৰ্মহীন হৈ, অনাহাৰে মৰাৰ ভয় নাই কাৰণেই পালে পালে সন্তান জন্ম দিবলৈও তেওঁলোকে ভয় নকৰে। আল্লাৰ ভৰসাত ল'ৰা-ছোৱালীবোৰক কেউফালে মেলি দিয়ে। সেয়ে তেওঁলোকৰ জনসংখ্যা অবাধ গতিৰে বাঢ়ি গৈ আছে আৰু তাৰ লগে লগে তেওঁলোকৰ মাজত জেহাদী, সন্ত্ৰাসবাদী, বিচ্ছিন্নতাবাদী উপাদানবোৰৰ সৃষ্টিও হৈ আছে। সৰ্বসাধাৰণ শ্ৰমজীৱী মিঞা মুছলমানসকল মৌলবাদী আৰু জেহাদীসকলৰ খেলা সামগ্ৰীত পৰিণত হৈছে।

**জনসংখ্যা বাঢ়ি গ'লে সম্প্ৰদায়গত বা ভাষা-ধৰ্মগত ভয়-শংকাবোৰ নোহোৱা হয়, আত্ম পৰিচয়ৰ বাসনা তীব্ৰতৰ হয়, প্ৰতিৰোধ-প্ৰত্যাক্ৰমণৰ প্ৰৱণতা বাঢ়ি যায় আৰু নিজৰ সাংস্কৃতিক প্ৰভাৱ বিস্তাৰৰ কুচকাৱাজবোৰো আৰম্ভ হয়।**

এই মিঞা মুছলমানসকলৰ সম্প্ৰসাৰণৰ বিপৰীতে থলুৱা লোকসকলৰ সংকোচন ঘটি আছে সমাজ, অৰ্থনীতি, ৰাজনীতি সকলো ক্ষেত্ৰতে। খেতি-বাতি আৰু ভিন ভিন বৃত্তিৰ পৰা তেওঁলোক বিচ্ছিন্ন হৈ পৰিছে। লাহে লাহে থলুৱা লোকসকল পৰজীৱী ৰঘুমলালৈ ৰূপান্তৰিত হৈ গৈ আছে।

ডাঙৰ ডাঙৰ ব্যৱসায়বোৰ সমগ্ৰতে দখল কৰিছে মাৰোৱাৰী বণিয়াসকলে। সেইখন বৃহৎ ব্যৱসায়ৰ দুনিয়াত অসমীয়াৰ প্ৰৱেশাধিকাৰেই নাই বুলি ক'ব লাগিব। গতিকে সেই ফালেও থলুৱা অসমীয়াৰ থিয় দিয়াৰ ঠাই অকণ নোহোৱা হ'ল। ব্যৱসায় আৰু ধনবলত মাৰোৱাৰীসকল এতিয়া সকলোৰে উৰ্ধ্বত। গতিকে তেওঁলোকৰ ভাষিক-সাংস্কৃতিক দপ্‌দপনিও অসমত দিনক দিনে চৰি গৈছে; কিন্তু তেওঁলোকক পৃথক দেশ বা ৰাজ্য নালাগে। ব্যৱসায়ৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত পৃথকত্ববাদ ক্ষতিকাৰকহে হয়, সহায়ক নহয়। হিন্দুত্বৰ সম্প্ৰসাৰণ আৰু হিন্দুত্ববাদী চৰকাৰ থাকিলেই তেওঁলোকৰ নিৰাপত্তা নিশ্চিত হয় আৰু আৰ্থিক-সাংস্কৃতিক দুয়োবিধ আগ্ৰাসনো চলি থাকিব পাৰে।

মিঞা মুছলমানসকলক লৈ সমস্যা হৈছে তেওঁলোকৰ ধৰ্মান্ধতা আৰু সম্প্ৰসাৰণবাদী চৰিত্ৰ। দেশ বিভাজনৰ সময়ত মুছলিম লীগৰ নেতাসকলে অসমখনক পূৱ বংগ বা পূব পাকিস্তানত অন্তৰ্ভুক্ত কৰিবলৈ জোৰ চেষ্টা চলাইছিল। সেই যাত্ৰাত তেওঁলোক সফল নহ'ল; কিন্তু অসমখন মুছলমান লোকেৰে ভৰাই দিয়াৰ এটা নতুন ষড়যন্ত্ৰ পূব পাকিস্তানৰ ৰাজনৈতিক আৰু ধৰ্মীয় নেতাসকলে আৰম্ভ কৰিলে। পাছলৈ বাংলাদেশ স্বাধীন হ'ল যদিও অসমলৈ মুছলমান প্ৰেৰণৰ নীতি একে থাকিল। অসম তথা পূৰ্বোত্তৰৰ মুকলি ঠাইবোৰ আৰু বনাঞ্চলবোৰ বংগমূলীয় মুছলমানৰ বাসভূমি কৰাৰ সপোন তেওঁলোকে দেখি থাকিল। পূব-পাকিস্তান বা বাংলাদেশৰ জনসংখ্যাৰ চাপ কমোৱাৰ বাবে পূৰ্বোত্তৰলৈ মুছলমানৰ প্ৰব্ৰজন ঘটোৱাটো তেওঁলোকৰ বাবে জৰুৰী হৈ পৰিছিল।

ইতিমধ্যে মধ্য আৰু নামনি অসমত মিঞাসকলৰ সাংখ্যিক আধিপত্য কায়েম হৈছেই! ন/১০ খন জিলাৰ নিৰ্ণায়ক ৰাজনৈতিক শক্তিও তেওঁলোকেই। গতিকে জেহাদীসকলৰ বৃহত্তৰ বাংলাদেশ গঠনৰ সপোনটোৱেও তেওঁলোকক দিনে-ৰাতিয়ে খেদিবলৈ লৈছে। অসমখনৰ বিভাজন ঘটাই মিঞাপ্ৰধান জিলাবোৰক লৈ পৃথক ৰাজ্য এখন কৰিব পাৰিলেই বাংলাদেশৰ স'তে সেইখনক যুক্ত কৰাৰ ৰাস্তা মুকলি হ'ব।

এনেয়ে দৰিদ্ৰ মিঞা জনসাধাৰণৰ পৃথক ৰাজ্য বা দেশক লৈ কোনো মতলব নাই। তেওঁলোকক জীৱিকা আৰু বাসস্থানৰ নিৰাপত্তাহে লাগে; কিন্তু তেওঁলোকক এনেদৰে ধৰ্মান্ধ কৰি ৰখা হৈছে যে ধৰ্মৰ নাম ল'লেই তেওঁলোক উন্মাদ আৰু আগ্ৰাসী হৈ পৰে। জেহাদী-সন্ত্ৰাসবাদীসকলে সেয়ে সৰ্বসাধাৰণ মুছলমানসকলৰ মাজত ধৰ্মীয় অন্ধবিশ্বাস আৰু কু-সংস্কাৰবোৰৰ প্ৰচলন যিমান পাৰে বঢ়াবলৈ চেষ্টা কৰি আছে। তাকে কৰিব পাৰিলে নতুন নতুন জেহাদীৰ সৃষ্টি কৰাটোও সহজ হয়। সেয়ে সিহঁত মাদ্ৰাছাবোৰতো সোমাই পৰিছে; যাতে ছাত্ৰ-ছাত্ৰীসকলক গোড়া ইছলামিক শিক্ষাৰে জেহাদীৰ ৰূপত গঢ়ি তুলিব পাৰি।

অসমত জেহাদীসকলৰ মুক্ত কাম-কাজৰ বাবে সুচল পৰিৱেশ এটা ইতিমধ্যে সৃষ্টি হৈ গৈছে। গতিকে জেহাদীবোৰৰ সংখ্যা আৰু কাম-কাজ দুয়োটাই বাঢ়ি আহিছে। চৰকাৰ আৰু আৰক্ষী বাহিনী সতৰ্ক হ'বই লাগিব আৰু হৈছেও; কিন্তু মিঞা ৰাজনীতিকসকলে মুখেৰে জেহাদীৰ বিৰুদ্ধাচৰণ কৰিলেও, জেহাদীবোৰক এনকাউণ্টাৰ কৰি মাৰিব লাগে বুলি উচ্চ-বাচ্য কৰি থাকিলেও, ভিতৰি জেহাদ আৰু জেহাদীৰ প্ৰতি তেওঁলোকৰ মনোভাৱ কিছু নৰম হ'লেও আচৰিত কথা নহ'ব। তেওঁলোকে যে চৰকাৰৰ 'ঘৰে ঘৰে ত্ৰিৰংগা' কাৰ্যসূচীৰো বিৰোধিতা কৰিছে, তাৰ অন্তৰালতো দেশীয় প্ৰতীকটোৰ প্ৰতি তেওঁলোকৰ আনুগত্যৰ কিছু ঘাটি থকা যেন লাগে।

দেশৰ প্ৰতি আনুগত্য অটুট থাকিলে জাতীয় পতাকাখন উত্তোলন কৰাত নাইবা ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰাৰ সময়ত থিয় দিয়াত আপত্তি জনোৱা বা অসহযোগ কৰাৰ প্ৰৱণতা নিয়মমতে থাকিব নালাগে। তেওঁলোকে অলপ সুৰুঙা পালেই জেহাদীৰ সপক্ষেও কথা ক'বলৈ সংকোচবোধ নকৰিব। সেয়ে চৰকাৰে অতি সাৱধানেৰে আৰু আইন-কানুন মানি আগবঢ়াৰ বাহিৰে অন্য উপায় নাই।

ফোন ঃ ৮৮১১৮২৭৪৩২

# অসাধু পুত্ৰই বৃদ্ধকালত পিতৃ-মাতৃক দুখ দিয়ে

**ঈশ্বৰৰ** পাছতে সন্তানৰ বাবে নমস্য ব্যক্তিদ্বয় হ'ল পিতৃ-মাতৃ। কিয়নো পিতৃ-মাতৃয়ে নাখায় নিপিন্ধি সন্তানক খুৱাই ধুৱাই ডাঙৰ দীঘল কৰে। শিক্ষা-দীক্ষা দিয়ে। এনেদৰে সন্তানক ডাঙৰ দীঘল কৰোতে হোৱা দুখ কষ্ট কিম্বা ত্যাগক প্ৰকৃত পিতৃ-মাতৃয়ে কেতিয়াও অনুভৱ নকৰে। বৰং সন্তানসকল পঢ়ি শুনি আগবাঢ়ি গ'লে অথবা ডাঙৰ মানুহ হ'লে পিতৃ-মাতৃৰ মন আনন্দৰে ভৰি পৰে। সন্তানৰ কৃতিত্বত সকলো পিতৃ-মাতৃ সুখী হয়। কোনো জ্ঞানী গুণী পিতৃ-মাতৃয়ে সন্তানক অনাদৰ অৱহেলা নকৰে। তেওঁলোকৰ অমংগলৰ কথাও ঘুণাক্ষৰেও নাভাবে। ক'বলৈ গ'লে বুকুৰ তেজপানী কৰি পিতৃ-মাতৃয়ে সন্তানৰ আদৰ যত্ন লয়। সেয়েহে পিতৃ-মাতৃ সন্তানৰ বাবে পৰম দেৱতা। গতিকে পিতৃ মাতৃৰ প্ৰতিও সন্তানৰ নিশ্চয় দায়িত্ব আৰু কৰ্তব্য আছে। সেই দায়িত্ব আৰু কৰ্তব্য সকলো সন্তানে নিষ্ঠাৰে পালন কৰা উচিত। বিশেষকৈ বৃদ্ধখালত সন্তান সকলে পিতৃ-মাতৃক সেৱা-শুশ্ৰূষা কৰিব লাগে। সৎ পুত্ৰই বৃদ্ধকালত পিতৃ-মাতৃক চোৱাচিতা কৰে। এনে পুত্ৰই পিতৃ-মাতৃৰ সুখত সুখী আৰু দুখত দুখী হৈ ছাঁৰ দৰে লগত থাকে। ই আমাৰ দেশৰ পৰম্পৰা তথা ঐতিহ্য। পৌৰাণিক আখ্যান

**অভিমত**

উপাখ্যানতো এনে উদাহৰণ পোৱা যায়। শ্ৰৱণ মুনিৰ পিতৃ-মাতৃৰ প্ৰতি থকা ভাব ভক্তিৰ কথা আমি সকলোৱে জানো। যাৰ প্ৰভাৱ মহাত্মা গান্ধীৰ জীৱনৰ ওপৰতো গভীৰ ভাৱে পৰিছিল। অযোধ্যাৰ ৰামেও পিতৃৰ আজ্ঞা পালি বাৰ বছৰ বনবাস খাটিছিল। এয়াই সাধু পুত্ৰসকলৰ পিতৃ-মাতৃৰ প্ৰতি থকা অকৃত্ৰিম শ্ৰদ্ধা ভক্তিৰ উদাহৰণ। আনহাতে, অসাধু পুত্ৰই পিতৃ-মাতৃৰ দুখ কষ্ট কিম্বা ত্যাগক সোনকালে পাহৰি যায়। বিয়া বাৰু কৰোৱাৰ পাছতেই তেওঁলোকে জন্মদাতা পিতৃ-মাতৃক অনাদৰ অৱহেলা কৰিব ধৰে। অসাধু পুত্ৰই বৃদ্ধকালত পিতৃ-মাতৃক নিৰ্যাতন চলোৱাটো বৰ্তমান সমাজৰ এখন চিনাকি ছবি। অশিক্ষিত বা অৰ্ধশিক্ষিত পুত্ৰসকলৰ লগতে শিক্ষিত পুত্ৰ সকলৰো এচামে আজি কালি বৃদ্ধ পিতৃ মাতৃক বোজা বুলি ভাবিবলৈ লৈছে। তেওঁলোকৰ ওপৰত শাৰীৰিক, মানসিক নিৰ্যতন চলাবলৈ ধৰিছে। উচ্চ শিক্ষাৰে শিক্ষিত চিকিৎসক, অভিযন্তা আদি মেধাৱী পুত্ৰৰ হাততো বৃদ্ধ পিতৃ-মাতৃ লঘু-লাঞ্ছিত হোৱাৰ উদাহৰণ আজিৰ সমাজত পোৱা যায়। অসাধু পুত্ৰৰ অত্যাচাৰত থাকিব নোৱাৰি কোনোৱে ঘৰ এৰি পলাইছে। কোনোৱে আলহীৰ ঘৰত থিতাপি লৈছে। কোনোৱে আকৌ বৃদ্ধাশ্ৰমতে গৈ নিগাজীকৈ আছে। আমি ভাবো চিকিৎসক, অভিযন্তা কিম্বা উচ্চ শিক্ষাৰে শিক্ষিত হোৱা ডাঙৰ কথা নহয়; মানুহ হোৱাটোহে সকলোতকৈ ডাঙৰ কতা। আচলতে মানুহ হ'ব নোৱাৰিলে কিম্বা মানৱতাবোধ নাথাকিলে উচ্চ শিক্ষাৰে শিক্ষিত হ'লেও মানুহে শ্ৰদ্ধা ভক্তি পাব নোৱাৰে। মানৱতাইহে মানুহৰ পৰিচয়। দুখ আৰু পৰিতাপৰ বিষয় সমাজত দিনক দিনে অসাধু পুত্ৰই বৃদ্ধ পিতৃ-মাতৃৰ ওপৰত চলোৱা নিৰ্যাতনৰ ঘটনা বৃদ্ধি পাই আহিছে। যিবোৰ ঘটনাই চিন্তাশীল লোকসকলক উদ্বিগ্ন কৰি তুলিছে। যাৰ বাবে চৰকাৰে বাধ্য হৈ আইন প্ৰণয়ন কৰিছে। বৃদ্ধ পিতৃ-মাতৃক অপদস্থ কৰা অসাধু পুত্ৰসকলক আইন সংগতভাৱে শাস্তি বিহিছে। আদালতৰ কাঠগৰাত উঠাইছে। আনকি আইনে পৈতৃক সা-সম্পত্তি লাভৰ পৰাও এনে পুত্ৰসকলক বঞ্চিত কৰিছে। তথাপিতো বৃদ্ধ পিতৃ-মাতৃৰ ওপৰত অসাধু পুত্ৰৰ নিৰ্যাতন-সমাজত হ্ৰাস পোৱা নাই। বৰং বাঢ়িছেহে। যদি সঁচাকৈ অসাধু পুত্ৰসকলৰ মানসিকতাৰ পৰিৱৰ্তন নহয়; অথবা পিতৃ-মাতৃৰ দুখত তেওঁলোকৰ অন্তৰ আত্মাই কান্দি নুঠে তেন্তে দুৰ্ভগীয়া পিতৃ-মাতৃসকলৰ দুখ যন্ত্ৰণাৰ অন্ত পৰিব বুলি আমি কেতিয়াও আশা কৰিব নোৱাৰো।

**মহানন্দ বৰ্মন,** নাৰেংগী, গুৱাহাটী, ফোন ঃ ৮৬৩৮৭০৫১০৩

**ৰাজনীতি বেয়া মানুহে কৰে, ভাল মানুহে নকৰে। শেষত গৈ বৰ্তমানৰ ৰাজনীতিত এইষাৰ কথাই সত্য হিচাপে বিবেচিত হৈছে। একাংশ দুৰ্নীতিগ্ৰস্ত নেতাক ভোট দি জয়যুক্ত কৰাইছো। তেওঁলোকৰ বিষয়ে বোধগম্য হোৱাৰ পাছতো আমি একেটা ভুল বাৰে বাৰে কৰিছো। গতিকে এনেবোৰ নেতিবাচক কথাৰ পৰা নিজকে মানসিকভাৱে সলাই এখন সুস্থ গণতন্ত্ৰ গঢ়া আমাৰ সকলোৰে নৈতিক দায়িত্ব**

# সচেতনতা বাঞ্ছনীয়

যোৱা ২৬ জুলাই সংখ্যাত প্ৰকাশ পোৱা সম্পাদকীয় পৃষ্ঠাৰ সম্পাদকৰ কলমত 'সচেতনতা বাঞ্ছনীয়' শীৰ্ষক লেখাটো পঢ়িলো। সম্পাদকৰ উক্ত লেখাটোৰ যোগেদি সমাজ সংস্কাৰৰ বহুখিনি কথাই কোৱা হৈছে বুলি অনুভৱ হৈছে। যিটো সাম্প্ৰতিক সময়ৰ অতি গুৰুত্বপূৰ্ণ বিষয়বস্তু। বৰ্তমান সময়ত নৱ-প্ৰজন্ম কোনফালে ধাৱমান, সেয়া ভাবিলে ভয়-শংকাই কৰবাত হেঁচি ধৰে। গণতন্ত্ৰ ৰক্ষাৰ বাবে ৰাজনীতি বাঞ্ছনীয়। ৰাজনীতি থকাৰ বাবে গণতন্ত্ৰ পৰিচালিত হৈছে; কিন্তু কি ধৰণৰ গণতন্ত্ৰৰ দ্বাৰা সাধাৰণ ৰাইজ, দুখীয়া-নিছলালোক পৰিচালিত হৈছে, সেয়া চিন্তাৰ বিষয়। ক্ষমতাধিষ্ঠিত ৰাজনীতিত থকা নেতা-পালিনেতাবোৰক অনুসৰণ কৰিয়েই, সেই দলৰ অন্য সদস্য তথা চৰকাৰৰ তলতীয়া বিষয়া-কৰ্মচাৰীৰ পৰা লগুৱাটোলৈ এক প্ৰক্ৰিয়াত চলি থাকে। গতিকে তেওঁলোকে নিজৰ সাজ পোছাক, আচাৰ-ব্যৱহাৰ, কথা কোৱা শৈলী, ব্যক্তিত্ব আদিৰ ওপৰত গুৰুত্ব দিয়া উচিত; যাতে তেওঁলোকৰ পৰা সমাজত একো নেতিবাচক প্ৰভাৱ নপৰে। এটা কথা প্ৰচলন আছে ৰাজনীতি বেয়া মানুহে কৰে, ভাল মানুহে নকৰে। শেষত গৈ বৰ্তমানৰ ৰাজনীতিত এইষাৰ কথাই সত্য হিচাপে বিবেচিত হৈছে। একাংশ দুৰ্নীতিগ্ৰস্ত নেতাক ভোট দি জয়যুক্ত কৰাইছো। তেওঁলোকৰ বিষয়ে বোধগম্য হোৱাৰ পাছতো আমি একেটা ভুল বাৰে বাৰে কৰিছো। গতিকে এনেবোৰ নেতিবাচক কথাৰ পৰা নিজকে মানসিকভাৱে সলাই এখন সুস্থ গণতন্ত্ৰ গঢ়া আমাৰ সকলোৰে নৈতিক দায়িত্ব। ৰাজনীতিত ৰাইজে ভাল মানুহৰ প্ৰৱেশ ঘটাব লাগিব। অন্যথা অদূৰ ভৱিষ্যতে এখন সুস্থ-সৰল গণতন্ত্ৰ পোৱাটো অসম্ভৱ।

সম্পাদক মহোদয়ৰ এষাৰ কথাই বাৰুকৈয়ে মনটোক স্পৰ্শ কৰিছে। কথাষাৰ হৈছে 'ক্ষমতাধিষ্ঠিত নেতাসকলে সততে মনত ৰখা উচিত যে অনন্ত কাল কোনোৱে সংসাৰত জীয়াই নাথাকে।' এই কথাষাৰ প্ৰত্যেকজন ক্ষমতাধিষ্ঠিত নেতাই শিৰত লৈ আগবাঢ়িলে দুৰ্নীতি, সমাজধ্বংসমুখীৰ দৰে কাৰ্য হ'ব নোৱাৰে বুলি ভাবো। ৰাজনীতি, সাহিত্য, সংস্কৃতিৰ শীৰ্ষত আৰোহণ কৰা ব্যক্তিসকলে নিজৰ মনটোক নিয়ন্ত্ৰণ কৰি মগজু আৰু বিবেকৰ দ্বাৰা পৰিচালিত হৈ সমাজত কথা কোৱা উচিত। আধ্যাত্মিক জ্ঞান ধাৰণাৰে পৰিপুষ্ট হৈ সকলো সময়ত নিজক সজাগ কৰি তোলাৰ প্ৰয়াসত ব্ৰতী হ'ব লাগে।

**নয়নজ্যোতি বৈশ্য**

ফোন ঃ ৯১০১২৪৩১৮৪

# ধনৰ মহিমা অপাৰ

**ব্যক্তিগত** জীৱনৰ পৰা ৰাজহুৱা জীৱনলৈকে মানুহৰ বাহিৰা খৰচৰ পৰিমাণ বৃদ্ধি পাই অহা কথা সকলোৱে বোধগম্য। আজি মানুহৰ প্ৰাণ ৰক্ষাৰ কাৰণত যিমান ধনৰ প্ৰয়োজন, তাতোকৈ বহু বেছি ধন খৰচ হয় বাহিৰা কামত। সেই কাৰণতে অন্যান্য শিতান এটাৰ জন্ম দিয়া হ'ল। যেনে— নিজৰ ঘৰত অনুষ্ঠিত কৰা বা ৰাজহুৱা স্থানত, ৰাজহুৱা অনুষ্ঠান উদযাপন কৰাত জাকজমকতাৰ পৰা খোৱা লোৱাত যথেষ্ট ধন ধাৰ্য কৰা হয়। সময়ত ধাৰ্যকৰা ধনতকৈও প্ৰায় ক্ষেত্ৰতে খৰচৰ পৰিমাণ অধিক হোৱা উদাহৰণহে বৃদ্ধি পাই আহিল। এটা ৰাজহুৱা অনুষ্ঠান উদযাপন কৰোতে তাৰ ব্যয়ৰ হিচাপে দেখিলে কেতিয়াবা কেতিয়াবা চকু-মুখ গৰম হৈ আহে, আহিবৰ কথাই।

তেনেকৈ ব্যক্তিগত উৎসৱ পাৰ্বণ পালন কৰোতেও কাৰো-কাৰো ক্ষেত্ৰত চকু থিয় হ'বলগা হয়। আমাৰ প্ৰায় সকলোৱেই আজি বিলাসিতাত হোৱা খৰচৰ বাবে যেন চিন্তা নকৰো, ইয়াৰ বিপৰীতে কাৰোবাক দৈন্যৰ কাৰণে সহায় কৰিবলগা হ'লে বা নিজৰ ভাই-ভনী, আত্মীয়-স্বজন, বন্ধু-বান্ধৱৰ বিপদ হ'লে সহায় কৰাৰ বাবে আমাৰ বহুতৰে হাত নচলে বা ভাবিবই নোৱাৰা হোৱা দেখা যায়। য'ত বাহিৰা খৰচৰ পৰিমাণে গগন স্পৰ্শ কৰা যেন হয়।

ৰাজহুৱা অনুষ্ঠানত ব্যয় বহুলতাৰে কথা



কমেইহে চিন্তা কৰা যায়। সেই কাৰণতে কামৰ ফলাফলতকৈ খৰচৰ পৰিমাণ প্ৰায় উৰ্ধগামী হোৱা এটা যেন স্বাভাৱিক কাৰ্যহে হ'ল। আজিৰ ৰাজহুৱা উৎসৱ-পাৰ্বণ বিলাকত ব্যয় বহুলতা হ্ৰাস কৰাৰ কাৰণে যেন কোনেও চিন্তা নকৰো, তাতে আকৌ চৰকাৰী দান-বৰঙণি লাভ কৰিলে আমাৰ বাহিৰা খৰচে বাটে পোৱালি মেলে। আমি আজি ঘৰে-বাহিৰে ব্যয়বহুলতা ৰোধ-কৰণৰ বাবে কোনো পদক্ষেপ গ্ৰহণ নকৰো। আমি যিমান বুজো, তাৰ অৰ্দ্ধেকো কামত প্ৰয়োগ নকৰা যেনহে লাগে। সেই কাৰণে ব্যক্তিগত বা ৰাজহুৱা সকলো ক্ষেত্ৰতে ঘাটি বাজেটে আমাক লগ এৰা নিদিয়া নহ'লনে? পৰিণাম দেখিও আমি সাৱধান হ'ব নোৱাৰাটো আমাৰ অভ্যাসত পৰিণত নহ'ল জানো? অভ্যাসেই চৰিত্ৰ গঠন কৰে। আমি এতিয়া জ্বলন্ত সমস্যাত উপনীত হৈছো বুলি স্বীকাৰ্য। সেয়া হ'ল, ঋণংকৃত্বা, ঘৃতং পিবেৎ। চৰকাৰো ধাৰণ পোত গৈছে, চৰকাৰে লোৱা ধাৰত বোজা বৃদ্ধি পাই যাব লাগিছে, আনহাতে, আমাৰ মাজৰ বহু মানুহে ধাৰৰ বোজা সহিব নোৱাৰি আত্মঘাতীও হোৱা উদাহৰণ ঘটিছে। অমিতব্যয়িতা অভাৱনীয় দুঃশ্চিন্তাৰ কাৰণ নহ'ব কিয়?

**কেশৱ শৰ্মা**

ফোনঃ ৯৪০১৮৭৯৪০৮

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২ আগষ্ট বুধবাৰ, ২০২২ পৃষ্ঠা ৫



# 'ৰকেট্ৰি- দ্যা নাম্বি ইফেক্ট' বোলছবিৰ আঁৰৰ চমকপ্ৰদ কাহিনী



পল্লৱ ভট্টাচাৰ্য্য

**'সততা** প্ৰায়ে অতি কঠিন হয়। সত্য প্ৰায়ে বেদনাদায়ক হয়। কিন্তু ই যি স্বাধীনতা আনিব পাৰে সেয়া অতুলনীয়।' আমেৰিকাৰ টেলিভিছনৰ ঘোষক, লেখক আৰু প্ৰযোজক ফেড মেকফিলি ৰ'জাৰ্চৰ এই বিখ্যাত উক্তিটো ইছৰ'ৰ বিজ্ঞানী তথা মহাকাশ অভিযন্তা নাম্বী নাৰায়ণনৰ ক্ষেত্ৰত সঠিকভাৱে প্ৰযোজ্য হয়। দাক্ষিণাত্যৰ অভিনেতা মাধৱনৰ অভিনয় তথা পৰিচালনাত যোৱা এক জুলাইত মুক্তি পোৱা 'ৰ'কেট্ৰি ঃ দ্য নাম্বি ইফেক্ট'ত নিজৰ জীৱনৰ বেদনাদায়ক কাহিনীসমূহ উন্মোচিত হোৱাৰ পাছত নাম্বী নাৰায়ণনৰ মনত নিশ্চয়কৈ এই ধৰণৰ অনুভৱে দোলা দি ফুৰিছে।

ছবিখনে দৰ্শক আৰু নেটিজেনসকলৰ মাজত বিশেষ চৰ্চা লাভ কৰিছে, কিয়নো ইয়াত এজন সৎ বিজ্ঞানীৰ দুৰ্দশা আৰু মনোকষ্টৰ কাহিনী দেখুওৱা হৈছে, যিয়ে ৰাজনৈতিক পাকচক্ৰ আৰু কিছুমান বিদেশী শক্তিৰ ষড়যন্ত্ৰৰ বলি হৈ এজন গুপ্তচৰৰ গ্লানি বহন কৰিব লগা হৈছিল। ৰকেট বিজ্ঞানৰ বহু গুৰুত্বপূৰ্ণ নথি-পত্ৰ বেকত কৰা বুলি তেওঁৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপিত হৈছিল। ১৯৯৪ৰ ২০ অক্টোবৰত এগৰাকী মালদ্বীপৰ মহিলা মৰিয়াম ৰছিদা আৰু ১৩ নৱেম্বৰত তেওঁৰ বান্ধৱী ফৌজিয়া হাছানক গ্ৰেপ্তাৰ কৰাৰ লগে লগে এই চোৰাংচোৰা ব্যুৰ' (আই বি) আৰু গৱেষণা আৰু বিশ্লেষণ শাখাইও এই গোচৰত সহযোগ কৰে। কেৰালাৰ তদানীন্তন ডি আই জি ছাইবী মেথিউজৰ নেতৃত্বত বিশেষ তদন্তকাৰী দলে এই গোচৰটো গ্ৰহণ কৰে। কেৰালা আৰক্ষী আৰু আই বি উভয়ে দাবী কৰিছিল যে ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ গোপনীয় নথি-পত্ৰ ইয়াৰ বিজ্ঞানীসকলে ফাদিল কৰা বুলি মৰিয়ামে স্বীকাৰ কৰিছে। তেওঁলোকে অভিযোগ কৰে যে মালদ্বীপৰ নাগৰিক দুগৰাকীয়ে তেওঁলোকৰ হোটেলৰ কোঠাৰ পৰা ইছৰ'ৰ লিকুইড প্ৰপালচন ছিষ্টেমছ চেণ্টাৰ 'এলপিএছচি'ৰ প্ৰ'ট' ফেব্ৰিকেচন এণ্ড টেকন'লজী ডিভিজনৰ জেনেৰেল মেনেজাৰ ডি ছাচিকুমাৰণলৈ ফোন কৰিছিল। ইয়াৰ পাছতে ইছৰ'ৰ ক্ৰায়োজেনিক ইঞ্জিন প্ৰকল্পৰ নেতৃত্ব দি থকা শশীকুমাৰন আৰু নাম্বী দুয়োকে অফিচিয়েল ছিক্ৰেটছ এক্টৰ অধীনত গ্ৰেপ্তাৰ কৰা হয়। এই গ্ৰেপ্তাৰৰ ঘটনা কাহিনীৰ এটা অংশহে আছিল। এই কেলেংকাৰিৰ আলম লৈ কেৰালাৰ ৰাজনীতিবিদ আৰু সংবাদ মাধ্যমে তেতিয়াৰ মুখ্যমন্ত্ৰী কে কৰুণাকৰণ আৰু তেতিয়াৰ দক্ষিণ ৰেঞ্জৰ আই জি ৰমন শ্ৰীবাস্তৱকে ধৰি কে'বাজনো লোকক লক্ষ্য কৰি লৈছিল। ৰাজনৈতিক হেঁচা ইমানেই বৃদ্ধি পালে যে কৰুণাকৰণে মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিবলৈ বাধ্য হৈছিল।

প্ৰায় দুমাহ কাৰাগাৰত থকাৰ পাছত, ১৯৯৫ৰ জানুৱাৰীত নাম্বিয়ে জামিন লাভ কৰে। ১৯৯৬ৰ মে'লৈকে এই গোচৰটো আৰু ১৬ মাহ ধৰি চলিছিল, যেতিয়া চিবিআইৰ আদালতে গোচৰটোৰ ছজন অভিযুক্তক নিৰ্দোষী সাব্যস্ত কৰে। চিবিআইয়ে ইয়াৰ ১৮ মাহৰ তদন্তৰ পাছত, ১০৪ পৃষ্ঠাৰ চূড়ান্ত প্ৰতিবেদন দাখিল কৰিছিল, য'ত দেখা গৈছিল যে গোটেই গোচৰটো মিছা আৰু কোনো অভিযোগ প্ৰমাণ কৰিব পৰাকৈ একোৱে প্ৰমাণ মজুত নাছিল।

নব্বৈৰ দশকত এটা সময় আছিল যেতিয়া পি এচ এল ভি ৰকেটটোৱে বৃহৎ সফলতা লাভ কৰিছিল আৰু ইছৰ'ৱে অধিক শক্তিশালী ৰকেট জি এছ এল ভি নিৰ্মাণ কৰিব বিচাৰিছিল, যিয়ে গধুৰ উপগ্ৰহ কঢ়িয়াই মহাকাশৰ গভীৰতালৈ যাব পাৰে। অৱশ্যে ইয়াক শক্তিশালীকৰণৰ বাবে এটা ক্ৰায়োজেনিক ইঞ্জিনৰ প্ৰয়োজন আছিল। এই ক্ৰায়োজেনিক প্ৰযুক্তিৰ বাবে ভাৰতে ৰাছিয়াৰ এটা সংস্থাৰ স'তে চুক্তিবদ্ধ হৈছিল আৰু আমেৰিকাই ইয়াৰ বিৰোধিতা কৰিছিল। তেতিয়া ভাৰতে থলুৱাভাৱে প্ৰযুক্তিৰ বিকাশৰ পৰিকল্পনা কৰিছিল। সমগ্ৰ গোচৰটোক যৌনতা, ধন, চোৰাংচোৱাগিৰিৰ কেলেংকাৰি হিচাপে চাঞ্চল্যকৰ কৰি তোলা হৈছিল। প্ৰথম অৱস্থাত সংবাদ মাধ্যমে নাম্বিক অপমান কৰিছিল যদিও পাছলৈ সকলোৱে এই কথা উপলব্ধি কৰে যে তেওঁ প্ৰকৃতাৰ্থত প্ৰতিশোধ, ৰাজনীতি আৰু সংবাদ মাধ্যমৰ আক্ৰোশৰ বলি হৈছিল।

ইছৰ'ৰ জ্যেষ্ঠ বিজ্ঞানী নাম্বি নাৰায়ণনে তৰল প্ৰযুক্তিৰ ক্ষেত্ৰত দ্ৰুতগতিত অগ্ৰগতি লাভ কৰা ক্ৰায়োজেনিকছ বিভাগৰ দায়িত্বত আছিল। এই প্ৰযুক্তি আছিল ৰকেট চালনাৰ এটা মূল প্ৰযুক্তি, যিটো জিএছএলভিত নিয়োজিত কৰা হৈছে। নাম্বি নাৰায়ণন আছিল ভাৰতৰ ৰকেট ক্ষেত্ৰখনৰ 'বিকাশ' ইঞ্জিনৰ অন্যতম মুখ্য স্থপতিবিদ, যাৰ অনবদ্য অৰিহণাৰ বাবেই পৰৱৰ্তী সময়ত চন্দ্ৰযান আৰু মঙলযানৰ দৰে অভিযান সম্ভব হৈ উঠিছিল। ভৱিষ্যতলৈ আৰু বহুতো মহাকাশ যাত্ৰাত তেওঁ নিশ্চয়কৈ জড়িত হোৱাৰ সম্ভাৱনা প্ৰকট হৈছিল। ভাৰতীয় মহাকাশ ক্ষেত্ৰৰ পিতৃস্বৰূপ বিক্ৰম চাৰাভাইয়ে নাৰায়ণনৰ ওপৰত বিশ্বাস ৰাখিছিল আৰু তেওঁক প্ৰক্ষেপণৰ সম্পৰ্কত উন্নত অধ্যয়নৰ বাবে প্ৰিন্সটন বিশ্ববিদ্যালয়লৈ পঠিয়াইছিল। তেওঁ ৰকেট সঞ্চালন আৰু মহাকাশ প্ৰযুক্তিৰ পৰৱৰ্তী অগ্ৰগামী হোৱাৰ সম্পূৰ্ণ সম্ভাৱনা বিদ্যমান আছিল। কিন্তু চোৰাংচোৱাগিৰিৰ গোচৰটোৱে তেওঁৰ কেৰিয়াৰ সমাপ্ত কৰি দিয়ে।

নাম্বিক গ্ৰেপ্তাৰ কৰাটো আন্তঃৰাষ্ট্ৰীয় আৰু ৰাজনৈতিক ষড়যন্ত্ৰৰ দুটা ধাৰাৰ ফল যেন অনুভৱ হয়। পি এছ এল ভিক অধিক নিখুঁত কৰি ভাৰতীয় মহাকাশ বিজ্ঞানীসকলে শক্তিশালী ৰকেট নিৰ্মাণ কৰিবলৈ পৰৱৰ্তী লক্ষ্য হিচাপে স্থিৰ কৰিছিল, যিয়ে পেলোড এটাক জিঅ'চিনক্ৰ'নাছ ট্ৰেন্সফাৰ কক্ষপথলৈ লৈ যাব পাৰিব। এই জিঅ'চিনক্ৰ'নাছ ছেটেলাইট লঞ্চ ভেহিকেল (GSLV) ভাৰতৰ লঞ্চ বাহন প্ৰযুক্তিৰ মূল আধাৰ হ'ব। পি এছ এল ভিৰ সহায়ত ভাৰতে পুৰণি বিকাশ ইঞ্জিনৰ সীমা শেষ কৰি পেলাইছিল, যিটো পাছলৈ ফৰাচী ভাইকিং ইঞ্জিনৰ পৰা বিকশিত কৰা হৈছিল। এতিয়া প্ৰয়োজন আছিল এটা ক্ৰায়োজেনিক ইঞ্জিনৰ, যিয়ে ৰকেটৰ তৃতীয় পৰ্যায়টোক শক্তি প্ৰদান কৰিব। ১৯৯০ত ভাৰতে ৰাছিয়াৰ এজেন্সী গ্লাভকচমছৰ স'তে এই ইঞ্জিনৰ বাবে এক চুক্তি স্বাক্ষৰ কৰে, য'ত প্ৰযুক্তিৰ হস্তান্তৰ লিপিবদ্ধ আছিল। ইছৰ'ত এই প্ৰকল্পৰ দায়িত্বত আছিল নাম্বি নাৰায়ণন। কিন্তু ১৯৯১ত ছোভিয়েট ইউনিয়ন বিভাজিত হোৱাৰ লগে লগে আমেৰিকাই ভাৰতৰ পাৰমাণৱিক আৰু ক্ষেপণাস্ত্ৰ অভিযানক বাধাদানৰ চেষ্টা আৰম্ভ কৰে। অৱশেষত ই সফল হ'ল আৰু ৰাছিয়াই ক্ৰায়োজেনিক ইঞ্জিনৰ চুক্তিখন বাতিল কৰিবলৈ বাধ্য হয়। গতিকে ইছৰ'ৰে নিজাববীয়াকৈ এই প্ৰকল্প ৰূপায়ণ কৰিবলগীয়া হয় আৰু ই ১৯৯৪ এপ্ৰিলত তেওঁলোকৰ বিশেষজ্ঞ বিজ্ঞানী নাম্বি নাৰায়ণনৰ নেতৃত্বত এই প্ৰকল্পৰ কাম আৰম্ভ কৰে।

ৰাজনৈতিক ষড়যন্ত্ৰ অনুসৰি, বিদেশীসকলৰ স'তে লেনদেন কৰা পৰিদৰ্শক এছ বিজয়নে যৌন অনুগ্ৰহৰ বাবে ৰছিদাৰ কাষ চাপিছিল আৰু তেওঁ এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰাৰ বাবে ৰছিদাক গ্ৰেপ্তাৰ কৰা হৈছিল আৰু তেওঁক গুপ্তচৰ বৃত্তিত জড়িত বুলি এক মনেসজা কাহিনী তৈয়াৰ কৰা হৈছিল। ইয়াৰ মাজতে, কিছুমান জ্যেষ্ঠ আৰু উচ্চাকাংক্ষী বিষয়াই কংগ্ৰেছ নেতা এ কে এণ্টনি আৰু ওমেন চাণ্ডিৰ সহযোগত কৰুণাকৰণ আৰু তেওঁৰ স'তে ঘনিষ্ঠ হৈ পৰা আইজি ৰমন শ্ৰীবাস্তৱক ৰছিদাক গ্ৰেপ্তাৰ কৰা ঘটনাৰ জৰিয়তে বিব্ৰত কৰাৰ এক উপায় উদ্ভাৱন কৰিছিল। গতিকে গোচৰটোক এটা অশুভ মেৰপাক দিয়া হ'ল। ৰছিদাক গ্ৰেপ্তাৰৰ এমাহৰ ভিতৰতে নাৰায়ণনৰ ডেপুটি ডি শশীকুমাৰণ, কে চন্দ্ৰশেখৰ, ৰাছিয়াৰ মহাকাশ সংস্থা গ্লাভক'ছম'ছৰ প্ৰতিনিধি, শ্ৰম ঠিকাদাৰ এছ কে শৰ্মা আৰু ৰছিদাৰ মালদ্বীপৰ বন্ধু ফৌজিয়া হাছানক গ্ৰেপ্তাৰ কৰা হয়। ইয়াৰ দুসপ্তাহ পাছত ১৯৯৪ৰ ৩০ নৱেম্বৰত নাম্বি নাৰায়ণনক গ্ৰেপ্তাৰ কৰা হয়।

ওপৰৰ শৃংখলাবদ্ধ পৰিঘটনাটোৱে প্ৰমাণ কৰিছে যে আৰক্ষী, সংবাদ মাধ্যম, আৰু ৰাজনীতিবিদৰ মাজত থকা অশুভ সংযোগ আৰু লগতে আমাৰ ন্যায় ব্যৱস্থাৰ অতি লেহেমীয়া গতিৰ বাবে আৰু বিজ্ঞান সমাজৰ পৰা কোনো প্ৰতিষ্ঠানিক সমৰ্থন অবিহনে ভাৰতক আত্মনিৰ্ভৰশীল মহাকাশ প্ৰযুক্তি হিচাপে গঢ়ি তোলাৰ প্ৰতি আকৰ্ষণ থকা এজন সৎ, কঠোৰ পৰিশ্ৰমী বিজ্ঞানীয়ে বহুদিন কষ্ট ভোগ কৰিবলগীয়া হৈছিল। এতিয়া প্ৰমাণিত হৈছে যে তেওঁৰ ক্ৰায়োজেনিক ইঞ্জিনৰ প্ৰতি থকা আকৰ্ষণ আছিল বিভিন্ন উন্নত দেশৰ ৰকেট ভাৰতৰ দ্বাৰা নিক্ষেপ কৰি ৰাজহ আহৰণ কৰা। শেহতীয়াকৈ এক সাক্ষাৎকাৰত নাম্বি নাৰায়ণনে ইংগিত দিয়ে যে তেওঁ নিজৰ ধৰণেৰে কাম কৰিবলৈ সক্ষম হ'লে, যোৱা শতিকাৰ আৰম্ভণিলৈ ক্ৰায়োজেনিক ইঞ্জিনবোৰ সাজু কৰিব পাৰিলেহেঁতেন। তেনে এক পৰিস্থিতিত ইছৰ'ৱে নিজৰ ৰাজহ উপাৰ্জন কৰি নিজৰ ধন অনুসন্ধান আৰু বিকাশৰ বাবে নিয়োজিত কৰিব পাৰিলেহেঁতেন।

কাৰাগাৰত আবদ্ধ হোৱা অন্ধকাৰ সময়ছোৱাত বিজ্ঞানীজনে সকলো খ্যাতি,




সন্মান হেৰুৱায় আৰু তেওঁৰ পৰিয়ালেও অনেখ দুখ-কষ্ট স্বীকাৰ কৰিবলগীয়া হয়। ইমানখিনি গ্লানি সহাৰ পাছতো কেৱল সত্য প্ৰতিষ্ঠা কৰি জনগনৰ মাজত তেওঁৰ হেৰুওৱা গৌৰৱ পুনৰ প্ৰতিষ্ঠাৰ বাবে নাম্বি নাৰায়ণনে ন্যায় বিচাৰি উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হয় আৰু এই সমগ্ৰ ঘটনাৰ দোষীক শাস্তিৰ বাবে তেওঁৰ সংগ্ৰাম অব্যাহত ৰাখিছে। ২০১৮ত এই ঘটনাৰ তদন্ত কৰিবলৈ ন্যায়ালয়ে ন্যায়াধীশ ডি কে জৈনৰ অধীনত এখন সমিতি গঠন কৰিছিল। সমিতিৰ প্ৰতিবেদনত আৰু এই প্ৰতিবেদনৰ আধাৰত ভুল কৰা বিষয়াসকলৰ বিৰুদ্ধে গ্ৰহণ কৰা শাস্তিমূলক ব্যৱস্থাসমূহ নাম্বিৰ বাবে শেষ আশা। বৰ্তমান নাম্বিক ভাৰত চৰকাৰে পদ্ম বিভূষণেৰে সন্মানিত কৰাৰ উপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও তেওঁক উচ্চ প্ৰশংসা কৰিছে।

ওপৰত বৰ্ণনা কৰা সমগ্ৰ ঘটনাৰাজিয়ে ভৱিষ্যতে যাতে এনেধৰণৰ কোনো কু-কাণ্ড নঘটে তাৰ ব্যৱস্থা কৰা অতি জৰুৰী হৈ পৰিছে। চোৰাংচোৰা সংস্থাসমূহে এই ক্ষেত্ৰত ল'বলগীয়া ব্যৱস্থাৰ সন্দৰ্ভতো তলত উল্লেখ কৰা কথাখিনি কিছু বিশেষজ্ঞই উত্থাপন কৰিছে— চৰকাৰৰ বিভিন্ন সংবেদনশীল বিভাগ যেনে, পাৰমাণৱিক শক্তি বিভাগ, বিএআৰচি, ইছৰ', ডিআৰআই, অৰ্থনৈতিক অপৰাধ শাখা, বিজ্ঞান আৰু প্ৰযুক্তি বিভাগ আদিৰ সুকীয়া চোৰাংচোৰা শাখা থাকিব লাগে যাতে মুখ্য চোৰাংচোৰা সংস্থাৰ স'তে নিয়মীয়াকৈ বাৰ্তালাপ কৰি এনে ধৰণৰ সংবেদনশীল সংবাদৰ যথাৰ্থ পৰীক্ষা নকৰাকৈ কোনো বৈজ্ঞানিকক আইন বিৰুদ্ধভাৱে দণ্ডিত কৰাটো ৰোধ কৰিব পৰা যায়। বিকল্পভাৱে এনে সংস্থাসমূহৰ লগত চোৰাংচোৰা সংস্থাৰ লগত যোগাযোগ ৰাখিবলৈ ন'ডেল বিষয়া নিয়োগ কৰিব পাৰি।

এনেধৰণৰ ঘটনা যাতে ভৱিষ্যতে কেতিয়াও সংঘটিত নহয় আৰু পূৰ্ণ সম্ভাবনাপূৰ্ণ এক জীৱন যাতে কলিতে মৰহি নাযায় তাৰ বাবে আমি সমাজৰ দায়িত্বশীল সদস্য হিচাপে আৰু ক্ষমতাত থকা চৰকাৰে যথাযথ পদক্ষেপ লোৱা উচিত বুলি অনুভৱ কৰো। পেছাদাৰী জীৱন প্ৰশিক্ষক আৰু সম্পৰ্ক বিশেষজ্ঞ কেমি ছ'গুনলেৰ বিখ্যাত উক্তিৰে এই লেখাৰ সামৰণি মাৰিব বিচাৰিছো ঃ 'ভুলৰ অবিহনে শিক্ষা সম্ভৱ নহয়। আঘাত নোপোৱাকৈ জ্ঞান আহৰণ অসম্ভৱ। নিজকে উন্নত কৰাৰ একমাত্ৰ উপায় হ'ল অতীতৰ পৰা শিক্ষাগ্ৰহণ কৰা। সদায় শিকিবলৈ আৰু দৈনিক নিজকে উন্নত কৰিবলৈ ইচ্ছুক হৈ থাকক। আমি কোন আৰু আমি কিহৰ দ্বাৰা গঠিত সেই কথা আমি এই অভিজ্ঞতাসমূহৰ পৰা জানিব পাৰো।'

*লেখক অৱসৰপ্ৰাপ্ত আৰক্ষী সঞ্চালকপ্ৰধান আৰু অৱসৰপ্ৰাপ্ত অধ্যক্ষ অসম লোকসেৱা আয়োগ*

# বংগ বন্ধুৰ ঢাকালৈ গৈ কি দেখিলো

ৰাজধানী ঢাকা আৰু ইয়াৰ উপকণ্ঠৰ অঞ্চলসমূহত ভ্ৰমণৰ সময়ত আমাৰ অসমলৈ প্ৰব্ৰজন কৰা বাংলাদেশী লোকসকলৰ বিপৰীতে ঢাকাত কম সংখ্যক মহিলাকহে বোৰ্খা পৰিধান কৰা দেখিছিলো। মাৰ্জিতভাৱে শাৰী, চুড়িদাৰ আৰু হিজাব পৰিহিত মহিলাসকলে পুৰুষৰ সমানে সমানে বিদ্যালয়, মহাবিদ্যালয় আৰু চৰকাৰী বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানলৈ যোৱা দেখিছিলো। বৰ্তমান বাংলাদেশত নাৰীৰ শিক্ষা আৰু কৰ্মসংস্থাপনৰ প্ৰতি অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে । বৰ্তমানৰ আৱামী লীগ চৰকাৰে যৌন উৎপীড়ন আৰু বিবাহ বিচ্ছেদ প্ৰতিৰোধৰ বাবে বিভিন্ন আইন প্ৰণয়ন কৰাৰ লগতে জন্ম নিয়ন্ত্ৰণ আৰু নাৰী সৱলীকৰণ প্ৰতিও সমাজত সচেতনতা জগাই তুলিছে



চুমিন্দ্ৰ চৌধুৰী

**কৰ্মসূত্ৰে** তিনিদিন ধৰি বাংলাদেশৰ ৰাজধানী ঢাকা আৰু ইয়াৰ উপকণ্ঠৰ কিছু ঠাই দৰ্শন কৰি মোৰ কিছু অভিজ্ঞতা লিখি যুগুতালো।

নিম্নলিখিত মোৰ সেই চাক্ষুষ অভিজ্ঞতা খিনিকে আপোনালোকক অৱগত কৰাব বিচাৰিছো।

১। বৰ্তমান বাংলাদেশৰ জনসংখ্যা হৈছে ১৭ কোটি আৰু মাটি-কালি ১,৪৮,৪৬০বৰ্গ কিলোমিটাৰ। এই মাটি কালিৰ এক তৃতীয়াংশ আকৌ জলমগ্ন হোৱা হেতুকে প্ৰতি বৰ্গ কিলোমিটাৰত জনবসতি অতি ঘন। সেইবাবে চাফ-চিকুণতাৰ দিশত দেশখনৰ অৱস্থা অতি শোচনীয়।

২। ২০২১-২২ বিত্তীয় বৰ্ষত বাংলাদেশৰ জনমূৰি আয় ২,৮২৪ ডলাৰ বা ২,৪১,৪৭০ বাংলাদেশী টাকালৈ বৃদ্ধি পাইছে, যিটো যোৱা বিত্তীয় বৰ্ষত (২০২০-২১) ২,৫৯১ ডলাৰ আছিল ।

আনহাতে, বৰ্তমান মূল্যত ভাৰতৰ জনমূৰি আয় ২০১৯-২০ৰ ১.৩২ লাখ টকাৰ তুলনাত ২০২০-২১ ত হ্ৰাস পাই ১.২৭ লাখ টকা হৈছিল। স্থিৰ মূল্যত বিগত বৰ্ষত ভাৰতৰ বাৰ্ষিক জনমূৰি আয় পুনৰ হ্ৰাস পাই বিগত ২০২১-২২ত ক'ভিড হৈছেগৈ মাত্ৰ ৯১,৪৮১ টকা ।

৩। উচ্চ শিক্ষাৰ বাবে বাংলাদেশত ৫৩খন ৰাজহুৱা বিশ্ববিদ্যালয়, ১১২ খন স্বীকৃতিপ্ৰাপ্ত চিকিৎসা মহাবিদ্যালয়, ১০৫খন ইঞ্জিনীয়াৰিং কলেজ, ৩১৯২খন কলেজ আৰু সৰ্বমুঠ ২৩,৫০০ খন হাইস্কুল আৰু ১,০৮,৫১৫খন প্ৰাথমিক স্কুলৰ লগতে ৬০০০খন কোৱামী মাদ্ৰাছা আৰু ৭০০০খন আলিয়া মাদ্ৰাছা আছে। আলিয়া মাদ্ৰাছাত বিজ্ঞান, গণিত, ইংৰাজী আৰু বাংলা ভাষা পঢ়ুওৱা হয়। আনহাতে, কোৱামী মাদ্ৰাছাত অকল ইংৰাজী আৰু গণিত শিকোৱা হয়। ইয়াৰ উপৰি বাংলাদেশত পাঁচখন টেক্সটাইল বিশ্ববিদ্যালয় আৰু ৪১ খন টেক্সটাইল কলেজ আছে।

৪। বাংলাদেশৰ কপাহী কাপোৰ যথেষ্ট উন্নত মানৰ বুলি জনা যায়। সমগ্ৰ বিশ্বত বাংলাদেশৰ কপাহী কাপোৰৰ চাহিদা বহুত বেছি। অনুকূল জলবায়ুৰ বাবে কপাহো যথেষ্ট উৎপাদন হোৱাৰ প্ৰতি লক্ষ্য ৰাখি বাংলাদেশে কপাহ আৰু মৰাপাটৰ খেতিৰ বাবে এক সেউজ বিপ্লৱ আৰম্ভ কৰি পৃথিৱীৰ বিভিন্ন দেশলৈ কপাহী কাপোৰ ৰপ্তানি কৰিবলৈ সক্ষম হৈছে ।

বিগত সাত বছৰত বাংলাদেশৰ কাপোৰ উদ্যোগে বাৰ্ষিক ৰাজহ ১৯ বিলিয়ন ডলাৰৰ পৰা ৩৪ বিলিয়ন ডলাৰলৈ প্ৰায় ৭৯ শতাংশ বৃদ্ধি হৈছে।

ইয়াৰ ফলত দেশখন বিশ্বৰ দ্বিতীয় বৃহত্তম কাপোৰৰ ৰপ্তানিকাৰক হিচাপে পৰিগণিত হৈছে। বাংলাদেশৰ মুঠ ৰপ্তানিৰ আয়ৰ ৮০ শতাংশই এই খণ্ডটোৱে লাভ কৰিছে। হা-মীম হৈছে বাংলাদেশৰ সৰ্বাধিক জনপ্ৰিয় কাপোৰৰ ব্ৰেণ্ড।

৫। তুলনামূলকভাৱে দুখীয়া বাংলাদেশৰ ৰাজপথত বিভিন্ন নামী-দামী জাপানীজ গাড়ীবোৰ দেখি মনত বহুত প্ৰশ্নৰ উদয় হৈছিল। পাছত গম পাইছিলো যে জাপানত ব্যৱহাৰ হোৱা গাড়ী আৰু বিভিন্ন যন্ত্ৰপাতি বাংলাদেশলৈ আমদানি কৰা হয়। এই গাড়ী আৰু যন্ত্ৰপাতিবোৰ জাহাজযোগে জাপানৰ পৰা চট্টগ্ৰাম (চিটাগং) বন্দৰলৈ অনা হয়। ঢাকাৰ ওচৰৰ আসুলিয়াত থকা ব্যৱহৃত গাড়ী আৰু যন্ত্ৰপাতিৰ পাইকাৰী বজাৰখনত গৈ জাপানৰ নামী-দামী গাড়ীবোৰ একেবাৰে পানীৰ দামত বিক্ৰী হৈ থকা দেখি বুজিছিলো যে বাংলাদেশীসকলে আঠুৱা চাই ঠেং মেলিব জানে।

৬। দেশখনৰ সম্পূৰ্ণ মাটি-কালিৰ এক তৃতীয়াংশ পানীৰে আবৰি থকা বাবে খেতিৰ মাটি নিচেই সীমিত যদিও যন্ত্ৰপাতি ব্যৱহাৰ কৰি প্ৰযুক্তিগতভাৱে খেতিবাতি কৰি বাংলাদেশে এক সেউজ বিপ্লৱৰ সূচনা কৰিছে। দেশত থকা প্ৰায় সাতশ সৰু-বৰ নদীক পৰিবহণ আৰু জলসম্পদ হিচাপে ব্যৱহাৰ কৰি আহিছে। এই নদীসমূহৰ পৰা বালি সংগ্ৰহ কৰি চুবুৰীয়া দেশবোৰলৈ ৰপ্তানি কৰিবলৈ লৈছে।

৭। সাম্প্ৰতিক শ্বেখ হাছিনাৰ চৰকাৰে জাপান আৰু মধ্য এছিয়াৰ ধনী দেশসমূহৰ সহায় লৈ পৰিবহণ, শিল্প, শক্তি আদিৰ লগতে দেশখনৰ আন্তঃগাথনিৰ সবলীকৰণৰ বাবে আগভাগ লোৱাৰ কথা জানিব পাৰিছিলো। শ্বাহ জালাল আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত ভৰি থৈয়েই ওচৰতে নিৰ্মাণৰত হৈ থকা বিশালাকাৰ আনটো বিমানবন্দৰ দেখি বুজিব পাৰিছিলো যে বাংলাদেশে প্ৰগতিৰ পথত খোজ পেলাইছে। বিমানবন্দৰৰ পৰা হোটেললৈ আহি থাকোতেই চকুত পৰিছিল ঢাকাৰ তেজগাঁৱৰ মহখালী আৰু কমলাপুৰ হৈ কুটুবখালীৰ স'তে শ্বাহজালাল বিমানবন্দৰক সংযোগী ৪৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ ঢাকা এলিভেটেড এক্সপ্ৰেছৱে প্ৰকল্পৰ কাম।

আসুলিয়াত যোৱাৰ সময়ত দেখিছিলো জাপানৰ সহযোগত উত্তৰা আৰু মতিঝীল সংযোগী ২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মেট্ৰ' ৰেল প্ৰকল্পৰ কাম। আমি যিটো সময়ত 'কা' আন্দোলন কৰি জাপানৰ প্ৰয়াত প্ৰধানমন্ত্ৰী চিনজো আবে অসমলৈ অহাৰ পথত হেঙাৰ হৈছিলো তেতিয়া তেওঁ বাংলাদেশক মেট্ৰ' ৰেল প্ৰকল্প উপহাৰ দি জাপানলৈ উভতিছিল।

মোৰ এই সীমিত বাংলাদেশ ভ্ৰমণ কালত দেশখনত নিৰ্মাণ হৈ থকা ২.৪ গিগাৱাট ৰংপুৰৰ একমাত্ৰ পাৰমাণৱিক শক্তি উৎপাদন কেন্দ্ৰটো চোৱাৰো সৌভাগ্য ঘটিছিল।

মূৰৰ ওপৰত তিনিদিন ধৰি ৰাজধানী ঢাকা আৰু ইয়াৰ উপকণ্ঠৰ অঞ্চলসমূহত ভ্ৰমণৰ সময়ত আমাৰ অসমলৈ প্ৰব্ৰজন কৰা বাংলাদেশী লোকসকলৰ বিপৰীতে ঢাকাত কম সংখ্যক মহিলাকহে বোৰ্খা পৰিধান কৰা দেখিছিলো। মাৰ্জিতভাৱে শাৰী, চুড়িদাৰ আৰু হিজাব পৰিহিত মহিলাসকলে পুৰুষৰ সমানে সমানে বিদ্যালয়, মহাবিদ্যালয় আৰু চৰকাৰী বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানলৈ যোৱা দেখিছিলো। বৰ্তমান বাংলাদেশত নাৰীৰ শিক্ষা আৰু কৰ্মসংস্থাপনৰ প্ৰতি অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে । বৰ্তমানৰ আৱামী লীগ চৰকাৰে যৌন উৎপীড়ন আৰু বিবাহ বিচ্ছেদ প্ৰতিৰোধৰ বাবে বিভিন্ন আইন প্ৰণয়ন কৰাৰ লগতে জন্ম নিয়ন্ত্ৰণ আৰু নাৰী সৱলীকৰণ প্ৰতিও সমাজত সচেতনতা জগাই তুলিছে।

এটা কথা অকপটভাৱে স্বীকাৰ কৰিব লাগিব যে বাংলাদেশীসকল কঠোৰ পৰিশ্ৰমী। সময়ৰ অপব্যৱহাৰ নকৰি সকলো সময়তে দুপইচা উপাৰ্জনৰ কথা চিন্তা কৰে। প্ৰতিটো শুকুৰবাৰ ৰাষ্ট্ৰীয় বন্ধৰ দিন যদিও বেছিভাগ বেচৰকাৰী প্ৰতিষ্ঠান খোলা ৰখা দেখা গৈছিল। প্ৰতিষ্ঠানসমূহৰ প্ৰাৰ্থনা গৃহতে কৰ্মচাৰীসকলক নামাজ পাঠ কৰি পুনৰ কামত লাগি যোৱা দেখিছিলো। ধৰ্ম আৰু কৰ্ম দুয়োটাকে সমান্তৰালভাৱে পালন কৰি যোৱা দেখি অনুপ্ৰাণিত হৈছিলো। শুকুৰবাৰে ব্যস্ত ঢাকা মহানগৰীৰ কোনো পথত যান-জঁটৰ সৃষ্টি কৰি নামাজ পঢ়া নেদেখিলো। প্ৰায়বোৰ মছজিদত নিয়মানুবৰ্তিতাৰে নামাজ পাঠ কৰা দেখিলো। কোনো মছজিদতে উচ্চ প্ৰাবল্যৰ শব্দত মাইকত নামাজ পঢ়া শুনা নাছিলো। বৰঞ্চ নবী মহম্মদলৈ কৰা নামাজৰ সৰল আৰু পবিত্ৰ শব্দই মনলৈ পৱিত্ৰতা নমাই আনিছিল।

মোৰ যাত্ৰাকালত দুই-এজন বাংলাদেশী নাগৰিকক সাক্ষাৎ কৰাৰ সময়ত আমাৰ দৰে তেওঁলোকৰ মাজতো অতিথিক আপ্যায়নৰ পৰম্পৰা দেখিলো। অতিথিক চাহ-জলপান নুখুৱাকৈ নেৰে। এইবোৰ দেখি শুনি অনুভৱ কৰিছিলো যে সচৰাচৰ আমি ভবাৰ দৰে বাংলাদেশখন আজি পিছপৰি থকা নাই।

সাম্প্ৰতিক সময়ত ধৰ্মীয় গোড়ামিৰ পৰা ক্ৰমান্বয়ে আঁতৰি আহি দেশখনে শিক্ষা, ব্যৱসায়, পৰিবহণ, যোগাযোগ, শিল্প আৰু উদ্যোগ, পৰ্যটনৰ বিকাশ প্ৰতি যথেষ্ট আগভাগ লোৱা দেখা গৈছে । বংগবন্ধু তথা বাংলাদেশৰ ৰাষ্ট্ৰপিতা প্ৰয়াত শ্বেখ মুজিবুৰ ৰহমানৰ জেষ্ঠ কন্যা শ্বেখ হাছিনাৰ নেতৃত্ব এসময়ৰ দৰিদ্ৰ দেশ খনে আজি প্ৰগতিৰ দিশত সো সোৱাই আগুৱাই যাব ধৰিছে । ইয়াৰ পৰা এটা কথা বুজিব পৰা গৈছে যে এখন দেশ বিকাশৰ পথত আগুৱাই যাবলৈ হ'লে এজন দূৰদৰ্শী শাসকৰ লগতে দেশখনৰ নাগৰিক সকলো ধৰ্মীয় গোড়ামিৰ পৰা আঁতৰি আহি দেশৰ উন্নয়ন আৰু বিকাশৰ প্ৰতি সচেতন হোৱাৰ অতি প্ৰয়োজন। আজিৰ প্ৰগতিশীল বাংলাদেশে ধৰ্মীয় আস্থাক দেশৰ বিকাশৰ হেঙাৰ হ'বলৈ নিদি অনুপ্ৰেৰণা আৰু আত্মবিশ্বাসৰ আধাৰ হিচাপে লোৱা উচিত বুলি প্ৰমাণ কৰি দিছে । এই পৰিবৰ্তিত চিন্তাধাৰাৰ বাবে আজি বাংলাদেশ উন্নয়নৰ ক্ষেত্ৰত আজি পাকিস্তানতকৈ বহু খোজ আগুৱাই যাব পৰিছে।

একমাত্ৰ গোড়া ধৰ্মীয় চিন্তাধাৰাই জীৱনৰ লক্ষ্য নহয় । পৃথিৱীৰ সকলোবোৰ ধৰ্ম গ্ৰন্থতো একমাত্ৰ ধৰ্মীয় হোৱাৰ বিপৰীতে ধাৰ্ম্মিক আৰু কৰ্মমূখী হ'বলৈ উপদেশ দিয়া হৈছে। ৰাষ্ট্ৰধৰ্ম হৈছে পৰম ধৰ্ম গতিকে আহকচোন আমি সকলোৱেই ধৰ্মীয় গোড়ামিৰ পৰা আঁতৰি এখন বিকশিত ভাৰত গঠনত নিজৰ সাধ্যাতীত অৰিহণা আগবঢ়াই যাওঁ ।

ফোন ঃ৭৮৯৬০৪৭০০৫

## বাংলাদেশৰ ইতিহাস ফঁহিয়াই...

ইতিহাস ফঁহিয়াই চালে দেখা যায় বাংলাদেশে অতীজৰ পৰা বহুত ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক প্ৰতাহ্বানৰ সন্মুখীন হৈ আহিছে। এখন প্ৰত্নতাত্ত্বিক গৱেষণাৰ প্ৰতিবেদন মতে প্ৰায় চাৰি হেজাৰ বছৰ পূৰ্বে বাংলাদেশত দ্ৰাবিড় আৰু তিব্বত-বাৰ্মিজ লোকে বসবাস কৰিছিল যদিও চতুৰ্থ শতিকাৰ পৰা ষষ্ঠ শতিকালৈ আৰ্যসকলৰ আগমন ঘটে আৰু গুপ্ত বংশই বংগত শাসন কৰিছিল । শশাংকা নামৰ গুপ্ত বংশৰ ৰজাজনে অতি কম সময়ৰ বাবে অঞ্চলটোত শাসন কৰাৰ পাছত এশ বছৰমান ধৰি এই অঞ্চলটো শাসকবিহীন হৈ আছিল। বংগৰ ইতিহাসৰ সেই সময়খিনিক মৎসন্যায় পৰ্ব বুলি কোৱা হয়। ইয়াৰ পাছত বৌদ্ধ ধৰ্মাৱলম্বী পাল বংশই বংগ দখল কৰি চাৰিশ বছৰ শাসন কৰিছিল। প্ৰায় ১১শ শতিকাৰ অন্তিম ভাগত পাল বংশৰ পতন ঘটাত হিন্দু ধৰ্মাৱলম্বীৰ সেন বংশই বংগ শাসন কৰিছিল। দ্বাদশ শতিকাত সেন ৰাজবংশৰ ৰজা বল্লল সেনে মা দুৰ্গা অনিন্দ্য সুন্দৰ ঢাকেশ্বৰী মন্দিৰ প্ৰতিষ্ঠাৰ পাছত ৰাজধানীখনৰ হৈ পৰিছিল ঢাকা।

১২০৫-১২০৬ খ্ৰীষ্টাব্দত তুৰস্ক মূলৰ সেনাপতি মহম্মদ বিন বখতিয়াৰ খিলিজীয়ে হিন্দু ৰজা লক্ষ্মণসেনক পৰাস্ত কৰি বংগ দখল কৰাৰ পাছত নাগৰিক সকলক ইছলাম ধৰ্মলৈ পৰিবৰ্তন কৰা হৈছিল।

১৫৭৫ত টুকাৰোই যুদ্ধত দিল্লীৰ বাদছাহ আকবৰে বংগৰ স্বতন্ত্ৰ শাসক দৌদ খান কাৰানীক পৰাস্ত কৰাৰ পাছতে বংগ মোগল সাম্ৰাজ্যত অন্তৰ্ভুক্ত হৈছিল । মোগলে বংগ দখল কৰি ঢাকাত বংগৰ ৰাজধানী পাতি ইয়াৰ নাম ৰাখিছিল জাহাংগীৰ নগৰ।

১৭৫৭ খ্ৰীষ্টাব্দত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে পলাশীৰ যুদ্ধত বংগৰ নবাব চিৰাজদ্দৌলাক পৰাস্ত কৰি বংগৰ শাসনভাৰ লাভ কৰিছিল। ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন কালতে ১৭৭০ত সমগ্ৰ ভাৰতত সংঘটিত হোৱা মনৱন্তৰ নামেৰে জনাজাত দুৰ্ভিক্ষত প্ৰায় ৩০ লাখ লোকৰ মৃত্যু হৈছিল বুলি কোৱা হয়। ইয়াৰ সৰ্বাধিক লোক বংগৰ আছিল। ১৮৫৭ৰ চিপাহী বিপ্লৱৰ পাছত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বংগৰ শাসনভাৰ প্ৰত্যক্ষভাৱে ব্ৰিটিছ সাম্ৰাজ্যৰ অধীনলৈ হস্তান্তৰ হোৱাৰ পাছত এজন ভাইচৰয়ক বংগৰ প্ৰশাসনিক দায়িত্বভাৰ দিয়া হৈছিল ।

১৯০৫ত ভাইচৰয় লৰ্ড কাৰ্জনে পূৰ্ব বংগৰ সংখ্যাগৰিষ্ঠ মুছলমান বসতি প্ৰধান অঞ্চলসমূহৰ স'তে বিহাৰ, ওড়িছাৰ ১৫ খন জিলা আৰু অসমক সামৰি ঢাকাত ৰাজধানী পাতি এখন নতুন প্ৰদেশ গঠন কৰিছিল। এই নতুন প্ৰদেশখনৰ সংখ্যাগৰিষ্ঠ লোক মুছলমান সম্প্ৰদায়ৰ আছিল।

পোন প্ৰথমবাৰৰ বাবে চতুৰতাৰে বৃটিছ শাসন ব্যৱস্থাই বংগ বিভাজন কৰি বছৰ বছৰ ধৰি সম্ভাৱনাৰে ভাৰতত বসবাস কৰি অহা হিন্দু আৰু মুছলমান পৰস্পৰৰ মাজত বিষবাষ্প বিয়পাই দিছিল। এই বিভাজনৰ পৰিণতিত শিয়াল বুদ্ধিৰ ব্ৰিটিছসকলে ভাৰতীয় মুছলমানসকলক ধৰ্মৰ ভিত্তিত নিজস্বভাৱে ৰাষ্ট্ৰীয় সংগঠন গঠন কৰিবলৈ উৎসাহিত কৰিছিল। এয়াই আছিল ব্ৰিটিছৰ ভাৰতীয় নাগৰিকসকলক ধৰ্মৰ ভিত্তিত বিভাজন কৰি স্বাধীনতা সংগ্ৰামক দুৰ্বল কৰি তোলাৰ এক গোপন অভিসন্ধি।

ইফালে, এই বিভাজনৰ সময়ত পশ্চিমবংগত বসবাস কৰা সংখ্যাগৰিষ্ঠ হিন্দু লোকসকল নিজৰ ৰাজ্যখনত সংখ্যালঘু হৈ পৰিছিল। পাছত ১৯১১ত পশ্চিমবংগৰ হিন্দুসকলৰ প্ৰবল প্ৰতিবাদৰ সন্মুখীন হৈ ভাইচৰয় লৰ্ড হেষ্টিংছে বংগ ভংগ খাৰিজ কৰি বিভক্ত বংগৰ একত্ৰীকৰণ কৰিবলৈ বাধ্য



হৈছিল।

কিন্তু দুৰ্ভাগ্যজনকভাৱে ১৯৪৭ত স্বাধীনতাৰ প্ৰাকমুহূৰ্তত বংগ প্ৰদেশক আকৌ এবাৰ ধৰ্মীয় আধিপত্যৰ ভিত্তিত বিভাজিত হৈছিল। হিন্দু সংখ্যাগৰিষ্ঠ পশ্চিমবংগ ধৰ্মনিৰপেক্ষ উদাৰ বিচাৰধাৰাৰ ভাৰতত অন্তৰ্ভুক্ত হোৱাৰ বিপৰীতে মুছলমান সংখ্যাগৰিষ্ঠ পূৰ্ব বংগ গোড়া ধৰ্মীয় বিচাৰধাৰাৰ পাকিস্তানত অন্তৰ্ভুক্ত কৰা হৈছিল। ১৯৫৪ত পূব বংগৰ নাম সলনি কৰি পূব পাকিস্তান কৰা হৈছিল যদিও পাকিস্তান চৰকাৰে পূব পাকিস্তানৰ অৰ্থনৈতিক আৰু জনগাঁথনিৰ বিকাশৰ বাবে উদাসীন মনোভাৱ পোষণ কৰিছিল। লাহে লাহে পূব পাকিস্তানৰ জনসাধাৰণ পশ্চিম পাকিস্তানৰ মইমতালিত বিতুষ্ট হৈ পৰিছিল।

১৯৫২ত পশ্চিম পাকিস্তানে দেশখনৰ ৰাষ্ট্ৰভাষা উৰ্দু বুলি ঘোষণা কৰাৰ পাছত পূৱ পাকিস্তানত ভয়ংকৰ ভাষা আন্দোলনৰ সূত্ৰপাত হৈছিল। এই সময়ছোৱাতে শ্বেখ মুজিবুৰ ৰহমানৰ নেতৃত্বত বাংলাদেশৰ ৰাজনীতিত আৱামী লীগ নামৰ এটা বাংলা জাতীয়তাবাদী দলে আত্মপ্ৰকাশ কৰিছিল। এই দলটোৱেই ১৯৬০ৰ দশকৰ মাজভাগত পোন প্ৰথমবাৰৰ বাবে পূব পাকিস্তানক পশ্চিম পাকিস্তানৰ পৰা স্বাধীন কৰাৰ দাবী তুলিছিল। আৱামী লীগৰ নেতা শ্বেখ মুজিবুৰ ৰহমানক ষড়যন্ত্ৰমূলকভাৱে কে'বাবাৰো পশ্চিম পাকিস্তানৰ শাসন ব্যৱস্থাই গ্ৰেপ্তাৰ কৰিছিল যদিও পূৰ্ব বংগৰ লোকসকলৰ গণ বিদ্ৰোহৰ সন্মুখত তদানীন্তন ৰাষ্ট্ৰপতি আয়ুব খানৰ সামৰিক প্ৰশাসনে তেওঁক মুকলি কৰি দিবলৈ বাধ্য হৈছিল।

১৯৭০ত পূব পাকিস্তানৰ উপকূলীয় অঞ্চলত এক সাংঘাতিক ঘূৰ্ণীবতাহৰ ফলত প্ৰায় পাঁচ লাখ লোকৰ মৃত্যু হৈছিল। এই সময়ত পাকিস্তানৰ কেন্দ্ৰীয় চৰকাৰে অকণো সঁহাৰি নিদিয়া বাবে বাংলাদেশৰ জনতা ক্ষুব্ধ হৈ পৰিছিল। আনকি সেই বছৰতে অনুষ্ঠিত হোৱা সংসদীয় নিৰ্বাচনত বাংলাদেশৰ আৱামী লীগে সংখ্যাগৰিষ্ঠতা লাভ কৰা সত্ত্বেও পশ্চিম পাকিস্তানৰ চৰকাৰে ক্ষমতা হস্তান্তৰ কৰা নাছিল। বৰঞ্চ পাকিস্তানৰ তদানীন্তন ৰাষ্ট্ৰপতি জেনেৰেল ইয়াহিয়া খানৰ আদেশ মৰ্মে পশ্চিম পাকিস্তানৰ সেনাই অপাৰেচন চাৰ্চলাইট চলাই বাঙালীসকলৰ ওপৰত নিৰ্বিচাৰ আক্ৰমণ কৰিছিল । পশ্চিম পাকিস্তানৰ সেনাই প্ৰায় ৩০ লাখ লোকক নিৰ্দয়ভাৱে হত্যা কৰিছিল আৰু চাৰিলাখ মহিলাক ধৰ্ষণ কৰিছিল। প্ৰাণৰ মমতাত প্ৰায় এক কোটি বাংলাদেশী নাগৰিক আৰু আৱামী লীগৰ অধিকাংশ নেতাই ভাৰতলৈ পলায়ন কৰিছিল। বাংলাদেশৰ স্বাধীনতা যোদ্ধাসকলে প্ৰায় নমাহ সময় পাকিস্তানী সেনাৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। অৱশেষত ১৯৭১ৰ ডিচেম্বৰত ভাৰতৰ সহায়ত মুক্তি বাহিনী আৰু বাংলাদেশ সেনাই পাকিস্তান সেনাক পৰাভূত কৰিছিল।

পশ্চিম পাকিস্তানৰ পৰা স্বাধীনতা লাভ কৰি বাংলাদেশ নামৰ এখন নতুন প্ৰজা গণতান্ত্ৰিক দেশ গঠন হৈছিল। বাংলাদেশত প্ৰথমবাৰৰ বাবে সংসদীয় গণতন্ত্ৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল আৰু শ্বেখ মুজিবুৰ ৰহমানে নৱগঠিত দেশখনৰ প্ৰথম প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৭৩ৰ সংসদীয় নিৰ্বাচনত আৱামী লীগে নিৰপেক্ষ সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল। কিন্তু সেই বছৰতে বাংলাদেশত ভয়ানক দুৰ্ভিক্ষ হৈছিল।

১৯৭৫ৰ ১৫ আগষ্টত শ্বেইখ মুজিব আৰু তেওঁৰ পৰিয়ালৰ সকলো লোকক বাংলাদেশৰ সেনাবাহিনী আৰু তেওঁৰ নিজৰ দলৰ একাংশ ৰাজনীতিবিদে বিশ্বাসঘাতকতা কৰি হত্যা কৰিছিল।

ৰাষ্ট্ৰপিতা তথা বংগবন্ধু খ্যাত শ্বেখ মুজিবুৰ ৰহমানৰ হত্যাত সমগ্ৰ বাংলাদেশ শোকাকুল হৈ পৰিছিল। সৌভাগ্যবশত শ্বেখ মুজিবুৰ ৰহমানৰ বিদেশত থকা দুয়োগৰাকী নাবালিকা কন্যা হাছিনা আৰু ৰেহেনা বাচি গৈছিল। বংগবন্ধু শ্বেখ মুজিবুৰ ৰহমানৰ সেই জেষ্ঠ পুত্ৰী হাছিনাই হৈছে বাংলাদেশৰ বৰ্তমানৰ প্ৰধানমন্ত্ৰী। বিগত ১৫ বছৰ ধৰি সুশাসন প্ৰদান কৰি জনতাৰ বিপুল আস্থাক বিজয় কৰা প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ নেতৃত্বত বাংলাদেশত চলি থকা বিভিন্ন সৰু-ডাঙৰ উন্নয়নশীল প্ৰকল্প আৰু কিছু বিশেষ কথা নিজ চকুৰে দেখি অভিভূত হৈছিলো।

## দুমাহত দেশত চাউলৰ মূল্য ৩০ শতাংশ বৃদ্ধি



নিউজ ব্যুৰ', নতুন দিল্লী, ১ আগষ্ট ঃ বিগত দুমাহত ভাৰতত চাউলৰ মূল্য প্ৰায় ৩০ শতাংশ বৃদ্ধি পালে। বৰ্তমানে দেশৰ বজাৰত দুমাহ পূৰ্বে ২৫ টকা মূল্যত লাভ কৰা প্ৰতি কিলো 'ব্ৰকেন ৰাইচ'ৰ মূল্য সম্প্ৰতি ৩৫ টকালৈ বৃদ্ধি পাইছে। বাচমতি চাউলৰ মূল্যও ৩০ শতাংশতকৈ অধিক বৃদ্ধি পাইছে। পূৰ্বে প্ৰতি কিলো ৬০ টকা মূল্যত বিক্ৰী হোৱা বাচমতি চাউলৰ মূল্য বৰ্তমানে ৮০ টকালৈ বৃদ্ধি পাইছে। একেদৰে ৩০ টকা মূল্যৰ প্ৰতি কিলো 'ব্ৰকেন বাচমতি' চাউলৰ মূল্য বৰ্তমানে ৪০ টকা হৈছে। অল ইণ্ডিয়া ৰাইচ এক্সপৰ্টাৰ্ছ এছ'চিয়েছনে প্ৰকাশ কৰা অনুসৰি চলিত বৰ্ষত ভাৰতে চাউলৰ ৰপ্তানি অধিক কৰাৰ ফলত দেশৰ বজাৰত চাউলৰ মূল্য বৃদ্ধি পাইছে।

## কৰ নীতিৰ প্ৰসংগত হঠাৎ সুৰ সলনি ঋষিৰ, ২০ শতাংশ কৰ ৰেহাইৰ প্ৰতিশ্ৰুতি



নিউজ ব্যুৰ', লণ্ডন, ১ আগষ্ট ঃ ব্ৰিটেইনবাসী বৰ্ধিত কৰ আৰোপক লৈ যথেষ্ট হাৰাশাস্তিৰ সন্মুখীন হৈ আহিছে। ব্ৰিটিছ নাগৰিকৰ এই সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীৰ পদপ্ৰাৰ্থী ঋষি ছুনকে দেশবাসীক কৰ ৰেহাইৰ প্ৰতিশ্ৰুতি দিলে। ঋষিয়ে কয় যে যদিহে কনজাৰভেটিভ পাৰ্টিৰ নেতা নিৰ্বাচিত হৈ ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰীৰ পদত তেওঁ নিযুক্তি লাভ কৰে তেন্তে ২০২৯ বৰ্ষলৈকে ব্ৰিটেইনৰ নাগৰিকক আয়কৰৰ 'বেচিক ৰেট'ৰ ক্ষেত্ৰত ২০ শতাংশ কৰ ৰেহাই দিব। উল্লেখ্য যে প্ৰধানমন্ত্ৰী পদৰ যুঁজত অৱতীৰ্ণ হোৱাৰ সময়ৰে পৰা ঋষিয়ে ঘোষণা কৰি আহিছিল যে তেওঁ জনসাধাৰণক প্ৰলোভিত কৰিব পৰা ধৰণৰ নীতিৰ পৰা সততে আঁতৰি থাকিব। কিন্তু হঠাতে কৰ নীতিৰ প্ৰসংগত পূৰ্বৰ স্থিতি সলনি কৰি ভাৰতীয় মূলৰ কনজাৰভেটিভ দলৰ নেতাজনে ঘোষণা কৰি ক'লে যে ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীৰ দায়িত্ব লাভ কৰিলে তেওঁ আয়কৰৰ মূল হাৰত ২০ শতাংশ ৰেহাই প্ৰদান কৰিব। উল্লেখ্য যে অহা পাঁচ ছেপ্টেম্বৰত ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী নিৰ্বাচনৰ বাবে কনজাৰভেটিভ দলৰ সদস্যসকলে ভোটদান কৰিব।

## 'লাল সিং চড্ডা'ৰ বৰ্জনৰ আহ্বানৰ প্ৰসংগত কি ক'লে আমিৰে ?



নিউজ ব্যুৰ', মুম্বাই, ১ আগষ্ট ঃ কিছুদিন ধৰি টুইটাৰত 'বয়কট লাল সিং চড্ডা' শীৰ্ষক এক অভিযান অব্যাহত আছে। 'লাল সিং চড্ডা' হৈছে আমিৰ খানে নিৰ্মাণ কৰা মুক্তিৰ অপেক্ষাত থকা শেহতীয়া ছবি। হলিউডৰ বিখ্যাত ছবি 'ফৰেষ্ট গাম্প'ৰ হিন্দী ৰিমেক হৈছে 'লাল সিং চড্ডা'। এই ছবিখনে অহা ১১ আগষ্টত দেশৰ চিত্ৰগৃহত মুক্তিলাভ কৰিব। কিন্তু একাংশ সামাজিক মাধ্যম ব্যৱহাৰকাৰীয়ে আমিৰ খান অভিনীত এইখন ছবি বৰ্জন কৰিবলৈ আহ্বান জনাইছে। আমিৰে পূৰ্বে প্ৰকাশ কৰা কিছু মন্তব্যৰ পৰিপ্ৰেক্ষিতত একাংশ লোকে টুইটাৰত 'লাল সিং চড্ডা' ছবিখন দৰ্শকসকলক চোৱাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। এই আহ্বানৰ প্ৰসংগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে মহাতাৰকা অভিনেতাজনে। আমিৰে সংবাদমেলত এই প্ৰসংগত প্ৰশ্ন কৰাত আজি এইদৰে কয়, 'অনুগ্ৰহ কৰি আমাৰ ছবিখন বৰ্জন নকৰিব। এনে আহ্বান জনালে মোৰ বৰ বেয়া লাগে। মই এই কথা ভাবি আৰু বেয়া অনুভৱ কৰো যে এনেধৰণৰ প্ৰচাৰ যিসকলে চলাইছে তেওঁলোকৰ বহুতে ভাবে যে মই ভাৰতক ভাল নাপাও। এয়া সত্য নহয়। বৰঞ্চ ভুল আৰু মিছা। দুৰ্ভাগ্যজনক একাংশ মানুহে এনে কথা ভাবে। অনুগ্ৰহ কৰি আমাৰ ছবিখন বৰ্জন নকৰিব। দয়া কৰি ছবিখন চাওক।' উল্লেখ্য যে কে'বাবছৰ পূৰ্বে আমিৰে ভাৰত ক্ৰমে অসহনশীল হোৱা বুলি মন্তব্য কৰিছিল আৰু পত্নী-পুত্ৰসহ দেশত্যাগ কৰাৰ ইচ্ছাও ব্যক্ত কৰিছিল। আমিৰৰ এনেবোৰ পূৰ্বে প্ৰকাশ কৰা মন্তব্যক সাঙুৰিয়ে একাংশ লোকে অভিনেতাজনৰ মুক্তিৰ অপেক্ষাত থকা 'লাল সিং চড্ডা'ৰ বিৰুদ্ধে সামাজিক মাধ্যমৰ জৰিয়তে ব্যাপক প্ৰচাৰ চলাইছে।

## তিনি বছৰত ২.৯২ কোটি পাৰপত্ৰ জাৰি ভাৰতত



নিউজ ব্যুৰ', নতুন দিল্লী, ১ আগষ্ট ঃ বিগত তিনি বছৰত ভাৰত চৰকাৰে ২.৯২ কোটি পাৰপত্ৰ জাৰি কৰিলে। এই সময়ছোৱাত পাঁচ কোটিৰো অধিক লোকে বিদেশ যাত্ৰা কৰিছিল। লোকসভাত এই তথ্য দাখিল কৰিলে কেন্দ্ৰীয় চৰকাৰে। লিখিত প্ৰশ্নৰ উত্তৰত বিদেশ ৰাজ্যমন্ত্ৰী বি মুৰলিধৰণে লোকসভাত তথ্য দাখিল কৰি কয় যে বিগত তিনি বছৰত ভাৰতত ২,৯২,৯৩,০১১ খন পাৰপত্ৰ জাৰি কৰা হৈছিল। একেদৰে উক্ত সময়ছোৱাত ৫,০৬,৮৬,৭৬৩ জন ভাৰতীয় লোকে বিদেশ ভ্ৰমণ কৰিছিল।

## দিন দুপৰতে ব্যায়ামাগাৰত গুলিবৰ্ষণত নিহত পঞ্জাৱৰ আপৰ কাউন্সিলৰ



নিউজ ব্যুৰ' চণ্ডীগড়, ১ আগষ্ট ঃ পঞ্জাৱৰ মালেৰকোটলাত থকা এটা জিমত সংঘটিত হোৱা গুলিবৰ্ষণৰ ঘটনাত প্ৰাণ হেৰুৱালে আম আদমী পাৰ্টি (আপ)ৰ এজন কাউন্সিলৰে। নিহত আপৰ নেতাজনৰ নাম মহম্মদ আকবৰ। দেওবাৰে আনদিনাৰ দৰে জিমত শৰীৰ চৰ্চাত ব্যস্ত থকাৰ সময়তে দুষ্কৃতিকাৰীয়ে ব্যায়ামাগাৰত প্ৰৱেশ কৰি আকবৰক গুলিবৰ্ষণ কৰিছিল। ঘটনাস্থলীত গুলিবিদ্ধ হৈ আকবৰ মজিয়াত বাগৰি পৰাত দুষ্কৃতিকাৰীয়ে পলায়ন কৰিছিল। পাছত আৰক্ষীয়ে আপৰ নেতাজনৰ মৃতদেহ ব্যায়ামাগাৰৰ পৰা উদ্ধাৰ কৰে।

### বিদ্যুতৰ মূল্য অত্যধিক হোৱাৰ ফলত সম্প্ৰতি ব্ৰিটেইনত ৭৯ শতাংশ ছুইমিংপুল বন্ধ হৈ আছে

## এইবাৰ অতি বিলাসী জীৱনক লৈ বিতৰ্কত প্ৰধানমন্ত্ৰী পদপ্ৰাৰ্থী ঋষি

নিউজ ব্যুৰ' লণ্ডন, ১ আগষ্ট ঃ ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীৰ পদপ্ৰাৰ্থী হিচাপে লীজ ট্ৰাছৰ শক্তিশালী প্ৰতিদ্বন্দ্বীৰ ৰূপত আত্মপ্ৰকাশ কৰা ভাৰতীয় মূলৰ ব্ৰিটিছ নাগৰিক ঋষি ছুনক নতুন বিৰ্তকৰ স'তে সাঙোৰ খালে। ব্ৰিটিছ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি বাতৰি অনুসৰি, শেহতীয়াভাৱে অতি বিলাসী জীৱন যাপনৰ বাবে সমালোচনাৰ সন্মুখীন হ'ব লগা হৈছে কনজাৰভেটিভ দলৰ নেতৃত্বৰ অন্যতম দাবীদাৰ ঋষি। ঋষিয়ে তেওঁৰ নৰ্থ য়ৰ্কশ্বায়াৰত থকা বাসগৃহত এটা প্ৰকাণ্ড ব্যক্তিগত ছুইমিংপুল নিৰ্মাণ কৰিছে। এই ছুইমিংপুলটোক লৈয়ে সামাজিক মাধ্যমত একাংশ ব্ৰিটিছ নাগৰিকে ঋষিক কঠোৰভাৱে সমালোচনা কৰিছে। ব্ৰিটেইনত সম্প্ৰতি বিদ্যুৎ অতি



ব্যয়বহুল হৈছে আৰু এনে সময়ত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী পদৰ অন্যতম দাবীদাৰ ঋষিয়ে বিলাসী জীৱন যাপনত ব্যস্ত থকাৰ বাবে সমালোচিত হ'ব লগা হ'ল।

ব্ৰিটেইনৰ সংবাদ মাধ্যমৰ তথ্য অনুসৰি ১.৫ নিযুত পাউণ্ড মূল্যৰ বাসগৃহত বসবাস কৰি অহা ছুনকে নিজৰ ঘৰৰ চৌহদৰ ভিতৰত প্ৰকাণ্ড ছুইমিংপুলৰ লগতে এটা জিমৰ নিৰ্মাণ কৰিছে। বিদ্যুতৰ মূল্য অত্যধিক হোৱাৰ ফলত সম্প্ৰতি ব্ৰিটেইনত ৭৯ শতাংশ ছুইমিংপুল বন্ধ হৈ আছে। একোটা ছুইমিংপুলৰ বাবদ ব্ৰিটেইনত বছৰি ৩,১৫,০০০ পাউণ্ড বিদ্যুতৰ মাচুল আদায় দিবলগা হয়। উল্লেখ্য যে বিলাসী জীৱনৰ বাবে সমালোচিত হ'লেও ঋষি হৈছে ব্ৰিটেইনৰ সবাতোকৈ ধনী সাংসদ।

## আমেৰিকাৰ ইণ্ডিয়ানাত আৰক্ষী বিষয়াক গুলীয়াই হত্যা



নিউজ ব্যুৰ' ইণ্ডিয়ানা, ১ আগষ্ট ঃ আমেৰিকাৰ ইণ্ডিয়ানাত এজন আৰক্ষী বিষয়াক এখন গাড়ীৰে অহা এজন ব্যক্তিয়ে গুলীয়াই হত্যা কৰিলে। গাড়ীৰে অহা ব্যক্তিজনৰ গাড়ীখন আৰক্ষী বিষয়াই ৰখোৱাৰ লগে লগে গাড়ীৰ পৰা ব্যক্তিজনে নামি আহি কৰ্তব্যৰত আৰক্ষী বিষয়াক গুলিবৰ্ষণ কৰে। ফলত ঘটনাস্থলীতে আৰক্ষীজনৰ মৃত্যু হয়। ঘটনা সংঘটিত হোৱাৰ ৩০ মিনিটৰ পাছতে আৰক্ষীয়ে অনুসন্ধান চলাই আক্ৰমণকাৰীক গ্ৰেপ্তাৰ কৰিলে। কি কাৰণত গাড়ীৰে অহা ব্যক্তিজনে কৰ্তব্যৰত আৰক্ষীক তালাচীৰ সময়ত গুলিবৰ্ষণ কৰিলে সেয়া এতিয়াও জানিব পৰা হোৱা নাই।

## ফৰাচী নৌসেনাৰ স'তে যৌথ সামৰিক অনুশীলনত ভাৰতীয় ৰণতৰী, আটলাণ্টিকত শক্তি প্ৰদৰ্শন ভাৰতৰ



নিউজ ব্যুৰ', নতুন দিল্লী, ১ আগষ্ট ঃ বিশ্বৰ অন্যতম অৰ্থনৈতিক আৰু সামৰিক শক্তি হিচাপে আত্মপ্ৰকাশ কৰিলে ভাৰতে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য পদ লাভৰ বাবে ভাৰতে নিৰন্তৰ চেষ্টা অব্যাহত ৰাখিছে। এইবাৰ আটলাণ্টিক মহাসাগৰত ফ্ৰান্সৰ নৌসেনাৰ স'তে শক্তি প্ৰদৰ্শন কৰিলে ভাৰতীয় নৌসেনাই। বিশ্লেষকৰ মতে, ইউৰোপৰ অন্যতম শক্তিশালী দেশ ফ্ৰান্সৰ স'তে ভাৰতৰ এই যৌথ সামৰিক অনুশীলন কাৰ্যতঃ চীনৰ প্ৰতি এক কঠোৰ বাৰ্তা বিবেচিত হৈছে। যোৱা ২৯, ৩০ জুলাইত উত্তৰ আটলাণ্টিকত যৌথ অনুশীলনত ফ্ৰান্সৰ নৌসেনাৰ স'তে অংশ ল'লে ভাৰতীয় ৰণতৰী আই এন এছ তৰকছে। তাৎপৰ্যপূৰ্ণভাৱে ফ্ৰান্সৰ স'তে ভাৰতৰ সামৰিক সম্পৰ্ক যথেষ্ট শক্তিশালী। ভাৰতীয় নৌসেনাত ফ্ৰান্সত তৈয়াৰী স্কৰপেন ছাবমেৰিন অন্তৰ্ভুক্ত কৰা হৈছে। ২০১৫তে ফ্ৰান্সৰ পৰা ২৬ খন ৰাফেল যুঁজাৰু বিমান ক্ৰয়াৰ বাবেও চুক্তিবদ্ধ হৈছিল ভাৰত। ইতিমধ্যে ভাৰতীয় বায়ুসেনাই এই যুঁজাৰু বিমান ফ্ৰান্সৰ পৰা লাভ কৰিছে।

## টাই পৰিধানত নিষেধাজ্ঞা আৰোপ কৰিলে স্পেইনৰ প্ৰধানমন্ত্ৰীয়ে, কিন্তু কিয় ?



নিউজ ব্যুৰ', মাদ্ৰিদ, ১ আগষ্ট ঃ স্পেইনৰ প্ৰধানমন্ত্ৰী পেড্ৰ' ছাঞ্চেজে দেশখনৰ মন্ত্ৰী আৰু বিষয়া-কৰ্মচাৰীসকলক 'টাই' পৰিধান নকৰিবলৈ নিৰ্দেশনা জাৰি কৰিলে। দৰাচলতে প্ৰধানমন্ত্ৰীজনে বিদ্যুৎ ৰাহি কৰিবলৈ মন্ত্ৰী আৰু কৰ্মচাৰীক টাই পৰিধানৰ পৰা বিৰত থাকিবলৈ আহ্বান জনালে। দেশৰ মন্ত্ৰী-কৰ্মচাৰীক উদ্দেশি দিয়া বক্তৃতাত ছাঞ্চেজে এইদৰে কয়, 'মই টাই পৰিধান কৰা নাই। মন্ত্ৰীসকলকো পৰিধান নকৰিবলৈ কৈছো।' বিভিন্ন সংস্থাৰ কৰ্মীসকলকো প্ৰধানমন্ত্ৰীজনে টাই পৰিধান কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। টাই পৰিধান নকৰিলে বিদ্যুৎ ৰাহি হ'ব বুলি মত প্ৰকাশ কৰা প্ৰধানমন্ত্ৰীজনে অৱশ্যে কেনেকৈ এই পদ্ধতি অৱলম্বন কৰিলে বিদ্যুৎ ৰাহি হ'ব তাৰ ব্যাখ্যা আগবঢ়োৱা নাই। অৱশ্যে ধাৰণা কৰা অনুসৰি টাই পৰিধান নকৰিলে গৰমত শীততাপ নিয়ন্ত্ৰিত যন্ত্ৰৰ ব্যৱহাৰ কমকৈ হ'ব আৰু ইয়াৰ ফলতে বিদ্যুৎ ৰাহি হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে এই আহ্বান জনালে। উল্লেখ্য যে ইউক্ৰেইনত ৰাছিয়াৰ আক্ৰমণৰ পাছৰে পৰা স্পেইনত বিদ্যুতৰ ব্যয় যথেষ্ট বৃদ্ধি পাইছে।

## জুলাইত পুনৰ বৃদ্ধি পালে জি এছ টি সংগ্ৰহৰ পৰিমাণ




নিউজ ব্যুৰ', নতুন দিল্লী, ১ আগষ্ট ঃ কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰে যোৱা জুলাইত সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) সংগ্ৰহৰ ক্ষেত্ৰত পুনৰ নতুন অভিলেখ গঢ়িলে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি, জুলাইত চৰকাৰে জি এছ টিৰ জৰিয়তে ১,৪৮,৯৯৫ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিলে। একেৰাহে পঞ্চম মাহৰ বাবে দেশৰ জি এছ টি সংগ্ৰহৰ পৰিমাণ ১.৪০ লাখ কোটি টকাৰ অধিক হ'ল। ২০২১ৰ জুলাইত চৰকাৰে জি এছ টিৰ জৰিয়তে ১,১৬,৩৯৩ কোটি টকা লাভ কৰিছিল। যোৱা বছৰৰ জুলাইৰ তুলনাত চলিত বৰ্ষৰ জুলাইত জি এছ টি সংগ্ৰহৰ পৰিমাণ অধিক হ'ল। ইয়াৰ পূৰ্বে ২০২২ৰ জুনত চৰকাৰে ১,৪৪,৬১৬ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিছিল। একেদৰে যোৱা মে'ত ১,৪০,৮৮ কোটি টকা, এপ্ৰিলত ১.৬৮ লাখ কোটি টকা আৰু মাৰ্চত ১.৪২ লাখ কোটি টকাৰ জি এছ টি কেন্দ্ৰই সংগ্ৰহ কৰিছিল।

## মেগী-পেঞ্চিলৰ দাম কিয় বাঢ়িল ঃ পত্ৰৰে প্ৰধানমন্ত্ৰী মোদীক প্ৰশ্ন শিশুৰ

নিউজ ব্যুৰ' লক্ষ্নৌ, ১ আগষ্ট ঃ সঘনে দেশত বৃদ্ধি পাইছে নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্য। অত্যধিক মূল্যবৃদ্ধিৰ ফলত সাধাৰণ মানুহে সংসাৰ চলাবলৈ যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। মূল্যবৃদ্ধিৰ প্ৰভাৱে কেৱল জ্যেষ্ঠসকলকে নহয়, শিশুকো ক্ষতিগ্ৰস্ত কৰিছে। এনে পৰিস্থিতিতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ মুকলি চিঠি লিখি মূল্যবৃদ্ধিৰ প্ৰসংগত প্ৰশ্ন উত্থাপন কৰিলে এগৰাকী কণমানি ছাত্ৰীয়ে। শিশু কন্যাই প্ৰধানমন্ত্ৰীলৈ লিখা এই মুকলি চিঠি সম্প্ৰতি সামাজিক মাধ্যমত ভাইৰেল হৈছে। কিন্তু কণমানিয়ে পত্ৰত কি কথা লিখিছিল ? মূল্যবৃদ্ধিৰ প্ৰসংগত আপত্তি দৰ্শাই এই পত্ৰত শিশুকন্যাই এইদৰে লিখিছিল, 'মোৰ নাম কৃতি ডুবে। মই ক্লাছ ওৱানত পঢ়ো। মোদীজী আপুনি এই মূল্যবৃদ্ধিৰ বাবে দায়ী। আমাৰ পেঞ্চিল আৰু ৰাবাৰৰ দাম বৃদ্ধি পাইছে। মেগীৰ দামো বৃদ্ধি কৰা হৈছে। এতিয়া মোৰ মায়ে অতিৰিক্ত পেঞ্চিল বিচাৰিলে মোক মাৰধৰ কৰে। আমি এতিয়া কি কৰিম ? আমাৰ সহপাঠীয়ে মোৰ পেঞ্চিল চুৰি কৰি নিয়ে।' কৃতিৰ পিতৃ অধিবক্তা বিশাল ডুবেয়ে কন্যাৰ এই পত্ৰৰ সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত এইদৰে কয়, 'ছোৱালীজনীয়ে নিজৰ মনৰ কথাৰে এখন পত্ৰ লিখিছে। সম্প্ৰতি স্কুলত প্ৰায় এডাল পেঞ্চিল হেৰাই অহাত মাকে যথেষ্ট গালি পাৰিছিল আৰু তাৰপাছতে তাই মোদীজীলৈ এই মুকলিপত্ৰ লিখিছিল।' উল্লেখ্য যে উত্তৰ প্ৰদেশৰ কনৌজৰ এখন বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰীয়ে লিখা এই মুকলি পত্ৰই সম্প্ৰতি সামাজিক মাধ্যমত বিশেষ চৰ্চা লাভ কৰিছে। চৰকাৰে শেহতীয়াভাৱে বিভিন্ন সামগ্ৰীত জি এছ টি আৰোপ কৰাৰ লগতে জি এছ টিৰ পৰিমাণো বৃদ্ধি কৰাৰ ফলত মেগী, পেঞ্চিলসহ বহু নিত্য ব্যৱহাৰ্য সা-সামগ্ৰীৰ মূল্য বৃদ্ধি পালে।



## কোচ বিহাৰত জেনাৰেটৰৰ শ্বৰ্ট চাৰ্কিটৰ ঘটনাত ১০ শিৱভক্তৰ মৃত্যু



নিউজ ব্যুৰ', কোচ বিহাৰ, ১ আগষ্ট ঃ পশ্চিমবংগৰ কোচ বিহাৰৰ ধৰলাসেতুত যোৱা নিশা ১২ বজাত এখন যাত্ৰীবাহী পিকআপ ভান জেনাৰেটৰৰ শ্বৰ্ট চাৰ্কিটৰ ফলত বিদ্যুৎস্পৃষ্ট হোৱাত ১০ জন লোকৰ মৃত্যু হ'ল। বল বম উপলক্ষে শীতলকুচিৰ পৰা জল্পেশ মন্দিৰলৈ যাত্ৰা কৰাৰ সময়তে ডি জে সংগীত পৰিৱেশনৰ বাবে পিকআপ ভানত থকা জেনাৰেটৰত হঠাতে শ্বৰ্ট চাৰ্কিট হোৱাত এই দুৰ্ঘটনা সংঘটিত হ'ল। বিদ্যুৎস্পৃষ্ট হোৱাৰ ফলত ১০ জন লোকৰ প্ৰাণহানি হোৱাৰ লগতে আন ১৬ জনো আহত হয়।

## বিহাৰত স্নাতকৰ পৰীক্ষাত ছাত্ৰই এশৰ ভিতৰত লাভ কৰিলে ১৫১ নম্বৰ



নিউজ ব্যুৰ', ডাৰভাংগা, ১ আগষ্ট ঃ বিহাৰৰ ললিত নাৰায়ণ মিথিলা বিশ্ববিদ্যালয় (এল এন এম ইউ)ৰ স্নাতকৰ এজন ছাত্ৰই অলপতে ঘোষণা কৰা পৰীক্ষাৰ ফলাফলত এশৰ ভিতৰত ১৫১ নম্বৰ লাভ কৰা ঘটনাই চাঞ্চল্যকৰ সৃষ্টি কৰিছে। ডাৰভাংগাৰ এল এন এম ইউৰ ছাত্ৰজনে ঘটনাৰ সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত এইদৰে কয়, 'মই পৰীক্ষাৰ ফলাফল দেখি বাস্তৱত অবাক হৈছিলো। মই বি এৰ অনাৰ্চ পাঠ্যক্ৰমৰ দ্বিতীয় বৰ্ষৰ পৰীক্ষাত ৰাজনীতি বিজ্ঞানৰ চতুৰ্থ প্ৰশ্নকাকতত ১০০ নম্বৰৰ ভিতৰত ১৫১ নম্বৰ লাভ কৰিলো। এই বিষয়ত মই অভিযোগ দাখিল কৰাত কৰ্তৃপক্ষই টাইপিঙৰ ভুলৰ ফলত এই ঘটনা সংঘটিত হোৱা বুলি জানিবলৈ দি মোক সংশোধিত নম্বৰপত্ৰ দিলে।'

## প্ৰতিবাদকাৰীৰ 'গ' হোম' শ্ল'গানৰ প্ৰত্যুত্তৰ দি বিক্ৰমসিংঘেয়ে ক'লে, 'মোৰ নিজা ঘৰ নাই'



নিউজ ব্যুৰ', কলম্বো, ১ আগষ্ট ঃ নিজৰ কোনো ঘৰ নাই শ্ৰীলংকাৰ সদ্যনিৰ্বাচিত ৰাষ্ট্ৰপতি ৰনিল বিক্ৰমসিংঘেৰ। বিক্ষোভত ফাটি পৰা দেশৰ নাগৰিকৰ উদ্দেশি এই মন্তব্য প্ৰকাশ কৰিলে নতুন ৰাষ্ট্ৰপতিজনে। বিক্ষোভকাৰীসকলে কলম্বোৰ ৰাজপথত বিক্ৰমসিংঘে বিৰোধী শ্ল'গান দি কৈছিল, 'গ' হোম'। এই শ্ল'গানতে কটাক্ষ কৰি কালি মন্তব্য কৰিলে দ্বীপৰাষ্ট্ৰখনৰ নৱনিযুক্ত ৰাষ্ট্ৰপতিজনে। প্ৰতিবাদকাৰীক উত্তৰ দি বিক্ৰমসিংঘে কয় যে তেওঁক ঘৰলৈ যাবলৈ কৈ লাভ নাই। কিয়নো, তেওঁৰ নিজা কোনো বাসগৃহ নাই যলৈ তেওঁ উভতি যাব পাৰিব। উল্লেখ্য যে বিদেশী ঋণৰ বোজাত বিপৰ্যস্ত শ্ৰীলংকাৰ অৰ্থনীতিৰ পুনৰ উদ্ধাৰৰ দাবীৰে বিগত কে'বামাহ ধৰি দ্বীপৰাষ্ট্ৰখনৰ হেজাৰ হেজাৰ নাগৰিকে ৰাজপথত চৰকাৰ বিৰোধী প্ৰতিবাদ অব্যাহত ৰাখিছে। সদ্যবিদায়ী ৰাষ্ট্ৰপতি গুটাবায়া ৰাজাপক্ষক ক্ষমতাৰ পৰা অপসাৰণ কৰাৰ সময়তো প্ৰতিবাদকাৰীসকলে 'গুটা গ' হোম' শ্ল'গান দিছিল।

## কংগোত শান্তিৰক্ষা বাহিনীৰ গুলিত নিহত দুই সাধাৰণ নাগৰিক



নিউজ ব্যুৰ', উগাণ্ডা, ১ আগষ্ট ঃ ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষা বাহিনীৰ গুলিত মৃত্যু হ'ল দুজন সাধাৰণ নাগৰিকৰ। কালি সংঘটিত হোৱা এই ঘটনাক তীব্ৰ নিন্দা কৰিলে ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে। কংগো-উগাণ্ডা সীমান্তত সংঘটিত হ'ল গুলিচালনাৰ এই ঘটনা। এই ঘটনাত আন ১৫ জন লোক আহত হয়। প্ৰসংগত উল্লেখ্য যে বিগত কিছুদিন ধৰি প্ৰতিবাদকাৰীৰ বিক্ষোভত উত্তাল হৈ আছে কংগো। যোৱা ২৭ জুলাইত দেশখনত প্ৰতিবাদকাৰীক নিয়ন্ত্ৰণ কৰিবলৈ গৈ গুলিবিদ্ধ হৈ দুজন ভাৰতীয় সেনা জোৱানৰ মৃত্যু হৈছিল। এইবাৰ শান্তিৰক্ষা বাহিনীৰ গুলিত সাধাৰণ নাগৰিকৰ মৃত্যু হোৱাৰ ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

## দেশত দৈনিক কৰ'না আক্ৰান্ত ১৬ হেজাৰলৈ হ্ৰাস, কমিল মৃতকৰ সংখ্যাও



নিউজ ব্যুৰ', নতুন দিল্লী, ১ আগষ্ট ঃ বিগত চাৰিদিন ধৰি দেশৰ কৰ'নাৰ দৈনিক সংক্ৰমণৰ ৰেখাচিত্ৰ নিম্নগামী হ'লেও যোৱা ২৪ ঘণ্টাত আক্ৰান্তৰ সংখ্যা ১৬ হেজাৰলৈ হ্ৰাস পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত ১৬,৪৬৪ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। মহাৰাষ্ট্ৰত ১৮৪৯, কৰ্ণাটকত ১৬৯২, কেৰালাত ১৬৩৯, তামিলনাডুত ১৪৬৭ আৰু দিল্লীত ১২৬৩ জন লোক বিগত এদিনত ক'ভিড আক্ৰান্ত হ'ল। আনহাতে, যোৱা ২৪ ঘণ্টাত দেশত ক'ভিডত প্ৰাণ হেৰুৱালে ৩৯ জন লোকে। কেৰালাত ১৫ জন, পশ্চিমবংগত সাতজন, মহাৰাষ্ট্ৰত তিনিজন, কৰ্ণাটক, উত্তৰ প্ৰদেশ, ওড়িছা, পঞ্জাৱ আৰু ৰাজস্থানত দুজনকৈ, হাৰিয়ানা, ছিকিম, অসম আৰু জম্মু-কাশ্মীৰত এজনকৈ ক'ভিড ৰোগীৰ মৃত্যু হ'ল।

## অতি বৃষ্টিত বিপৰ্যস্ত পাকিস্তানত ৩২০-ইৰানত ৫৩ জন লোকৰ মৃত্যু

নিউজ ব্যুৰ', ইছলামাবাদ, ১ আগষ্ট ঃ বিগত কে'বাসপ্তাহ ধৰি অব্যাহত থকা অত্যধিক বৃষ্টিপাত আৰু বানৰ ঘটনাত বিধ্বস্ত হৈছে পাকিস্তান আৰু ইৰানৰ বিস্তীৰ্ণ অঞ্চল। পাকিস্তানত বৰ্ষাৰ আগমনৰ পাছৰে পৰা বৰ্তমানলৈকে প্ৰাকৃতিক দুৰ্যোগৰ ঘটনাত ৩২০ জন লোকৰ মৃত্যু হ'ল। ইফালে, ইৰানতো প্ৰবল বৃষ্টিপাত আৰু বানৰ ঘটনাত বৰ্তমানলৈকে ৫৩ জন লোকৰ প্ৰাণহানি হৈছিল। তদুপৰি কমেও ১৬ জন লোক দেশখনত প্ৰাকৃতিক দুৰ্যোগজনিত ঘটনাত নিৰুদ্দেশ হৈ আছে। বিগত কে'বাসপ্তাহ ধৰি প্ৰবল বৃষ্টিপাতত পাকিস্তানৰ সৰ্বাধিক ক্ষতিগ্ৰস্ত হৈছে বেলুচিস্তান প্ৰদেশ। বান আৰু ভূমিস্খলনৰ ঘটনাত এই অঞ্চলত কমেও ১২৭ জন লোকৰ প্ৰাণহানি হৈছে। মৃতকৰ মাজত ৪৬ শিশু আৰু ৩২ মহিলাও আছে। অঞ্চলটোৰ বিস্তীৰ্ণ কৃষিভূমিও বানৰ ফলত ক্ষতিগ্ৰস্ত হ'ল।



## হিমাচল প্ৰদেশত বান, ভূমিস্খলনত এমাহত ১৪০ জন লোকৰ মৃত্যু, ৭৩ ঘৰ হ'ল ধ্বংস



নিউজ ব্যুৰ', ছিমলা, ১ আগষ্ট ঃ হিমাচল প্ৰদেশত চলিত বৰ্ষত বান আৰু ভূমিস্খলনৰ ঘটনাই আতংকৰ সৃষ্টি কৰিছে। বিগত ৩০ দিনত ৰাজ্যখনৰ বিভিন্ন অঞ্চলত বান, ভূমিস্খলন আৰু আন ঘটনাত ১৪০ জন লোকৰ মৃত্যু হ'ল। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা অনুসৰি জলবায়ু পৰিৱৰ্তন আৰু বৰ্ধিত প্ৰদূষণৰ ফলত প্ৰাকৃতিক দুৰ্যোগৰ প্ৰকোপ বৃদ্ধি পাইছে। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, ২০২২ বৰ্ষৰ আৰম্ভণিৰে পৰা বৰ্তমানলৈকে বতৰজনিত কাৰণত হিমাচল প্ৰদেশত ৭৭৩ জন লোকৰ মৃত্যু হ'ল। তদুপৰি বান আৰু ভূমিস্খলনৰ ঘটনাত এতিয়াও ১২ জন লোক সন্ধানহীন হৈ আছে। যোৱা এমাহত ৰাজ্যখনত বান আৰু ভূমিস্খলনৰ ঘটনাত ৭৩ টা বাসগৃহ সম্পূৰ্ণৰূপে ধ্বংস হোৱাৰ লগতে কমেও দুই শতাধিক বাসগৃহৰ আংশিক ক্ষতি হৈছে। ৰাজ্য চৰকাৰৰ তথ্য অনুসৰি প্ৰাকৃতিক দুৰ্যোগৰ ফলত বৰ্তমানলৈকে কমেও ৪৫০ কোটি টকাৰ ক্ষতি হ'ল।

# অসম দাপোণ






## সাপেখাতী প্ৰাথমিক বিদ্যালয়ৰ দুৰৱস্থা

### ■ অংগনৱাড়ী কেন্দ্ৰৰ অৱস্থা জৰাজীৰ্ণ কাণসাৰ নাই শিক্ষা বিভাগৰ

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ১ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ ডিমৌ শিক্ষাখণ্ডৰ অধীনৰ তথা পানীদিহিং মৌজাৰ অতি ভিতৰুৱা সাপেখাতী প্ৰাথমিক বিদ্যালয়ৰ গৃহটো বছৰ বছৰ ধৰি মেৰামতিৰ অভাৱত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী তীব্ৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হোৱা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে অঞ্চলটোৰ কেইগৰাকীমান বিদ্যানুৰাগী ব্যক্তিৰ প্ৰচেষ্টাত ১৯৬৭ত প্ৰতিষ্ঠা হোৱা সাপেখাতী প্ৰাথমিক বিদ্যালয়ত অধ্যয়ন কৰা অনেক ছাত্ৰ-ছাত্ৰী আজি ৰাজ্য তথা দেশৰ বহু গুৰুত্বপূৰ্ণ পদত সেৱা আগবঢ়াই থকাৰ লগতে একাংশই ইতিমধ্যে অৱসৰ গ্ৰহণ কৰিছে। বিদ্যালয়খনত নেপালী সম্প্ৰদায়ৰ অধিকাংশ ছাত্ৰ-ছাত্ৰী অধ্যয়ন কৰি আছে। আনহাতে, অঞ্চলটোৰ ৰাইজে এই প্ৰতিবেদকৰ আগত অভিযোগ কৰি কয় যে বিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰে বিশেষ গুৰুত্ব দিয়া নাই। যাৰ বাবে অসম সৰ্বশিক্ষা অভিযান মিছনৰ তৰফৰ পৰা বনোৱা ক্ষুদ্ৰ আকৃতিৰ ঘৰটোতে ছাত্ৰ-ছাত্ৰীক অধ্যয়ন কৰিব লগা হৈছে। বিদ্যালয়খনৰ প্ৰধান গৃহটো কাঠসমূহ ৰদ-বৰষুণত পচি গৈছে। বৰ্তমান বিদ্যালয়খনত প্ৰধান শিক্ষকসহ দুগৰাকী টে'ট শিক্ষকে পাঠদান কৰি আছে যদিও পৰ্যাপ্ত শ্ৰেণী কোঠাৰ অভাৱত ছাত্ৰ-ছাত্ৰী তথা শিক্ষক সমস্যাত পৰা বুলি পৰিচালনা সমিতিৰ সভাপতি দীপক শৰ্মাই জানিব দিয়ে। ইফালে, পৰিচালনা সমিতিৰ সভাপতিজনে লগতে কয় যে বিদ্যালয়ৰ গাতে লাগি থকা অংগনৱাড়ী কেন্দ্ৰটোৰ গৃহ এফাল টিং ধুমুহাই উৰুৱাই পেলায়। কেন্দ্ৰটোৰ আধাটিং থকা ঠাইতে ছাত্ৰ-ছাত্ৰীক পাঠদান কৰিব লগা হয়। কণ কণ ছাত্ৰ-ছাত্ৰী ৰদ-বৰষুণ একাকাৰ কৰি এইদৰে বছৰ বছৰ পাঠদান কৰিব লগা হৈছে। ৰাইজে বিদ্যালয়খনৰ লগতে অংগনৱাড়ী কেন্দ্ৰটোৰ গৃহ নিৰ্মাণ কৰিবলৈ চৰকাৰক দাবী জনাইছে।

## তেজপুৰত মৃতদেহ উদ্ধাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১ আগষ্ট ঃ** তেজপুৰৰ পটীয়া চুবুৰিত আজি এজন অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। এটা পুখুৰীৰ পানীত ওপঙি থকা এই মৃতদেহটো উৰলিবলৈ আৰম্ভ কৰিছে। কে'বাদিন পূৰ্বেই লোকজনৰ মৃত্যু হোৱা বুলি ধাৰণা কৰা মৃতদেহৰ মুখমণ্ডল চিনাক্ত কৰিব পৰা অৱস্থাতে নাই। স্থানীয় কছাৰীগাঁও আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, কৃষিপথাৰৰ লগতে থকা পুখুৰীটোলৈ আজি পুখুৰীৰ গৰাকীজন যোৱাৰ সময়তহে মৃতদেহটো ওপঙি থকা অৱস্থাত দেখি আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে লোকজনে ইয়াত মাছ মাৰিবলৈ আহি পুখুৰীটোত পৰি এইদৰে মৃত্যুৰ সন্মুখীন হ'বলগীয়া হয় বুলি সন্দেহ প্ৰকাশ কৰিছে।

## পুনৰ মৰাপাগলদিয়াৰ ভগ্ন মথাউৰিৰে বাঢ়নী পানী সোমাই প্লাৱিত টিহু

**অগ্ৰদূত বাৰ্তা**

**টিহু, ১ আগষ্ট ঃ** মৰাপাগলদিয়া নৈৰ পুনৰ বৃদ্ধি হৈছে জলস্তৰ। ফলত আজি গোৰৰাদলত ভগ্ন মথাউৰিৰে নৈখনৰ বাঢ়নী পানী সোমাই পুনৰ জলমগ্ন কৰিলে টিহুৰ পূব নামবৰভাগৰ বহুকেইখন অঞ্চল। উল্লেখ্য যে নলবাৰী জিলা আৰু ৬২ নম্বৰ বৰমা বিধানসভা সমষ্টিৰ অন্তৰ্গত গোৰৰাদলত বিগত বানত মৰাপাগলাদিয়া নৈৰ মথাউৰি ছিগি ৰাইজক জ্বলা-কলা খুৱাইছিল। প্ৰলয়ংকৰী বানে পশ্চিম গোৰৰাদল, গোৰৰাদল লংকা, কুলবিল, বনিয়াকুছি, মধ্যযাঠিকুছি, দক্ষিণ যাঠিকুছি, গড়বেৰ, কৈহাটিপাৰা, সাৰাপাৰা, ভাটিৰ চুবা আদি অঞ্চলসমূহৰ ৰাইজ নৰকযাতনাত ভুগিছিল। বানপানী কমি যোৱাত আশ্ৰয় শিবিৰৰ পৰা বন্যাৰ্ত পৰিয়ালসমূহ আপোন ঘৰখনলৈ উভতি কৃষিকৰ্মত আত্মনিয়োগ কৰি অশেষ কষ্টৰে পথাৰত শালিধানৰ



কঠিয়া ৰোপণ কৰিছিল মাত্ৰ। চৰকাৰে তৎকালীনভাৱে ভগ্ন মথাউৰি মেৰামতি কৰিবলৈ জলসম্পদ বিভাগক নিৰ্দেশ দিছিল। বিগত কে'বাদিন ধৰি জলসম্পদ বিভাগৰ দ্বাৰা নৈখনৰ পূৰ্বে পানী সোমাই অহা অংশত মেৰামতি কৰি আছিল যদিও আজি মেৰামতি কৰি থকাৰ কাষেৰে নৈখনে পুনৰ পাৰ খহাই ভগ্ন মথাউৰিৰে নৈখনৰ বাঢ়নী পানী সোমোৱাৰ ফলত আজি বিয়লিৰ পৰা অঞ্চলসমূহত পানী বাঢ়িবলৈ লোৱাত আজি পুনৰ অঞ্চলসমূহৰ পৰিয়ালবোৰৰ মাজত হাঁহাকাৰৰ সৃষ্টি হৈছে। আজি মৰাপাগলদিয়া নৈৰ পানী বৃদ্ধি পোৱাত পুনৰ বানাক্ৰান্ত অঞ্চলসমূহৰ ৰাইজৰ মাজত আতংকময় পৰিৱেশৰ সৃষ্টি হৈছে। বিয়লি নৈখনৰ বাঢ়নী পানীয়ে নৈপৰীয়া কে'বাটাও পৰিয়ালৰ চোতাল বুৰাই পেলোৱাৰ উপৰি পথাৰত ৰোপণ কৰা শালি ধান পানীত বুৰ যোৱাৰ লগতে পুনৰ টিহু-আখৰা গড়কাপ্তানী পথৰ ঠায়ে-ঠায়ে পানীয়ে বুৰাই পেলাইছে। লগতে দুই-এক গ্ৰাম্য পথতো পানী উঠিবলৈ আৰম্ভ কৰিছে।

## তেজপুৰত আটছাৰ ধৰ্ণা মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১ আগষ্ট ঃ** ডিব্ৰুগড়ৰ লেপেটকটা চাহ বাগিচাৰ কলঘৰত কৰ্মৰত অৱস্থাত গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন মইনা নায়কক ৰাজ্য চৰকাৰৰ শ্ৰম বিভাগে নিৰ্ধাৰণ কৰা ক্ষতিপূৰণ শীঘ্ৰে প্ৰদানৰ ব্যৱস্থা কৰা, লেপেটকটা চাহ বাগিচাৰ প্ৰধান পৰিচালকৰ লগতে ফেক্টৰী পৰিচালকজনক তদন্তৰ আওতালৈ আনি দুয়োজন পৰিচালকৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰি কঠোৰ শাস্তি প্ৰদানৰ ব্যৱস্থা কৰা আৰু ৰাজ্যৰ প্ৰতিখন চাহ বাগিচাত কাৰখানা আইন ১৯৪৮ আৰু পুলিৰোপণ শ্ৰমিক আইন ১৯৫১, শ্ৰমিক সুৰক্ষা বিধিসমূহ সম্পূৰ্ণভাৱে কাৰ্যকৰী হোৱাৰ প্ৰতি গুৰুত্ব প্ৰদানৰ দাবীত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলা সমিতি আৰু অসম চাহ জনজাতি মহিলা সমিতিৰ অৰ্ধ শতাধিক প্ৰতিবাদকাৰীয়ে তেজপুৰস্থিত শোণিতপুৰ জিলা কল কাৰখানা পৰিদৰ্শকৰ কাৰ্যালয়ৰ সন্মুখত আজি দিনৰ ১১-৩০ বজাৰ পৰা দুঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে এই দাবীৰ সমৰ্থনত শ্ল'গান দিয়াৰ পাছত উক্ত দাবী সম্বলিত এক স্মাৰকপত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে।

## বৰপেটা লোকসভা সমষ্টি বিজেপিৰ হাতলৈ অনা হ'ব ঃ সভাপতি কলিতা

### ■ মাহেকীয়া মুখপত্ৰ 'অসমীয়া বিজেপি বাৰ্তা' উন্মোচন

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১ আগষ্ট ঃ** ভাৰতীয় জনতা পাৰ্টিৰ মাহেকীয়া মুখপত্ৰ 'অসমীয়া বিজেপি বাৰ্তা'ৰ ৬৮ সংখ্যক সংস্কৰণ আজি সত্ৰনগৰী বৰপেটাত উন্মোচন কৰা হয়। ভাৰতীয় জনতা পাৰ্টি অসম প্ৰদেশৰ সভাপতি ভবেশ কলিতা, ৰাজ্যিক বিজেপিৰ প্ৰাক্তন সভাপতি তথা অসম চৰকাৰৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, বিজেপি বাৰ্তাৰ সম্পাদক জীতেন শৰ্মা, বিটিআৰৰ ই এম ৰনেন নাৰ্জাৰীৰ উপস্থিতিত শিক্ষাবিদ, সংগীতজ্ঞ, বিজেপিৰ জ্যেষ্ঠ কাৰ্যকৰ্তা সত্যকৃষ্ণ মিশ্ৰই এই 'বিজেপি বাৰ্তা' উন্মোচন কৰে। বৰপেটা জিলাৰ আটাইকেইটা মণ্ডলৰ সন্মানীয় কাৰ্যকৰ্তাসকলৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হোৱা এই উন্মোচনী অনুষ্ঠানৰ আদৰণি ভাষণ আগবঢ়ায় বৰপেটা জিলাৰ সভাপতি অনিল কুমাৰ দাসে। সভাত বিজেপি বাৰ্তাৰ সদস্য হেমচন্দ্ৰ দলে, শেখৰজ্যোতি বৈশ্য আৰু সহযোগী ভুৱন বৰ্মন, পংকজ ডেকা উপস্থিত থাকে। উন্মোচনী সভাত অংশগ্ৰহণ কৰি ৰাজ্যিক বিজেপিৰ সভাপতি কলিতাই ভাষণ প্ৰদান কৰি কয় যে বিজেপি বাৰ্তাৰ জৰিয়তে আমাৰ কাৰ্যকৰ্তাই সাংগঠনিক, চৰকাৰৰ উপলব্ধি আৰু আদৰ্শগত বহু কথা জানিব পাৰে। বৰপেটা জিলাত তেওঁ নিজে জিলা প্ৰভাৰী আৰু দলৰ সাংগঠনিক নিৰ্বাচনৰ নিৰ্বাচনী বিষয়াৰূপে থকাৰ কথা উল্লেখ কৰি কয় যে ২০২৪ত হ'ব লগা লোকসভা নিৰ্বাচনত বৰপেটা লোকসভা সমষ্টিটো বিজেপিৰ হাতলৈ অনাৰ বাবে চেষ্টা কৰিব। কিয়নো এইবাৰ দলে কলিয়াবৰ, নগাঁও আৰু বৰপেটা লোকসভা সমষ্টি নিজৰ দখলত অনাৰ বাবে বিশেষ গুৰুত্ব দি ইতিমধ্যে বুথ সৰলীকৰণৰ সাংগঠনিক তৎপৰতা আৰম্ভ কৰিছে। লগতে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনিৰ বিষয়ে উল্লেখ কৰাৰ লগতে দেশে ৭৫ সংখ্যক স্বাধীনতা দিৱস পালন কৰিবলৈ লোৱা আজাদী কা অমৃত মহোৎসৱ উপলক্ষে বৰপেটা জিলাবাসী তথা সমগ্ৰ অসমত বসবাস কৰা প্ৰতিটো পৰিয়ালক ঘৰে ঘৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ বিনম্ৰ আহ্বান জনায়।

আনহাতে, উক্ত অনুষ্ঠানত উপস্থিত থাকি অসম চৰকাৰৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে জন্মলগ্নৰ পৰা আজি উন্মোচন হোৱা সংখ্যালৈকে বিজেপি বাৰ্তাৰ ওপৰত বক্তব্য আগবঢ়ায়। ইয়াৰ উপৰি অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে লোৱা বিভিন্ন জনকল্যাণমূলক আঁচনিয়ে ৰাইজৰ মাজলৈ হাঁহি বিৰিঙাই অনাৰ কথা উল্লেখ কৰে।

'বিজেপি বাৰ্তা'ৰ সম্পাদক জীতেন শৰ্মাই অসমীয়া ভাষা সাহিত্য-সাংস্কৃতিৰ ওপৰত বক্তব্য আগবঢ়াই বৰপেটা জিলা বিজেপিক উন্মোচনী অনুষ্ঠানটো সন্দৰভাৱে অনুষ্ঠিত কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। আদৰণি ভাষণত জিলাৰ বিজেপিৰ সভাপতি অনিল কুমাৰ দাসে বৰপেটাত বিজেপি বাৰ্তা উন্মোচনৰ ৰাজ্যিক বিজেপিৰ সিদ্ধান্তক আদৰণি জনাই জিলা বিজেপিৰ কাৰ্যকৰ্তাসকলক উৎসাহিত কৰা বুলি মন্তব্য আগবঢ়ায়। 'বিজেপি বাৰ্তাৰ' উন্মোচক সত্যকৃষ্ণ মিশ্ৰই জনসংঘৰ পৰা বৰ্তমান বিজেপিলৈ এক দীঘলীয়া যাত্ৰাৰ বিভিন্ন বৰ্ণনা আগবঢ়াই বৰ্তমান বিজেপি দলে আমাৰ ৰাজ্য তথা ভাৰতবৰ্ষক সকলো ক্ষেত্ৰতে শক্তিশালীভাৱে আগবঢ়াই নিয়াৰ কথা উল্লেখ কৰি আনন্দ প্ৰকাশ কৰে। ভাৰতীয় জনতা পাৰ্টি বৰপেটা জিলাৰ সাধাৰণ সম্পাদক হেমন্ত কুমাৰ দেউৰীয়ে আঁত ধৰা উন্মোচনী অনুষ্ঠানটো সাধাৰণ সম্পাদিকা নিপামণি কলিতাই উপস্থিত সকলোকে শলাগ জ্ঞাপন কৰে।

## বৰপেটাৰ দুৰ্যোধন পাঠকৰ বিয়োগ ঃ দল-সংগঠনৰ শোক

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১ আগষ্ট ঃ** বৰপেটা চহৰৰ কুমাৰহাটী নিবাসী ভাৰতীয় কেন্দ্ৰীয় চৰকাৰৰ ক্ষুদ্ৰ শিল্প উদ্যোগ সেৱা প্ৰতিষ্ঠানৰ এজন অৱসৰপ্ৰাপ্ত কাৰিকৰী প্ৰশিক্ষক দুৰ্যোধন পাঠক (৮৯) ৰ যোৱা কালি দুপৰীয়া ১১.৫৫ বজাত নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি হয়। চাকৰি সূত্ৰে তেওঁ গুৱাহাটী, তিনিচুকীয়া, ডিফুত কৰ্মৰত হৈ ডিফুতেই চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। তাৰ পাছত জন্মস্থান বৰপেটাতে স্থায়ীভাৱে বাস কৰিবলৈ লয়। এজন সৎ, নিষ্ঠাবান সৰল মনৰ সংস্কৃতিপ্ৰেমী পাঠক অঞ্চলটোৰ সকলোৰে প্ৰিয় লোক আছিল। তেওঁৰ মৃত্যুত পত্নী, জী, জোঁৱাই নাতি-নাতিনী সমন্বিতে আত্মীয়-কুটুম, বন্ধু-বান্ধৱ তথা অঞ্চলটোৰ সকলোৰে মাজত এক গভীৰ শোকৰ ছাঁ পৰে।

## দৰঙত বিশ্ব স্তনপান পষেকৰ উদ্বোধনী অনুষ্ঠান

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১ আগষ্ট ঃ** ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে আজি দৰঙতো আয়োজিত হয় বিশ্ব স্তনপান পষেকৰ কাৰ্যসূচী। এই পষেকজোৰা কাৰ্যসূচীৰ লগত সংগতি ৰাখি যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ পৰা পুৱা এক সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়। এই সজাগতামূলক শোভাযাত্ৰা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মহকুমা স্বাস্থ্য বিষয়া ডাঃ প্ৰীতিৰেখা শইকীয়াই। এই কাৰ্যসূচীৰ পাছতেই হোটেল শ্যামলীত অনুষ্ঠিত হয় উদ্বোধনী অনুষ্ঠান। পষেকৰ সময়ছোৱাত স্তনপান সন্দৰ্ভত সজাগতা সৃষ্টি কৰাৰ বাবে সকলো স্বাস্থ্যকৰ্মীৰ প্ৰতি অনুৰোধ জনাইছে উপস্থিত প্ৰতিগৰাকী বিশিষ্ট ব্যক্তিয়ে। অনুষ্ঠানত মঙলদৈ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ গোপীনাথ বৰা, মহকুমা স্বাস্থ্য বিষয়াদ্বয় ক্ৰমে ডাঃ ইলোৰা চৌধুৰী, ডাঃ প্ৰীতিৰেখা শইকীয়া, জিলা টিকাকৰণ বিষয়া ডাঃ ৰূপৰেখা কলিতাই ভাষণ প্ৰদান কৰে। উল্লেখ্য যে এই স্তনপান পষেক আজিৰে পৰা সাত আগষ্টলৈ চলিব। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা মাধ্যম বিশেষজ্ঞ জাহ্নৱী শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত আঁচনি প্ৰবন্ধক নয়না পৰাশৰ, জিলা সামূহিক সংগঠক মল্লিকা দেৱীৰ লগতে অৰ্ধশতাধিক নাৰ্ছ, আশা আৰু অংগনৱাড়ী কৰ্মী উপস্থিত থাকে। অনুষ্ঠানত তিনিগৰাকী স্তনপান কৰোৱাই থকা মাতৃক সম্বৰ্ধনাও জনোৱা হয়।

## হাউলীৰ বৰবাৰীঝাৰ হাইস্কুল - আদৰ্শ বিদ্যাপীঠ হাইস্কুলৰ সোণালী জয়ন্তী উদ্‌যাপনৰ ৰাজহুৱা সভা

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ১ আগষ্ট ঃ** হাউলীৰ দুখনকৈ হাইস্কুল হাউলী বৰবাৰীঝাৰ হাইস্কুল আৰু আদৰ্শ বিদ্যাপীঠ হাইস্কুলৰ সোণালী জয়ন্তী উদ্‌যাপনৰ বাবে কালি ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। প্ৰথমে পুৱা বৰবাৰীঝাৰ হাইস্কুলত এখন ৰাজহুৱা সভা ৰেণু দাসৰ সভাপতিত্বত অনুষ্ঠিত কৰা হয়। সভাৰ বৰবাৰীঝাৰ হাইস্কুলৰ সোণালী জয়ন্তী উদ্‌যাপনৰ বাবে এখন সমিতি গঠন কৰা হয়। সভাত ড° চুলতান আলী আহমেদক সভাপতি, পৰেন দাসক কাৰ্যকৰী সভাপতি, ৰূপালী দাস আৰু বিৰাজ চন্দ্ৰ মেধিক সাধাৰণ সম্পাদক হিচাপে ৰাইজে নিৰ্বাচন কৰি এখন সোণালী জয়ন্তী উদ্‌যাপন সমিতি গঠন কৰা হয়। ইফালে, বিয়লি আদৰ্শ বিদ্যাপীঠ হাইস্কুল সোণালী জয়ন্তী উদ্‌যাপনৰ বাবে এখন ৰাজহুৱা সভা ৰাঘৰ চন্দ্ৰ দাসৰ পৌৰোহিত্যত অনুষ্ঠিত কৰা হয়। সভাত অহা বৰ্ষৰ জানুৱাৰীত সোণালী জয়ন্তী উদ্‌যাপনৰ বাবে ৰাইজে সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি আদৰ্শ বিদ্যাপীঠ হাইস্কুলৰ সোণালী জয়ন্তী উদ্‌যাপনৰ বাবে এখন সমিতি গঠন কৰা হয়। সভাত সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ হেমেন দাসক সভাপতি, কল্যাণ দাস কাৰ্যকৰী সভাপতি আৰু বিবেক তালুকদাৰক প্ৰধান সম্পাদক হিচাপে ৰাইজে নিৰ্বাচন কৰি এখন সমিতি গঠন কৰে।

## হাজো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ চৌহদত চিপিআই (এম)ৰ বিক্ষোভ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১ আগষ্ট ঃ** কামৰূপ জিলাৰ অন্তৰ্গত হাজো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ চৌহদত চিপিআই (এম)ৰ হাজো-দমদমা আঞ্চলিক কমিটীৰ উদ্যোগত যোৱা ৩০ জুলাইত এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বান খহনীয়াত ক্ষতিগ্ৰস্ত ৰাইজক ক্ষতিপূৰণ, মূল্যবৃদ্ধি ৰোধ, বানপানীৰ সময়ত গৃহ ত্যাগ কৰা পৰিয়ালক অতি শীঘ্ৰেই ৩৮০০ টকাকৈ প্ৰদান, একাদি কোঁৱৰপুৰ সংযোগী দলং নিৰ্মাণৰ ব্যৱস্থা কৰা আদি কে'বাটাও দাবীৰ সমৰ্থনত ৰূপায়ণ কৰে এই বিক্ষোভ কাৰ্যসূচী। কাৰ্যসূচীত শতাধিক লোকে অংশগ্ৰহণ কৰি ৰাজহ চক্ৰ কাৰ্যালয়ৰ সন্মুখত হাতে হাতে প্লেকাৰ্ড লৈ কে'বাটাও দাবী সম্বলিত শ্ল'গানেৰে আকাশ-বতাহ কঁপাই তোলে। ইয়াৰ লগতে বান-খহনীয়াত ক্ষতিগ্ৰস্ত ৰাইজক ক্ষতিপূৰণৰ দাবীত হাজো চক্ৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

## হোজাইত দুৰ্ঘটনাত বৃদ্ধ নিহত ঃ আহত মহিলা

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১ আগষ্ট ঃ** হোজাই শিঙাৰী বস্তিত আজি হোৱা এক পথ দুৰ্ঘটনাত এজন ৬৫ বছৰীয়া লোক নিহত হয়। এখন অজ্ঞাত স্কুটীৰ খুন্দাত ঠেলাচালক ভীষ্ম ভৌমিক নামৰ লোকজনৰ মৃত্যু হয়। দুৰ্ঘটনা সংঘটিত কৰি দুচকীয়া বাহনখন পলায়ন কৰে। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষা কৰি পৰিয়ালৰ লোকক মৃতদেহ গতাই দিয়ে আৰু পৰিয়ালৰ লোকে শেষকৃত্য সম্পন্ন কৰে। ইফালে, আজি হোজাই ডবকাত ব'ল ব'মৰ বাহন ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হৈ এগৰাকী মহিলা গুৰুতৰভাৱে আহত হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। আহত মহিলাগৰাকীৰ নাম নুৰুন নেছা। ব'ল-ব'মলৈ অহা এছ- ০২ বিচি-৭৮৯৬ মেক্সিম বাহনৰ খুন্দাত আহত হয় মহিলাগৰাকী।ব'ল-ব'মৰ পৰা ঘৰমুৱা হোৱাৰ সময়তে দুৰ্ঘটনা সংঘটিত হয়। হোজাই ৰেংবেংৰ পৰা ঘৰমুৱা হোৱা সময়ত ভেলেউগুৰি পাৰাৰ গ্ৰেডৰ সন্মুখত সংঘটিত হয় পথ দুৰ্ঘটনাটো। আহত মহিলাগৰাকীক ডবকা লাইফ কেয়াৰ হস্পিতালত ভৰ্তি কৰা হয় -যদিও উন্নত চিকিৎসাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে।

## বিহালীত চাহু বৈশ্য তেলী সন্মিলনৰ জিলা কাৰ্যনিৰ্বাহক, পত্ৰিকা ত্ৰিবেণী উন্মোচন



**অগ্ৰদূত বাৰ্তা**

**বিহালী, ১ আগষ্ট ঃ** সদৌ অসম চাহু বৈশ্য তেলী সন্মিলনৰ বিশ্বনাথ জিলাৰ তৃতীয় কাৰ্যনিৰ্বাহক সভাখন বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত বিহালী আদৰ্শ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। প্ৰথমে বিশ্বনাথ জিলা সমিতিৰ মুখ্য উপদেষ্টা ৰাজেন চাহুৰ বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা সভাখনত সভাপতিত্ব কৰে পূৰ্ণকান্ত চাহুৱে। জিলাৰ উপ-সভাপতি অৰুণ কুমাৰ চাহা আৰু সম্পাদক অখিল চাহাই আঁত ধৰা সভাখনত জিলা সমিতিৰ প্ৰায় অৰ্ধশতাধিক সদস্যই অংশগ্ৰহণ কৰে। সভাত সাংগঠনিক দিশ শক্তিশালী কৰাৰ ক্ষেত্ৰত আগন্তুক দিনত কৰিবলগীয়া কৰ্মপন্থা সন্দৰ্ভত বক্তব্য আগবঢ়ায় ৰাজ্যিক সমিতিৰ সভাপতি ৰামকুমাৰ বৰুৱা আৰু কাৰ্যকৰী সভাপতি জনকৰাম চাহুৱে। সভাত সুদূৰ মৰাণৰ পৰা অহা কেন্দ্ৰীয় সমিতিৰ সম্পাদক প্ৰধান তিলক চাহু আৰু প্ৰচাৰ সম্পাদক পাপু চাহুৱে সংগঠনৰ ভেটি সুদৃঢ় কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় সমিতিয়ে হাতত লোৱা বিভিন্ন পদক্ষেপৰ বিষয়ে অৱগত কৰে। সভাত সুদৰ্শন চাহুৰ দ্বাৰা সম্পাদিত তিনিমহীয়া বাৰ্তালোচনী 'ত্ৰিবেণী' উন্মোচন কৰে জিলাৰ উপদেষ্টা, শিক্ষাবিদ আৰু সমাজকৰ্মী শংকৰ প্ৰসাদ চাহুৱে। সভাত সংগঠনটোৰ স'তে প্ৰতিষ্ঠা কালৰে পৰা জড়িত জ্বালা প্ৰসাদ চাহুক তেওঁৰ কৰ্মৰাজিৰ বিষয়ে সুঁৱৰি সম্বৰ্ধনা জনোৱা হয় । সভাত বিহালী শাখাৰ সম্পাদক প্ৰদীপ চাহুৱে শলাগৰ শৰাই আগবঢ়ায়। সভাত সংগঠনত মহিলাৰ সক্ৰিয় অংশগ্ৰহণ আৰু সবলীকৰণৰ ক্ষেত্ৰত বিনীতা চাহু, বিদ্যা চাহু আৰু সুমিত্ৰা চাহুৱে বক্তব্য আগবঢ়ায়।

## অক্ষয় কুমাৰ মিশ্ৰৰ 'সুৰৰ সূতাৰে গঁথা মালাধাৰ' গ্ৰন্থ উন্মোচন

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১ আগষ্ট ঃ** বৰপেটা প্ৰেছ ক্লাবৰ প্ৰেক্ষাগৃহত আজি সন্ধিয়া বিশিষ্ট সাহিত্যিক কলাগুৰু আৰু শিক্ষাৰত্ন বঁটা প্ৰাপক অক্ষয় কুমাৰ মিশ্ৰৰ 'সুৰৰ সূতাৰে গঁথা মালাধাৰ' দ্বিতীয় খণ্ড উন্মোচন কৰা হয়। গ্ৰন্থনখ উন্মোচন কৰে শিল্পী হেমেন দাস, গুণীন্দ্ৰ নাথ ওজা, প্ৰমথ ৰঞ্জন দাস, নকুল দাস আৰু অমেন বায়নে। গ্ৰন্থ উন্মোচনৰ পূৰ্বে গ্ৰন্থ সন্দৰ্ভত গ্ৰন্থকাৰ অক্ষয় কুমাৰ মিশ্ৰই বিশদ ব্যাখ্যা কৰে। তেওঁ ভাষণ প্ৰসংগত অসমীয়া ভাষা আৰু জাতিক ৰক্ষা কৰাৰ বাবে আহ্বান জনায়। অসমীয়া মাধ্যমৰ বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ পৰা বিজ্ঞান আৰু গণিতৰ শিক্ষা ইংৰাজী মাধ্যমেৰে দিয়া হ'ব বুলি ৰাজ্য চৰকাৰে কৰা ঘোষণাক তীব্ৰ বিৰোধিতাও কৰে। তেওঁ কয় যে শিক্ষাই যন্ত্ৰ মানৱ নহয় প্ৰকৃত মানুহ তৈয়াৰ কৰিব লাগে আৰু তাকে কৰিবলৈ বিশেষকৈ প্ৰাথমিক স্তৰত মাতৃভাষাত শিক্ষাদান কৰাটো অপৰিহাৰ্য বুলি কয়। নাট্যকাৰ, অভিনেতা নিৰ্মল দাসে আঁত ধৰা ব্যতিক্ৰমী গ্ৰন্থ উন্মোচনী সভাত শিল্পী হেমেন দাসে প্ৰথম সংগীতালেখ্যৰ ৰূপৰেখা কেনেকৈ প্ৰস্তুত হৈছিল সেই সম্পৰ্কে বিশদ ব্যাখ্যা আগবঢ়ায়।

## কিতাপ-কলম এৰি পথাৰত নামিল দুধনৈৰ এখন বিদ্যালয়ৰ এজাক কণ কণ ছাত্ৰ-ছাত্ৰী

**অগ্ৰদূত বাৰ্তা**



**দুধনৈ, ১ আগষ্ট ঃ** কিতাপ, কলম শ্ৰেণী কোঠা এৰি আজি হাতে হাতে কঠীয়া লৈ ভূঁই ৰোৱাত মগ্ন এজাক কণ কণ ছাত্ৰ-ছাত্ৰী। এই দৃশ্য দেখিবলৈ পোৱা যায় কাহিবাৰীৰ খিলামাৰা পথাৰত। ব্যৱহাৰিক জ্ঞানৰ শিক্ষা প্ৰদানৰ উদ্দেশ্যে দুধনৈ শিক্ষা খণ্ডৰ অন্তৰ্গত ৰংজুলিৰ সমীপৱৰ্তী খিলামাৰা বাখাৰাপাৰা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকল আজি নামিল শাওণৰ পথাৰত। ছাত্ৰ-ছাত্ৰীসকলক কৃষিৰ ব্যৱহাৰিক শিক্ষা দিয়াৰ লক্ষ্যৰে পথাৰলৈ লৈ আহিছে শিক্ষক-শিক্ষয়িত্ৰীসকলে। শিক্ষক- শিক্ষয়িত্ৰীসকলেও একাঁঠু বোকাত নামি ছাত্ৰ-ছাত্ৰীসকলক প্ৰধান শিক্ষক ৰুদ্ৰ সিং ৰাভা, সহকাৰী শিক্ষক বিকাশ ৰায়, অনুপমা কলিতা, পূৰবী কলিতা, কৃষক সূৰ্য কুমাৰ ৰাভাই শিকাইছে কেনেকৈ ৰুব লাগে কঠীয়া। বিদ্যালয়খনৰ এই ব্যতিক্ৰমী শিক্ষা দেখি উৎসাহিত হৈ পৰিল স্থানীয় ৰাইজ। একাংশ মহিলাই মনৰ আনন্দতে পথাৰত নামি ছাত্ৰ-ছাত্ৰীসকলক দেখুৱাই দিলে কঠীয়া ৰোৱাৰ পদ্ধতি। বিদ্যালয়খনে সময়ে সময়ে কৰি অহা এনে কেতবোৰ ব্যতিক্ৰমী কাৰ্যই বিভাগীয় কৰ্তৃপক্ষৰ লগতে শিক্ষানুৰাগী ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে। খিলামাৰা-বাখাৰাপাৰা প্ৰাথমিক বিদ্যালয়ৰ এই ব্যতিক্ৰমী কাৰ্যত উৎফুল্লিত হৈ পৰিছে শিক্ষাৰ্থীসকলেও। উল্লেখ্য যে বিদ্যালয়খনৰ প্ৰধান শিক্ষক ৰুদ্ৰ সিং ৰাভাৰ উদ্যম আৰু উৎসাহজনক কামে সহকাৰী শিক্ষকসকলকো প্ৰেৰণা যোগাই আহিছে বহিঃপাঠ্যক্ৰম কাৰ্যসূচীত অংশগ্ৰহণ কৰাত। বিদ্যালয়খনত আছে মধ্যাহ্ন ভোজনৰ বাবে প্ৰয়োজনীয় পাচলিৰ বাগিচা। যিখন বাগিচাত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলেও সমানে কাম কৰে। বিদ্যালয়খনত দিয়া হয় বাঁহ-বেতৰ প্ৰশিক্ষণ। ইয়াৰ ফলস্বৰূপে বহু ছাত্ৰ-ছাত্ৰীয়ে বাঁহ-বেতৰ সামগ্ৰীও বনাব জানে। তদুপৰি বিদ্যালয়খনত অসমীয়া কৃষ্টি-সংস্কৃতিৰ স'তে চিনাকি কৰি দিয়াৰ উদ্দেশ্যে কে'বাটাও ব্যৱহাৰিক কাৰ্যসূচী ৰূপায়ণ কৰে বিদ্যালয়খনে। এই ক্ষেত্ৰত গাঁওখনৰ লোকসকলেও সৌহাৰ্দ্যপূৰ্ণভাৱে সহযোগিতা আগবঢ়োৱা দেখিবলৈ পোৱা যায়।

## কঠোৰ পৰিশ্ৰমৰ বিকল্প নাই ঃ ড° ৰাভা

### ওদালগুৰিত আৰছুৰ উদ্যোগত কীৰ্তিমান ৰাভা ছাত্ৰ-ছাত্ৰীক অভিনন্দন

**অগ্ৰদূত বাৰ্তা**

**টংলা, ১ আগষ্ট ঃ** 'নিখিল ৰাভা ছাত্ৰ সন্থাৰ স'তে জড়িত হৈ সমগ্ৰ ৰাভা জাতিক শিক্ষা, আৰ্থ-সামাজিক, বিভিন্ন ক্ষেত্ৰত উন্নয়নৰ হকে আগবঢ়াই লৈ যোৱাৰ লগতে অধ্যয়নকো সমান্তৰালভাৱে আগবঢ়াই লৈ গৈ মই আজি ওদালগুৰি জিলাৰ পৰা প্ৰথমগৰাকী ডক্টৰেট ডিগ্ৰী অৰ্জন কৰা শিক্ষাৰ্থী। মোক আজি ৰাভা সমাজে সম্বৰ্ধনা জনোৱা বাবে অভিভূত হৈ পৰিছো। জাতিটোৰ ওচৰত আজীৱন ঋণী হৈ ৰ'ম। মোৰ সংগ্ৰাম আজিৰ পৰা আৰম্ভ হৈছে।' নিখিল ৰাভা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক তথা সদ্য ডক্টৰেট ডিগ্ৰী অৰ্জন কৰা ড° সুভাষ ৰাভাই সম্বৰ্ধনা গ্ৰহণ কৰি আৰু অভিনন্দিত কীৰ্তিমান শিক্ষাৰ্থীসকলক কয় যে কঠোৰ পৰিশ্ৰম, অধ্যয়নৰ বিকল্প নাই। ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি কেৰিয়াৰ সম্পৰ্কীয় মূল্যবান পৰামৰ্শ আগবঢ়োৱাৰ লগতে জাতীয় চিন্তা চেতনাৰ প্ৰতিও সজাগ হ'বলৈ আহ্বান জনায়। ২০২২ৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ওদালগুৰি জিলা ৰাভা ছাত্ৰ সন্থাৰ অন্তৰ্গত ১০৫ গৰাকী কীৰ্তিমান ৰাভা ছাত্ৰ-ছাত্ৰীক শৈক্ষিক দিশত আগুৱাই যাবলৈ উৎসাহিত কৰাৰ উদ্দেশ্যে ওদালগুৰি জিলা ৰাভা ছাত্ৰ সন্থা আৰু ওদালগুৰি জিলা ৰাভা মহিলা পৰিষদৰ জিলা সমিতিৰ যৌথ উদ্যোগত টংলা আঞ্চলিক ৰাভা



ছাত্ৰ সন্থা আৰু চমুৰাপাৰা গাঁও উন্নয়ন সমিতিৰ সহযোগত চমুৰাপাৰা উইং ক্লাব প্ৰাংগণত কালি অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত স্বজাতীয় সাজপাৰ আৰু মানপত্ৰৰে সম্বৰ্ধনা আৰু অভিনন্দন জ্ঞাপন কৰে।

ওদালগুৰি জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি হেমেন ৰাভাই সঞ্চালনা কৰা অভিনন্দন অনুষ্ঠানত নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি নৃপেন খান্দায়ো ছাত্ৰ-ছাত্ৰীৰ লগতে জাতিটোৰ উত্তৰণৰ হকে গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। জিলা ৰাভা সন্থাৰ সম্পাদক মণ্টু ৰাভা আৰু মহিলা পৰিষদৰ সম্পাদিকা জয়ন্তী ৰাভাই আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত ওদালগুৰি জিলা ৰাভা সাহিত্য সভাৰ সভাপতি দেৱ ৰাভা, ৰাভা গণমঞ্চৰ সভাপতি জয়ন্ত ৰাভা, উন্নয়ন পৰিষদৰ দাবী সমিতিৰ উপ-সভাপতি প্ৰফুল্ল ৰাভা, ওদালগুৰি জিলা ৰাভা মহিলা পৰিষদৰ সভানেত্ৰী অহল্যা ৰাভা, নিখিল ৰাভা মহিলা পৰিষদৰ সহকাৰী সম্পাদিকা ৰশ্মি ৰেখা ৰাভা, প্ৰাক্তন জিলা শিক্ষা সম্পাদক কিৰীট প্ৰসাদ ৰাভা, বায়নং বিচুৰা ডেৰাচুঙৰ সম্পাদক দৰ্পণ ৰাভা, আন্তঃৰাষ্ট্ৰীয় কাবাদী ৰেফাৰী নমল ৰাভা, অৱসৰপ্ৰাপ্ত বেংক বিষয়া অমূল্য চৰণ ৰাভা, চমুৰাপাৰা মধ্য ইংৰাজী বিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অক্ষয় প্ৰসাদ দাস, টংলা মহাবিদ্যালয়ৰ অধ্যাপক হেমন্ত ৰাভা, আধিগম শিক্ষা কেন্দ্ৰৰ সঞ্চালক অৰূপজ্যোতি ৰাভা প্ৰমুখ্যে ৰাভা সংগঠনসমূহৰ বিভিন্ন বিষয়ববীয়া আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱক আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। নিখিল ৰাভা ছাত্ৰ সন্থা আৰু নিখিল ৰাভা মহিলা পৰিষদৰ পতাকা উত্তোলন কৰে দুয়োটা অনুষ্ঠানৰ সভাপতি হেমেন ৰাভা আৰু অহল্যা ৰাভাই। নিখিল ৰাভা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক হৰকান্ত ৰাভাই ছহিদ তৰ্পণ কৰা কাৰ্যসূচীৰ পাছতে সমাজ সেৱক কমলাকান্ত ৰাভা, গোবিন্দ ৰাভা আৰু যোগেন চন্দ্ৰ ৰাভাই গছপুলি ৰোপণ কৰে।

## মেৰাপানীৰ সৰুপানীৰ সোণালীপথাৰত নৱজাতক উদ্ধাৰ

### পৰিচয়হীন শিশুক লৈ তীব্ৰ চাঞ্চল্য

**অগ্ৰদুত বাৰ্তা**

**মেৰাপানী, ১ আগষ্ট ঃ** মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত সৰুপানী পঞ্চায়তৰ সোণালীপথাৰ গাঁৱৰ দৈয়াং নদীৰ পাৰত আজি সন্ধিয়া এটা নৱজাতক উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। তথ্য মতে, তিনি নম্বৰ সোণালীপথাৰ গাঁৱৰ এঘৰৰ বাৰীৰ পাছফালে দৈয়াং নৈৰ পাৰৰ হাবি জংঘলৰে ভৰা এক স্থানত কোনো লোকে নৱজাতকক পেলাই থৈ যায়। সন্ধিয়া গাঁৱৰে এজন লোক নৈ ফালে যাওঁতে হাবিৰ মাজত কেঁচুৱাৰ কান্দোন শুনি ওচৰলৈ যায় আৰু শিশুটোক উদ্ধাৰ কৰি কাষৰে এঘৰলৈ লৈ আনে। নৱজাতক শিশুটিক কোনে হাবিত পেলাই থৈ গ'ল সেই কথা পোহৰলৈ অহা নাই যদিও কোনো লোকে অবৈধ সম্পৰ্কৰ ফলশ্ৰুতিত মুখ লজ্জা নিৰ্বাৰণৰ বাবেই যে এনে নিকৃষ্ট ঘটনা সংঘটিত কৰিলে সেয়া নিশ্চিত হৈছে। নৱজাতকটো কন্যা শিশু বুলি জানিব পৰা গৈছে। বৰ্তমান মেৰাপানী আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ সন্দৰ্ভত তদন্ত কৰাৰ লগতে শিশুটোৰ চিকিৎসাৰ যাবতীয় ব্যৱস্থা কৰে ।

# ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানত বিশ্ব ৰেঞ্জাৰ দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ১ আগষ্ট ঃ** ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানত কালি বিশ্ব ৰেঞ্জাৰ দিৱস উদ্‌যাপন কৰা হয়। কচুগাঁও বন সংমণ্ডলৰ অধীনস্থ চানফান ৰেঞ্জ কাৰ্যালয়ত আয়োজিত বিশ্ব ৰেঞ্জাৰ দিৱসৰ কাৰ্যসূচীত কচুগাঁও বন সংমণ্ডলৰ বন বিষয়া ভানু সিন্‌হাই মুখ্য অতিথিৰূপে উপস্থিত থাকি ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানৰ চেণ্ট্ৰেল ৰেঞ্জৰ ৰেঞ্জ বিষয়া প্ৰাঞ্জল তালুকদাৰ, ৰাইমনা ৰেঞ্জৰ ৰেঞ্জ বিষয়া বিশ্বজিৎ বসুমতাৰী, চানফান ৰেঞ্জৰ ৰেঞ্জ বিষয়া সুভাষ মুছাহাৰী আৰু হল্টুগাঁও তথা ডিপু ৰেঞ্জৰ বিষয়াসকলক আৰনাই পিন্ধাই অক্লান্তভাৱে নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰাৰ বাবে উৎসাহিত কৰে। আনহাতে, ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানখন ঘোষণা হোৱাৰ পৰা চানফান ৰেঞ্জৰ ৰেঞ্জ বিষয়াৰূপে দায়িত্ব পালন কৰি আজি অৱসৰ গ্ৰহণ কৰা ৰেঞ্জ বিষয়া সুভাষ মুছাহাৰীক আজি একেটা অনুষ্ঠানতে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিশ্ব ৰেঞ্জাৰ দিৱসৰ লগত সংগতি ৰাখি চানফান ৰেঞ্জত আয়োজিত কাৰ্যসূচীত 'ৱাইল্ড ট্ৰাষ্ট অৱ ইণ্ডিয়াৰ লেণ্ডস্কেপ' মেনেজাৰ সনাতন ডেকা আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকি প্ৰদান কৰা ভাষণত ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানখন এটা সময়ত বিশ্বৰ ভিতৰতে এখন লেখত ল'বলগীয়া ৰাষ্ট্ৰীয় উদ্যান হিচাপে গঢ়ি উঠিব বুলি প্ৰকাশ কৰে। তেওঁ ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে প্ৰতিগৰাকী বিষয়া-কৰ্মীৰ দায়িত্ব থকাৰ সমানে ৰাষ্ট্ৰীয় উদ্যানখনৰ লগত সংলগ্ন গাঁওবাসীৰো যথেষ্ট দায়িত্ব আছে বুলি মত প্ৰকাশ কৰে।

# তিতাবৰত অসম চাহ মজদুৰ সংঘৰ উদ্যোগত কৃতী শিক্ষাৰ্থীক নগদ ধন, উপহাৰেৰে অভিনন্দন জ্ঞাপন

**তিতাবৰ, ১ আগষ্ট ঃ** অসম চাহ মজদুৰ সংঘৰ তিতাবৰ শাখাৰ উদ্যোগত আজি শাখা সংঘৰ অন্তৰ্গত মৰিয়নি আৰু তিতাবৰ সমষ্টিৰ অন্তৰ্গত সদ্যঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিভাগত উত্তীৰ্ণ হোৱা তিনি শতাধিক ছাত্ৰ-ছাত্ৰীক ক্ৰমে নগদ ধন, গামোচা, উপহাৰৰ টোপোলাৰে ৰাজহুৱাভাৱে সম্বৰ্ধনা জনায়। মজদুৰ শাখা সংঘৰ কাৰ্যালয়ত কালি অনুষ্ঠিত ৰাজহুৱা সভাখন সঞ্চালনা কৰে মজদুৰ সংঘৰ সভাপতি বগাই ভূমিজে। দ্বিশতাধিক কৃতী শিক্ষাৰ্থী উপস্থিত থকা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা তথা আদৰণী ভাষণ প্ৰদান কৰে শাখা সংঘৰ সম্পাদক নগেন কুৰ্মীয়ে। অনুষ্ঠানত তিতাবৰ সমষ্টিৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সভাপতি ধীৰাজ গোৱালা, মৰিয়নি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেণ গোৱালা, প্ৰধান শিক্ষক প্ৰদীপ কুৰ্মী, শিলিখা চাহ বাগিচাৰ জেনেৰেল মেনেজাৰ কাৰ্তিক নাৰায়ণ সিং, এচিএমএছৰ উপ-সভানেত্ৰী ৰূপেশ্বৰী গড়, শ্যামল মিৰ্ধা, সহকাৰী সম্পাদক সন্দীপ ভূমিজ, কোষাধ্যক্ষ অজিত কালিন্দী, তিতাবৰ প্ৰেছ ক্লাবৰ উপ-সভাপতি শশাংক দত্ত, সম্পাদক দুলাল কলিতা আদিয়ে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছামূলক বক্তব্যৰে অভিনন্দন জনায়।

# বৰখালাত গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ সামৰণিত 'নাটকৰ এনিশা'



## দুখনকৈ মননশীল নাট প্ৰদৰ্শনৰে মন্ত্ৰমুগ্ধ কৰিলে

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১ আগষ্ট ঃ** ঈশ্বৰী (সামাজিক সাংস্কৃতিক বিকাশৰ ভেটি)ৰ উদ্যোগত আৰু পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত যোৱা পাঁচ জুলাইৰ পৰা আয়োজিত নৱম বাৰ্ষিক গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ যোৱা নিশা সামৰণি পৰে। তদুপলক্ষে নিশা মহেশ্বৰ ভট্টাচাৰ্য সোঁৱৰণী মঞ্চত কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা অভিনীত আৰু প্ৰশিক্ষক তথা নাট পৰিচালক বুবুল কলিতাৰ ৰচনা আৰু পৰিচালনাৰে 'যন্ত্ৰ' নাট প্ৰদৰ্শনৰে ৰাইজক মোহিত কৰে। অভিনয় কৰা শিশু শিল্পীসকল হ'ল ক্ৰমে প্ৰজ্ঞান শৰ্মা, জিজ্ঞাসু বাচ্যস, সুশান্ত বাচ্যস, ৰাখী দাস, ভাস্কৰ বৈশ্য, বনস্মিতা দাস, প্ৰান্তিকা কাশ্যপ, ৰণদীপ বাচ্যস, হৃদয়প্ৰতীম মধুকুল্য, সমীৰণ ভট্ট, অংকিতা দাস, তন্ময় পৰাশৰ, হৃষীকেশ পৰাশৰ, বৈভৱ কাশ্যপ, দৃষিকা লহকৰ, অভিজ্ঞান শৰ্মা, হিমজ্যোতি ভট্টাচাৰ্য, কংকনা দাস, উমন দাস, চুইটী দাস, নিবিড় কাশ্যপ, যুবিষ্ঠ বুজৰবৰুৱা, গীতাঞ্জলি দাস, হিয়ামণি দাস, হৰ্ষিতা মধুকুল্য, ধৃতিমণি, টিনা, নিকিতা, চিত্ৰালী, নিয়ৰনীল, হৃদয়ৰঞ্জন, ধীৰাজ প্ৰতীম, দ্বিপজ্যোতি, অংকিতা, মনজিৎ আৰু নাহৰজ্যোতি দাস আদিয়ে। ইয়াৰ লগতে গুৱাহাটী থিয়েটাৰ গীল্ডৰ শিল্পীসকলে নৰেন পাটগিৰিৰ ৰচনা আৰু পৰিচালনাৰে 'বিদ্যা বালান/৫০০১/ইবিই মঞ্চস্থৰে সকলো পৰ্যায়ৰ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। পুৱাৰে পৰা পতাকা উত্তোলনৰ পাছতে বিভিন্ন প্ৰতিযোগিতামূলক কাৰ্যসূচীৰ অন্তত সন্ধিয়া বন্তি প্ৰজ্বলন, সম্বৰ্ধনা, অৱসৰপ্ৰাপ্ত শিক্ষক দীনেশ চন্দ্ৰ দাসৰ কবিতা পুথি উন্মোচন আদি আকৰ্ষণীয় কাৰ্যসূচীত ৰাইজৰ সহযোগ উল্লেখনীয় আছিল।

# মুছলপুৰত জিলা প্ৰশাসনৰ উদ্যোগত জাতীয় পতাকা বিক্ৰী কেন্দ্ৰ মুকলি

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১ আগষ্ট ঃ** দেশৰ স্বাধীনতা দিৱসৰ ৭৫ বছৰ উপলক্ষে অহা ১৩ৰ পৰা ১৫ আগষ্টলৈ অনুষ্ঠিত হ'বলগীয়া 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী বাগ্‌সা জিলাত সফলভাৱে ৰূপায়ণ কৰিবলৈ জিলা প্ৰশাসনে প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। কাৰ্যসূচীৰ অংশস্বৰূপে কালি জিলা প্ৰশাসনে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সহযোগত জিলা সদৰ মুছলপুৰৰ মাজমজিয়াত এটা জাতীয় পতাকা বিক্ৰী কেন্দ্ৰ মুকলি কৰে। জাতীয় পতাকা বিক্ৰী কেন্দ্ৰটো মুকলি কৰে জিলা উপায়ুক্ত মাচান্দা মাগডালিন পাৰ্টীনে। কেন্দ্ৰটো মুকলি কৰি উপায়ুক্তই জিলাখনৰ মুঠ ৮১৪৮ টা আত্মসহায়ক গোটৰ জৰিয়তে ৯০ হেজাৰ জাতীয় পতাকা বিক্ৰীৰ বাবে সাজু কৰি তোলাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি ইতিমধ্যে প্ৰায় ৬০ হেজাৰ পতাকা প্ৰস্তুত কৰি তোলা বুলি কয়। তেওঁ লগতে জিলাখনৰ বিভিন্ন ঠাইত মুঠ ১০ টা পতাকা বিক্ৰী কেন্দ্ৰ ৰাইজৰ বাবে মুকলি কৰা হৈছে আৰু জিলা প্ৰশাসনৰ তৰফৰ পৰা প্ৰতিটো উন্নয়ন খণ্ডত বিক্ৰী কেন্দ্ৰ স্থাপন কৰাৰ বাবে নিৰ্দেশনা প্ৰেৰণ কৰা হৈছে বুলি জনায়। আনহাতে, আত্মসহায়ক গোটৰ জৰিয়তে গাঁৱৰ ৰাইজক অধিক সজাগ সচেতন কৰিবলৈ অহা ১৩ৰ পৰা ১৫ আগষ্টলৈ বাটৰ নাট, সজাগতা সমদল, বিভিন্ন প্ৰতিযোগিতা, দেশ প্ৰেমমূলক গীত-নৃত্য, প্ৰভাত ফেৰী আদি ভিন্ন কাৰ্যসূচী জিলা প্ৰশাসনে হাতত লোৱাৰ পৰিকল্পনা কৰা হৈছে বুলি উপায়ুক্তই সদৰী কৰে। অনুষ্ঠানত সহকাৰী আয়ুক্ত নিজৰা বড়ো, জিলা গ্ৰামীণ জীৱিকা অভিযানৰ প্ৰকল্প বিষয়া চন্দন তালুকদাৰ, জিলা মীন উন্নয়ন বিষয়া নীলো দাসৰ লগতে কে'বাগৰাকী বিশিষ্ট ব্যক্তি আৰু জীৱিকা সখীসকল উপস্থিত থাকে।

# বেদখলকাৰীৰ কৱলত পৰাৰ ফলত সত্ৰসমূহৰ অস্তিত্বৰ প্ৰতি সংকট নামি আহিছে

## ■ ভৱানীপুৰত উপস্থিত অসম সত্ৰ আয়োগৰ অধ্যক্ষ প্ৰদীপ হাজৰিকাই বুজ ল'লে সত্ৰৰ অৱস্থাৰ

অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ১ আগষ্ট ঃ** অবিভক্ত বৰপেটা জিলাৰ সত্ৰসমূহৰ অৱস্থাৰ বুজ লোৱাৰ বাবে দুদিনীয়া কাৰ্যসূচীৰ কালিৰ অন্তিমটো দিনত ঐতিহাসিক পুৰণ ভৱানীপুৰ গোপাল আতা সত্ৰত আহি উপস্থিত হয় অসম সত্ৰ মহাসভাৰ অধ্যক্ষ প্ৰদীপ হাজৰিকা, বিধায়ক মৃণাল শইকীয়া আৰু অন্যান্যসকলৰ স'তে কালি বিয়লি প্ৰায় চাৰি বজাত আহি উপস্থিত হোৱা অধ্যক্ষজনক সত্ৰীয়া ৰীতি অনুসৰি শৰাই আৰু পাটৰ চেলেং চাদৰেৰে আদৰণি জনোৱাৰ পাছতে গোপাল আতা সত্ৰ পৰিচালনা সমিতিৰ সভাপতি ধীৰেন্দ্ৰনাথ বৰ্মণ আৰু সম্পাদক কাৰ্তিক দাসৰ স'তে পৰিচালনা সমিতিৰ অন্যান্য সদস্য তথা বিষয়ববীয়াসকলে সত্ৰৰ মূল তোৰণৰ সন্মুখৰ পৰা হৰিনাম ধ্বনিৰে দলটিক সত্ৰ চৌহদলৈ আদৰি নিয়ে। তাৰ পাছতেই সত্ৰ চৌহদৰ বৰ নামঘৰৰ থাপনাৰ সন্মুখত আটায়ে সেৱা লয় আৰু মাহ-প্ৰসাদ গ্ৰহণ কৰাৰ লগতে এক আলোচনাত মিলিত হয়। সভাপতি ধীৰেন্দ্ৰনাথ বৰ্মনে অধ্যক্ষৰ ওচৰত ঐতিহাসিক পুৰণ ভৱানীপুৰ গোপাল আতা সত্ৰৰ বুৰঞ্জীৰ লগতে 'আতাপুৰুষ' গৰাকীয়ে স্থাপন কৰি থৈ যোৱা পুৰণ ভৱানীপুৰ সত্ৰৰ নাতিদূৰৈত অৱস্থিত ঐতিহাসিক কালজাৰ, ধুপগুৰি, পোৱাভঁৰাল আৰু গোপাল আতাৰ আজ্ঞাপৰ কমললোচনে স্থাপন কৰি থৈ যোৱা কমলপুৰ সত্ৰৰ বৰ্তমান অৱস্থাৰ বিষয়ে জানিবলৈ দিয়ে। সভাপতিজনে বৰ্তমান উক্ত সত্ৰসমূহ একাংশ বেদখলকাৰীৰ কবলত পৰাৰ ফলত সত্ৰসমূহৰ অস্তিত্বৰ প্ৰতিয়েই যে সংকট নামি আহিছে বুলি জানিবলৈ দিয়ে। আনহাতে ঐতিহাসিক গোপাল আতা সত্ৰৰ নামত থকা সমুদায় ২৩৪১ বিঘা দুই কঠা দুই লেচা মাটি-কালিৰ ৭০ শতাংশ হিন্দু ধৰ্মাৱলম্বী আৰু জনজাতি সম্প্ৰদায়ৰ লোকে দখল কৰাৰ বিপৰীতে ৩০ শতাংশ মাটি ইছলাম ধৰ্মাৱলম্বী লোকসকলে বেদখল কৰাৰ কথাও তেওঁ তথ্যসহকাৰে জানিবলৈ দিয়ে। তেওঁ সত্ৰসমূহৰ বেদখলকৃত মাটিৰ জৰীপ কৰাৰ লগতে সত্ৰৰ মাটি বেদখল কৰা হিন্দু ধৰ্মাৱলম্বী মানুহখিনিক সত্ৰৰ 'ৰায়ত' হিচাপে মৰ্যাদা প্ৰদানৰ আহ্বান জনায়। তদুপৰি ঐতিহাসিক সত্ৰখনৰ নাতিদূৰৈত একাংশ ক্ষুদ্ৰ ব্যৱসায়ীয়ে স্থাপন কৰা দোকান-পোহাৰসমূহত ক্ৰমান্বয়ে বৃদ্ধি পাই অহা অসামাজিক কাৰ্যকলাপৰ বিষয়লৈও অধ্যক্ষজনৰ দৃষ্টিগোচৰ কৰে। অধ্যক্ষজনে সত্ৰসমূহত চলি থকা বেদখল উচ্ছেদ সম্পৰ্কত সত্ৰ পৰিচালনা সমিতিৰ সভাপতিজনক জিলা উপায়ুক্তজনৰ ওচৰত লিখিত অভিযোগ দিয়াৰ পৰামৰ্শ আগবঢ়ায়। ইয়াৰ পাছতেই অধ্যক্ষজনে সত্ৰ চৌহদত অৱস্থিত মহাপুৰুষ মাধৱদেৱ মন্দিৰ আৰু শ্ৰীশ্ৰী গোপালদেৱ মন্দিৰৰ অৱস্থাৰো বুজ লয়। অধ্যক্ষজনে পুৰণ ভৱানীপুৰ সত্ৰ পৰিদৰ্শন কালত কোনখন সত্ৰ আচল, কোনখন নকল সেয়া বিচাৰ কৰাটো তেওঁলোকৰ দায়িত্ব নহয়, তাৰ সলনি সত্ৰৰ বেদখলকৃত মাটিৰ অনুসন্ধান কৰাটোহে তেওঁলোকৰ দায়িত্ব বুলি মন্তব্য কৰে। এই ক্ষেত্ৰত তেওঁ সাংবাদিকসকলৰ সহায়-সহযোগো কামনা কৰে। কালি অধ্যক্ষজনৰ স'তে অহা অন্যান্যসকলৰ স'তে ধুপগুৰী সত্ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰসেনজিৎ মেধি, গোপাল আতা সত্ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি হৃদয় কুমাৰ চৌধুৰী আৰু গোপাল আতা সত্ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন উপদেষ্টা কিশোৰ ডেকাৰ স'তে সৰুপেটা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া জোনালী ৰাভায়ো অধ্যক্ষজনক সংগ দিয়া পৰিলক্ষিত হয়। অধ্যক্ষজনে কৰা তেওঁৰ দুদিনীয়া ভ্ৰমণকালত অবিভক্ত বৰপেটা জিলাৰ বাঘবৰ, বাৰাদী, মন্দিয়া, পাটবাউসীৰ দামোদৰীয়া সত্ৰ, ধূপগুৰি, কালজাৰ, ভৱানীপুৰ আদি সত্ৰসমূহৰত উপস্থিত হৈ সত্ৰসমূহৰ অৱস্থাৰ বুজ লোৱাৰ বিষয়ে জানিব পৰা গৈছে।

# জোৰশিমূলীত অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**সোণতলী, ১ আগষ্ট ঃ** কামৰূপ জিলাৰ ছয়গাঁও শিক্ষা খণ্ডৰ অন্তৰ্গত জোৰশিমূলী গছপোতা প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ইয়াছিন আলী আহমেদক কালি বিদ্যালয় কৰ্তৃপক্ষ আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে অনেক গুণমুগ্ধই বিদায় জনায়। তেওঁ ১২ আগষ্টত ১৯৮৩ত চৰকাৰী শিক্ষকৰূপে হাঁহচৰী প্ৰাথমিক বিদ্যালয়ত নিযুক্তি লাভ কৰে। সুদীৰ্ঘকাল একেখন বিদ্যালয়ত শিক্ষকতা কৰাৰ পাছত জোৰশিমূলী গছপোতা প্ৰাথমিক বিদ্যালয়লৈ বদলি হৈ তাতো ছবছৰ কাল নিজৰ কৰ্তব্য নিষ্ঠা আৰু সততাৰে পাৰ কৰি ৩১ জুলাইত শিক্ষকতা জীৱনৰ সফল সামৰণি পৰে । এই উপলক্ষে বিদ্যালয় প্ৰাংগণত এখন বিদায়ী সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত বৰ্তমান অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ লগতে সহকৰ্মী শিক্ষকৰ উপৰি বিদ্যালয় পৰিচালনা সমিতি তথা স্থানীয় শিক্ষা সচেতন ৰাইজে এই অনুষ্ঠানত ভাগ লৈ বিজয়ী শিক্ষকজনৰ কৰ্তব্যপৰায়ণতাৰ প্ৰতি শলাগ লয়। উপস্থিত ভালেসংখ্যক প্ৰাক্তন ছাত্ৰ তথা অনেক গুণমুগ্ধই শিক্ষকজনক গামোচা, জাপি, শৰাই, মানপত্ৰ, লাঠি, ছাতি, টুপী, চেলেং চাদৰ, ধুতি-পাঞ্জাবী আৰু বিভিন্ন শৈক্ষিক কিতাপেৰে বিদায় জনায় । এই অনুষ্ঠানত ছয়গাঁও শিক্ষা খণ্ডৰ বিভিন্ন বিভাগৰ কৰ্মচাৰী উপস্থিত থাকি বিদায় জনায়।

# লায়ন্স ক্লাব যোৰহাট ডিচৈ ভেলীৰ ২০ সংখ্যক অভিষেক সম্পন্ন

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ১ আগষ্ট ঃ** যোৰহাট লায়ন্স ক্লাব ডিচৈ ভেলীৰ ২০ সংখ্যক অভিষেক অনুষ্ঠান যোৰহাট ডনাজ' চৌহদত যোৱা ৩০ জুলাইত অনুষ্ঠিত হয়। নতুন লায়ন বৰ্ষ এক জুলাইৰ পৰা আৰম্ভণি হয় যদিও বিশেষ কাৰণবশতঃ ৩০ জুলাইতহে নতুন সমিতিয়ে আনুষ্ঠানিকভাৱে কাৰ্যভাৰ গ্ৰহণ কৰে। অনুষ্ঠানত ২০২১-২০২২ লায়ন বৰ্ষৰ সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে পুৰণি সমিতিৰ সম্পাদক লায়ন ইন্দ্ৰজিৎ প্ৰসাদে। পুৰণি সমিতিৰ সভাপতি লায়ন সত্যব্ৰত বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আৰম্ভণিতে বিশ্বশান্তিৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা বাৰ্তা পাঠ কৰে লায়ন মীৰা বৰুৱাই। অভিষেক অনুষ্ঠানৰ বিষয়া লায়ন শংকৰ ৰাউতে ২০২২-২০২৩ লায়ন বৰ্ষৰ বাবে নৱনিৰ্বাচিত বিষয়ববীয়া হিচাপে, সভাপতি লায়ন অঞ্জন চলিহা, সম্পাদক লায়ন সংগীত হাজৰিকা, কোষাধ্যক্ষ লায়ন পংকজজ্যোতি বৰুৱাক পিন পৰিধান কৰি শপত বাক্য পাঠ কৰোৱায়। শৰাগৰ শৰাই আগবঢ়ায় লায়ন সংগীত হাজৰিকাই। ৰাষ্ট্ৰীয় সংগীতেৰে অনুষ্ঠানৰ সামৰণি পৰে।

# শ্ৰীমন্ত শংকৰ মিছনৰ দ্বি-বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত ঃ নতুন সমিতি গঠন



বিশেষ সংবাদদাতা

**নগাঁও, ১ আগষ্ট ঃ** উত্তৰ-পূব ভাৰতৰ অন্যতম আগশাৰীৰ মানৱ সেৱাৰ স্বেচ্ছাসেৱী সংগঠন শ্ৰীমন্ত শংকৰ মিছনৰ ২০১৯-২০২১ৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাখন কালি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। নগাঁও চহৰৰ পানীগাঁও চাৰিআলিস্থিত শ্ৰীমন্ত শংকৰ মিছনৰ মুখ্য কাৰ্যালয়ৰ লোকসেৱক হলধৰ ভূএগ্ৰা সভাগৃহত অনুষ্ঠিত সাধাৰণ সভাৰ কাৰ্যসূচী পুৱা স্বচ্ছ ভাৰত কাৰ্যসূচীৰে পাতনি মেলে। ইয়াৰ পাছতে মিছনৰ ভাৰপ্ৰাপ্ত সভাপতি ৰঞ্জিত কুমাৰ তামুলী ফুকনে মিছনৰ পতাকা উত্তোলন কৰে। এই কাৰ্যসূচীৰ পাছতে গছ পুলি ৰোপণ, স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে। পৰৱৰ্তী কাৰ্যসূচী অনুসৰি, দিনৰ ১০-৩০ বজাত দ্বি-বাৰ্ষিক সাধাৰণ সভাখন অনুষ্ঠিত হয়। ৰঞ্জিত কুমাৰ তামুলী ফুকনৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱা, অভিজিত কুমাৰ নাথকে ধৰি শতাধিক আজীৱন সদস্য আৰু সাধাৰণ সদস্যই অংশগ্ৰহণ কৰে। মিছনৰ সাধাৰণ সম্পাদক বল্লদেৱ শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত বিধায়ক ৰূপক শৰ্মাই নিজৰ বক্তব্য দাঙি ধৰি শ্ৰীমন্ত শংকৰ মিছনৰ গৌৰৱোজ্জ্বল তথা সোণালী ইতিহাসক সোঁৱৰণ কৰাৰ লগতে মিছনৰ প্ৰতিস্থাপক সভাপতি লোকসেৱক হলধৰ ভূএগ্ৰা, ডাঃ ললিত চন্দ্ৰ বৰুৱাকে ধৰি প্ৰয়াত বিশিষ্ট সমাজকৰ্মীসকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। বিধায়ক শৰ্মাই শেহতীয়াকৈ ৰাজ্য চৰকাৰে মিছনৰ দখলত থকা নগাঁও চহৰৰ পানীগাঁও ছয়আলিৰ কমলা নেহেৰু চৌহদৰ এটা অংশত ভূপেন হাজৰিকা কলাতীৰ্থ নিৰ্মাণ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা বুলি জানিবলৈ দি কয় যে এই প্ৰকল্পৰ দ্বাৰা নগাঁৱৰ গুৰুত্ব বৃদ্ধি পাব। প্ৰায় ৩৪ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'ব লগা উক্ত প্ৰকল্পৰ কাম অতি কম দিনৰ ভিতৰতে আৰম্ভ হ'ব। ইয়াৰ পাছতে সাধাৰণ সভাখনত শ্ৰীমন্ত শংকৰ মিছনৰ সংবিধান সংশোধনী কে'বাটাও প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে। সন্ধিয়া প্ৰায় সাত বজাত সাধাৰণ সভাখন অন্ত পৰাৰ পাছতে পুৰণি বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহক সমিতিখনে আনুষ্ঠানিকভাৱে পদত্যাগ কৰাৰ পাছত নতুন বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। বিষয় বাছনি সভাখনত সৰ্বসন্মতিক্ৰমে মিছনৰ প্ৰবীণ সদস্য প্ৰেমেশ্বৰ দাসক সভাপতি, ৰঞ্জিত কুমাৰ তামুলী ফুকন, ডাঃ কৃষ্ণ বৰা আৰু হৰ বৰাক উপ-সভাপতি, বল্লদেৱ শৰ্মাক সাধাৰণ সম্পাদক, মুনীন্দ্ৰ শইকীয়া আৰু প্ৰদীপ শইকীয়াক যুটিয়া সম্পাদক আৰু উপেন বৰাক কোষাধ্যক্ষ হিচাপে নিৰ্বাচিত কৰে। নিৰ্বাচিত বিষয়ববীয়াসহ ২৮ গৰাকী সদস্যৰে কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰে।

# বিশ্বনাথঘাটত পুৱতি নিশা বন্যহস্তীৰ সন্ত্ৰাস ঃ বাসগৃহ লণ্ডভণ্ড

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১ আগষ্ট ঃ** কালি পুৱতি নিশা বিশ্বনাথঘাটত বন্যহস্তীৰ মুক্ত বিচৰণে আতংকিত কৰি তোলে ৰাইজক। পোৱালিসহ তিনিটাকৈ বন্যহস্তীয়ে আজি দুদিন ধৰি বিশ্বনাথঘাটৰ উমাতুমনি দ্বীপত আশ্ৰয় গ্ৰহণ কৰি আছিল। কিন্তু যোৱা নিশা বন বিভাগৰ দলে টহল দি থকা সময়ছোৱাতে তিনিওটা হাতী নদী পাৰ হৈ প্ৰৱেশ কৰে গুপ্তকাশী বিশ্বনাথঘাটত। তাৰ পাছতেই হুৱাদুৱা পৰিস্থিতিৰ সৃষ্টি হয় সমগ্ৰ অঞ্চলত। এফালে ৰাইজৰ পহৰা আনফালে বিভাগৰ কটকটীয়া নিৰাপত্তা। তাৰ মাজতে বিশ্বনাথ মন্দিৰৰ সমীপৰ বিপুল ৰায় বৰুৱাৰ ঘৰত হাতীৰ জাকটোৱে প্ৰৱেশ কৰি লণ্ডভণ্ড কৰে পাকঘৰ। বিস্তৰ ক্ষতিসাধন কৰে বাসগৃহৰ। পাকঘৰত থকা খাদ্য পৰ্যন্ত খাই পেলায় বনৰীয়া হাতীৰ জাকটোৱে। পৰিস্থিতি নিয়ন্ত্ৰণলৈ অনাৰ বাবে বন বিভাগৰ দলে তিনি জাঁই গুলি ফুটাই খেদি পঠিয়াবলৈ সক্ষম হয়।



*টংলাত বন্যহস্তীয়ে বিধ্বস্ত কৰিলে বাসগৃহ।*

# হাজোত প্ৰধানমন্ত্ৰীৰ 'মন কী বাত' কাৰ্যসূচীত সমূহীয়াভাৱে অংশগ্ৰহণ বিজেপি কৰ্মীৰ



অগ্ৰদূত বাৰ্তা

**হাজো, ১ আগষ্ট ঃ** হাজোৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মন কী বাত' অনুষ্ঠানত ভাগ ল'লে একাংশ বিজেপি কৰ্মী তথা দলীয় বিষয়ববীয়াই। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অনাতাঁৰ মাধ্যমেৰে দেশৰ বিভিন্ন দিশৰ উন্নয়নৰ ওপৰত নিজৰ অনুভৱ ব্যক্ত কৰি অহাৰ সমান্তৰালকৈ জুলাইৰ শেষৰটো ৰবিবাৰে সম্বোধন কৰে মন কী বাত অনুষ্ঠান। দলীয় কাৰ্যকৰ্তা, সমৰ্থক আৰু দেশৰ জনতাক উদ্দেশি আগবঢ়োৱা শীৰ্ষক অনুষ্ঠানত কালি হাজো বিজেপি মুখ্য কাৰ্যালয়ত উত্তৰ হাজো মণ্ডলৰ দুই নম্বৰ হাজো গাঁও পঞ্চায়তৰ অন্তৰ্গত ১৫৮ নম্বৰ বুথৰ অধীনতসমূহ বিজেপি কৰ্মীয়ে সমূহীয়াভাৱে উপভোগ কৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে কামৰূপ জিলা পৰিষদৰ অধ্যক্ষা ৰীতা তালুকদাৰ, হাজো মণ্ডল বিজেপিৰ সভাপতি ভূপেন কলিতা, উত্তৰ হাজো মণ্ডল বিজেপিৰ সভাপতি তিলক শৰ্মা, বিজেপি নেতা নগেন মালাকৰ, দুই নম্বৰ হাজো গাঁও পঞ্চায়তৰ সভানেত্ৰী তিলমা মেধি, বুথৰ মহিলা সভানেত্ৰী অনুপমা দাস, বিজেপি সক্ৰিয় কাৰ্যকৰ্তা ব্ৰজেন্দ্ৰ ভৰালী প্ৰমুখ্যে প্ৰায় শতাধিক মহিলা কৰ্মী আৰু স্থানীয় ৰাইজ ।

# ২১ হেজাৰ পতাকা বিক্ৰী কৰিব চতিয়াৰ আত্মসহায়ক গোটৰ মহিলাই

## ■ ঘৰে ঘৰে উৰিব পতাকা ঃ দক্ষিণ চতিয়াত পতাকা বিপণন কেন্দ্ৰ মুকলি

অগ্ৰদূত বাৰ্তা

**চতিয়া, ১ আগষ্ট ঃ** দেশৰ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে সমগ্ৰ দেশজুৰি পালন কৰা 'আজাদী কা অমৃত মহোৎসৱ'ৰ 'ঘৰে ঘৰে ত্ৰিৰংগা'' শীৰ্ষক কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে চতিয়াৰ আত্মসহায়ক গোটৰ মহিলাসকলে আৰম্ভ কৰিছে জোৰদাৰ আন্দোলন। সমগ্ৰ চতিয়া অঞ্চলত ২১ হেজাৰ পতাকা বিক্ৰীৰ লক্ষ্য বান্ধি লোৱা মহিলাসকলে কালি ছয় নম্বৰ জাতীয় পতাকা বিপণন কেন্দ্ৰ কৰৈয়নীত মুকলি কৰে। কেন্দ্ৰটো মুকলি কৰে বিশ্বনাথ সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে। জাতীয় পতাকা বিপণন কেন্দ্ৰটো মুকলি কৰি বিধায়ক বৰঠাকুৰে কয় যে দেশৰ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে সমগ্ৰ দেশ জুৰি পালন কৰা হৈছে 'আজাদী কা অমৃত মহোৎসৱ'। আনহাতে, অহা ১৩ৰ পৰা ১৫ আগষ্টলৈকে ঘৰে ঘৰে পতাকা উৰুৱাই এই কাৰ্যসূচী সফল ৰূপায়ণ কৰি তোলক। ইফালে, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ চতিয়াৰ খণ্ড প্ৰকল্প প্ৰৱন্ধন গোটৰ প্ৰকল্প প্ৰৱন্ধক মনীষ বৰকাকতিয়ে জানিবলৈ দিয়া অনুসৰি, চতিয়াত মহিলাসকলে প্ৰায় ২১ হেজাৰ পতাকা বিক্ৰীৰ লক্ষ্য কৰি লৈছে। ইয়াৰে ১৬ হেজাৰ ক্ৰয় কৰিব আত্মসহায়ক গোটৰ মহিলাসকলে। আত্মসহায়ক গোটৰ মহিলাসকলক সুলভ মূল্যত পতাকা বিক্ৰী কৰা হ'ব বুলি প্ৰকাশ কৰি চতিয়াৰ ১০ টা পঞ্চায়ত অঞ্চলত একোখনকৈ বিপণী মুকলি কৰা হ'ব বুলি জানিবলৈ দিয়ে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ চতিয়াৰ খণ্ড প্ৰকল্প প্ৰৱন্ধক গোটৰ অন্তৰ্গত বীৰাংগনা মণ্ডল সংগঠনৰ উদ্যোগত আয়োজিত এক অনুষ্টুপীয়া অনুষ্ঠানত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ চতিয়াৰ খণ্ড প্ৰকল্প প্ৰৱন্ধন গোটৰ প্ৰকল্প প্ৰৱন্ধক বৰকাকতিৰ লগতে খণ্ড সমন্বয়কসকলে অংশগ্ৰহণ কৰে।

# ছয়গাঁও মহাবিদ্যালয়ত দক্ষিণ কামৰূপ ভিত্তিত 'কইনা আৰু মেক-আপ প্ৰতিযোগিতা'



## ■ প্ৰথম জালুকবাৰীৰ ধৰিত্ৰী অধিকাৰী-দ্বিতীয় বকোৰ বাবলু বৈশ্য

**ছয়গাঁও, ১ আগষ্ট ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও মহাবিদ্যালয়ৰ চম্পকজ্যোতি প্ৰেক্ষাগৃহত কালি 'আছাম মিৰোৰ'ৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হয় দক্ষিণ কামৰূপ ভিত্তিত 'কইনা আৰু মেক-আপ প্ৰতিযোগিতা'। উক্ত প্ৰতিযোগিতাখনত জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ২২ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে । অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে ছয়গাঁৱৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে। সাংবাদিক বিজিত কলিতাই পৰিচালনা কৰা অনুষ্ঠানত মুখ্যভাৱে নেতৃত্ব লয় পৰিচালক তথা ব্যৱস্থাপক ডিম্পী কাশ্যপ আৰু ব্যৱস্থাপক পংকজ দাসৰ লগতে কালিন্দ্ৰী দাস আৰু বৰেণ্য দাসে। ইয়াৰ মাজতে আগষ্টত মুক্তি লাভ কৰিব লগা 'খং' নামৰ বোলছবিখনৰ অভিনেতা-অভিনেত্ৰীসকলে নৃত্য-গীত পৰিৱেশন কৰি ৰাইজক আপ্লুত কৰে । 'কইনা আৰু মেক-আপ' প্ৰতিযোগিতাৰ বিচাৰকৰ আসন অলংকৃত কৰিছিল মডেল কৰিশ্মা হাজৰিকা, বৰষা বৃষ্টি, কিশোৰ কুমাৰ, অনিৰ্বাণ দত্ত, অভিনেতা ৰয় বড়ো, অভিনেত্ৰী ভ্ৰান্তি মেধি, ৰূপসজ্জা মণালিছা দাস, ষ্টাইলিষ্ট বিষ্ণু ৰাউথ। ছয়গাঁৱৰ সাংবাদিক বিশ্বজিৎ দাসৰ লগতে ভালেমান বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। দুটা ৰাউণ্ডত অনুষ্ঠিত এই প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰি জালুকবাৰীৰ ধৰিত্ৰী অধিকাৰীয়ে ২০ হেজাৰ টকাৰ লগতে ট্ৰফি, মানপত্ৰ আৰু অন্যান্য বহু সামগ্ৰী লাভ কৰাৰ বিপৰীতে দ্বিতীয় স্থান দখল কৰি বকোৰ বাবলু বৈশ্যই ১০ হেজাৰ টকা লাভ কৰাৰ লগতে ট্ৰফি মানপত্ৰ আৰু অন্যান্য বহু সামগ্ৰী লাভ কৰিবলৈ সক্ষম হয় ।

# কৃতীমানে অধ্যয়ন-জ্ঞানেৰে সমাজ উজলাব লাগিব

## ■ নলবাৰীৰ মুগকুছিত সম্বৰ্ধনাত ড° ডেকা পাঠক

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১ আগষ্ট ঃ** 'কৃতীমানসকলে অৱনমিত সমাজ ব্যৱস্থাক অধ্যয়ন- জ্ঞানেৰে উদ্ধাৰ কৰিব লাগিব। সমাজ উজ্বলাব লাগিব। অভাৱ-অনাটন সকলোৰে আছে। কিন্তু তাৰ মাজেৰে শিক্ষাৰ্থীসকলে নিজক প্ৰতিষ্ঠা কৰি আগুৱাই যাব লাগিব। ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়ন প্ৰথম। বাকীবোৰ পাছত' কালি নলবাৰী চহৰৰ সমীপৱৰ্তী মুগকুছি স্প'ৰ্টছ ক্লাবৰ উদ্যোগত আয়োজিত কৃতীমানক সম্বৰ্ধনা অনুষ্ঠানত এই মন্তব্য কৰে কামৰূপ মহাবিদ্যালয়ৰ অধ্যাপিকা ড° দুলুমণি ডেকা পাঠকে। কামৰূপ বিদ্যাপীঠ হাইস্কুলৰ সভাগৃহত অনুষ্ঠিত অনুষ্ঠানত অধ্যাপিকা ড° পাঠকে লগতে কয় শিক্ষাৰ্থীক জ্ঞানৰ বাবে পুথিভঁৰালৰ সহায় লাগিব। কিয়নো আন গ্ৰন্থয়ো জ্ঞান বঢ়াই বুলি মন্তব্য কৰে। ক্লাবৰ সম্পাদক হীৰকজ্যোতি হালৈ উদ্দেশ্য বাখ্যা কৰা অনুষ্ঠানত সাংবাদিক প্ৰাঞ্জল শৰ্মাই ভাষণত কয় যে পিতৃ-মাতৃ, শিক্ষাগুৰুৰ লগতে সমাজৰ প্ৰতিটো দিশত শিক্ষাৰ্থী দায়বদ্ধ হ'ব লাগিব বুলি দোহাৰে। প্ৰধান শিক্ষক দীপক কুমাৰ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানত সাহিত্যসেৱী নিৰূপমা হালৈ, যুৱ সমাজসেৱক মন্টু কলিতা, মৃদুল ৰাজবংশী, ক্লাবৰ সভাপতি, আঞ্চলিক পঞ্চায়তৰ সদস্য বংকিম শৰ্মা, ক্ৰীড়া সম্পাদক দিগন্ত হালৈ, সাংস্কৃতিক সম্পাদক ধ্ৰুৱজ্যোতি হালৈসহ ভালেমান ৰাইজ, শিক্ষাৰ্থী উপস্থিত থাকে। উল্লেখ্য যে ২৭ গৰাকী উচ্চতৰ মাধ্যমিক আৰু উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ কৃতীমানক গামোচা, মানপত্ৰৰে সম্বৰ্ধনা জনোৱা অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী সোণাৰাম ডেকা, শিক্ষয়িত্ৰী প্ৰণীতা দেৱীক ক্লাবৰ পৰা বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

# সদৌ দৈয়াং চুতীয়া ছাত্ৰ সন্থাৰ উদ্যোগত অভিনন্দন অনুষ্ঠান



অগ্ৰদূত বাৰ্তা
**মেৰাপানী, ১ আগষ্ট ঃ** সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ অন্তৰ্গত সদৌ দৈয়াং চুতীয়া ছাত্ৰ সন্থাই কালি মেৰাপানী সাংবাদিক সন্থাৰ সভাকক্ষত দৈয়াং অঞ্চলৰ উচ্চতৰ আৰু উচ্চ মাধ্যমিকৰ শেষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা চুতীয়া জাতিৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। সদৌ দৈয়াং চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি উজ্জ্বল শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাৰ আঁত ধৰে সম্পাদক লুহিত শইকীয়াই। সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় উপ-সভাপতি পাপু শইকীয়া। উল্লেখ্য যে অভিনন্দন অনুষ্ঠানত দৈয়াং অঞ্চলৰ আৰু উচ্চ মাধ্যমিকৰ শেষান্ত পৰীক্ষাত ষ্টাৰ মাৰ্ক লাভ কৰা মুঠ ৩৮ গৰাকী ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, মানপত্ৰ আৰু একোটাকৈ গছপুলিৰে সম্বৰ্ধনা জনায়। লক্ষ্যণীয় যে উক্ত অভিনন্দন অনুষ্ঠানত উচ্চতৰ শেষান্ত পৰীক্ষাত ৰাজ্যৰ ভিতৰত নৱম স্থান লাভ কৰা ফৰকাটিং জুনিয়ৰ কলেজৰ ছাত্ৰী ৰাছনা গগৈকো এই সভাত বিশেষভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে মুৱাইথা খেলত সোণৰ পদক বিজয়ী মেৰাপানীৰ ছাত্ৰ জাচটিনা চুতীয়াকো চুতীয়া ছাত্ৰ সন্থাই বিশেষভাৱে সম্বৰ্ধনা জনায়। অভিনন্দন অনুষ্ঠানত কে'বাটাও ছাত্ৰ-সংগঠনৰ প্ৰতিনিধিৰ লগতে স্থানীয় শতাধিক ছাত্ৰ-কৰ্মী উপস্থিত থাকে।

# বঙালপুখুৰী শাখা সাহিত্য সভাৰ ব্যতিক্ৰমী পদক্ষেপ-প্ৰকাশকক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
**চিনামৰা, ১ আগষ্ট ঃ** যোৰহাট জিলাৰ বহুকেইগৰাকী বিশিষ্ট লেখক-লেখিকাৰ বুজন সংখ্যক গ্ৰন্থ প্ৰকাশৰ উপৰি আৰ্থিক সমস্যাৰ বাবে অপ্ৰকাশিত হৈ থকা বহু নবীন-প্ৰবীণ লেখকৰ গ্ৰন্থ আকাৰত প্ৰকাশেৰে সেইসকলক উৎসাহিত কৰি অসমীয়া সাহিত্য ভঁৰাললৈ অৱদান আগবঢ়াই থকা যোৰহাট গোহাঁই টেকেলা গাঁৱৰ নিবাসী তথা যোৰাটৰ অগ্ৰণী প্ৰকাশন প্ৰতিষ্ঠান কস্তুৰী প্ৰকাশনৰ স্বত্বাধিকাৰ ৰেৱকান্ত বৰা। উল্লেখ্য যে দীৰ্ঘবছৰ ধৰি তেওঁ সাহিত্য জগতখনৰ লগত জড়িত হৈ সাহিত্যপ্ৰেমী তথা লেখক-লেখিকাসকলক নিৰৱচ্ছিন্নভাৱে উৎসাহিত কৰি আহিছে। শেহতীয়াকৈ তেওঁ বঙাল পুখুৰী শাখা সাহিত্য সভাৰ সদ্যপ্ৰকাশিত মুখপত্ৰ 'সংকলন'ত নতুনকৈ সংযোজন হোৱা চেমনীয়া চ'ৰাটিৰ শ্ৰেষ্ঠ চেমনীয়া লেখক-লেখিকাক প্ৰতিবছৰে একোটাকৈ বঁটা প্ৰদান কৰাৰ পদক্ষেপ হিচাপে অলপতে প্ৰকাশনৰ এখন গ্ৰন্থ উন্মোচনী সভাত প্ৰথমবাৰৰ বাবে ২০২২ৰ মুখপত্ৰখনৰ শ্ৰেষ্ঠ চেমনীয়া লেখিকা প্ৰিয়াংকী দত্তক প্ৰকাশনৰ তৰফৰ নগদ ধন, সম্বৰ্ধনা পত্ৰৰে পুৰস্কৃত কৰে। এনে উদীয়মান লেখক-লেখিকাসকলক উৎসাহিত কৰি সাহিত্য ক্ষেত্ৰখনলৈ আগবঢ়াই নিয়াৰ প্ৰচেষ্টাৰ স্বীকৃতি স্বৰূপে যোৰহাট বঙালপুখুৰী শাখা সাহিত্য সভাই যোৱা ২৯ জুলাইত প্ৰকাশক তথা স্বত্বাধিকাৰ ৰেৱকান্ত বৰাক নিজা বাসগৃহতে সম্বৰ্ধনা জনায়। আড়ম্বৰবিহীনভাৱে অনুষ্ঠিত অনুষ্ঠানত বঙালপুখুৰী শাখা সাহিত্য সভাৰ সভাপতি নাৰায়ণ ভূঞা, উপ-সভাপতি সূৰ্য কুমাৰ গগৈ, সম্পাদক ভাৰত গোস্বামী, সহ-সম্পাদক খগেন চেতিয়া আৰু পত্ৰিকা সম্পাদক অৰুণ চন্দ্ৰ ভূঞাই স্বত্বাধিকাৰগৰাকীক চেলেং চাদৰ, প্ৰশংসা পত্ৰ আদিৰে সম্বৰ্ধনা জনাই তেওঁৰ এনে কৰ্মৰাজিক ভূয়সী প্ৰশংসা কৰে। প্ৰকাশকৰ পৰিয়ালৰ তৰফৰ পৰা বিষয়ববীয়াসকলক একোখনকৈ গ্ৰন্থ উপহাৰ দিয়াৰ লগতে বঙালপুখুৰী শাখা সাহিত্য সভাৰ সকলো বিষয়ববীয়াক কৃতজ্ঞতা জ্ঞাপন কৰে।

# টংলাত আক্ৰাছুৰ উদ্যোগত বিশেষ অভিনন্দন-সম্বৰ্ধনা অনুষ্ঠান



অগ্ৰদূত বাৰ্তা
**টংলা, ১ আগষ্ট ঃ** ওদালগুৰি জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা পশ্চিমৰ উদ্যোগত, ভেৰগাঁও জিলা কোচ ৰাজবংশী মূল, যুৱ, মহিলা সন্মিলনী আৰু টংলা আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সহযোগত কালি টংলাস্থিত অমৃত বিবাহ ভৱনত বিশেষ অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠান এখন অনুষ্ঠিত হয়। ভেৰগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি মিণ্টু বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভা উদ্বোধন কৰে উপদেষ্টা নীলধৰ ডেকাই, সভাৰ উদ্দেশ্যে ব্যাখ্যা কৰে যুটীয়া সম্পাদক পংকজ ডেকাই। আনহাতে, সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে সংবাদকৰ্মী নাৰায়ণ ডেকাই। অনুষ্ঠানত বিগত বৰ্ষৰ ২০২২ৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ৩২ খন আঞ্চলিকৰ ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱাৰ লগতে কৰ্ম উদ্যোমী নয়নজ্যোতি বৰুৱা, ৰিক্সাচালক ইলা ডেকা আৰু সমাজকৰ্মী ভবেন্দ্ৰ নাথ শইকীয়াক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে ক্ৰমে আক্ৰাছু দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ নাথ ডেকা, আক্ৰাছুৰ মুখ্য উপদেষ্টা গৌতম চহৰীয়া আৰু টংলা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা ঘটেশ্বৰ বৰুৱাই। আক্ৰাছু কেন্দ্ৰীয় সমিতিৰ মুখ্য প্ৰচাৰ সম্পাদক হেমন্ত বড়া কোচে আঁত ধৰে সাংস্কৃতিক অনুষ্ঠানত জাতীয় পোছাকৰ গীত নৃত্যই অনুষ্ঠান জীপাল কৰি তোলে।

# জামুগুৰিহাটৰ টুপীয়াৰ জে জ্যোতি ৰেষ্টাৰ্ণ ডেঞ্চ একাডেমীৰ সাফল্য

অগ্ৰদূতবাৰ্তা
**নদুৱাৰ, ১ আগষ্ট ঃ** গুৱাহাটীৰ শিল্পগ্ৰামত যোৱা ২৭ জুলাইত অনুষ্ঠিত 'সংস্কৃতি সংগম ২০২২' শীৰ্ষক নৃত্য প্ৰতিযোগীতাত জামুগুৰিহাটৰ টুপীয়াৰ জে জ্যোতি ৰেষ্টাৰ্ণ ডেঞ্চ একাডেমীৰ ১৩ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি ১৩ গৰাকীয়েই বিভিন্ন শিতানত পুৰস্কাৰ বুটলি আনিবলৈ সক্ষম হৈছে। শিল্পগ্ৰামত অনুষ্ঠিত ষষ্ঠ সংখ্যক ৰাষ্ট্ৰীয় আৰু দশম সংখ্যক আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনত ডেঞ্চ একাডেমীখনৰ পৰা অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়েই আন্তঃৰাষ্ট্ৰীয়, ৰাষ্ট্ৰীয় পৰ্যায়ত পুৰস্কাৰ বুটলি অনাৰ লগতে কে'বাগৰাকী ছাত্ৰ- ছাত্ৰীয়ে শ্ৰেষ্ঠ খিতাপ বুটলি আনিবলৈ সক্ষম হয়। কাবেৰী পটংগীয়া আৰু ৰাজেশ ভূঞাৰ তত্বাৱধানত প্ৰশিক্ষণৰত ডেঞ্চ একাডেমীখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ এই সফলতাত উৎফুল্লিত অঞ্চলবাসী ৰাইজে সফলতা অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক কালি অভিনন্দন জনায়। যুৱ সমাজকৰ্মী সঞ্জয় শৰ্মাই আঁত ধৰা অভিনন্দন অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক ফুলাম গামোচাৰে অভিনন্দন জনোৱাৰ লগতে সকলোৱে কেক কাটি আনন্দ স্ফূৰ্তি কৰে। অনাগত সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ পৰা আৰু অধিক সফলতা কামনা কৰি আশিস প্ৰদান কৰে অঞ্চলবাসী ৰাইজে।

■ 'সংস্কৃতি সংগম ২০২২' শীৰ্ষক নৃত্য প্ৰতিযোগিতাত ১৩ গৰাকীৰ পুৰস্কাৰ লাভ

# ধনশিৰি মহকুমাক খৰাং বুলি ঘোষণাৰ এবছৰৰ পাছতো এটকাও লাভ নকৰিলে ক্ষতিগ্ৰস্ত কৃষকে

**উৰিয়ামঘাট, ১ আগষ্ট ঃ** ধনশিৰি মহকুমাত উপযুক্ত জলসিঞ্চনৰ সুবিধা নথকা আৰু বৰষুণ নোহোৱাৰ বাবে পানীৰ অভাৱত ধানখেতি কৰিব নোৱাৰিলে মহকুমাৰ কৃষকে। প্ৰথম অৱস্থাত গাঁঠিৰ ধন ভাঙি ঠাইবিশেষে দুই এক কৃষকে খেতি কৰিছিল যদিও বৰষুণৰ অভাৱত আৰু জলসিঞ্চনৰ উপযুক্ত ব্যৱস্থা নথকাৰ বাবে খৰাং হোৱাৰ ফলত ফচল লাভ নকৰিলে। সমগ্ৰ অসমত অভাৱনীয় পৰিস্থিতিয়ে দেখা দিছে, এফালে প্ৰবল বানপানী, আকৌ অঞ্চল বিশেষে খৰাং। ধনশিৰি মহকুমাত এইবছৰো বতৰ কৃষকৰ অনুকূল নহয়। উদ্যানজাত শস্যৰ ওপৰতো পৰিছে খৰাং বতৰৰ প্ৰভাৱ। ধান, মৰাপাট, সৰিয়হ, তামোল, পাণ, নাৰিকল, কল, কেঁচা, চাহপাত আদি প্ৰচুৰ পৰিমাণে উৎপাদন হোৱা মহকুমাটোত জলসিঞ্চনৰ পূৰ্ণ সম্ভাৱনা থকাৰ পাছতো কৃষিৰ ওপৰত নিৰ্ভৰশীল অঞ্চলটোৰ সৰহ সংখ্যক ৰাইজে স্বাধীনতাৰ ৭৫ বছৰৰ পাছতো কৃষকে বতৰৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছে। শেহতীয়াকৈ অঞ্চলটোৰ ৰাইজৰ আবেদন-নিবেদনৰ ফলত উৰিয়ামঘাট যোৰদলং আৰু নপথাৰ মধ্যস্থলত ৰেংমা নদীত কে'বা কোটি টকাৰ ব্যয় সাপেক্ষে এটা নদী বান্ধৰ কাম ২০১১তে আৰম্ভ হৈছিল যদিও আজি পৰ্যন্ত সম্পূৰ্ণ হৈ নুঠিল। মহকুমাটোৰ মাজেৰে বৈ যোৱা ধনশিৰি, দয়াং, ৰেংমা আদি নদীত জলসিঞ্চনৰ সু-ব্যৱস্থা কৰিব পৰা যায় আৰু ঠাইবিশেষে গভীৰ নদী-নদৰো ব্যৱস্থা কৰিব পৰা যায় যদিও এই ক্ষেত্ৰত কৰ্তৃপক্ষৰ অসম চৰকাৰৰ তথা বিভাগীয় কোনো বিজ্ঞানসন্মত পৰিকল্পনা নাই বৰঞ্চ যি তেনেই নগণ্য সংখ্যক গভীৰ নলী-নাদৰ ব্যৱস্থা আছে প্ৰায় সংখ্যকেই বিকল অৱস্থাত আছে বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। যাৰ বাবে মহকুমাবাসী ৰাইজে বতৰৰ ওপৰত নিৰ্ভৰ কৰি গাঁঠিৰ ধন ভাঙি হতাশাত ভুগিব লগা হৈছে। এনে প্ৰতিকূল পৰিস্থিতিত বহু যুৱক-যুৱতী কৃষিৰ ব্যৱস্থাৰ প্ৰতি মোহভংগ হৈ বহিঃৰাজ্যলৈ ঢাপলি মেলিছে। কিন্তু পৰিতাপৰ কথা, তাৰে এটা বুজন সংখ্যকে তলাবন্ধৰ পৰা বিভিন্ন কাৰণত কৰ্মসংস্থাপন হেৰুৱাই নিবনুৱা শাৰীত থিয় দিছে। এফালে নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধি আৰু কৰ্মসংস্থাপনহীনতাৰ ফলত সাধাৰণ জনজীৱন দুৰ্বিষহ হৈ পৰিছে। সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে সদনত খৰাংপীড়িত অঞ্চল হিচাপে ঘোষণা কৰিবৰ বাবে অনুৰোধ জনাইছিল। সেই মৰ্মে অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন আৰু জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংঘালে অঞ্চলটোৰ পথাৰসমূহ পৰিদৰ্শন কৰিছিল আৰু অসম চৰকাৰৰ কেবিনেটে খৰাংপীড়িত অঞ্চল হিচাপে ঘোষণা কৰিছিল। চিলনীজান গাঁও পঞ্চায়তৰ ৰাজহুৱা প্ৰেক্ষাগৃহত আৰু সৰুপথাৰ ব্লক অতিথিশালা প্ৰেক্ষাগৃহত হোৱা সভা দুয়োখনত সৰুপথাৰ সমষ্টিৰ ২১ খন গাঁও পঞ্চায়তৰ কৃষকৰ বাবে চৰকাৰে গ্ৰহণ ব্যৱস্থা কৰিব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। উল্লেখ্য যে সৰুপথাৰ সমষ্টিৰ বিধায়কজনে সামাজিক মাধ্যম ফেচবুকৰ যোগেদি খৰাঙৰ ক্ষতিপুৰণৰ বাবে চৰকাৰে দিয়া পাঁচকোটি টকা উপায়ুক্ত কাৰ্যালয়ত জমা হৈছে আৰু চলিত বছৰৰ মাৰ্চতেই ক্ষতিগ্ৰস্ত কৃষকে লাভ কৰিব বুলি জানিবলৈ দিছিল। আশাবাদী কৃষকে প্ৰ-পত্ৰ জমা দিয়াৰ পাছত আশা কৰাৰ দৰে বৰ্তমানলৈকে লাভ কৰা নাই উক্ত ক্ষতিপূৰণ। ইফালে, শেহতীয়াকৈ বিষয়টোৰ সন্দৰ্ভত ক্ষোভ উজাৰি বিভিন্ন দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰিছে। এই ক্ষৰিপূৰণ আদায় নিদিলে ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী), ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, তাই আহোম ছাত্ৰ সন্থা, ডিৱাইএফআই আদিয়ে আন্দোলনৰ হুংকাৰ প্ৰদান কৰিছে।



*ভবানীপুৰত অসম সত্ৰ আয়োগৰ অধ্যক্ষ প্ৰদীপ হাজৰিকাৰ নেতৃত্বত সজাতী দল।*

# ডুমডুমাত ৰ'টাৰী ক্লাবৰ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা
**ডুমডুমা, ১ আগষ্ট ঃ** ৰ'টাৰী ক্লাব অৱ ডুমডুমাৰ আজাদ ৰ'ডস্থিত কাৰ্যালয়ত অনুষ্ঠিত এক অনুষ্ঠানত ক্লাবৰ 'অনাৰেৰী মেম্বাৰ' তথা একেৰাহে ৫১ বছৰ ধৰি দৈনিক অসমলৈ সেৱা আগবঢ়াই থকা জ্যেষ্ঠ সাংবাদিক অৰ্জুন বৰুৱাক সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানটোৰ মুখ্য অতিথি ডুমডুমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ৰণনময় ভৰদ্বাজে সাংবাদিক বৰুৱাক ফুলাম গামোচা, ফুলৰ থোপা আৰু এখন সোঁৱৰণী ফলকেৰে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। ইয়াৰ পূৰ্বে ৰ'টাৰী ৩২৪০ ডিষ্ট্ৰিক্টৰ সদ্যপ্ৰাক্তন ডিষ্ট্ৰিক্ট গভৰ্ণৰ ডাঃ মোহন শ্যাম কোঁৱৰৰ সহযোগত ক্লাবটোৰ পূৰ্বৰ সভাপতি মিণ্টু উপাধ্যায়ে ২০২২-২০২৩ৰ সভাপতি বিভূ দাস আৰু পূৰ্বৰ সম্পাদক ভূপেন গোহাঁয়ে নৱনিৰ্বাচিত সম্পাদক সুজিত কুমাৰ বৰুৱাক দায়িত্ব অৰ্পণ কৰে আৰু শপত বাক্য পাঠ কৰোৱায়। ডাঃ কোঁৱৰে সমাজৰ প্ৰতি ৰ'টাৰীয়ানসকলৰ কৰণীয় সম্বন্ধে বক্তব্য আগবঢ়ায়। মুখ্য অতিথি চক্ৰ বিষয়া ৰণনময় ভৰদ্বাজে ক্লাবৰ কাম-কাজক ভূয়সী প্ৰশংসা কৰাৰ লগতে ক্লাবলৈ পূৰ্ণ সহযোগিতাৰ আশ্বাস দিয়ে। জ'ন ১৪-ৰ এচিষ্টেণ্ট ডিষ্ট্ৰিক্ট গভৰ্ণৰ ডাঃ স্বৰাজ ভট্টাচাৰ্যয়ো সভাত বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে। উক্ত সভাতে ডাঃ ৰঞ্জিত ভৰালী আৰু তাচদিক মহম্মদ গজনৰীয়ে ক্লাবৰ নতুন সদস্যৰূপে শপত লয়। নতুন কাৰ্যবছৰটোৰ বাবে পংকজ দত্ত যুটীয়া সম্পাদক, ৰাজকুমাৰ আগৰৱালা কোষাধ্যক্ষ, প্ৰকাশ দত্ত পত্ৰিকা সম্পাদক, পিজে ডেকা সেৱা আঁচনি, ধীৰেন ডেকা ক্লাব প্ৰশিক্ষকৰূপে শপত গ্ৰহণ কৰে।

# প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ মনোজ্ঞ বাৰ্তালাপ



অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ১ আগষ্ট ঃ** শুৱালকুছিৰ গণেশ দাস হাইস্কুলৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী কৰ্মৰত শিক্ষক কৰ্মচাৰীৰ মাজত কালি বিষাদ-মধুৰ স্মৃতি ৰোমন্থন কৰি বাৰ্তালাপ কৰা হয়। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ২০০৩ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে আয়োজন কৰা সন্মিলনত কে'বাগৰাকী অনসৰপ্ৰাপ্ত শিক্ষকৰ লগতে গুৱাহাটী সোণাৰী সৰুপথাৰ ঢেকিয়াজুলি আৰু অসমৰ বাহিৰত কৰ্মৰত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। বৰ্তমানৰ প্ৰধান শিক্ষক শ্যামসুন্দৰ গোস্বামীৰ পৌৰোহিত্যত অনুষ্ঠিত সন্মিলনত অংশগ্ৰহণ কৰি তদানীন্তন প্ৰধান শিক্ষক যোগেন্দ্ৰ ভড়ালীয়ে বিদ্যালয় এৰি নিজ নিজ কৰ্মত ব্যস্ত হোৱাৰ পাছতো নিজৰ শিক্ষানুষ্ঠানখনৰ প্ৰতি আনুগত্য প্ৰদৰ্শনত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনায়। তেওঁ কয় যে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী অৱসৰপ্ৰাপ্ত শিক্ষক বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী কৰ্মচাৰী এটা পৰিয়ালৰ সদস্য। পৰিয়ালটোৰ সদস্যৰ সংহতি আৰু দায়বদ্ধতা বিদ্যালয়ৰ শৈক্ষিক আৰু আন্তঃগাঁথনিৰ বিকাশ হৈছে। মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰত বৃহত্তৰ শুৱালকুছিৰ উচ্চ শিক্ষানুষ্ঠানৰ ভিতৰত গণেশ দাস হাইস্কুল অতীতৰ গৌৰৱ অক্ষুণ্ণ ৰাখিব বুলি দৃঢ়তাৰে তেওঁ কয়। সভাত অৱসৰী শিক্ষক মতিৰাম দাস, মানৱ কাকতি, অনিল বৈশ্যই প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনায় আৰু নিজ নিজ কৰ্মক্ষেত্ৰত কৃতিত্বই বিদ্যালয়ৰ গৌৰৱৰ সচাৰ কাঠী হ'ব বুলি কয়। অনুষ্ঠানত শিক্ষক ভগৱান গোস্বামী, ৰাতুল কলিতা দশৰথ ভড়ালী পংকজ ভড়ালী গংগা কাকতি পৰমেশ্বৰ দাস শিক্ষয়িত্ৰী ডলী কলিতাই বক্তব্য ৰাখে। আনহাতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত ভনীতা চৌধুৰী ভাস্কৰ কাকতি ৰাতুল দাস আদিয়ে ছাত্ৰ জীৱনৰ মধুৰ স্মৃতি সোঁৱৰণ কৰে। সুৰুজ দাসে উদ্দেশ্য ব্যাখ্যা কৰা সন্মিলনত শিক্ষকসকলক সম্বৰ্ধনা জনায়। সভাৰ শেষত আয়োজিত অভ্যৰ্থনাত সকলোৱে অংশগ্ৰহণ কৰে।

# মুছলমান-হিন্দু মৌলবাদে সমাজখন ভাগি-ছিগি থান-বানৰ অপচেষ্টা কৰিছে

অগ্ৰদূত বাৰ্তা
**গোৰেশ্বৰ, ১ আগষ্ট ঃ** "যিয়ে নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে সমাজখন ভাগ ভাগ কৰাৰ অপচেষ্টা কৰি আহিছে সি কেতিয়াও প্ৰকৃত মানুহ হ'ব নোৱাৰে । এই মন্তব্য জ্যেষ্ঠ সাংবাদিক, সমালোচক অদীপ কুমাৰ ফুকনৰ। তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ ভোগপুৰত নতুনকৈ আত্ম প্ৰকাশ কৰা অসমীয়া মুছলমান জাগৰণ মঞ্চ, গোৰেশ্বৰ নামৰ সংগঠনটোৰ উদ্যোগত কালি দুপৰীয়া স্থানীয় আজান ভৱনত অনুষ্ঠিত বিশেষ সম্বৰ্ধনা সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি বিশিষ্ট সাংবাদিক ফুকনে আৰু কয় যে মুছলমান-হিন্দু মৌলবাদে বৃহত্তৰ অসমীয়া সমাজখন ভাগি ছিগি থান-বান কৰাৰ অপচেষ্টা কৰি আহিছে। মৌলবাদক প্ৰশ্ৰয় নিদিবলৈ আহবান জনায় আৰু সকলোকে শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ আদবান জনায়। ভাষণত চাকৰি প্ৰসংগ উত্থাপন কৰি কয় যে চৰকাৰী নিযুক্তিত কেতিয়াবা পিছ দুৱাৰ ল'ব লাগে । কিন্তু বেংকিং, ৰেলৱে আদিকে ধৰি বিভিন্ন অনুষ্ঠানত নিযুক্তি লাভ কৰিবলৈ হ'লে প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। অধ্যয়নৰ জৰিয়তে প্ৰতিযোগিতা মূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ শিক্ষিত যুৱক-যুৱতীসকলক আহ্বান জনায়। ভাষণত একোটা পৰিয়ালে কেনেদৰে নিজৰ উপাৰ্জনৰে নিজৰ আৰু ৰাজ্যৰ অৰ্থনৈতিক ব্যৱস্থা টনকীয়াল কৰিব পাৰে সেই দিশতও গুৰুত্ব আৰোপ কৰি কিছু পৰামৰ্শ আগবঢ়ায়। সম্বৰ্ধনা সভাত নিদিষ্ট বক্তাৰূপে উপস্থিত থাকি গৰিয়া-মৰিয়া উন্নয়ন পৰিষদৰ অধ্যক্ষ হাফিজুল আহমেদে নিজৰ ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গৰিয়া- মৰিয়াসকলক অসমৰ খিলঞ্জীয়া জাতি হিচাপে স্বীকৃতি দিয়াৰ বাবে লোৱা পদক্ষেপক ধন্যবাদ জ্ঞাপন কৰি দিয়া ভাষণত ৰাজ্যত সংঘটিত হৈ অহা অধিকসংখ্যক অপৰাধ জনিত কাৰ্যত মুছলমানৰ নাম বেছি। যাৰ ফলত সমগ্ৰ মুছলমান সমাজক একাংশই জগৰীয়া কৰিব বিচাৰে । ভাষণত আহমেদে কয় যে বিভিন্ন জাতি জনগোষ্ঠী মিলি অসমীয়া জাতি। কিন্তু বহুতে ক'ব বিচাৰে যে জাতি জনগোষ্ঠী পৰিচয় দিয়াৰ বাবে অসমীয়া জাতি ভাগ ভাগ হৈছে। দৰাচলতে সেইটো ভুল। অসমীয় মুছলমান জাগৰণ মঞ্চৰ কাৰ্যকৰী সভাপতি জালালুদ্দিন আহমেদৰ পৰিচালনাত অনুষ্ঠিত আৰু এবিএমছুৰ প্ৰাক্তন সভাপতি তথা নৱগঠিত সংগঠনটোৰ সভাপতি ছৈয়দ চাহাবুদ্দিন আহমেদে উদ্দেশ্য ব্যাখ্যা কৰা সভাত গৰিয়া মৰিয়া উন্নয়ন পৰিষদৰ অধ্যক্ষ আহমেদে কৃতীমান ছাত্ৰ-ছাত্ৰীসকলে যাতে অনাগত দিনত নিজৰ শিপাক পাহৰি নাযায় তাৰ বাবে আহ্বান জনায়। সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি ড° এপিজে আব্দুল কামাল একাডেমি, গেৰুৱাৰ অধ্যক্ষ তফজিল আলীয়ে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সমাজক উদ্দেশ্যি শিক্ষাৰ ওপৰত তত্বগধুৰ ভাষণ দিয়ে । সভাত আমন্ত্ৰণিত অতিথিৰূপে উপস্থিত থাকে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক চাদনুৰ হাজৰিকা মুছলিমুদ্দিন আলী আদি। উক্ত সভাত সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ উৰ্ত্তীণ হোৱা ১৮ গৰাকী আৰু উচ্চতৰ মাধ্যমিকৰ ১৩ কৃতী ছাত্ৰ-ছাত্ৰী সৰ্বমুঠ ৩১ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইপিনে, ইয়াৰ পূৰ্বে দিনৰ ১০ বজাত বিগত ১৬ জুলাইত জন্মলাভ কৰা অসমীয়া মুছলিম জাগৰণ মঞ্চৰ বিষয়ববীয়াই শপত গ্ৰহণ কৰে।

■ গোৰেশ্বৰত অসমীয়া মুছলিম জাগৰণ মঞ্চৰ সম্বৰ্ধনা সভাত অদীপ কুমাৰ ফুকন



# নাজিৰা মহকুমা ছাত্ৰ সন্থাৰ উদ্যোগত গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ সামৰণি



অগ্ৰদূত বাৰ্তা
**শিমলুগুৰি, ১ আগষ্ট ঃ** নাজিৰা মহকুমা ছাত্ৰ সন্থাৰ উদ্যোগত নাজিৰা আঞ্চলিক ছাত্ৰ সন্থা, নাজিৰা নাট্য সমিতি আৰু বহ্নিমানৰ সহযোগত যোৱা সাত জুলাইৰ পৰা নাট্য মন্দিৰত আয়োজিত হৈ থকা গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ যোনা নিশা সামৰণি পৰে। সন্ধিয়া আয়োজিত মুকলি সভাত সভাপতিত্ব কৰে নাট কৰ্মশালাৰ আয়োজক সমিতিৰ সভাপতি তথা শিক্ষাবিদ ড° জীৱন কলিতাই। সভাত নাট কৰ্মশালাৰ লগত সংগতি ৰাখি ভাস্কৰজ্যোতি মহন্তৰ সম্পাদনাত প্ৰকাশ কৰা 'নাটঘৰ' শীৰ্ষক স্মৃতিগ্ৰন্থখন উন্মোচন কৰে শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়া আৰু নাজিৰা মহকুমা তথ্য আৰু জনসংযোগ বিষয়া ড° বৰ্ণালী দত্তই। ইয়াৰ পাছতে কৰ্মশালাত প্ৰশিক্ষণ লোৱা শিক্ষাৰ্থীসকলৰ দ্বাৰা মঞ্চস্থ কৰা 'টং টং অঘাইত ং' নাটকখন শুভ উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা উদ্দীপজ্যোতি গগৈয়ে। সভাত নাট্যকৰ্মী ধীৰু ভূঞা, নাজিৰা নাট্য সমিতিৰ সম্পাদক প্ৰসেনজিৎ বৰুৱা, জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকা, আছু নেতা পৰাগ দত্তৰ লগতে কে'বাগৰাকী ব্যক্তি অতিথিৰূপে উপস্থিত থাকে। নাটকৰ শেষত প্ৰশিক্ষাৰ্থীসকলৰ আনুষ্ঠানিকভাৱে মানপত্ৰ প্ৰদান কৰে গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ আয়োজক সমিতিয়ে। পঞ্চমবাৰ্ষিক গ্ৰীষ্মকালীন নাট কৰ্মশালাখন সাফল্যমণ্ডিত কৰি তোলাত সহায়-সহযোগিতা আগবঢ়োৱা সকলোৰে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে নাজিৰা মহকুমা ছাত্ৰ সন্থাৰ সভাপতি তথা নাট কৰ্মশালাৰ আয়োজক সমিতিৰ মুখ্য সম্পাদক দেৱজিৎ গগৈয়ে।

# আহোমক অপমান কৰাত জাঙুৰ খাই উঠিছে

## আমগুৰিত আঙুৰলতাৰ পুত্তলিকা দাহ

অগ্ৰদূত বাৰ্তা
**আমগুৰি, ১ আগষ্ট ঃ** আঙুৰলতা ডেকাৰ নেতৃত্বত কংগ্ৰেছৰ বিৰুদ্ধে হোৱা প্ৰতিবাদত 'আহোম মুৰ্দাবাদ' ধ্বনি দিয়াত জাঙুৰ খাই উঠিছে আমগুৰি আটাছু। এই উদ্দেশ্য কালি আমগুৰি আঞ্চলিক সমিতিৰ সভাপতি টুটু দিহিংগীয়া আৰু সাধাৰণ সম্পাদক গৌতম দিহিংগীয়াৰ উদ্যোগত প্ৰায় অৰ্ধশতাধিক আটাছু কৰ্মীয়ে আমগুৰি নগৰৰ চাৰিআলিত আহোমক কৰা অপমানৰ বাবে আঙুৰলতা ডেকাৰ প্ৰতিকৃতি দাহ কৰা হয়। তেওঁলোকে লগতে উল্লেখ্য কৰে, 'আমি লক্ষ্য কৰিছো যে বিভিন্ন সময়ত শাসকীয় অথবা বিৰোধীৰ বিভিন্ন ৰাজনৈতিক নেতাই নিজৰ টিআৰপিৰ বাবে আহোম জনগোষ্ঠীটোক লক্ষ্য কৰি লয়, সেইসকললৈ আমাৰ স্পষ্ট সকীয়নি আহোমক অপমান কৰা বন্ধ কৰক অন্যথা কিন্তু পৰিণাম ভয়াৱহ হ'ব।' কাৰ্যসূচীত উপস্থিত থাকে আটাছুৰ শিৱসাগৰ জিলা সমিতিৰ উপ-সভাপতি অখিল আহোম, কাৰ্যনিৰ্বাহক সদস্য সীমান্ত গগৈ, শিৱসাগৰ মহকুমা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি বিমল ফুকন আদিয়ে।

# বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ উদ্যোগত ১০২ টা বুথৰ মন কী বাত অনুষ্ঠান



অগ্ৰদূত বাৰ্তা
**ঘগ্ৰাপাৰ, ১ আগষ্ট ঃ** নলবাৰী জিলাৰ বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ উদ্যোগতো কালি মণ্ডলটোৰ অন্তৰ্গত ১০২ টা বুথত প্ৰধানমন্ত্ৰীৰ মন কী বাত অনুষ্ঠানত দলীয় কাৰ্যকৰ্তাসকলে অংশগ্ৰহণ কৰে। মণ্ডলটোৰ অন্তৰ্গত ১২০ নম্বৰ পূৰ্ণদৈচপৰা বুখত বিজেপিৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানত সদ্যঘোষিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা গাঁওখনৰ প্ৰায় ২২ গৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰা হয়। মন কী বাত অনুষ্ঠানত সদ্য বানেধোৱা গাঁওখনৰ বিভিন্ন সমস্যাৰ ওপৰতো আলোচনা কৰাৰ লগতে পাঁচটাকৈ জ্বলন্ত সমস্যাৰ সমাধান কৰাৰ বাবে চৰকাৰৰ ওচৰত দাবী জনোৱাৰ উদ্দেশ্যে প্ৰস্তাৱ গ্ৰহণ কৰে। স্থানীয় বাহাৰঘাট পুথিভঁৰাল প্ৰাংগণত অনুষ্ঠিত অনুষ্ঠানত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, সম্পাদক মৃগেন শৰ্মা, কাউন্সিলৰ ফণীধৰ লহকৰ গাঁওখনৰ জ্যেষ্ঠ বিজেপি মাণিক ভট্ট, বুথ সভাপতি হৰকান্ত লহকৰ আদিয়ে অংশগ্ৰহণ কৰে। বিজেপিৰ শক্তিকেন্দ্ৰৰ আহ্বায়ক দ্বীজেন লহকৰে আঁত ধৰা অনুষ্ঠানত শিক্ষাৰ্থীসকলক গামোচাৰে সম্বৰ্ধনা জনায়।

# মঙলদৈ লোক নিৰ্মাণ পথ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা চহিৰ ভূঞাৰ অৱসৰ গ্ৰহণ

বিশেষ সংবাদদাতা
**মঙলদৈ, ১ আগষ্ট ঃ** অসম চৰকাৰৰ লোক নিৰ্মাণ পথ বিভাগৰ মঙলদৈ আৰু দলগাঁও ক্ষেত্ৰীয় সংমণ্ডলৰ কাৰিকৰী বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা হিচাপে কৰ্মৰত চহিৰ ভূঞাই কালি চৰকাৰী চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। পূৰ্বে গড়কাপ্টানী বিভাগ হিচাবে পৰিচিত বৰ্তমানে লোক নিৰ্মাণ বিভাগ হিচাপে ঘোষিত এই বিভাগত সুদীৰ্ঘ ৩১ বছৰ সুখ্যাতিৰে সেৱা কৰাৰ পূৰ্বে ভূঞাই ১৯৮৭ৰ পৰা ১৯৯১লৈ অসম চৰকাৰৰ কৃষি অভিযান্ত্ৰিক বিভাগত উপ-অভিযন্তা হিচাবে কাম কৰিছিল। উল্লেখ্য যে ছাত্ৰ কালত সদৌ অসম ছাত্ৰ সন্থাৰ সক্ৰিয় সদস্য ভূঞাই সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ প্ৰচাৰ আৰু সাংস্কৃতিক সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ আলোচনী 'এইয়ান'ৰো সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰা ভূঞা অসম আন্দোলনৰ সক্ৰিয় কৰ্মী হিচাপেও পৰিচিত। পূৰ্বে চহিৰুদ্দিন আলি আহমেদ হিচাপে পৰিচিত চহিৰ ভূঞাই পিছলৈ পূৰ্বপুৰুষৰ ভূঞা উপাধি গ্ৰহণ কৰি ২০১৩ত মঙলদৈ আদালতত এক শপতনামা যোগে নিজৰ নাম সংশোধন কৰি চহিৰ ভূঞালৈ পৰিৱৰ্তন কৰে । তেতিয়াৰ পৰা তেওঁ সামাজিকভাৱে চহিৰুদ্দিন আলি আহমেদৰ পৰিৱৰ্তে চহিৰ ভূঞা হিচাপে পৰিচিত হয়। অৱশেষত এক দীঘলীয়া চৰকাৰী নিয়মৰ মাজেদি ২০২২ ৰ ১৪ মাৰ্চত এক নিৰ্দেশ যোগে চৰকাৰীভাৱেও তেওঁ চহিৰ ভূঞা হিচাপে স্বীকৃতি লাভ কৰে। ভূঞাই চৰকাৰী চাকৰিৰ সমান্তৰালকৈ এগৰাকী গীতিকাৰ, কবি-সাহিত্যিকৰূপেও অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ সেৱা আগবঢ়াই আহিছে। দৰং জিলা সাহিত্য সভাৰ ক্ৰমে সম্পাদক, উপ-সভাপতি আৰু সভাপতিৰ পদ অলংকৃত কৰা চহিৰ ভূঞাই অসম সাহিত্য সভাৰ সংগঠক, মুখপাত্ৰ আৰু কাৰ্যনিৰ্বাহকৰ সদস্য হিচাপেও কাৰ্যনিৰ্বাহ কৰিছে।

# কুসুমটোলাত চুলাইৰ বেহা সামাজিক পৰিৱেশ বিনষ্ট

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ কুসুমটোলা আৰু দীপাটোলা অঞ্চলত গঢ়ি উঠা একাংশ চুলাইৰ ভাটিয়ে অঞ্চলটোৰ সামাজিক তথা শৈক্ষিক পৰিৱেশ বিনষ্ট কৰি তোলাৰ অভিযোগ উত্থাপন হৈছে। কুসুমটোলা আৰু দীপাটোলা অঞ্চলত গঢ়ি উঠা এই চুলাইৰ ভাটিলৈ এতিয়া দৈনিক সমাগম ঘটে বহু লোকৰ। পুৱাৰ পৰা নিশা ন-১০ বজালৈ এই চুলাইৰ ভাটিলৈ অহা-যোৱা কৰে অঞ্চলটোৰ বহুতো লোক। একাংশ শিক্ষকৰ লগতে চেঙেলীয়া যুৱকৰো সমাগম ঘটে এই চুলাইৰ ভাটিত। একাংশ চুলাই মদৰ বেপাৰীয়ে নিজৰ ঘৰত প্ৰস্তুত কৰা চুলাই মদ গেলেন আদিত ভৰাই আন স্থানলৈও গোপনে বিক্ৰীৰ বাবে প্ৰেৰণ কৰে। অঞ্চলটোত গঢ়ি উঠা এই চুলাই মদৰ ভাটিত মদ্যপান কৰি অহা লোকে অশ্লীল বাক্যবাণেৰে অঞ্চলটোৰ সামাজিক পৰিৱেশ বিনষ্ট কৰি অহাৰো অভিযোগ উত্থাপন হৈছে। অঞ্চলটোৰ সামাজিক পৰিৱেশ সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত অঞ্চলটোত গঢ়ি উঠা চুলাইৰ ভাটিসমূহৰ বিৰুদ্ধে আবকাৰী বিভাগক সোনকালেই বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সচেতন ৰাইজে দাবী জনাইছে।

## নলবাৰীত ভবেন বৰুৱা সোঁৱৰণী শিশু নাট প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১ আগষ্ট ঃ** নলবাৰীৰ সুসন্তান তথা অসমৰ বিশিষ্ট নাট্যকাৰ ভবেন বৰুৱাৰ স্মৃতিত প্ৰতি বছৰে অনুষ্ঠিত হৈ অহা সদৌ অসম শিশু নাট প্ৰতিযোগিতাখন এইবাৰ দুই-তিনি আৰু চাৰি ছেপ্টেম্বৰত নলবাৰী নাট্য মন্দিৰত অনুষ্ঠিত হ'ব। ইতিমধ্যে এম মহিবুৰ ৰহমানক সভাপতি, গৌতম কুমাৰ শৰ্মাক কাৰ্যকৰী সভাপতি আৰু কৌশিক ১৩ পৃষ্ঠাত চাওক

# সময়ক সদ্ব্যৱহাৰ কৰা মানুহ জীৱনত সফল হ'ব পাৰে ঃ ড° কলিতা

## ডিব্ৰুগড় জিলা মটক যুৱ ছাত্ৰ সন্মিলনৰ অভিনন্দন অনুষ্ঠান



বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১ আগষ্ট ঃ** 'সময়ক সদ্ব্যৱহাৰ কৰা মানুহ জীৱনত সফল হ'ব পাৰে। সময়ৰ লগত খোজ মিলাই আগুৱাই গ'লে জীৱন সুন্দৰ কৰি গঢ়ি তুলিব পাৰি।' ডিব্ৰুগড় জিলা মটক যুৱ ছাত্ৰ সন্মিলনৰ উদ্যোগত কালি অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ 'জীৱন বাঁহীৰ সুৰ (চতুৰ্থ খণ্ড)' আৰু 'ভৱিষ্যতৰ যুৱ সমাজ' শীৰ্ষক দুখনকৈ গ্ৰন্থ উন্মোচন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা বিশিষ্ট শিক্ষাবিদ ড° যোগেন চন্দ্ৰ কলিতাই এইদৰে কয়। ড° কলিতাই কয় যে জীৱনত কৃতকাৰ্যতা লাভ কৰিবলৈ হ'লে সময়ক সদায় আগস্থান দিব লাগিব। সময়ৰ কাম সময়ত কৰিলেহে সেই কামৰ উপযুক্ত ফলাফল লাভ কৰিব পাৰি। বিশিষ্ট শিক্ষাবিদ অধ্যাপক ড° কলিতা আৰু কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক মুখ্য দ্বাৰৰ পৰা গায়ন-বায়ন আৰু এন চি চিৰ কেডেটে সভাগৃহলৈ আদৰণী জনাই অনা অভিনন্দন অনুষ্ঠানটিত ড০ কলিতাই কৃতী ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি তেওঁ কয় যে সময় সদায় নিজৰ, সেয়ে জীৱনত সময়ক অধিক গুৰুত্ব দি আগুৱাই গ'লে কৃতকাৰ্যতা লাভ কৰিব পাৰি বুলি মত প্ৰকাশ কৰি কয় যিহেতু আজিৰ ছাত্ৰ-ছাত্ৰী কাইলৈ দেশৰ ভৱিষ্যত, সেয়ে ছাত্ৰ-ছাত্ৰীসকলে আজিয়েই ভৱিষ্যত জীৱনৰ কাৰ্যপন্থা নিশ্চিত কৰিব লাগিব। অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ ৩১ জুলাইৰ জন্মদিনৰ লগত সংগতি ৰাখি বিগত বৰ্ষসমূহত প্ৰকাশ কৰি অহাৰ দৰে এইবাৰো তেখেতৰ ১৩ পৃষ্ঠাত চাওক

# কঞা যুৱক সংঘৰ ১০ দিনীয়া গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ সামৰণি



অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১ আগষ্ট ঃ** কামৰূপ জিলাৰ পশ্চিম বড়িগোগ মৌজাৰ কঞা যুৱক সংঘৰ উদ্যোগত ১০ দিনীয়াকৈ আয়োজিত গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ কালি সামৰণি পৰে। তদুপলক্ষে পুৱাৰে পৰা বিভিন্ন প্ৰতিযোগিতামূলক কাৰ্যসূচীৰ অন্তত আবেলি আলোচনাচক্ৰ আৰু সামৰণি সভা অনুষ্ঠিত হয়। নাট কৰ্মশালা পৰিচালনা সমিতিৰ সভাপতি গগন চন্দ্ৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সামৰণি অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি নৰেন শৰ্মাই ১৩ পৃষ্ঠাত চাওক

# আজিৰে পৰা লখিমপুৰত বিশ্ব স্তনপান সপ্তাহৰ আৰম্ভণি



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১ আগষ্ট ঃ** লখিমপুৰত আজিৰে পৰা লখিমপুৰ জিলাত বিশ্ব স্তনপান সপ্তাহৰ আৰম্ভণি হয়। আজিৰে পৰা সাত আগষ্টলৈ চলিবলগীয়া এই বিশ্ব স্তনপান সপ্তাহৰ আৰম্ভণি কৰে জিলা অতিৰিক্ত উপায়ুক্ত গীতালি দুৱৰাই। উল্লেখ্য যে এইবাৰ বিশ্ব স্তনপান সপ্তাহৰ শ্ল'গান হৈছে স্তনপান কৰোৱাৰ ক্ষেত্ৰত পদক্ষেপ লওক, শিকাওক আৰু সমৰ্থন কৰক। জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ কাৰ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত আৰম্ভণি অনুষ্ঠানত উপস্থিত থাকি জিলাখনৰ মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ কুইন বৰুৱাই কয় যে এটি শিশুৰ জন্মৰ পৰা ছমাহলৈ কেৱল মাকৰ গাখীৰহে খুৱাব লাগে। অনুষ্ঠানটোত গীতালি দুৱৰাই স্তনপান সপ্তাহ মুকলি কৰি কয়, 'স্তনপান সম্পৰ্কও থকা ভ্ৰান্ত ধাৰণাৰ বিৰুদ্ধে সজাগতা, স্তনপানৰ উপযোগিতা সম্পৰ্কে প্ৰচাৰৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। উত্তৰ লখিমপুৰ অসামৰিক জিলা চিকিৎসালয়ৰ অধীক্ষক ডাক্তৰ গুণীন গগৈয়ে মাতৃসকলৰ গাখীৰৰ বটল, কৃত্ৰিম নিপুল আৰু পেডিফায়াৰ ব্যৱহাৰৰ বিৰুদ্ধে ইয়াৰ দ্বাৰা হ'ব পৰা বিপদৰ বিষয়ে পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানটোত মহকুমা চিকিৎসা স্বাস্থ্য বিষয়া ধীৰেন শইকীয়া প্ৰমুখ্যে বহুকেইজন স্বাস্থ্য বিষয়া উপস্থিত থাকে।

## চেলেংহাটত নাট্য কৰ্মশালাৰ সামৰণি

**চেলেংহাট, ১ আগষ্ট ঃ** যোৰহাট জিলাৰ চেলেংহাটৰ শংকৰ-মাধৱ সামাজিক-সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়, বৰনগঞা শান্তিকামী মহিলা সমিতি আৰু অসম নাট্য সন্মিলনীৰ সৌমাৰপীঠ মণ্ডলৰ সহযোগত অনুষ্ঠিত কৰা গ্ৰীষ্মকালীন ২০দিনীয়া নাট্য কৰ্মশালাৰ কালি সামৰণি পৰে। সাংস্কৃতিক গোষ্ঠীটোৰ সভাপতি সুনীল দত্তই আঁত ধৰা অনুষ্ঠানৰ চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দিগন্ত কুমাৰ শইকীয়াই বন্তি প্ৰজ্বলন কৰাৰ লগতে উদ্বোধন কৰে বিশিষ্ট নাট্যকাৰ আৰু নাট্যশিল্পী তাপস তৰুণ শইকীয়াই। অনুষ্ঠানত মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি শুভেচ্ছামূলক বক্তব্য ৰাখে। ৭০জন প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাত মুখ্য প্ৰশিক্ষক হিচাপে আছিল সমীৰণ দত্তৰ লগতে ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ত পাঠ গ্ৰহণ কৰা সৌমাৰজ্যোতি বৰা আৰু অসম নাট্য সন্মিলনীৰ অভিজ্ঞ প্ৰশিক্ষক বিদ্যুৎ বিকাশ শইকীয়া ১৩ পৃষ্ঠাত চাওক

# মাটিৰ দালালৰ বিৰুদ্ধে বিহালীৰ বাঘমাৰীত প্ৰতিবাদত নামিল একাংশ মহিলা

## ■ মহিলা সমিতিৰ ভূমিৰ পকীবেৰা ভাঙি ক্ষতিপূৰণ নিদিয়াৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১ আগষ্ট ঃ** বিগত প্ৰায় ৫০ বছৰ পূৰ্বে জৰাবাৰী গাঁও পঞ্চায়ত বহুমুখী মহিলা সমবায় সমিতি কাৰ্যালয় নিৰ্মাণৰ বাবে এগৰাকী বিধৱা মহিলাই চৰকাৰী বিষয়াৰ উপস্থিতিত নিজ বাঘমাৰী ১৫ নম্বৰ ঘাইপথৰ পথৰ কাষতে এটুকুৰা ভূমি জৰাবাৰী বহুমুখী মহিলা সমবায় সমিতিক লিখিতভাৱে প্ৰদান কৰিছিল। সেই সূত্ৰে বহু বছৰ ধৰি মাটিডৰাত মহিলা সমিতিয়ে বিভিন্ন অনুষ্ঠান, সভা-সমিতি পাতি ৰক্ষণাবেক্ষণ দি আহিছিল। কিন্তু জনৈক উমে, জনৈক গংগা নামৰ দুজনমান মাটি দালালে সেই ঠাই টুকুৰাৰ পিছফালে মাটি বিক্ৰী কৰি পথ দিয়াৰ নামত মহিলা সমিতিৰ স'তে এক চুক্তিপত্ৰযোগে কিছু ঠাই এৰি দিয়াৰ বাবে উচিত প্ৰাপ্য দিম বুলি চুক্তিবদ্ধ হয় যদিও পৰৱৰ্তী সময়ত উক্ত দালাল দুজনে মহিলা সমিতিক কোনো ধৰণৰ প্ৰাপ্য প্ৰদান নকৰি মহিলা সমিতিৰ অলক্ষিতে জেচিবি আনি সীমাৰ পকীবেৰা ভাঙি পেলায়। ইফালে, পকীবেৰা কিয় ভাঙিলে বুলি চাবলৈ অহা সমিতিৰ মহিলাসকলক মাটি দালাল চক্ৰই অশ্ৰাব্য গালি-গালাজেৰে দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ জৰাবাৰী মহিলা সমিতিৰ। যাৰ বাবে আজি প্ৰাপ্য ন্যায় বিচাৰি দালাল চক্ৰৰ বিৰুদ্ধে এইসকল মহিলাই প্ৰতিবাদত নামিবলৈ বাধ্য হ'ল। এতিয়া প্ৰশ্ন হয়, ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে দালাল চক্ৰ উৎখাত কৰাৰ পাছতো কেনেকৈ এচাম মধ্যভোগী দালাল এতিয়াও সক্ৰিয় হৈ আছে? কাৰ আশীৰ্বাদত এইসকল ভূ-মাফিয়াই দপদপায় থাকিব পাৰিছে? পাৰিবনে এইসকল দালালক নাকী লগাবলৈ? এতিয়া এইসকলৰ ওপৰত কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব সেয়া লক্ষ্যণীয় হ'ব!

# বোকাখাত নিৰ্বাচন বিভাগৰ ভোটাৰ তালিকা সম্পৰ্কে সভা

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ১ আগষ্ট ঃ** ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি, বোকাখাত নাট্যমন্দিৰত আজি সহকাৰী নিৰ্বাচন পঞ্জীয়ন বিষয়া, ছুপাৰভাইজাৰ, বিএলঅ'সকলৰ বিশেষ সভা অনুষ্ঠিত হয়। নিৰ্বাচন বিষয়া পৰিস্মিতা দিহিঙীয়াই আঁত ধৰা সভাত বোকাখাত মহকুমাৰ মহকুমাধিপতি ডাঃ নেহা যাদৱে কয় যে ভোটাৰৰ নামৰ বিপৰীতে আধাৰ সংযোগ কৰাৰ লগতে ছয়, সাত, আঠ নম্বৰ প্ৰ-পত্ৰ পূৰণ কৰিব লাগিব। ১৭ বছৰ হোৱা যুৱক-যুৱতীসকলে বছৰৰ চাৰিটা সময়ত নামভৰ্তি কৰিব পাৰিব। নিজেও ম'বাইল ফোনৰ দ্বাৰা নামভৰ্তি কৰিব পাৰিব। আজি আৰম্ভ কৰা অনুষ্ঠানত বিশেষ সংক্ষিপ্ত সংশোধন ২০২৩ অনুসৰি কৰা হৈছে। তেওঁ গৰুন্দ্ৰ এপৰ বিষয়েও অৱগত কৰা হ'ব। সকলোকে সহযোগিতা আগবঢ়াবলৈ তেওঁ আহ্বান জনায়। অনুষ্ঠানত চক্ৰ বিষয়া শৌভিক দত্ত, মহকুমা জনসংযোগ বিষয়া নিৰা ৰায় আদিৰ লগতে ৰাজনৈতিক দলৰ লোক আছিল।

# ঠেলামৰা পঞ্চায়ত কাৰ্যালয়ত ক্ষোভিত ৰাইজৰ তীব্ৰ প্ৰতিবাদ

**পথ নিৰ্মাণত অনিয়মৰ অভিযোগ**



অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ১ আগষ্ট ঃ** ঢেকিয়াজুলি বিধানসভা সমষ্টিৰ ঠেলামৰা গাঁও পঞ্চায়ত কাৰ্যালয় চৌহদত আজি পুৱাই প্ৰতিবাদত উত্তাল হয়। পঞ্চায়তৰ অধীনত নিৰ্মাণ হোৱা পথ নিৰ্মাণত অনিয়ম সংঘটিত হোৱাৰ অভিযোগ তুলি শতাধিক লোকে পঞ্চায়তৰ কাৰ্যালয় চৌহদত প্ৰতিবাদী শ্ল'গানৰে পৰিৱেশ উত্তাল কৰে। ঠেলামৰা গাঁও পঞ্চায়তৰ কমাৰ চুবুৰি গাঁৱত নিৰ্মীয়মাণ পথ নিৰ্মাণত বিসংগতি হোৱাৰ অভিযোগ তুলি 'গাঁওখনৰ শতাধিক লোক ওলাই আহি পঞ্চায়ত সভানেত্ৰী মুৰ্দাবাদ, পথ নিৰ্মাণত অনিয়ম নচলিব' আদি প্ৰতিবাদী শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ১৩ পৃষ্ঠাত চাওক

# মৰিয়নি মহাবিদ্যালয়ত ১৩টাকৈ নতুন পাঠ্যক্ৰম মুকলি

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১ আগষ্ট ঃ** যোৰহাট জিলাৰ অন্যতম অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান মৰিয়নি মহাবিদ্যালয়ে একেলগে ১৩টাকৈ নতুন বৃত্তিমুখী পাঠ্যক্ৰম মুকলি কৰিছে। মহাবিদ্যালয়খনৰ কে'বাটাও বিভাগ আৰু সংযুক্ত অনুষ্ঠানসমূহৰ অধীনত এই পাঠ্যক্ৰমসমূহ অন্তৰ্ভুক্ত কৰা হৈছে। আনহাতে, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অনুমোদিত এই পাঠ্যক্ৰমসমূহ চলিত বৰ্ষৰ পৰাই আৰম্ভ হ'ব বুলি অধ্যক্ষ ড° হৰেন গোৱালাই জানিবলৈ দিছে। সেই অনুসৰি পদাৰ্থ বিজ্ঞান বিভাগৰ তত্বাৱধানত বেছিক ইলেকট্ৰিকেল হাউছ ৱায়াৰিং (ছমহীয়া), কেৰিয়াৰ কাউন্সেলিং কোষৰ তত্বাৱধানত বেছিক কম্পিউটাৰ ক'ৰ্ছ (৫০ ঘণ্টীয়া), অৰ্থনীতি বিভাগৰ তত্বাৱধানত মাছৰুম কালটিভেছন (ছমহীয়া), ইংৰাজী বিভাগৰ তত্বাৱধানত স্প'কেন ইংলিছ (ছমহীয়া), বাংলা বিভাগৰ তত্বাৱধানত ট্ৰেন্সলেচন ইন বেংগলী (৩০ ঘণ্টীয়া), ইতিহাস বিভাগৰ তত্বাৱধানত হিষ্টৰী এণ্ড টুৰিজিম (৫০ ঘণ্টীয়া), ভূগোল বিভাগৰ তত্বাৱধানত (ক) প্ৰফেছনেল ডিপ্ল'মা ইন জিঅ' ইনফ'ৰমেটিকছ (৫৫টা বক্তৃতা) আৰু (খ) ডিপ্ল'মা ইন ডিজেষ্টাৰ মেনেজমেণ্ট (৫৪টা বক্তৃতা) (খ) ৰাজনীতি বিজ্ঞান বিভাগৰ তত্বাৱধানত হিউমেন ৰাইটছ (৫৬ ঘণ্টীয়া), উদ্ভিদ বিজ্ঞান বিভাগৰ তত্বাৱধানত স্পেচিয়েলিটী টি প্ৰচেছিং এণ্ড মেচিনেৰী (ছমহীয়া), প্ৰাণী বিজ্ঞান বিভাগৰ তত্বাৱধানত বায়' ইনফ'ৰমেটিছ (ছমহীয়া), মহিলা কোষত তত্বাৱধানত ছেল্ফ ডিফেন্স (কাৰাটে) (তিনিমহীয়া) আৰু শিক্ষাতত্ব বিভাগৰ তত্বাৱধানত এবছৰীয়া প্ৰি-প্ৰাইমেৰী এডুকেছন ক'ৰ্ছ বিষয়ৰ পাঠ্যক্ৰম মুকলি কৰা হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুটীয়া পঞ্জীয়ক (শৈক্ষিক) ড° বি চি বৰাই এক জাননীযোগে এই কথা জনাইছে। মহাবিদ্যালয়খনলৈ একেলগে ১৩টাকৈ নতুন বিষয়ৰ পাঠ্যক্ৰম মুকলি কৰা কাৰ্যত অঞ্চলটোৰ বিদ্যানুৰাগী ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° হৰেন গোৱালাই এই ক্ষেত্ৰত সকলো ৰাইজৰে সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।

# ডিব্ৰুগড়ত সংগীতজ্ঞ হীৰেন গোহাঁই-ৰাজেন গোহাঁইৰ গীতৰ প্ৰতিযোগিতা

## ■ শিৱসাগৰৰ ৰাজকুমাৰী ফাল্গুনী প্ৰথম-চাবুৱাৰ কাবেৰী ফুকনৰ দ্বিতীয় স্থান

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১ আগষ্ট ঃ** আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ জৰিয়তে বিগত প্ৰায় তিনিটা দশকত শ্ৰোতাৰ মন জয় কৰা আৰু অসমৰ দুগৰাকী বিশিষ্ট গীতিকাৰ, সুৰকাৰ হীৰেন গোহাঁই আৰু কণ্ঠশিল্পী, সুৰকাৰ ৰাজেন গোহাঁইৰ গীত আৰু সুৰৰ সৃষ্টিৰাজিৰ আলমত বহুকেইটা কালজয়ী গীতেৰে শনিবাৰৰ দিনটো মুখৰিত হৈ পৰে ডিব্ৰুগড়ৰ চৌকিডিঙীস্থিত সাহিত্য সভা ভৱন। চহৰখনৰ শিল্পীসকলৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান 'অভীপ্সা কয়েৰ গোষ্ঠী'ৰ উদ্যোগত আৰু প্ৰয়াত সুলেখা হাতীমূৰীয়াৰ পৱিত্ৰ সোঁৱৰণত শিল্পী দুগৰাকীৰ নিৰ্বাচিত গীতসমূহৰ ওপৰত উজনি অসম ভিত্তিত দিনজোৰাকৈ আয়োজিত প্ৰাইজমনি আধুনিক গীতৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ গায়কৰ সন্মান লাভ কৰে শিৱসাগৰৰ ৰাজকুমাৰী ফাল্গুনীয়ে। দ্বিতীয় স্থান লাভ কৰে চাবুৱাৰ কাবেৰী ফুকনে আৰু তৃতীয় স্থান লাভ কৰে শিৱসাগৰৰে তন্ময়ী নাথে। কেউগৰাকীকে প্ৰশংসাপত্ৰ, ফুলাম গামোচাসহ ক্ৰমে নগদ আঠ হেজাৰ, পাঁচ হেজাৰ আৰু তিনি হেজাৰ টকা অনুষ্ঠানৰ হৈ আনুষ্ঠানিকভাৱে প্ৰদান কৰে ৰাজেন গোহাঁই আৰু হীৰেন গোহাঁয়ে। আনহাতে, শিল্পী দুগৰাকীৰ উপস্থিতিত সন্ধিয়ালৈ আয়োজিত সাংস্কৃতিক অনুষ্ঠানত ৰাজকুমাৰী ফাল্গুনী ১৩ পৃষ্ঠাত চাওক

# কলকাতাৰ হেমন্ত বসু ভৱনত অসমীয়া সাহিত্য অনুষ্ঠান সম্পন্ন

## ■ অসমৰ চাৰি বিশিষ্ট কবিৰ অংশগ্ৰহণ



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১ আগষ্ট ঃ** পশ্চিমবংগৰ কলকাতা চহৰত যোৱা ৩১ জুলাইত 'পয়েটছ এণ্ড থিংকাৰ্ছ মিট'তে অসমীয়া সাহিত্যৰ এক বৰ্ণাঢ্য অনুষ্ঠান অনুষ্ঠিত কৰে। কলকাতাৰ হেমন্ত বসু ভৱনত আৰম্ভণি অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা অনুষ্ঠানত কলকাতাৰ বহুসংখ্যক প্ৰতিষ্ঠিত কবি আৰু চিন্তাবিদ উপস্থিত থাকে। অনুষ্ঠানৰ 'অসম সত্ৰ'ত অংশগ্ৰহণ কৰে অসমৰ বিশিষ্ট কবি ড° বিনয় কুমাৰ মজুমদাৰ, বিশিষ্ট নাট্যকাৰ অজিৎ মহন্ত, গল্পকাৰ অজিত ৰাজবংশী আৰু বিশিষ্ট কবি তথা অনুবাদক মানসজ্যোতি শৰ্মাই। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি 'অসমীয়া কবিতাৰ বিৱৰ্তনৰ ঢাপ' শীষক বিষয়ৰ ওপৰত বিশিষ্ট কবি ড° বিনয় কুমাৰ মজুমদাৰে গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। অনুষ্ঠানত কবি,অনুবাদক মানসজ্যোতি শৰ্মাই 'আধুনিক অসমীয়া কবিতা' শীৰ্ষক বিষয়ৰ ওপৰত সাৱলীল ভাষণ প্ৰদান কৰে। অনুষ্ঠানত কবি অজিৎ মহন্ত আৰু অজিৎ ৰাজবংশীয়ে অসমীয়া, বাংলা আৰু ইংৰাজীতে কবিতা পাঠ কৰে। পশ্চিমবংগৰ বিশিষ্ট কবি, প্ৰাবন্ধিক তথা চিন্তাবিদ ফাল্গুনী ঘোষে আহ্বান তথা পৰিচালনা কৰা অনুষ্ঠানত অসমীয়া আৰু বাংলা ভাষাৰ উপৰি হিন্দী, মৈথেলী আদি ভাষাৰো বহুকেইজন কবিয়ে অংশগ্ৰহণ কৰে। আয়োজকসকলক অসমৰ হৈ ফুলাম গামোচা আৰু কিতাপৰ টোপোলাৰে সম্ভাষণ জনোৱা হয়।

## জলসম্পদ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মজিবৰ ৰহমানৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ১ আগষ্ট ঃ** পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত ঘোঁৰাশাল (তুৰাই) গাঁৱৰ দক্ষিণ চুবুৰি নিৱাসী তথা জলসম্পদ বিভাগৰ কৰ্মচাৰী মজিবৰ ৰহমান (৭৩)ৰ দীৰ্ঘদিন ধৰি মধুমেহ আৰু বৃক্কজনিত ৰোগত আক্ৰান্ত হৈ ৰোগৰ স'তে যুঁজি থাকি আজি নিজ বাসগৃহত পুৱা মৃত্যুক আঁকোৱালি লয়। মৃত্যুৰ সময়ত পত্নীসহ দুই পুত্ৰ আৰু দুগৰাকী কন্যা, জোঁৱাই, নাতি-নাতিনীৰ লগতে বহুতো আত্মীয় শুভাকাংক্ষীক এৰি যায়। তেওঁৰ মৃত্যুত প্ৰাক্তন ছাত্ৰ নেতা তথা পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাটৰ সম্পাদক মোস্তাক হুছেইনে শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। তেওঁৰ জানাজা সম্পন্ন হয় দিনৰ দুই বজাত।

# নলবাৰী কৃষি বিষয়াৰ কাৰ্যালয়ত জাতীয় পতাকা ক্ৰয় কেন্দ্ৰ মুকলি



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১ আগষ্ট ঃ** দেশে স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে সমগ্ৰ দেশতে উদ্‌যাপিত হৈ থকা 'আজাদী কা অমৃত মহোৎসৱ'ৰ অংশ হিচাপে অহা ১৩, ১৪ আৰু ১৫ আগষ্টত 'হৰ ঘৰ ত্ৰিৰংগা' হিচাপে সমগ্ৰ দেশতে পালন কৰিবলৈ স্থিৰ কৰা হৈছে। 'হৰ ঘৰ ত্ৰিৰংগ' অভিযানৰ প্ৰচাৰৰ বাবে নলবাৰী জিলা কৃষি বিভাগেও বিভিন্ন পদক্ষেপ হাতত লৈছে। এই অভিযান সফল কৰিবলৈ বিভাগীয় বিষয়া-কৰ্মচাৰীসকলৰ স'তে আলোচনাত মিলিত হৈছে জিলা কৃষি বিভাগ। জিলাখনৰ বিষয়া-কৰ্মচাৰী আৰু বিভিন্ন আঁচনিৰ হিতাধিকাৰীৰ প্ৰতিটো পৰিয়ালৰ ঘৰত উক্ত তিনিওটা দিনতে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ ১৩ পৃষ্ঠাত চাওক

# তেজপুৰত নটসূৰ্যক সোঁৱৰণ

## নাট্য আন্দোলনৰ অন্যতম সাধক চৈয়দ নাজিম আহমেদক বাণ থিয়েটাৰ বঁটা প্ৰদান



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১ আগষ্ট ঃ** 'মই আপোনালোকৰ মাজত জীয়াই থাকিবলৈ বিচাৰো।' এই মন্তব্য ৰাজ্যৰ এগৰাকী প্ৰবীণ নাট্যশিল্পী চৈয়দ নাজিম আহমেদৰ। উল্লেখ্য যে নাটকেই জীৱন আৰু ৰংগমঞ্চকে নিজৰ ঘৰ বুলি আজীৱন নাটশিল্পৰ সাধনাত ব্ৰতী হৈ এহেজাৰ এনিশা নাটকত অভিনয় কৰি ১০ টাকৈ সোণৰ পদক, ২০ টাকৈ ৰূপৰ পদক লাভ কৰাই নহয় ২০ খনকৈ অসমীয়া চিনেমাত অভিনয় কৰি তাৰে ছখনকৈ চিনেমাত ৰাষ্ট্ৰপতিৰ পদক অৰ্জন কৰিবলৈ সক্ষম হোৱা নটসূৰ্য ফণী শৰ্মাৰ ৫২ সংখ্যক স্মৃতি দিৱসৰ দিনটোত নটসূৰ্যজনৰ স্মৃতি বিজড়িত ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰৰ বিশেষ স্মৃতিচাৰণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত এইদৰে কয় শিল্পী চৈয়দ নাজিম আহমেদে। প্ৰণিধানযোগ্য যে আজি ৰাজ্যখনৰ প্ৰতিভাধৰ নাট্যশিল্পী তথা অপেছাদাৰী নাট্য আন্দোলনৰ অন্যতম সাধক আহমেদক বাণ থিয়েটাৰৰ কৰ্তৃপক্ষই প্ৰদান কৰে 'বাণ থিয়েটাৰ বঁটা'। বাণ থিয়েটাৰৰ সভাপতি বংকিম শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত বিশেষ অনুষ্ঠানত প্ৰবীণ নাট্যশিল্পীজনক প্ৰশস্তি লেখা, গামোচা, স্মাৰক আৰু নগদ ধনেৰে এই বঁটা শঙ্খ, বৰকাঁহ, দবা আৰু মাংগলিক ধ্বনিৰে প্ৰদান কৰা হয়। বাণ থিয়েটাৰৰ কাৰ্যনিৰ্বাহক সদস্য পংকজ বৰুৱাই আঁতধৰা আৰু সাধাৰণ সম্পাদক জিতুমণি ১৩ পৃষ্ঠাত চাওক

# এমাহ ধৰি চিকিৎসাধীন জামুগুৰিহাটৰ প্ৰবীণ নাট্যশিল্পী ভোলা কটকী



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১ আগষ্ট ঃ** নটসূৰ্য ফণী শৰ্মা বঁটাপ্ৰাপক প্ৰবীণ মঞ্চ আৰু চলচ্চিত্ৰ অভিনেতা শিল্পী ভোলা কটকী বৰ্তমানেও তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত আছে। জীৱনৰ বিয়লি বেলাত উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ তৃতীয়বাৰলৈ চিকিৎসালয়ত ভৰ্তি হ'ব লগা হোৱা প্ৰবীণ শিল্পীজনক যোৱা ৩০ জুনৰ নিশা ভৰ্তি কৰা হৈছিল চিকিৎসা মহাবিদ্যালয়খনৰ আইচিইউ কক্ষত। সম্প্ৰতি শিল্পীজন বিপদমুক্ত যদিও সম্পূৰ্ণৰূপে সুস্থ হৈ উঠিবৰ বাবে যথেষ্ট সময়ৰ প্ৰয়োজন হ'ব। অসম চৰকাৰৰ নটসূৰ্য ফণী শৰ্মা বঁটা প্ৰাপ্তৰে বিভূষিত প্ৰবীণ শিল্পী ভোলা কটকী নাট্য আৰু বোলছবি জগতৰ এটি ধ্ৰুৱতৰা। অসম চৰকাৰৰ সদিচ্ছা, আন্তৰিকতা আৰু শোণিতপুৰ জিলাৰ উপায়ুক্ত দেৱকুমাৰ মিশ্ৰৰ তৎপৰতা তথা চিকিৎসাৰ দায়িত্বত থকা বিষয়া-কৰ্মচাৰীসকলৰ প্ৰচেষ্টাত চিকিৎসা সেৱা চলি আছে আৰু বৰ্তমান শিল্পীজনৰ অলপ উন্নতি হোৱা পৰিলক্ষিত হৈছে যদিও শৰীৰৰ বাওঁ দিশৰ হাত-ভৰিৰ দুৰ্বলতাৰ উন্নতি আৰু চকুৰ দৃষ্টিশক্তি চিকিৎসা সেৱা কিছু দীঘলীয়া হ'ব। প্ৰবীণ শিল্পীজনৰ দ্ৰুত আৰোগ্যৰ বাবে অহৰহ সেৱা আৰু যত্ন লৈ থকা শিল্পীজনৰ কনিষ্ঠ পুত্ৰ নাট্যকাৰ-পৰিচালক তথা সাংস্কৃতিক কৰ্মী স্বৰাজ কটকীৰ লগতে পৰিয়ালৰ লোকে ৰাইজৰ শুভাশিস কামনা কৰিছে।

## চেলেংহাটত নাট্য কৰ্মশালাৰ সামৰণি

*১২ পৃষ্ঠাৰ পৰা* আৰু চম্পক ভূএগ্রা। সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলে শৈশৰতে ধেমালিতে, বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি, মুকাভিনয়, শিয়াল, মা আমি শদিয়ালে যামেই আৰু লাচিত বৰফুকন নাট মঞ্চস্থ কৰে। উক্ত অনুষ্ঠানতে চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষা নৱনীতা গগৈ, যোৰহাট জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি পৰীক্ষিত ফুকন, চেলেংহাট আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সুবিৰ নেওগ, যোৰহাট জিলা আটাছুৰ সাধাৰণ সম্পাদক মণ্টু ফুকন, ১১ নম্বৰ পূব লাহিংগাঁও পঞ্চায়তৰ সভাপতি ঋতু বুঢ়াগোহাঁই, লাহিং সঃ সমিতিৰ সভাপতি পৱিত্ৰ গগৈ, বিশিষ্ট শৰীৰ চৰ্চাবিদ তুষাৰ পাল আৰু অসম নাট্য সন্মিলনীৰ সৌমাৰপীঠ মণ্ডলৰ সম্পাদক অভিজিৎ খতিয়া বৰুৱাকে ধৰি বহুকেইজন নাট্যকৰ্মী।

## নলবাৰীত ভবেন বৰুৱা সোঁৱৰণী শিশু

*১২ পৃষ্ঠাৰ পৰা* বৰ্মনক সাধাৰণ সম্পাদকৰূপে লৈ ইতিমধ্যে এখন পৰিচালনা সমিতি গঠন কৰা হৈছে। অসমৰ বিভিন্ন শিশু নাট্যদলে অংশগ্ৰহণ কৰা উক্ত শিশু নাট প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ১০,০০১ টকা, দ্বিতীয় পুৰস্কাৰ ৭০০১ টকা, তৃতীয় পুৰস্কাৰ ৫০০১ টকাৰ লগতে ট্ৰফী আৰু মানপত্ৰ থাকিব। ইয়াৰ উপৰি প্ৰতিটো শিতানৰ শ্ৰেষ্ঠজনক বিভিন্ন পুৰস্কাৰ প্ৰদান কৰিব বুলি নাট পৰিচালনা সমিতিয়ে জানিবলৈ দিছে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব খোজা নাট্য দলসমূহক অহা ১৭ আগষ্টৰ ভিতৰত পৰিচালনা সমিতিক পাণ্ডুলিপিসহ যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। ইচ্ছুক নাট্যদলসমূহক ৮৬৩৮৪০৬১৮৬/৮৪৮৬০১৭৪৪২/ ৭০০২০০৬৫৬২ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে। উল্লেখ্য যে এই নাট প্ৰতিযোগিতাৰ লগতে সংগতি ৰাখি ২০০৯ৰ পৰা প্ৰদান কৰি ভবেন বৰুৱা সোঁৱৰণী বঁটা এইবাৰ অহা তিনি ছেপ্টেম্বৰত অসমৰ বিশিষ্ট অভিনেতা দীনেশ দাসক প্ৰদান কৰিব যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিয়ে।

## ডিব্ৰুগড়ত সংগীতজ্ঞ হীৰেন গোহাঁই

*১২ পৃষ্ঠাৰ পৰা* আৰু কাবেৰী ফুকনে গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। অনুষ্ঠানত নতুন প্ৰজন্মৰ মুখত এনেদৰে স্ব-সুৰাৰোপিত আৰু কণ্ঠৰ গীত উপভোগ কৰিবলৈ পাই আৱেগিক হৈ পৰে দুয়োজন শিল্পী। আয়োজক অনুষ্ঠানটোৱে দুয়োজন শিল্পীকে ফুলাম জাপি, মানপত্ৰ, শৰাই, গামোচাৰে জনোৱা সম্বৰ্ধনাৰ উত্তৰত জীৱিত কালতে এনেদৰে গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি যি সন্মান প্ৰদৰ্শন কৰিলে সেয়া জীৱনৰ এক স্মৰণীয় দিন হোৱাৰ উপৰি এনে চিন্তাই আয়োজক সকলৰ প্ৰতি অধিক শ্ৰদ্ধাশীল কৰি তুলিলে বুলিও উল্লেখ কৰে। অনুষ্ঠানত সংগঠনটোৱে সাংবাদিকতা আৰু বিভিন্ন সমাজকৰ্মৰে অৱদান আগবঢ়োৱা চহৰখনৰ দুগৰাকী জ্যেষ্ঠ সাংবাদিক ক্ৰমে অসমীয়া প্ৰতিদিনৰ প্ৰবীৰ কুমাৰ চক্ৰৱৰ্তী আৰু আমাৰ অসমৰ ৰতন হাজৰিকাক মানপত্ৰ, শৰাই, গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। বিশিষ্ট কবি ভাৰতী চক্ৰৱৰ্তীৰ ৰচনা আৰু বকুল দাসৰ প্ৰযোজনাৰে পৰিৱেশিত এটি কোৰাছেৰে আৰম্ভ হোৱা অনুষ্ঠানৰ আদৰণী ভাষণ প্ৰদান কৰে সভাপতি হাতীমূৰীয়াই। অনুষ্ঠানত অনাতাঁৰ শিল্পী ডলী গগৈ বৰুৱা, ঢকুৱাখনাৰ শিল্পী সুনীল দুৱৰা, দিলীপ দত্ত, জুপিতৰা কাকতি, দিগন্ত চেতিয়া, মৃদুল দাসে শিল্পী দুগৰাকীৰ গীত পৰিৱেশন কৰাৰ লগতে শিশু শিল্পী হংসৰাজ আৰু দিনা পিল্লায়ে কী ব'ৰ্ডত গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। তদুপৰি ৰূপলেখা দাস বৰবৰাৰ পৰিচালনাৰে এটি নৃত্যানুষ্ঠানৰো পৰিৱেশন কৰা হয়। প্ৰতিযোগিতাখনত ডিব্ৰুগড়ৰ উপৰি শিৱসাগৰ, ঢকুৱাখনা, ধেমাজি, তিনিচুকীয়া, নামৰূপ, দুলীয়াজান, চাবুৱা আদিৰ স্থানৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

## কঞ্জা যুৱক সংঘৰ ১০ দিনীয়া

*১২ পৃষ্ঠাৰ পৰা* কয় যে যি ঠাইত গীত, নৃত্য, নাট, দেৱবাদ্য আৰু খেল-ধেমালিৰ আখৰা নিতৌ চলে সেই ঠাইত ভগৱানে বিৰাজ কৰে। তেওঁ কয় যে কঞ্জা নাট, নৃত্য, গীতমাতত অতীতৰে পৰা দখল থকা অঞ্চল। ইয়াৰ প্ৰায়ভাগ ব্যক্তিৰে শিল্পী সুলভ মন আছে। সেইবাবে ইয়াত ধৰ্মীয় উপসনাস্থলীৰে ভৰি আছে। কঞ্জাৰ মানুহৰ সৃষ্টিশীল মানসিকতাৰ বাবে ৰাজহ চক্ৰ কাৰ্যালয়, আৰক্ষী থানা আদি স্থাপন হোৱাৰ উপৰি অঞ্চলবাসী ৰাইজৰ সহযোগত আৰু বহুতো ৰাজহুৱা আৰু চৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠাৰ দিশত অগ্ৰসৰ হৈছে। সভাত মুখ্য আলোচকৰূপে উপস্থিত থাকি নৰ্থ কামৰূপ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° নিলোৎপল শৰ্মাই প্ৰশিক্ষাৰ্থীসকলৰ লগত প্ৰত্যক্ষ মত বিনিময় কৰি এক আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সাধুকথা আৰু কবিতাৰে আকৃষ্ট কৰি সমগ্ৰ প্ৰেক্ষাগৃহত নাট্যৰসত জীপাল কৰে। অনুষ্ঠানত প্ৰশিক্ষক খগেন শইকীয়া, ভূপেশ গোস্বামী, দক্ষৰাম কলিতা, গাঁও উন্নয়ন সমিতিৰ সভাপতি নিৰঞ্জন কলিতা আদিয়ে বিভিন্ন গঠনমূলক বক্তব্য প্ৰদান কৰে। পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক ৰঞ্জন কলিতা আৰু কাৰ্যকৰী সভাপতি ধনেশ্বৰ কলিতাই আঁত ধৰা সভাতে কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা আৰু কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলক প্ৰশংসা পত্ৰ প্ৰদান কৰে। ইয়াৰ পাছতে সন্ধিয়া প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা 'বিষাক্ত ৰং' আৰু পূৰ্ণাংগ নাট 'ভদেশ্বৰ মাষ্টৰৰ বিয়লি বেলা' প্ৰদৰ্শনৰে ৰাইজক মোহিত কৰে। উল্লেখ্য যে প্ৰথম বছৰৰ বাবে আয়োজিত নাট কৰ্মশালাৰ প্ৰতি ৰাইজৰ ধাউতি দেখি আনন্দিত হৈছে উদ্যোক্তাসকল।

## সময়ক সদ্ব্যৱহাৰ কৰা মানুহ জীৱনত

*১২ পৃষ্ঠাৰ পৰা* জন্মদিনত দুখনকৈ গ্ৰন্থ উন্মোচন কৰি ড০ কলিতাই কয় যে ভৱিষ্যতে নিজকে এগৰাকী সফল ব্যক্তি হিচাপে গঢ়ি তুলিবলৈ হ'লে নিজকে ব্যস্ত কৰি তুলিব লাগিব। কিয়নো ব্যস্ত মানুহ সকলো ক্ষেত্ৰতে সফল হয় আৰু এৰেলহুৱা মানুহ বিফল হয়। অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ 'জীৱন বাঁহীৰ সুৰ (চতুৰ্থ খণ্ড)' গ্ৰন্থখনি ৩১ জুলাইত অৱসৰ গ্ৰহণ কৰা কানৈ মহাবিদ্যালয়ৰ বাংলা বিভাগৰ মুৰব্বী অধ্যাপিকা কুমকুম চক্ৰৱৰ্তী আৰু 'ভৱিষ্যতৰ যুৱ সমাজ' শীৰ্ষক গ্ৰন্থখনি কানৈ মহাবিদ্যালয়ৰ কাৰ্যালয় সহায়ক অপূৰ্ব শৰ্মাৰ নামত উৎসৰ্গা কৰা হয়। অধ্যক্ষগৰাকীৰ জন্মদিন উপলক্ষ্যে কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সভপতি চৈয়দ ৰোহিত ৰহমানকে প্ৰমুখ্য কৰি ছাত্ৰ একতা সভাৰ অন্যান্য বিষয়ববীয়াৰ লগতে ডিব্ৰুগড় জিলা মটক যুৱ ছাত্ৰ সন্মিলনৰ বিষয়ববীয়াসকলে কেক্ কাটি অধ্যক্ষগৰাকীৰ জন্মদিনৰ ওলগ জনায়। ডিব্ৰুগড় চহৰৰ বহু গুণমুগ্ধই অধ্যক্ষগৰাকীৰ জন্মদিনৰ ওলগ জনায়। ডিব্ৰুগড় জিলা মটক যুৱ ছাত্ৰ সন্মিলনৰ সাধাৰণ সম্পাদক ৰিদীপ গগৈয়ে আঁত ধৰা সভাখনিত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় জীৱনত কেতিয়াও কোনো কাম নোৱাৰিম বুলি ভাবিব নালাগে। জীৱনত সফলতা লাভ কৰিবলৈ হ'লে কঠোৰ পৰিশ্ৰম আৰু একাগ্ৰতাৰ অতি প্ৰয়োজন। কঠোৰ পৰিশ্ৰম আৰু একাগ্ৰতাইহে জীৱনত সফলতা আনিব পাৰে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে জীৱনটোক সফল কৰি তুলিবলৈ হ'লে কঠোৰ পৰিশ্ৰম কৰিবই লাগিব। মঞ্জুৰী ফুকন আৰু সংগীবৃন্দৰ দ্বাৰা পৰিৱেশিত বৰগীতেৰে শুভাৰম্ভ কৰা সভাখনিত সভাপতিত্ব কৰে ডিব্ৰুগড় জিলা মটক যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি মুকুন্দ মাধৱ বুঢ়াগোহাঁয়ে। অনুষ্ঠানটিত সদৌ অসম মটক সন্মিলনৰ মুখ্য উপদেষ্টা চন্দ্ৰ সেনাপতি, সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনৰ উপদেষ্টা মিণ্টু বৰপাত্ৰ, সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি ৰঞ্জিত গোহাঁই, সাধাৰণ সম্পাদক স্বৰূপ গোহাঁই, মটক স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী ডেভিদ চেতিয়া, জাতীয়তাবাদী যুৱ পৰিষদৰ সাধাৰণ সম্পাদক উদয়ন কুমাৰ গগৈ, মটক মহিলা পৰিষদৰ কাৰ্যবাহী সভানেত্ৰী সুবৰ্ণ বৰপাত্ৰ গোহাঁই উপস্থিত থাকি সাৱলীল বক্তব্য প্ৰদান কৰে। অনুষ্ঠানটিত ডিব্ৰুগড় জিলাৰ ভালেসংখ্যক গনামাণ্য ব্যক্তিৰ লগতে জিলাখনৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ চাৰি শতাধিক মটক সম্প্ৰদায়ৰ কৃতী ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে আজিৰ এই অভিনন্দন অনুষ্ঠানত ডিব্ৰুগড় জিলাৰ মটক সম্প্ৰদায়ৰ চলিত বৰ্ষত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা প্ৰায় চাৰি শতাধিক ছাত্ৰ-ছাত্ৰীক একোখনকৈ মান পত্ৰ, ফুলাম গামোছা আৰু একোটিকৈ গছ পুলিৰে সম্বৰ্ধনা জনোৱা হয়। শেষত শলাগ জ্ঞাপন কৰে ডিব্ৰুগড় জিলা মটক যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি মুকুন্দ মাধৱ বুঢ়াগোহাঁয়ে।

## তেজপুৰত নটসূৰ্যক সোঁৱৰণ

*১২ পৃষ্ঠাৰ পৰা* দেৱচৌধুৰীয়ে আদৰণি ভাষণ দিয়া অনুষ্ঠানত এই বঁটা গ্ৰহণ কৰি অশীতিপৰ নাট্যযোদ্ধা আহমেদে নিজৰ অনুভৱ সদৰী কৰি বাণ থিয়েটাৰৰ দৰে ঐতিহ্যমণ্ডিত অনুষ্ঠানৰ দ্বাৰা এই সন্মানে তেওঁক বাৰুকৈয়ে উদ্বুদ্ধ কৰে বুলি মন্তব্য কৰে। তেওঁ কয়, 'অৰ্ধশতিকা ধৰি নাট্যকৰ্মত নিষ্ঠা, সততা আৰু দায়বদ্ধতাৰ স'তে জড়িত হৈ আছো, কিন্তু কিবা প্ৰাপ্তিৰ বাবে নহয়। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণু ৰাভা, নটসূৰ্য ফণী শৰ্মাৰ দৰে গুণগ্ৰাহী পদধূলাৰে মহিমামণ্ডিত বাণ থিয়েটাৰ পবিত্ৰ মঞ্চত বাণ থিয়েটাৰ বঁটা লাভ কৰি নিজকে ধন্য মানিছো। মোক প্ৰদান কৰা এই বঁটা নাট্যকলা ক্ষেত্ৰত জড়িত সকলোৰে বাবে স্বীকৃতি আৰু তেওঁলোকক এই বঁটা আগবঢ়াই দিছো।' বাণ থিয়েটাৰৰ প্ৰাক্তন সভাপতি অখিল শৰ্মাক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা এই অনুষ্ঠানতে ৰাজীৱ হৰি কৌশিকে ৰচনা কৰা '১৯২৮ৰ বাণ থিয়েটাৰৰ মঞ্চত অৰ্কেষ্ট্ৰাত অসমীয়া জাতীয় সংগীতৰ সুৰ' শীৰ্ষক এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ উন্মোচন কৰে বাণ থিয়েটাৰৰ সভাপতি বংকিম শৰ্মাই। আনহাতে, অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি অসমীয়া লোক সংস্কৃতিৰ অন্যতম গৱেষক, সাহিত্যিক তথা মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অনিল শইকীয়াই প্ৰদান কৰা সাৰগৰ্ভ ভাষণত নটসূৰ্যৰ 'কিয়' নাটৰ সংলাপ আওৰোৱাৰ লগতে মহান শিল্পীজনে অসমৰ নাট্যক্ষেত্ৰত আগবঢ়োৱা বৰঙণি আৰু সাংস্কৃতিক জীৱন পৰিক্ৰমাৰ বিষয়ে সংক্ষেপে আলোকপাত কৰে।

তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভায়ো নটসূৰ্যৰ স্মৃতিচাৰণ কৰা অনুষ্ঠানত অন্নদা কুমাৰ পদ্মপতি ন্যাসৰ বঁটা ক্ৰমে বাণ থিয়েটাৰৰ ২০১৯-২০ নাট্যবৰ্ষৰ বাবে 'ভোগজৰা' নাটকত লক্ষ্মী সিংহৰ চৰিত্ৰত অভিনয় কৰা বিশিষ্ট অভিনেতা সুজিত শৰ্মা আৰু ২০২০-২১ৰ শ্ৰেষ্ঠ পাৰদৰ্শী অভিনেতা তথা 'টেটোন তামুলী' নাটকত স্বৰ্গদেউ চৰিত্ৰত অভিনয় কৰা তাজ হুছেইনক আৰু কাৰ্তিক হাজৰিকা সোঁৱৰণী ন্যাসৰ বঁটা ২০১৯-২০ প্ৰদান কৰা হয় 'ৰং আহি পাখি মেলি' শিশু নাটত অভিনয় কৰা জাগৃতি কৌণ্ডিন্যক প্ৰদান কৰা হয়। আনহাতে, ৫২ সংখ্যক স্মৃতি দিৱসৰ আজিৰ দিনটোত পুৱাৰে পৰা তেজপুৰৰ বিভিন্ন প্ৰান্তত নাটকৰ সংলাপকে ধৰি নটসূৰ্য বন্দনাৰে মুখৰিত হৈ পৰা পৰিলক্ষিত হয়। তেজপুৰ সাহিত্য সভা ভৱন প্ৰাংগণত থকা আৱক্ষ মূৰ্তিত সভাপতি ড° ভূপেন শইকীয়াৰ লগতে বিশিষ্ট নাট্যকাৰ-পৰিচালক ঐশ্বৰ্য কাকতি আৰু বাণ থিয়েটাৰৰ সভাপতি বংকিম শৰ্মাই মাল্যাৰ্পণ আৰু পুষ্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰম্ভ কৰাৰ পাছতেই ভৱনত অনুষ্ঠিত হয় বিশেষ স্মৃতিচাৰণ অনুষ্ঠান। তেজপুৰ সাহিত্য সভাৰ সম্পাদক দেৱব্ৰত শৰ্মা আৰু প্ৰাক্তন সম্পাদক পংকজ বৰুৱাই আঁতধৰা অনুষ্ঠানৰ আৰম্ভণিতে সভাপতি ড° শইকীয়াই স্মৃতিচাৰণ কৰি নটসূৰ্যজনৰ বহুমুখী প্ৰতিভাক স্মৰণ কৰে। অনুষ্ঠানত বিশিষ্ট নাট্যকাৰ-পৰিচালক ঐশ্বৰ্য কাকতিয়ে স্মৃতিচাৰণ কৰি জীৱিত অৱস্থাতে শিল্পীসকলক যথোচিত সন্মান জনোৱা উচিত বুলি মন্তব্য কৰি জীয়াই থকাৰ সময়ত নটসূৰ্য ফণী শৰ্মাই নাটক ৰচনাকে ধৰি অসমীয়া শিল্পকলা ক্ষেত্ৰখনলৈ যিমান অৱদান আগবঢ়াই গ'ল তাৰ স্বীকৃতি জীৱিত অৱস্থাত বৰ্তমানৰ দৰে লাভ কৰাহেঁতেন নিজৰ জীৱন ধন্য হ'লহেঁতেন বুলি আক্ষেপ প্ৰকাশ কৰে। সেইদৰে কলিবাৰীৰ সমাধি ক্ষেত্ৰত শোণিতপুৰ জিলা প্ৰশাসন আৰু তেজপুৰ পৌৰসভাৰ উদ্যোগত অনুষ্ঠিত বিশেষ শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ অনুষ্ঠান শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত আন দুগছিকৈ বন্তি প্ৰজ্বলন কৰে নটসূৰ্যৰ পুত্ৰ অজিত শৰ্মা আৰু তেজপুৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়া বৰ্ষা তালুকদাৰে। নটসূৰ্য ফণী শৰ্মাৰ পুত্ৰ ক্ৰমে অজিত শৰ্মা আৰু বিশিষ্ট অভিনেতা সুজিত শৰ্মাৰ লগতে বোৱাৰী বিনিতা শৰ্মা, নাতি অভিনয় শিল্পী নৱজ্যোতি শৰ্মা, বাণ থিয়েটাৰৰ উপ-সভাপতি দিলীপ বৰা, সম্পাদক হেমন্ত কুমাৰ শৰ্মা, মঞ্চাধ্যক্ষ ৰাজীৱ মহন্ত, চিত্ৰ ভাস্কৰ্য শিল্পী হৰিনাৰায়ণ দাসৰ লগতে বিশিষ্ট ব্যক্তিসকলেও প্ৰতিকূল বতৰৰ মাজতো শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰে। অসম সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক পংকজ বৰুৱাই আঁতধৰা অনুষ্ঠানত শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই স্মৃতিচাৰণ কৰি অহা অক্টোবৰৰ ভিতৰত সমাধিৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পাছত নটসূৰ্যজনৰ ওপজা দিনত উদ্বোধন কৰা হ'ব বুলি জনায়। অনুষ্ঠানত নটসূৰ্যৰ পুত্ৰ, বিশিষ্ট অভিনেতা সুজিত শৰ্মা, বিশিষ্ট চিত্ৰ-ভাস্কৰ্য শিল্পী হৰিনাৰায়ণ দাসেও ভাষণ প্ৰদান কৰে। আনহাতে, তেজপুৰ বিশ্ববিদ্যালয় চৌহদস্থিত নটসূৰ্যৰ আৱক্ষ মূৰ্তিত গণ সংযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° জয়া চক্ৰৱৰ্তীৰ বিশেষ উদ্যোগত ছাত্ৰ-ছাত্ৰীসকলে বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণেৰে শিল্পীজনক শ্ৰদ্ধাৰে স্মৰণ কৰে।

### ■ ম্যাদ উকলাৰ পাছতো অনুমতি প্ৰদানৰে ধন সংগ্ৰহ

# তেজপুৰত মীন মহলৰ নামত দুৰ্নীতিৰ অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১ আগষ্ট ঃ** শোণিতপুৰৰ তেজপুৰ চাৰিদুৱাৰ ব্ৰহ্মপুত্ৰ আৰু খালৈবিল ফিচাৰী সমবায়ৰ মীন মহলৰ আবন্টনৰ ম্যাদ ২০২০তে অন্ত পৰিছে যদিও নীতিবহিৰ্ভূতভাৱে একাংশ লোকক পুনৰ ম্যাদ উকলা সমিতিখনে মহলত মাছমৰাৰ অনুমতিৰে ধন সংগ্ৰহ কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। ইতিমধ্যে বিহগুৰিৰ একাংশ বঞ্চিত অংশীদাৰে এই সন্দৰ্ভত শোণিতপুৰ প্ৰশাসনক বিহিত ব্যৱস্থা গ্ৰহণৰ দাবীৰে লিখিত অভিযোগ দাখিল কৰিছে যদিও ৰহস্যজনকভাৱে কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। উল্লেখ্য যে এই মীন সমবায়খনৰ বিভিন্ন দুৰ্নীতি-অনিয়ম আৰু আভ্যন্তৰীণ বিষয়ৰ গোচৰ ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে। ২০১৩ত সাত বছৰৰ বাবে আৱন্টিত পোৱাৰ পাছত কৰ'নাকালীন পৰিস্থিতিৰ বাবে আৰু কিছুদিন অতিৰিক্তভাৱে লাভ কৰা সময়সীমা উকলি যোৱাৰ পাছত অসম মীন নীতি ১৯৫৩ আৰু মীন পোনা আইন ২০০৫ আৰু ২০১০ ক অংগুষ্ঠ প্ৰদৰ্শন কৰি মীন সমবায়খনে ইয়াৰ মহল আৰু অংশত মাছ মৰাৰ অনুমতি দি আহিছে। যোৱা ৩১ মাৰ্চত বিধি নিষিদ্ধভাৱে সমবায়খনে বিনয় মালো দাস, নকুল দাস আৰু যোগেশ্বৰ দাসক মাছ মৰাৰ অনুমতি দিয়ে বুলি লিখিত অভিযোগ শোণিতপুৰ প্ৰশাসনক দাখিল কৰিছে। বিশেষকৈ সমিতিখনৰ অধীনস্থ গৰগৰীয়া বিল, শিমলুগুৰিৰ পূব আৰু গোসাঁই সুঁতি বিল মোমাই, ভাগিন আৰু ভিনিহিৰ দখলত থকা বুলি অভিযোগ কৰাৰ লগতে থলুৱা অংশীদাৰৰ বাবে আবন্টিত বিলখনত একাংশ বাহিৰা লোকক ধনৰ বিনিময়ত মাছ মৰাৰ অনুমতি দি থকা হৈছে। অভিযোগ অনুসৰি, পহিলা এপ্ৰিলৰ পৰা ১৫ জুলাইলৈকে নিয়ম অনুসৰি, মাছ ধৰাৰ ক্ষেত্ৰত অনুমতি নাথাকে। কিন্তু মাৰ্চতে নীতিবিৰুদ্ধভাৱে মহলত মাছ মৰাৰ অনুমতি দিয়া ঘটনাৰ বিষয়ে অভিযোগ কৰি দৰিদ্ৰ অংশীদাৰসকলক তেওঁলোকৰ অধিকাৰৰ পৰা বঞ্চিত কৰি মুষ্টিমেয় একাংশই লুটি-পুটি খোৱাৰ অভিযোগ উঠিছে। উল্লেখ্য যে, মাছ মাৰি ৰাজহ আদায় দিয়াৰ নিয়মৰ বিপৰীতে বিলৰ তিনি নম্বৰ খণ্ডৰ কিছু অংশত মাছ মৰাৰ অনুমতি দি দুই এপ্ৰিলত অগ্ৰিম ধন হিচাপে আদায় কৰা হৈছে একলাখ ১০ হেজাৰ টকা। উল্লেখ্য যে যোগেশ্বৰ দাসৰ পৰা এই ধন ৩০ শতাংশ ৰাজহ হিচাপে আদায় কৰা হৈছে তেওঁক ২০২২-২৩ত মাছ মৰাৰ অনুমতি দিয়াৰ নামত। অথচ ইতিমধ্যেই সমবায়ৰ আবন্টন লাভৰ ম্যাদ কেতিয়াবাই উকলি গৈছে।

ইপিনে এই সমবায়ৰ অধীনস্থ বিলৰ অংশ দুই নম্বৰ খণ্ডৰ আলুবাৰী অংশৰ বাবে মাৰ্চত ৰাজহ আদায়ৰ বাবে গোলোক দাস আৰু লোহিত নাৰ্জাৰীক ৰছিদ বহী দিয়া হৈছে। একেদৰে তেজপুৰৰ জাহাজঘাতো নিয়ম ভংগ কৰি মাছ ধৰাৰ লগতে মাছ বিক্ৰী কৰা হৈছে। এনেবোৰ অনিয়মৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বিপৰীতে বিলৰ দুই নম্বৰ খণ্ডত স্থানীয় অংশীদাৰসকলক মাছ ধৰাৰ অনুমতি প্ৰদান কৰাবলৈ আহ্বান জনাই অহা হৈছে যদিও এই ক্ষেত্ৰত কোনো ব্যৱস্থাই গ্ৰহণ কৰা হোৱা নাই। ব্ৰহ্মপুত্ৰৰ বিলসমূহত যথেষ্ট মাছ এতিয়াও পোৱা যায়। কিন্তু কাগজে- পত্ৰই প্ৰায়েই লোকচানৰ সন্মুখীন হোৱা এই সমবায়ৰ অধীনত বিলৰ আবন্টন লাভৰ বাবে চলা চক্ৰান্তই কিন্তু এক পৃথক ছবিহে প্ৰদৰ্শন কৰে। উল্লেখ্য যে থলুৱা অংশীদাৰসকলক বঞ্চিত কৰি বাহিৰা লোকক মাছ ধৰাৰ অনুমতিৰ নামত বৃহৎ ধনৰ লেনদেন হয় বুলিও দীৰ্ঘদিন অভিযোগ উঠি আহিছে। ৰাজ্য চৰকাৰৰ সমবায়সমূহৰে জড়িত বিভাগীয় একাংশ বিষয়া-কৰ্মচাৰী এই অনিয়মৰে সুদীৰ্ঘ দিনৰে পৰাই জড়িত থকাৰ অভিযোগ উঠি আহিছে। বিজেপি নেতৃত্বাধীন চৰকাৰৰ কাৰ্যকালত এই মীন সমবায়ৰ নামত হোৱা অনিয়মত লেকাম লাগিব বুলি এক ধাৰণা কৰা হৈছিল যদিও বাস্তৱত সকলো ফুটুকাৰ ফেনতহে পৰিণত হৈছে।

## নাহৰকটীয়াত বিজেপি নেত্ৰী আঙুৰলতাৰ প্ৰতিমূৰ্তি দাহ কৰি প্ৰতিবাদ টাইপাৰ

**অগ্ৰদূত বাৰ্তা**

**নাহৰকটীয়া, ১ আগষ্ট ঃ** অসমৰ এটা ব্যক্তিগত বৈদ্যুতিন মাধ্যমত বিজেপি নেত্ৰী আঙুৰলতা ডেকাৰ নেতৃত্বত উলিওৱা প্ৰতিবাদী সমদলৰ বাতৰি সম্প্ৰচাৰ হৈছিল। সেই বাতৰিত সমদলৰ মাজৰ পৰাই 'কংগ্ৰেছ মুৰ্দাবাদ' শ্ল'গান দিয়াৰ লগতে 'আহোম জাতি মুৰ্দাবাদ' শ্ল'গান দিয়াও শুনা গৈছিল। ইয়াৰ পাছতে সৰ্বত্ৰে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। কালি নাহৰকটীয়াৰ মৰাণ তিনিআলিত তাই আহোম যুৱ পৰিষদ, অসমে আঙুৰলতা ডেকাৰ প্ৰতিমূৰ্তি দাহ কৰি 'আঙুৰলতা মুৰ্দাবাদ, বিজেপি মুৰ্দাবাদ' আদি শ্ল'গান দি কঁপাই তোলে নাহৰকটীয়াৰ ৰাজপথ। ইয়াৰ পাছতেই তাই আহোম যুৱ পৰিষদৰ নাহৰকটীয়া মহকুমা সমিতিয়ে নাহৰকটীয়া থানাত প্ৰাক্তন বিধায়িকা তথা অসম ৰাজ্যিক মহিলা মৰ্চাৰ সভানেত্ৰী আঙুৰলতা ডেকাৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। উল্লেখ্য যে সৰ্বত্ৰে প্ৰতিক্ৰিয়া সৃষ্টি হোৱাৰ পাছত বিজেপি ৰাজ্যিক সমিতিৰ তৰফৰ পৰা বাতৰিৰ অডিঅ' ভিডিঅ' বিকৃত কৰি কোনো লোকে ভুৱা প্ৰচাৰ চলাইছে বুলি দিছপুৰ থানাত এক গোচৰ তৰা হৈছে। কিন্তু এই ক্ষেত্ৰত টাইপাৰ বিষয়ববীয়া সুৰজ ৰংছোৱালে কয় যে ব্যক্তিগত দূৰদৰ্শন চেনেলটোৰ সামাজিক মাধ্যমৰ পেজত উপলব্ধ https://fb.watch/eAw-vY9mkW/ লিংকটোৰ যোগেদি যদি বাতৰিটো চোৱা হয় তেনেহ'লে স্পষ্ট ৰূপত ওলাই পৰে যে শ্ল'গানত 'আহোম জাতি মুৰ্দাবাদ' ধ্বনি দিয়া হৈছিল। গতিকে ভৱিষ্যতত এনে ঘটনাৰ পুনৰাবৃত্তি ঘটিলে কিন্তু বৃহত্তৰ তাই আহোম জাতি হাত সাবটি বহি নাথাকে। ক্ৰিয়া হ'লে তাৰ প্ৰতিক্ৰিয়া হ'বই। কোনোবাই আমাক আক্ৰমণ কৰিলে প্ৰত্যাক্ৰমণ হ'বই। আত্মৰক্ষাৰ অধিকাৰ ভাৰতবৰ্ষৰ সংবিধানেই সকলোকে দিছে। এতেকে কোনোবাই আমাক আক্ৰমণ কৰিলে আত্মৰক্ষাৰ বাবে প্ৰত্যাক্ৰমণ কৰিবলৈ আমি বাধ্য হ'ম।'

### ■ কংগ্ৰেছ নেতা শৰৎ চাৰিঙীয়া ফুকনৰো তীব্ৰ প্ৰতিক্ৰিয়া

## ডিব্ৰুগড়ত আৰক্ষীৰ মাজত কেঞ্চাৰ সজাগতা সৃষ্টিৰ প্ৰয়াস 'প্ৰতিশ্ৰুতি'ৰ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১ আগষ্ট ঃ** কেঞ্চাৰ ৰোগৰ সজাগতাৰ হকে কাম কৰি অহা প্ৰতিশ্ৰুতি কেঞ্চাৰ আৰু পেলিয়েটিভ ট্ৰাষ্ট চমুকৈ 'প্ৰতিশ্ৰুতি' আৰু ডিব্ৰুগড় জিলা আৰক্ষী প্ৰশাসনৰ যুটীয়া উদ্যোগত আৰু আছাম পুলিচ ৰাইভচ ৱেলফেয়াৰ এছ'চিয়েছন আৰু ইনাৰ হুইল ক্লাবৰ যৌথ সহযোগত কালি ডিব্ৰুগড় আৰক্ষী ছাউনী প্ৰেক্ষাগৃহত মুখগহ্বৰৰ কেন্সাৰ সজাগতা সভা অনুষ্ঠিত কৰা হয়। 'প্ৰতিশ্ৰুতি'ৰ হৈ অবৈতনিক সঞ্চালক তথা কেঞ্চাৰ গৱেষক ডাঃ গায়ত্ৰী গগৈয়ে সংগঠনটোৰ কাম-কাজৰ সম্পৰ্কে অৱগত কৰাৰ পাছত ডাঃ ফৌজিয়া হেকিম আৰু ক্লিনিক'ল'জিষ্ট বৃন্দা শৰ্মা বৰুৱাই মুখগহ্বৰৰ কেন্সাৰ ৰোধৰ বাবে ল'বলগীয়া বিভিন্ন সাৱধানতা আৰু পদ্ধতিৰ সম্পৰ্কে সাৱলীল বক্তব্য আগবঢ়ায়। পদুমপোনা বৰুৱাই আঁত ধৰা অনুষ্ঠানৰ আৰম্ভণিতে আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰই এনে সজাগতা সভাই আৰক্ষীৰ শাৰীৰিক আৰু মানসিক দিশত যথেষ্ট পৰিমাণে সহায় কৰিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত উপস্থিত থকা ডিজিপি ভাস্কৰজ্যোতি মহন্তৰ পত্নী তথা আছাম পুলিচ ৰাইভচ ৱেলফেয়াৰ এছ'ছিয়েছনৰ সভানেত্ৰী স্বপ্নালী মহন্তই বিশেষকৈ আৰক্ষীৰ পৰিয়ালৰ সকলোকে কেঞ্চাৰ ৰোগৰ কাৰক হিচাপে চিহ্নিত ধপাতজাতীয় দ্ৰব্য পৰিহাৰ কৰি নিজৰ লগতে পৰিয়ালটোক সুৰক্ষা প্ৰদানৰ আহ্বান জনায়। সভাত যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ ৰাজীৱ কুমাৰ বৰুৱা আৰু ইনাৰ হুইল ক্লাবৰ তৰফৰ পৰা 'প্ৰতিশ্ৰুতি'ৰ স'তে অনাগত দিনত কাম কৰি যাব বুলি ভাষণত উল্লেখ কৰে। মৌচুমী গগৈয়ে শলাগ জ্ঞাপন কৰা সজাগতা সভাখনত শতাধিক আৰক্ষী বিষয়া-কৰ্মচাৰীৰ লগতে পৰিয়ালৰ লোকসকল আৰু 'প্ৰতিশ্ৰুতি'ৰ উপ- সভানেত্ৰী ডাঃ ৰীণা আহমেদ, দীপালি শইকীয়া, সম্পাদক পান্না ভৰালী, যুটীয়া সম্পাদক ৰতন হাজৰিকা, ৰাজিব বিন কুটুবকে ধৰি বিষয়ববীয়াসকল উপস্থিত থাকে।

## ঠেলামৰা পঞ্চায়ত কাৰ্যালয়ত

*১২ পৃষ্ঠাৰ পৰা* ৰাইজৰ অভিযোগ পথটোৰ বাবদ ১০ লাখ টকাৰ আঁচনি আবণ্টন হৈছে। কিন্তু ঠিকাদাৰৰ মইমতালিৰে পথটো নিৰ্মাণ কৰাত ৰাইজ ব্যাপক অসুবিধাৰ সন্মুখীন হৈছে। যোৱা চাৰি মাহে অৰ্ধনিৰ্মিত কৰি পথটো পেলাই ৰাখি দিয়াত ৰাইজৰ যাতায়াতৰ ব্যাপক অসুবিধা হৈছে। ঠিকাদাৰৰ মইমতালিৰ বিৰুদ্ধে ক্ষুব্দ ৰাইজে একত্ৰিত হৈ পঞ্চায়তখনৰ কাৰ্যালয় চৌহদত এক ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰি পৰিৱেশ উত্তাল কৰি তোলে। অৱশ্যে প্ৰতিবাদৰ সময়ত কাৰ্যালয়টোত সভানেত্ৰী, সচিব উপস্থিত নাছিল।

## নলবাৰী কৃষি বিষয়াৰ কাৰ্যালয়ত

*১২ পৃষ্ঠাৰ পৰা* আহ্বান জনোৱা হৈছে। সমূহ বিষয়া-কৰ্মচাৰী তথা বিভিন্ন আঁচনিৰ হিতাধিকাৰী কৃষক তথা কৃষক গোট, কৃষি সামগ্ৰী বিক্ৰী প্ৰতিষ্ঠানৰ ঘৰ আৰু বিক্ৰী প্ৰতিষ্ঠানে যাতে উক্ত দিনত 'হৰ ঘৰ ত্ৰিৰংগ'ৰ স'তে জড়িত হ'ব পাৰে তাৰ বাবে জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত বেনাৰ লগায় আৰু পতাকা বিক্ৰী আৰু ক্ৰয়ৰ ব্যৱস্থাৰে সজাগতা বৃদ্ধিৰ প্ৰচেষ্টা চলাইছে। এই অভিযান সফল কৰাৰ প্ৰথম পদক্ষেপ হিচাপে আজি জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত পতাকা বিক্ৰী আৰু ক্ৰয় কেন্দ্ৰ মুকলি কৰে জিলা কৃষি বিষয়া হবিবুল হক, সহকাৰী কৃষি সঞ্চালক যোগেশ্বৰ ৰাজমেধি, মহকুমা কৃষি বিষয়া কুমুদ হালৈ (উদ্যান শস্য) আৰু কৃষি উন্নয়ন বিষয়া ৰমেন ডেকাই। উল্লেখ্য যে প্ৰথম দিনাই বিভিন্ন বিষয়াসকলৰ লগতে বহুকেইজন বিভিন্ন আঁচনিৰ হিতাধিকাৰীয়ে জাতীয় পতাকা ক্ৰয় কৰে।

## জ্যোতিৰ্ময়ী মইনা পাৰিজাতৰ নাট কৰ্মশালাৰ সামৰণি সন্ধ্যা

**অগ্ৰদূত বাৰ্তা**

**বোকাখাত, ১ আগষ্ট ঃ** বোকাখাত জিলা মইনা পাৰিজাতৰ অন্তৰ্গত শাখা জ্যোতিৰ্ময়ী মইনা পাৰিজাতে গৰমৰ বন্ধত প্ৰতি বছৰৰ দৰে এই বৰ্ষতো পহিলাৰ পৰা ৩০ জুলাইলৈকে প্ৰযোজনা ভিত্তিক লোকবাদ্য আৰু নাট কৰ্মশালা অনুষ্ঠিত কৰিছিল। সেই উপলক্ষ্যত ৩০ জুলাইত সন্ধিয়া জ্যোতিবিদ্যাপীঠ স্কুলত শিশুসকলৰ দ্বাৰা মঞ্চস্থ কৰা হয় পৰিত্ৰ ৰাজখোৱাৰ ৰচনা আৰু অৰ্পিতা কাশ্যপৰ পৰিচালনাত 'মাৰফৎ বকুলতল'। নাটকখনত সহকাৰী পৰিচালক হিচাপে থাকে প্ৰণৱ শইকীয়া আৰু পৰিকল্পনা তৰুণ তীৰ্থ শইকীয়াৰ। দিহা নাম আৰু খোলবাদ্য, নাগাৰা, বাঁহী আদি লোকবাদ্যৰ ১০দিনীয়া প্ৰশিক্ষণত ছাত্ৰ-ছাত্ৰীসকলক শিকোৱা হৈছিল। তাৰ পাছতেই জ্যোতিৰ্ময়ী মইনা পাৰিজাতৰ সভাপতি তথা জেডিএছজি মহাবিদ্যালয় বোকাখাতৰ অধ্যাপিকা শান্তিছায়া বৰুৱাই আঁত ধৰা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী চুনু দেৱী আৰু অনুষ্ঠান উদ্বোধন কৰে বোকাখাত জিলা মইনা পাৰিজাতৰ সম্পাদক ডালিমী সন্দিকৈ গগৈয়ে। ইয়াৰ পাছতে শিশুসকলৰ দ্বাৰা নাটক মঞ্চস্থ কৰা হয়। নাট কৰ্মশালাখনত মুঠ ২৫জন প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। প্ৰশিক্ষাৰ্থীসকলে কৰ্মশালাত মুখাশিল্প আৰু আবৃত্তিৰ লগতে কণ্ঠৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। লগতে প্ৰশিক্ষাৰ্থীসকলে ভিন্ন ৰঙী কাগজত নিজেই টিকট বনাই সেই টিকটসমূহ নিজেই বিক্ৰী কৰি এখন নাটক কেনেদৰে মঞ্চস্থ কৰা হয় সেই শিক্ষাও লাভ কৰে। শিশুসকলে ভিন্ন ধৰণে মঞ্চৰ লগতে স্কুলঘৰখন সজাই তুলি নিজেই টিকট বনাই বিক্ৰী কৰি নাটক কৰা কাৰ্যক ভিন্ন ঠাইৰ নাটৰসিকসকলে উচ্চ প্ৰশংসা কৰে। নাটকখনত আলোকসজ্জাত আছিল নাট্যকৰ্মী ৰাতুল ৰাজখোৱা, ৰূপসজ্জাত প্ৰিয়াংশু প্ৰাঞ্জল, সাজসজ্জাত বাসবী শ্ৰীময়ী, অন্বেষা বৰুৱা, দৃশ্য সজ্জাত মানস প্ৰতিম গগৈ আৰু সংগীতত তন্ময় শইকীয়া। জ্যোতিৰ্ময়ী মইনা পাৰিজাতৰ সম্পাদক ভেলেণ্টিনা তামুলীয়ে সকলো দৰ্শক আৰু পৰীক্ষাৰ্থী প্ৰশিক্ষকক ধন্যবাদ জ্ঞাপন কৰি অনাগত দিনত শিশুৰ বৌদ্ধিক আৰু মানসিক উন্নতিৰ বাবে এনে ধৰণৰ কাম প্ৰতি বছৰৰ দৰে অনাগত দিনতো কৰি যাব বুলি কয়।



## গোৱৰ্ধন আঞ্চলিক সাৰ্বজনীন শাৰদীয় দুৰ্গা পূজাৰ কমিটী গঠন

**ছয়গাঁও, ১ আগষ্ট ঃ** ছয়গাঁও সমষ্টিৰ গোৱৰ্ধন আঞ্চলিক সাৰ্বজনীন শাৰদীয় দুৰ্গা পূজা বিগত কেইবেলিৰ দৰে এইবেলিও উলহ-মালহেৰে উদ্‌যাপন কৰাৰ প্ৰস্তুতি চলাইছে। ইতিমধ্যে গোৱৰ্ধন প্ৰাথমিক বিদ্যালয়ত ২৬ সংখ্যক শাৰদীয় দুৰ্গা পূজা সাফল্যমণ্ডিত কৰি তুলিবলৈ জীতেন কলিতাক সভাপতি আৰু প্ৰণৱ দাসক সম্পাদক হিচাপে লৈ এখন কমিটী গঠন কৰা হৈছে। অহা পহিলাৰ পৰা পাঁচ অক্টোবৰলৈ চলিবলগীয়া দুৰ্গা পূজাৰ লগত সংগতি ৰাখি অষ্টমীৰ দিনা একক আধুনিক নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে বুলি সাংস্কৃতিক বিভাগৰ সভাপতি বিমল দাসে জানিবলৈ দিছে। ইয়াৰ উপৰি প্ৰতিদিনে নাম-কীৰ্তন, সাংস্কৃতিক কাৰ্যসূচী আৰু যাত্ৰাভিনয় চলিব বুলি উল্লেখ কৰে।

# জীৱনত উন্নতি কৰাৰ কোনো চমু পথ নাই ঃ ঘটেশ্বৰ বৰুৱা

### টংলাত ওদালগুৰি জিলা আক্ৰাছুৰ বিশেষ অভিনন্দন-সম্বৰ্ধনা অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**টংলা, ১ আগষ্ট ঃ** ওদালগুৰি জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা (পশ্চিম) ই ভেৰগাঁও জিলা মূল, যুৱ, মহিলা সন্মিলনী আৰু টংলা আঞ্চলিক আক্ৰাছুৰ সহযোগত বিগত বৰ্ষবোৰৰ দৰে এইবেলিও কালি টংলাৰ অমৃত বিবাহ ভৱনত দিনজোৰা কাৰ্যসূচীৰে বিশেষ অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰে।



যুটীয়া সাধাৰণ সম্পাদক মুকুন্দ ডেকা আৰু পংকজ ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখন সঞ্চালনা কৰে জিলা আক্ৰাছুৰ সভাপতি মিণ্টু বৰুৱাই। সাংবাদিক নাৰায়ণ ডেকাই আঁত ধৰা অনুষ্ঠানত ২০২২ৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ কোচ ৰাজবংশী জনগোষ্ঠীটোলৈ সন্মান কঢ়িয়াই অনা ভেৰগাঁও মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ কোচ ৰাজবংশী জনগোষ্ঠীটোলৈ সন্মান কঢ়িয়াই অনা ভেৰগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ অন্তৰ্গত ৩২ খন আঞ্চলিক সমিতিৰ দুই শতাধিক কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱাৰ উপৰি স্বাৱলম্বী মহিলা টংলা অঞ্চলৰ প্ৰথম মহিলা ই-ৰিক্সা চালক ইলা ডেকা আৰু টংলাৰ বিশিষ্ট যুৱ ব্যৱসায়ী নয়নজ্যোতি বৰুৱাক জাতীয় আংছা, মানপত্ৰ আৰু স্মাৰকৰে সম্বৰ্ধনা জনায়। সভাৰ উদ্বোধনী ভাষণত ভেৰগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ মুখ্য উপদেষ্টা নীলধৰ ডেকাই জনগোষ্ঠীৰ উত্তৰণৰ বাবে শৈক্ষিক দিশত ছাত্ৰ-ছাত্ৰীৰ বিকাশ হোৱাটো নিত্যান্তই আৱশ্যক বুলি উনুকিয়াই জনগোষ্ঠীটোৰ পৰা মানৱ সম্পদ সৃষ্টি কৰিব পাৰিলেহে কোচ ৰাজবংশীসকলে বিশ্বৰ দৰবৰাত আন আন জনগোষ্ঠীটোৰ স'তে সমানে আগবাঢ়িব পাৰিব বুলি মন্তব্য কৰে। হৰিশিঙা ৰাজহ চক্ৰ বিষয়া মনীষা নাথে কৃতী ছাত্ৰ-ছাত্ৰীসকলক জীৱনত সফলতা লাভৰ বাবে অধ্যয়নপুষ্ট হোৱাৰ উপৰি সমাজৰ প্ৰতি দায়িত্বশীল হোৱাৰ আহ্বান জনায়। দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ ডেকাই সভাত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণকে ধৰি ন্যায্য প্ৰাপ্যৰ বাবে আন্দোলনৰ সমান্তৰালকৈ জনগোষ্ঠীটোৰ ভাষা- সাহিত্য- সংস্কৃতি আৰু শিক্ষাৰ দিশত সচেতন দৃষ্টি ৰখাৰ বাবে জাতীয় সংগঠনসমূহৰ উপৰি স্বগোষ্ঠীয় ৰাইজক আহ্বান জনায়। টংলা মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ঘটেশ্বৰ বৰুৱাই কয় যে জীৱনত উন্নতি কৰাৰ কোনো চমু পথ নাই। যিসকলে এই বক্ৰ পথেৰে অগ্ৰসৰ হৈছে, সেইসকলৰ পৰিণতি অতি কৰুণ হোৱাটোৱে নিশ্চিত বুলি মন্তব্য কৰে। আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা গৌতম চহৰীয়াই ছাত্ৰ-ছাত্ৰীসকলক পুথিগত শিক্ষাৰ সমান্তৰালকৈ ব্যৱহাৰিক জ্ঞান আহৰণৰ উপৰি জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধাভাজন হোৱাৰ বাবে আহ্বান জনায়। বিটিচিৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱাই জনগোষ্ঠীটোৱে নিজৰ প্ৰাপ্যৰ বাবে একেলেগে আন্দোলন কৰাৰ পাছত একাংশক বঞ্চিত কৰি আন একাংশই উন্নয়ন পৰিষদ আৰু স্বায়ত্তশাসিত পৰিষদ গঠন কৰাৰ কাৰ্য জনগোষ্ঠীটোৰ ভৱিষ্যতৰ বাবে চিন্তাশীল বুলি উনুকিয়াই ছাত্ৰ-ছাত্ৰীসকলে যি ক্ষেত্ৰতে সংস্থাপিত নহওক কিয় জাতিটোৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ বাবে সকীয়াই দিয়ে। সভাত কেন্দ্ৰীয় সমিতি, আক্ৰাছুৰ সাধাৰণ সম্পাদক দিব্যজ্যোতি কুমাৰ ডেকা, উপ-সভাপতি অনিল ৰায়, মুখ্য প্ৰচাৰ সম্পাদক হেমন্ত বড়া কোচ, সদৌ অসম কোচ ৰাজবংশী যুৱ সন্মিলনীৰ সভাপতি হিতেশ পাঠক, ভেৰগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি দেৱজিৎ ডেকা আৰু সম্পাদক হেমধৰ ডেকো, মহিলা নেত্ৰী কুমুলী বৰুৱা, লোহিতা ডেকা আদি উপস্থিত থাকে।

# চতিয়াত ড্ৰাগছসহ দুই সৰবৰাহকাৰী আটক



**অগ্ৰদূত বাৰ্তা**
**চতিয়া, ১ আগষ্ট ঃ** বিশ্বনাথ জিলাৰ চতিয়া আৰক্ষী থানাৰ অন্তৰ্গত চেঙামাৰীত কালি সন্ধিয়া চতিয়া আৰক্ষীৰ এটা অভিযানকাৰী দলে দুজন ড্ৰাগছ সৰবৰাহকাৰী ড্ৰাগছসহ আটক কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য মতে, চতিয়া চেঙামাৰী ত্ৰিনয় হাজৰিকা আৰু ৰঞ্জিত চৌধুৰী নামৰ যুৱক দুজনে মেধাবী ছাত্ৰীক চৰকাৰে প্ৰদান কৰা এএছ-১২ এবি-৯১০৪ নম্বৰৰ ৰঙা ৰঙৰ স্কুটী এখনেৰে ড্ৰাগছ ভৰ্তি ২০টা কন্টেইনাৰ ইটাখোলা অভিমুখে কঢ়িয়াই লৈ যোৱাৰ গোপন খবৰ আৰক্ষীয়ে লাভ কৰে। চতিয়া আৰক্ষী থানাৰ আৰক্ষী বিষয়া শ্যামলজ্যোতি শইকীয়া আৰু ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভাস্কৰজ্যোতি শইকীয়াই গোপন সূত্ৰৰ পমখেদি অভিযান চলোৱাত চতিয়াৰ চেঙামাৰীত ড্ৰাগছসহ দুই যুৱকক আটক কৰিবলৈ সক্ষম হয়। চতিয়া আৰক্ষীয়ে অধিক তথ্যৰ বাবে ড্ৰাগছ সৰবৰাহকাৰী দুজনক মাৰাথন জেৰা আৰম্ভ কৰিছে।

# বানপীড়িতক পৰ্যাপ্ত সাহায্য প্ৰদানৰ দাবীত চি পি আই(এম)ৰ প্ৰতিবাদী কাৰ্যসূচী

**বিশেষ সংবাদদাতা**
**নগাঁও, ১ আগষ্ট ঃ** চিপিআই(এম)ৰ নগাঁও আঞ্চলিক সমিতিয়ে আজি বিভিন্ন দাবীৰ সমৰ্থনত নগাঁও চহৰৰ মতিৰাম বৰা উদ্যানৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। বানপীড়িতক পৰ্যাপ্ত ক্ষতিপূৰণসহ পুনৰ সংস্থাপনৰ ব্যৱস্থা, পেট্ৰ'ল-ডিজেল-ৰন্ধন গেছসহ খাদ্য সামগ্ৰী মূল্যবৃদ্ধি ৰোধ, চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩৫১ টকালৈ বৃদ্ধি, ৰাজ্যখনৰ মাটিৰ জৰীপ আৰু দখলীকৃত পট্টা প্ৰদান, আঁচনি যুক্ত শ্ৰমিকৰ চাকৰি নিয়মীয়া, মৰিকলং ৰেল গেটৰ ওচৰত ফ্লাই অভাৰ নিৰ্মাণ কৰা, মৰিকলং চাৰিআলিৰ পৰা ডিমৰুগুৰি পথ আৰু চাৰিখুঁটি পথ দুটা শীঘ্ৰে পকীকৰণকে ধৰি বিভিন্ন দাবীৰ সমৰ্থনত চিপিআই(এম)-এ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। কাৰ্যসূচীৰ অন্তত প্ৰতিবাদকাৰীসকলে উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে।



# কমাৰগাঁৱৰ পানীদিহিঙীয়াত পথাৰত গৰু বান্ধিবলৈ গৈ অৱসৰপ্ৰাপ্ত শিক্ষকৰ মৃত্যু



**খুমটাই, ১ আগষ্ট ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত পানীদিহিঙীয়াত আজি এজন অৱসৰপ্ৰাপ্ত শিক্ষকে পথাৰত গৰু বান্ধিবলৈ যাওঁতে কৰুণ মৃত্যুক সাবটি লোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে পানীদিহিঙীয়া গাঁৱৰ গুঞ্জ বৰুৱা (৭৫) নামৰ অৱসৰপ্ৰাপ্ত শিক্ষকজনে ঘৰৰ কাষৰে পথাৰত গৰু বান্ধিবলৈ যাওঁতে অসাৱধানবশতঃ গৰুৱে টানি নিয়ে আৰু লোকজন পথাৰৰ বোকাত পৰি যায়। ইফালে, গৰু বান্ধিবলৈ পথাৰলৈ যোৱা বয়োজ্যেষ্ঠ লোকজনক উঠাই পৰিয়ালৰ লোকে কমাৰগাঁও ক্ষুদ্ৰ প্ৰাথমিক ক্ষুদ্ৰ কেন্দ্ৰলৈ নিয়ে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। ঘটনাস্থলীত খুমটাই আৰক্ষীৰ এটি দল উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাটলৈ প্ৰেৰণ কৰে। সৰবৰহী অৱসৰপ্ৰাপ্ত শিক্ষকজনৰ মৃত্যুত সকলোৱে গভীৰ শোক প্ৰকাশ কৰিছে।

# টিহুৰ যমুনাট্টাৰীত এমাহে বিপজ্জনক অৱস্থাত আছে বিদ্যুৎ খুঁটা

**অগ্ৰদূত বাৰ্তা**
**টিহু, ১ আগষ্ট ঃ** টিহুৰ যমুনাট্টাৰীত বিদ্যুৎ বিভাগৰ চূড়ান্ত গাফিলতিৰ বাবে বিগত এমাহ ধৰি অতি বিপজ্জনক অৱস্থাত হাউলি আছে বিদ্যুতৰ খুঁটা। স্থানীয় ৰাইজে জানিবলৈ দিয়া অনুসৰি বিগত জুনৰ বানপানীৰ সময়তে বৰমা বিদ্যুৎ উপ-সংমণ্ডলৰ অন্তৰ্গত যমুনাট্টাৰী শোলমাৰী দুই নম্বৰ লাইনৰ ৰণাকুছি-কদমতল পথৰ দাঁতিত থকা ১১ হেজাৰ ভল্টৰ তাঁৰ পৰিবাহী তিনিটা খুঁটা হাউলি গৈছে। পথটোৰ দাঁতিতে থকা এটা খুঁটা একেবাৰে হাউলি পৰাত সচেতন ৰাইজে ততাতৈয়াকৈ বৰমা বিদ্যুৎ উপ-সংমণ্ডলত খবৰ দিয়ে। বিদ্যুৎ বিভাগৰ লোক আহি বিদ্যুৎ সংযোগ কৰ্তন কৰি থৈ যায়। পাছত ৰাইজে বাঁহেৰে ঢকা লগাই হাউলি থকা খুঁটাটো সামান্য উঠাই পৰি নোযোৱাকৈ ৰখাৰ ব্যৱস্থা কৰাত বিভাগীয় কৰ্মচাৰী আহি বিদ্যুৎ সংযোগ দিয়ে যদিও খুঁটাটো থিয় কৰি দিয়াৰ কোনো ব্যৱস্থাই নকৰিলে। ফলত উল্লেখিত খুঁটাটোৰ লগতে আন দুটা খুঁটাও হাউলি থকা অৱস্থাতে বিদ্যুৎ সংযোগ চলি



আছে। এনে অৱস্থাত যমুনাট্টাৰীবাসী শংকাৰ মাজেৰে দিন কটাবলগীয়া হৈছে। যিকোনো মুহূৰ্তত খুঁটা মাটিত পৰি ভয়ংকৰ বিপদ ঘটাব পাৰে। ইফালে, হাউলি থকা খুঁটাটোৰ কাষৰ প্ৰায় এক কঠা পৰিধিৰ ভূমিত আজিলৈ খেতিয়কে হাল-কোৰ মাৰিব পৰা নাই। কাৰণ যিকোনো মুহূৰ্ততে অঘটন ঘটাৰ সম্ভাৱনা অধিক। ইফালে, হাউলি থকা খুঁটাকেইটাৰ বাবে পোহনীয়া গৰু-ছাগলীৰ প্ৰাণলৈও ভাবুকি আহি পৰিছে। পথাৰলৈ যোৱা কৃষক আৰু ৰণাকুছি-কদমতল পথেৰে অহা-যোৱা কৰা লোকসকলেও মৰণত শৰণ দিহে ভয়ে ভয়ে অহা-যোৱা কৰিব লগা হৈছে। আনহাতে, যমুনাট্টাৰী গাঁৱৰ ভিতৰেৰে যোৱা বিদ্যুৎ পৰিবাহী তাঁৰ কেবাঠাইত হাউলি পৰিছে। আনকি কে'বাঠাইতো হাত দাঙিলেই লগ পাব পৰাকৈ হাউলি পৰিছে। কিন্তু বিদ্যুৎ বিভাগৰ বৰমা উপ-সংমণ্ডলৰ বিষয়া-কৰ্মচাৰীয়ে অভিযোগ দিয়াৰ পাছতো এনেবোৰ গুৰুতৰ বিষয় আওকাণ কৰি অঞ্চলবাসীক বিপদৰ মুখলৈ ঠেলি দিয়াৰ অভিযোগ উঠিছে। বিভাগটোৰ কৰ্মচাৰীয়ে যেন বিপদ হোৱালৈহে বাট চাইছে, বিপদ নৌহওঁতে তেওঁলোকৰ কৰিব লগ একো নাই। এনে অবিবেচক কাণ্ডজ্ঞানহীন লোকৰ বাবে বিভিন্ন সময়ত বিভিন্ন ঠাইত বিপদ সংঘটিত হৈ আহিছে, কাৰণ এনে মনোভাৱৰ কৰ্মচাৰীয়ে অভিযোগ পোৱাৰ পাছতো বহুদিনলৈ সমস্যা সমাধানৰ ব্যৱস্থা নকৰে। আনহাতে, গাঁওখনৰ এচাম লোকে অভিযোগ কৰা মতে বৰমা বিদ্যুৎ উপ-সংমণ্ডলৰ একাংশ বিষয়া-কৰ্মচাৰীয়ে টকা দিলেহে কাম কৰে, টকা নিদিলে কোনো অভিযোগৰ প্ৰতি গুৰুত্ব নিদিয়ে বুলি জানিবলৈ দিছে।

### তিনিদিন পূৰ্বে সন্ধানহীন মহিলা

# ঢেকিয়াজুলিৰ লুলুকাইত বেলশিৰি নৈত মহিলাৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**ঠেলামৰা, ১ আগষ্ট ঃ** ঢেকিয়াজুলি আৰক্ষী থানাৰ অন্তৰ্গত পিৰাকাটা লুলুকাই গাঁৱত আজি পুৱাৰ ভাগত বেলশিৰি নৈত এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ হয়। মৃতদেহটো তম্বুলি তুৰি (৩৭) নামৰ গড়জুলি গাঁৱৰ বুলি ইতিমধ্যে চিনাক্ত কৰা হৈছে। জানিব পৰা মতে স্থানীয় ৰাইজে বেলশিৰি নৈত পুৱাৰ ভাগত এটা মৃতদেহ উপঙি থকা প্ৰত্যক্ষ কৰি আৰক্ষীক অৱগত কৰাত ঘটনাস্থলীত ঢেকিয়াজুলি আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। উল্লখ্য যে ৩০ জুলাইৰ পৰা গড়জুলি গাঁৱৰ ৰাজু তুৰিৰ পত্নী তম্বুলি তুৰি নামৰ এই গৰাকী মহিলা সন্ধাহীন হৈ আছিল আৰু আজি মৃতদেহ বেলশিৰি নৈত উদ্ধাৰ হয় । আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি ইতিমধ্যে মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে।

# অৱসৰপ্ৰাপ্ত শিক্ষক হৰেশ্বৰ শইকীয়াৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**বৰুৱাবামুণগাঁও, ১ আগষ্ট ঃ** গোলাঘাট জিলাৰ গনকপুখুৰী অঞ্চলৰ হালোৱাগাঁও নিৱাসী অৱসৰপ্ৰাপ্ত শিক্ষক, ধৰ্মপ্ৰাণ ব্যক্তি হৰেশ্বৰ শইকীয়া (৬৯)ৰ যোৱা নিশা নিজা গৃহত উচ্চ ৰক্তচাপজনিত ৰোগত দেহাৱসান ঘটে। ১৯৫৩ত জন্মগ্ৰহণ কৰা শইকীয়া মিছামৰাৰ মলাইকুমাৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষকৰূপে অৱসৰ গ্ৰহণ কৰাৰ পাছত স্থানীয় বিভিন্ন অনুষ্ঠানৰ জড়িত হৈ পৰিছিল। সৰবৰহী শিক্ষক শইকীয়াৰ মৃত্যুত জন্মস্থান হালোৱাগাঁৱৰ লগতে মিছামৰা অঞ্চলতো গভীৰ শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুজন পুত্ৰসহ বোৱাৰী, নাতি-নাতিনী আৰু আত্মীয়ক এৰি গৈছে। তেওঁ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এগৰাকী একনিষ্ঠ সংগী আছিল।

### উপস্থিত দৰ্শকৰ হৰ্ষোল্লাসৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা

# বৰপেটাৰ নিৰলাচৰত পৰম্পৰাগত নাওখেল প্ৰতিযোগিতা



**আলোপতি, ১ আগষ্ট ঃ** নামনি অসমৰ অন্যতম জনপ্ৰিয় খেল হিচাপে বিবেচিত হৈ আহিছে এই নাওখেল। অতীজৰে পৰা চলি অহা নাওখেলক পৰম্পৰাগতভাৱে জীয়াই ৰাখিব বিচাৰিছে নামনি অসমৰ বিভিন্ন প্ৰান্তৰ লোকসকলে। বিশেষকৈ ধৰ্মীয় সংখ্যালঘু বসতিপূৰ্ণ অঞ্চলত নাওখেলৰ প্ৰচলন আজিও অক্ষত আছে। এসময়ত ৰজাৰ ৰাজকীয় খেল নাওখেল নামনি অসমৰ সংখ্যালঘু লোকসকলৰ পূৰ্বপুৰুষসকলে খেলি আহিছিল আৰু সেই ধাৰা অব্যাহত আছে অঞ্চলসমূহত। বানৰ বিভীষিকাময় পৰিস্থিতিৰ পাছতে বৰপেটা জিলাৰ নিৰলাচৰত কালি অনুষ্ঠিত হয় পৰম্পৰাগত নাওখেল প্ৰতিযোগিতা। ভিন্ন প্ৰান্তৰ পৰা অহা কে'বাখন সু-সজ্জিত নাৱে উপস্থিত কে'বা হেজাৰ দৰ্শকৰ হৰ্ষোল্লাসৰ মাজতে তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। নিৰলাচৰ ৰেলফাৰ ছ'চাইটিৰ উদ্যোগত আয়োজিত পৰম্পৰাগত নাওখেল প্ৰতিযোগিতাত কামৰূপৰ জামলাইৰ 'মিলিজুলি' নাওখনে প্ৰথম আৰু মৈৰাদিয়াৰ 'ব্ৰহ্মপুত্ৰ এক্সপ্ৰেছ' নাওখনে দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। বৃহত্তৰ অঞ্চলটোত তাহানিৰ পৰা নাওখেল প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে আৰু ইয়াৰ দ্বাৰা অঞ্চলটোত ভ্ৰাতৃত্ববোধৰ এনাজৰীডাল অধিক শক্তিশালী হোৱাৰ কথা ব্যক্ত কৰে উদ্যোক্তাসকলে। প্ৰতিযোগিতাৰ অন্তত আয়োজক সমিতিয়ে বিজয়ী আৰু বিজিত নাওৰ দলক নগদ ধনেৰে পুৰস্কৃত কৰা হয়। অনুষ্ঠানত অঞ্চলটোৰ কে'বাজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।



# দেশক তৃতীয়টো সোণ দিলে অচিন্তই



## ভাৰোত্তোলনত ভাৰতৰ ছটা পদক

**বাৰ্মিংহাম, ১ আগষ্ট ঃ** চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতৰ ভাৰোত্তোলকৰ পদক জয়ৰ গৌৰৱময় যাত্ৰা অব্যাহত আছে। আজি ভাৰোত্তোলনত ভাৰতে আৰু এটা সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। পুৰুষৰ ৭৩ কিলোগ্ৰাম শাখাত খেলা অচিন্ত শ্বেউলিয়ে দেশক তৃতীয়টো সোণ জয়ৰ গৌৰৱময় সফলতা দিয়ে। প্ৰথমবাৰৰ বাবে কমনৱেলথ গেমছ খেলা অচিন্তই স্নেচত অভিলেখ গঢ়ি ১৪৩ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৭০ কিলোগ্ৰাম মুঠ ৩১৩ কিলোগ্ৰাম উত্তোলন কৰি সোণ জয় কৰে। উল্লেখ্য যে চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতে এতিয়ালৈকে ভাৰোত্তোলনত ছটা পদক লাভ কৰিছে। ইয়াৰে তিনিটা সোণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জ। ভাৰোত্তোলনৰ জড়িয়তে ভাৰতক প্ৰথমটো সোণ জয়ৰ গৌৰৱ দিছিল টকিঅ' অলিম্পিকৰ ৰূপজয়ী মণিপুৰ মহিলা ভাৰোত্তোলক মীৰাবাঈ চানুৱে। অভিলেখ গঢ়ি ক্ৰমাগত তিনিখন কমনৱেলথ গেমছত পদক জয়ৰ সফলতা লাভ কৰে চানুৱে। ইয়াৰপূৰ্বে ২০১৪ ত ৰূপ আৰু ২০১৮ ত সোণ লাভ কৰিছিল মীৰাবায়ে। ইফালে, মিজোৰামৰ যুৱ ভাৰোত্তোলক জেৰেমি লালৰিনুংগাই ভাৰতক দ্বিতীয়টো সোণৰ পদক দিবলৈ সক্ষম হয়। প্ৰথমবাৰৰ বাবে কমনৱেলথ গেমছ খেলা জেৰেমিয়ে স্নেচত অভিলেখ গঢ়ি ১৪০ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৬০ কিলোগ্ৰাম মুঠ ৩০০ কিলোগ্ৰাম উত্তোলন কৰি সোণ জয় কৰে। উল্লেখ্য যে প্ৰতিভাবান ভাৰোত্তোলক জেৰেমি লালৰিনুংগাই ২০১৮ ত যুৱ অলিম্পিকত সোণ লাভ কৰাৰ লগতে বিশ্ব ভাৰোত্তোলনতো দেশক পদক দিছিল। ইফালে, মনিপুৰৰ মহিলা ভাৰোত্তোলক বিন্দিৰাণী দেৱীয়ে ৫৫ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰে। তেওঁ স্নেচত ৮৬ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১১৬ কিলোগ্ৰাম মুঠ ২০২ কিলোগ্ৰাম উত্তোলন কৰি ৰূপ জয় কৰে। পুৰুষ ভাৰোত্তোলক সংকেট সাগৰে পুৰুষৰ ৫৫ কিলোগ্ৰাম শাখাত স্নেচত ১১৩ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৩৫ কিলোগ্ৰাম মুঠ ২৪৮ কিলোগ্ৰাম উত্তোলন কৰি ৰূপ জয় কৰিছিল। আনহাতে, পুৰুষৰ ৬১ কিলোগ্ৰাম শাখাৰ ভাৰোত্তোলনত ভাৰতৰ গুৰুৰাজা পুজাৰীয়ে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। তেওঁ স্নেচত ১১৮ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৫১ কিলোগ্ৰাম মুঠ ২৬৯ কিলোগ্ৰাম উত্তোলন কৰি ব্ৰঞ্জ পদক জয় কৰে। ইফালে, আজি হোৱা পুৰুষৰ ৮১ কিলোগ্ৰাম শাখাৰ ভাৰোত্তোলনত ভাৰতৰ অজয় সিঙে অলপৰ বাবে পদক জয়ৰ পৰা বঞ্চিত হয়। ৩১৯ কিলোগ্ৰাম উত্তোলন কৰি চতুৰ্থত থাকে অজয়। ব্ৰঞ্জজয়ী ভাৰোত্তোলকে ৩২০ কিলোগ্ৰাম উত্তোলন কৰে।





## জুডোত ভাৰতৰ সুশীলা দেৱীৰ ৰূপ

**বাৰ্মিংহাম, ১ আগষ্ট ঃ** চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতৰ পদক জয়ৰ গৌৰৱ আজিও অৱধাৰিত ৰূপত আছে। আজি ভাৰতে ভাৰোত্তোলন, জুডো আৰু লন বলত পদক জয় কৰে। উল্লেখ্য যে আজি ভাৰতৰ চাৰি গৰাকী জুডুকাই নিজৰ নিজৰ ওজন শাখাত অংশ লয়। মহিলাৰ ৪৮ কিলোগ্ৰাম শাখাত খেলা এল সুশীলা দেৱীয়ে ফাইনেলত প্ৰৱেশ কৰে যদিও পৰাস্ত হৈ ৰূপৰ পদক লাভ কৰে। খিতাপৰ যুঁজত সুশীলাক পৰাস্ত কৰে দক্ষিণ আফ্ৰিকাৰ মিচেলাই। উল্লেখ্য যে ইয়াৰপূৰ্বে মণিপুৰৰ জুডোকাগৰাকীয়ে কোৱাৰ্টাৰ ফাইনেলত মালদ্বীপৰ খেলুৱৈক পৰাস্ত কৰাৰ পাছত ছেমিফাইনেলত মৰিছাচৰ ম'ৰাল্ডক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ইফালে, ৬০ কিলোগ্ৰাম শাখাত খেলা ভাৰতৰ বিজয় কুমাৰে ছেমিফাইনেলত পৰাস্ত হয় যদিও এতিয়া ব্ৰঞ্জৰ বাবে খেলিব। ব্ৰঞ্জ পদক লাভ কৰাৰ বাবে দেশৰ হৈ অন্তিম যুঁজত নামিব ৫৭ কিলোগ্ৰাম শাখাত খেলা সুচিকা তাৰিয়াল আৰু ৬৬ কিলোগ্ৰাম শাখাত খেলা জেছলিন সিং ছাইনিয়েও।

## স্ক'ৱাছৰ ছেমিফাইনেলত সৌৰভ, বিদায় ল'লে জ্যোৎস্নাই

**বাৰ্মিংহাম, ১ আগষ্ট ঃ** ভাৰতৰ জ্যোৎস্না চিন্নাপ্পা চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ মহিলাৰ একক শাখাৰ স্ক'ৱাছৰ কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হৈ পদক জয়ৰ দৌৰৰ পৰা আঁতৰি আহিছে। কিন্তু পুৰুষৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ সৌৰভ ঘোষালে। আজি হোৱা কোৱাৰ্টাৰ ফাইনেলত সৌৰভে ১১-৫, ৮-১১, ১১-৭, ১১-৩ ৰ ব্যৱধানত পৰাস্ত কৰে স্কটলেণ্ডৰ ল'বানক। ইয়াৰপূৰ্বে সৌৰভে শ্ৰীলংকাৰ প্ৰতিদ্বন্দ্বীক ১১-৪, ১১-৪, ১১-৬ ৰ ব্যৱধানত পৰাস্ত কৰিছিল। ইফালে, আজি হোৱা মহিলাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত কানাডাৰ হ'লীয়ে ১১-৯, ১১-৫, ১৫-১৩ ৰ ব্যৱধানত পৰাস্ত কৰে ভাৰতৰ জ্যোৎস্না চিন্নাপ্পাক। উল্লেখ্য যে নিউজিলেণ্ডৰ প্ৰতিদ্বন্দ্বীক ১১-৮, ৯-১১, ১১-৪, ১১-৬ ত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল জ্যোৎস্নাই। আনহাতে, প্ৰথম মেচত বাৰ্বাডোজৰ প্ৰতিদ্বন্দ্বীক ১১-৮, ১১-৯, ১২-১০ ৰ ব্যৱধানত পৰাস্ত কৰিছিল জ্যোৎস্নাই। ইফালে, আজি হোৱা অন্য এখন মেচত ছোৱালীৰ শাখাত ভাৰতৰ সুনয়না কুৰুভিল্লাই ১১-৩, ১১-২, ১১-২ ৰ ব্যৱধানত শ্ৰীলংকাৰ প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ স্থান নিশ্চিত কৰে। মাত্ৰ ১২ মিনিটতে মেচত জয়ী হয় সুনয়না।



## শিৱসহ তিনি পুৰুষ বক্সাৰৰ আগতীয়া বিদায়ৰ পাছত পদক জয়ৰ নতুন আশা

# বক্সিঙৰ কোৱাৰ্টাৰ ফাইনেলত অমিত-হুছামুদ্দিন

**বাৰ্মিংহাম, ১ আগষ্ট ঃ** ভাৰতৰ তিনিজন পুৰুষ বক্সাৰৰ ব্যৰ্থতাৰ পাছত চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত আজি অমিত পাংগল আৰু মহম্মদ হুছামুদ্দিনে নিজৰ নিজৰ মেচত জয়লাভ কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে এই সফলতাৰ পাছত উভয় বক্সাৰে পদক জয়ৰ পৰা মাত্ৰ এখোজ দূৰত আছে। আজি হোৱাৰ পুৰুষৰ ৫১ কিলোগ্ৰাম শাখাৰ খেলত অমিতে হেলাৰঙে ভানুটুৰ নামৰি বেৰিক ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰি প্ৰত্যাশিতৰূপত চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত অভিযান আৰম্ভ কৰে। ইফালে, পুৰুষৰ ৫৭ কিলোগ্ৰাম শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত হুছামুদ্দিনে বাংলাদেশৰ মহম্মদ ছেলিম হুছেইনক ৫-০ ৰ ব্যৱধানত বিধ্বস্ত কৰে। ইয়াৰপূৰ্বে ভাৰতীয় বক্সাৰজনে প্ৰথম মেচত ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰিছিল দক্ষিণ আফ্ৰিকাৰ আমজ'লেলাক। উল্লেখ্য যে কমনৱেলথ গেমছৰ পৰা ইতিমধ্যে ভাৰতৰ অভিজ্ঞ বক্সাৰ শিৱ থাপাই প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অপ্ৰত্যাশিতভাৱে পৰাস্ত হৈ বিদায় লৈছে। উল্লেখ্য যে ৬০ কিলোগ্ৰাম শাখাত খেলা দুবাৰৰ অলিম্পিয়ান অসম সন্তান শিৱক এখন কঠিন মেচত ৪-১ ৰ ব্যৱধানত পৰাস্ত কৰে স্কটলেণ্ডৰ বক্সাৰ ৰীছে লীনছে। উল্লেখ্য যে দেশৰ তাৰকা বক্সাৰ অসম সন্তান শিৱ থাপাই সুন্দৰ জয়েৰে চলিত কমনৱেলথ গেমছত অভিযান আৰম্ভ কৰিছিল। পুৰুষৰ লাইট ৱেল্টৰৱেট ৬০ কিলোগ্ৰাম শাখাত খেলা শিৱই প্ৰথম ৰাউণ্ডৰ মেচত পাকিস্তানৰ চুলেমান বালোচৰ বিৰুদ্ধে ৫-০ ৰ চমকপ্ৰদ জয় সাব্যস্ত কৰিছিল। ইফালে, শিৱৰ লগতে ভাৰতৰ হৈ ৯২ কিলোগ্ৰাম শাখাত খেলা পুৰুষ বক্সাৰ সঞ্জিতেও প্ৰথম ৰাউণ্ডতে ছামোৱাৰ আলো লিউৰ হাতত ৩-২ তপৰাস্ত হৈ কমনৱেলথ গেমছৰ পৰা বিদায় লৈছে। আনহাতে, ৭৫ কিলোগ্ৰাম শাখাত খেলা সুমিতো প্ৰথম মেচতে অষ্ট্ৰেলিয়াৰ বক্সাৰৰ হাতত ৫-০ ত পৰাস্ত হৈ বিদায় লয়।





## আন্তঃজিলা আৰক্ষী ফুটবলত বিহালীৰ জয়

**অগ্ৰদূত বাৰ্তা, বিহালী, ১ আগষ্ট ঃ** অসম আৰক্ষীৰ আন্তঃজিলা ফুটবল প্ৰতিযোগিতাৰ আজি প্ৰথমখন খেল বিহালী আৰক্ষী থানা আৰু জিনজিয়া আৰক্ষী থানাৰ মাজত বেদেতীৰ বিহালী চাহ বাগিচা খেল পথাৰত অনুষ্ঠিত হয়। আজিৰ খেলখন বিশ্বনাথ জিলা আৰক্ষী অধীক্ষক নবীন সিঙে উদ্বোধন কৰে। খেলখনত বিহালী চাহ বাগিচাই ২-০ গ'লত জয়ী হয়। দলৰ হৈ গ'ল কৰে বিকি কুৰুৱা আৰু উত্তম ধনবাৰ্লাই। খেল খন পৰিচালনা কৰে ৰেফাৰী ৰঞ্জিৎ গগৈয়ে। খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিকি কুৰুৱাক বিশ্বনাথ জিলা আৰক্ষী অধীক্ষকৰ হৈ অতিৰিক্ত উপায়ুক্ত বিশ্বজিৎ শইকীয়াই ট্ৰফী প্ৰদান কৰে।





গুৱাহাটীত অনুষ্ঠিত দ্বিতীয় ৰাজ্যিক কালাৰিপায়াট্টু প্ৰতিযোগিতাত যোৰহাট জিলাৰ হৈ অংশ লৈ সোণ লাভ কৰে কৃষ্টিচায়া শইকীয়াই। উল্লেখ্য যে তেওঁ মৃণাল কুমাৰ শইকীয়াৰ ওচৰত প্ৰশিক্ষণ লৈ আছে।

## পিলিক চৌধুৰী, দেউকণ ট্ৰফী, নৃপেন্দ্ৰ নাৰায়ণ সিংহ স্কুল ফুটবল

**গুৱাহাটী, ১ আগষ্ট ঃ** ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগে প্ৰতি বছৰৰ দৰে এইবাৰো দুই আগষ্টৰ পৰা আয়োজন কৰিছে আন্তঃস্কুল ফুটবল প্ৰতিযোগিতা। কামৰূপ মহানগৰ আৰু কামৰূপ জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ে ৰাজ্যৰ আন জিলাৰ লগতে এই স্কুল ফুটবল টুৰ্ণামেণ্ট আয়োজন কৰিব। ১৪ বছৰ অনূৰ্ধ্ব ল'ৰাৰ বাবে পিলিক চৌধুৰী সোঁৱৰণী ট্ৰফী, ১৭ বছৰ অনূৰ্ধ্ব ল'ৰাৰ বাবে দেউকন ট্ৰফী আৰু ১৭ বছৰ অনূৰ্ধ্ব ছোৱালীৰ বাবে নৃপেন্দ্ৰ নাৰায়ণ সিংহ সোঁৱৰণী আন্তঃস্কুল ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ে জনোৱা মতে এই প্ৰতিযোগিতাৰ বিজয়ী দল কেইটাই আন্তঃজিলা স্কুল ফুটবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব আৰু উক্ত প্ৰতিযোগিতাৰ পৰাই ৰাজ্যিক দলটো বাচনি কৰা হ'ব। আন্তঃজিলাৰ বিজয়ী দলটোৱে নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া ৬১ সংখ্যক সুব্ৰত মুখাৰ্জী কাপ আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত অসম ৰাজ্যক প্ৰতিনিধিত্ব কৰিব। কামৰূপ মহানগৰ জিলাৰ আন্তঃস্কুল ফুটবল টুৰ্ণামেণ্টৰ মেচসমূহ আজাৰাৰ শ্যামভূমি হাইস্কুল খেলপথাৰত অহা ২-৪ আগষ্টত অনুষ্ঠিত হ'ব। আনহাতে, আন্তঃজিলা স্কুল ফুটবল টুৰ্ণামেণ্টৰ মেচসমূহ অহা সাতৰ পৰা ১১ আগষ্টলৈ গুৱাহাটী জালুকবাৰীৰ অসম অভিযান্ত্ৰিক মহাবিদ্যালয় খেলপথাৰ আৰু জালুকবাৰীৰ এ পি আৰ অ' খেলপথাৰত অনুষ্ঠিত হ'ব।

## দক্ষিণ আফ্ৰিকাক হৰুৱাই বেডমিণ্টনৰ ছেমিত ভাৰতীয় দল

**বাৰ্মিংহাম, ১ আগষ্ট ঃ** কমনৱেলথ গেমছৰ বেডমিণ্টনৰ দলীয় চেম্পিয়ন ভাৰতে নিজৰ জয়যাত্ৰা অব্যাহত ৰাখি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় মিক্সড বেডমিণ্টন দলে দক্ষিণ আফ্ৰিকাক ৩-০ ৰ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে। খিতাপৰ যুঁজলৈ অগ্ৰসৰ হোৱাৰ বাবে ভাৰত মুখামুখি হ'ব ছিংগাপুৰৰ। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা মেচত ভাৰতৰ দুই তাৰকা পি ভি সিন্ধু আৰু কিদাম্বি শ্ৰীকান্তে অংশ নল'লে। ইয়াৰপূৰ্বে পি ভি সিন্ধু নেতৃত্বনাধীন ভাৰতীয় মিক্সড বেডমিণ্টন দলে গ্ৰুপৰ অন্তিমখন মেচত ৪-১ ৰ ব্যৱধানত পৰাস্ত কৰিছিল অষ্ট্ৰেলিয়াক। এই মেচখনত ভাৰতৰ দুবাৰৰ অলিম্পিক পদক বিজয়ী পি ভি সিন্ধুই ২১-১০, ২১-১২ ৰ ব্যৱধানত জয়লাভ কৰাৰ বিপৰীতে কিদাম্বি শ্ৰীকান্তে ২১-১৪, ২১-১৩ ৰ ব্যৱধানত জয় সাব্যস্ত কৰে। আনহাতে, ডাবলছ শাখাত চিৰাগ-সমিথ যুটিয়ে ২১-১৬, ২১-১৯ ৰ ব্যৱধানত জয়লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ভাৰতীয় বেডমিণ্টন দলে প্ৰথম মেচত পাকিস্তানক ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰি অভিযান আৰম্ভ কৰাৰ পাছত দ্বিতীয় মেচত ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰিছিল শ্ৰীলংকাক।




## ছেমিফাইনেলত স্থান নিশ্চিত কৰাৰ লক্ষ্য

## আজি তৃতীয় মেচত ইংলণ্ডৰ মুখামুখি হ'ব মহিলা হকী দল



**বাৰ্মিংহাম, ১ আগষ্ট ঃ** ভাৰতৰ মহিলা হকী দলে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত কাইলৈ ছেমিফাইনেলত স্থান নিশ্চিত কৰাৰ লক্ষ্যৰে গ্ৰুপৰ তৃতীয় মেচখন খেলিব ইংলণ্ডৰ বিৰুদ্ধে। উল্লেখ্য যে ক্ৰমাগতভাৱে প্ৰথম দুখন মেচত বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হোৱা ভাৰতৰ মহিলা হকী দলে কাইলৈ ইংলণ্ডৰ বিৰুদ্ধেও জয়লাভ কৰিলে ছেমিফাইনেলত স্থান নিশ্চিত হ'ব। ইয়াৰপূৰ্বে ভাৰতৰ মহিলা হকী দলে প্ৰথম মেচত ৫-০ গ'লৰ ব্যৱধানত ঘানাক পৰাস্ত কৰি প্ৰত্যাশিত আৰম্ভণি কৰিছিল। টকিঅ' অলিম্পিকত ছেমিফাইনেল খেলি চমক সৃষ্টি কৰা ভাৰতৰ মহিলা হকী দলে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত পদক জয়ৰ লক্ষ্য লৈছে। জয় ধাৰা অব্যাহত ৰাখি গ্ৰুপৰ দ্বিতীয়খন মেচত ভাৰতৰ মহিলা হকী দলে ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৱেলছক। ভাৰতীয় দলৰ হৈ বন্দনা কাটাৰিয়াই দুটা আৰু গুৰজিত কৌড়ে এটা গ'ল দিয়ে।

## তৃতীয় ডিভিজন লীগত ছুপাৰ ষ্ট্ৰাইকাৰ্ছৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১ আগষ্ট ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নৱ কুমাৰ ভূএঞা সোঁৱৰণী তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত নগাঁও ছুপাৰ ষ্ট্ৰাইকাৰ্ছে কামপুৰ ষ্টুডেণ্ট এথলেটিক ক্লাবক ২-১ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনত নগাঁও ছুপাৰ ষ্ট্ৰাইকাৰ্ছৰ হৈ পৰাগ পাটৰ আৰু দীপজ্যোতি বৰদলৈয়ে গল দুটা দিয়াৰ বিপৰীতে কামপুৰ ষ্টুডেণ্ট এথলেটিক ক্লাবৰহৈ সুমন দেউৰীয়ে একমাত্ৰ গলটো দিয়ে। আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী ৰয়েল ইছলামক সহায় কৰে শৈলেন ভূএঞা, চাহজাহান আলী চৌধুৰী আৰু কৃষ্ণ কান্ত দাসে।



ৰাজ্যিক ফেন্সিং প্ৰতিযোগিতাত পদক লাভ কৰা খেলুৱৈ।

# ৰাষ্ট্ৰীয় ছাত্ৰ অলিম্পিকত অসমৰ খেলুৱৈৰ ৭২ টা পদক

## উশ্বুত কটন বিশ্ববিদ্যালয়ৰ ছটা সোণসহ নটা পদক অৰ্জন

**গুৱাহাটী, ১ আগষ্ট ঃ** উত্তৰাখণ্ডৰ হৰিদ্বাৰ প্ৰেমনগৰত অনুষ্ঠিত হোৱা নৱম ৰাষ্ট্ৰীয় ছাত্ৰ অলিম্পিকত অংশগ্ৰহণ কৰি অসমৰ সমৰকলাৰ দলে উশ্বু, কুংফু, টাইকোৱান-ড',কাৰাটে ইভেন্টত মুঠ ৭২ টা পদক লাভ কৰিবলৈ সক্ষম হৈছে। এই প্ৰতিযোগিতাতে কটন বিশ্ববিদ্যালয়ৰ মাৰ্চেল আৰ্টছ ফ'ৰামে উশ্বুত মুঠ নটা পদক লাভ কৰিবলৈ সক্ষম হয়। সোণ অৰ্জন কৰে ৰাজশ্ৰী তামুলী, বিপ্লৱ বিশ্বাস, বন্দনা কলিতা, প্ৰীতি ঘিমিৰে, আইছা খাতুন আৰু নৱজিত স্বৰ্গিয়াৰীয়ে। ইফালে, ৰূপৰ পদক লাভ কৰে কংকনজ্যোতি কলিতা, ইজনাৰা বেগম আৰু দিক্ষিতা ৰাজবংশীয়ে। ইফালে, প্ৰতিযোগিতাত উশ্বুত ২৫ টা স্বৰ্ণ, ১১ টা ৰূপ আৰু নটা ব্ৰঞ্জ দখল কৰিছে অসম দলটোৱে। সেইদৰে, ২২ টা স্বৰ্ণ অৰ্জনেৰে কুংফু ইভেন্টতো জিলিকিছে অসম। ইয়াৰ উপৰি, টাইকোৱানডোত অসমে লাভ কৰিলে আঠটা স্বৰ্ণ, সমসংখ্যক ৰূপ আৰু ছটা ব্ৰঞ্জৰ পদক। দেশৰ মুঠ ২৬ খন ৰাজ্যই যোগদান কৰা এই ছাত্ৰ অলিম্পিকত মহাৰাষ্ট্ৰই শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। আনহাতে, অসম দলটোৱে দ্বিতীয় শ্ৰেষ্ঠ দলৰ সন্মান অৰ্জন কৰিছে। দলটোৰ মেনেজাৰৰ দায়িত্বত আছিল আন্তঃৰাষ্ট্ৰীয় সমৰকলা খেলুৱৈ তথা অসম ছাত্ৰ অলিম্পিক সন্থাৰ যুটীয়া সম্পাদক মনোজ কুমাৰ দাস। আনহাতে কাৰাটেৰ প্ৰশিক্ষক হিচাপে আছিল কিশোৰ কলিতা, টাইকোৱানডোৰ প্ৰশিক্ষক হিচাপে আছিল দেৱজিৎ ডেকা, কুংফুৰ প্ৰশিক্ষক হিচাপে আছিল নিজামুদ্দিন আহমেদ। লগতে উশ্বুৰ প্ৰশিক্ষক হিচাপে দলটোত আছিল নৱ দাস আৰু ধনটি বৰুৱা।



## বিল্যাসনন্দন চ'ৰা



# সন্ত্ৰাসবাদী গায়েব

**টেৰ'ৰিজম!** মানে সন্ত্ৰাসবাদ! সৌ সিদিনালৈকে আমাৰ দেছত সন্ত্ৰাসবাদ এটা ডাঙৰ সমস্যা আছিল। সন্ত্ৰাসবাদীবোৰক ধৰিবলৈ দেছৰ ৰাজকোষৰ পৰা বছৰি কম টকা ওলাই গৈছিল নে? কিন্তু যোৱা কে'বা বছৰৰ পৰা এই সন্ত্ৰাসবাদীবোৰক যাদুমন্ত্ৰ কৰি কোনোবাই গায়েব কৰি দিয়া যেন লাগিছে। কথাটো আমাৰ জেনেৰেল পাব্লিকৰ চকুত নপৰা নহয়। বজাৰে-সমাৰে, হোটেলে-দোকানে এইবোৰ কথা আলোচনা হৈ আছে। চাহৰ গিলাছ দুটা সন্মুখত লৈ দুজন মানুহে এইবোৰ কথাকে পাতি আছে— 'হেৰা, বৰ্তমান আমাৰ দেছত সব ধৰণৰ বাদেই আছে বুজিছা।'

ঃ যেনে?
ঃ যেনে ধৰা গান্ধীবাদ।
ঃ আৰু?
ঃ হিন্দুত্ববাদ।
ঃ আৰু?
ঃ মাৰ্ক্সবাদ।
ঃ আৰু?
ঃ পলায়নবাদ।
ঃ বিজয় মালিয়াহঁতৰ কথা কৈছা নেকি?
ঃ তেনেকুৱাই ধৰাচোন।
ঃ আৰু?
ঃ সুবিধাবাদ!
ঃ মহাৰাষ্ট্ৰৰ কথা কৈছা নে মধ্য প্ৰদেশৰ কথা কৈছা?
ঃ সৰতে আছেহে এইবোৰ।
ঃ সেইটো অৱশ্যে হয়।
ঃ কিন্তু এটা বাদ নোহোৱা হৈ গ'ল দেখিলানে?
ঃ কি?
ঃ সন্ত্ৰাসবাদ।
ঃ ঠিক কথা কৈছাহে!
ঃ সন্ত্ৰাসবাদ থাকিলেও সন্ত্ৰাসবাদী কিন্তু প্ৰায়ে নাইকিয়া হৈ গৈছে।
ঃ সেইটো হয়।
ঃ যি দুই-এটা সন্ত্ৰাসবাদী আছে, সিহঁতে লুকাই লুকাই ইণ্টাৰভিউ দি নিজকে জীয়াই ৰাখিছে। বাকী একো কাম নাই।
ঃ একেবাৰে কাম নাই।
ঃ সন্ত্ৰাসবাদী কাৰ্যকলাপবোৰো নাই।
ঃ নাই।
ঃ বিস্ফোৰণ, গুলীয়াগুলি সেইবোৰ সব বন্ধ।
ঃ একেবাৰে।
ঃ দুই-এটা ঘটনা কাশ্মীৰত ঘটে...
ঃ কাশ্মীৰত ঘটাবোৰক সন্ত্ৰাসবাদ বুলিব নোৱাৰিহে!
ঃ তেনেহ'লে কি সেইবোৰ?
ঃ সেইবোৰ কাশ্মীৰবাদ। কাশ্মীৰ থকালৈকে সেইবোৰ চলি থাকিব।
ঃ মই এটা কথা বুজি পোৱা নাইহে!
ঃ কি?
ঃ হঠাতে সন্ত্ৰাসবাদীবোৰ গায়েব কেনেকৈ হৈ গ'ল?
ঃ ছাৰ্জিকেল ষ্ট্ৰাইকৰ কাৰণে ভয় খাই গায়েব হৈ গ'ল নেকি?
ঃ মই তেনেকৈ নাভাবো।
ঃ কিয়?
ঃ কাৰ্গিল যুদ্ধয়ো ভয় খুৱাব পৰা নাছিলহে সিহঁতক।
ঃ সেইটো হয়।
ঃ সন্ত্ৰাসবাদীবোৰৰ টকা-পইচা কমি গ'ল নেকি?
ঃ আমেৰিকা-চাইনা এইবোৰ দেছ থাকোতে সিহঁতৰ কিয় টকা-পইচা কমিবহে?
ঃ লকডাউনে দিকদাৰ কৰিছে নেকি?
ঃ লকডাউন এবছৰহে হৈছে। তাৰ আগে-পিছেও সন্ত্ৰাসবাদীবোৰ ঠাণ্ডা হৈ আছিল।



ঃ তেন্তে সিহঁত লুকাইছে কিয়? সব কাম-কাজ বন্ধ কৰি থৈছে কিয়?
ঃ এই প্ৰশ্নটোকে সিদিনা এজন সন্ত্ৰাসবাদীক কৰা হৈছিল।
ঃ কিবা উত্তৰ দিলেনে?
ঃ দিলে।
ঃ সন্ত্ৰাসবাদী কাৰ্যকলাপ বন্ধ কৰা বুলি সৈ কাঢ়িছেনে?
ঃ কাঢ়িছে।
ঃ কিয় বন্ধ কৰিছে?
ঃ সন্ত্ৰাসবাদীজনে কৈছে...
ঃ কি কৈছে?
ঃ কৈছে যে আমাৰ যুদ্ধ চৰকাৰৰ লগতহে, সন্ত্ৰাসবাদীৰ লগত নহয়।

## বলিউদৰ ছবিৰ চিত্ৰনাট্যকো চেৰ পেলাব মুম্বাইৰ এক মহিলাৰ সংগ্ৰামে

# চাফাই কৰ্মীৰ পৰা হ'লগৈ বেংকৰ সহকাৰী মহাপ্ৰবন্ধক

■ **নিউজ ব্যুৰ'**

**মুম্বাই, ১ আগষ্ট ঃ** এক অবিশ্বাস্য কৃতিত্ব অৰ্জন কৰি সম্প্ৰতি বিশেষ চৰ্চা লাভ কৰিছে মুম্বাইৰ এগৰাকী মহিলাই। জীৱনৰ কঠোৰ সংগ্ৰামত ইটোৰ পাছত সিটোকৈ বাধা অতিক্ৰম কৰি শূন্য অৱস্থাৰ পৰা এগৰাকী সফল বেংক বিষয়াত পৰিণত হোৱা এই গৰাকী মহিলাৰ কাহিনীয়ে আনকি বলিউদৰ ছবিৰ চিত্ৰনাট্যকো চেৰ পেলাব পাৰে। স্বামীৰ মৃত্যুৰ পাছত মহিলাগৰাকীয়ে চাফাই কৰ্মীৰূপে কাম আৰম্ভ কৰিছিল। এতিয়া সেই গৰাকী মহিলাই ভাৰতীয় ষ্টেট বেংকৰ এটা শাখাৰ সহকাৰী মহাপ্ৰবন্ধক। মুম্বাইৰ নিবাসী প্ৰতীক্ষা তণ্ডৱাকাৰৰ কঠিন সংগ্ৰাম আৰু চমকপ্ৰদ সাফল্যক কোনোভাৱেই ব্যাখ্যা কৰা অসম্ভৱ। যাৰ বাবে সম্প্ৰতি সকলোৱেই তেওঁৰ প্ৰশংসাত গদগদ হৈ পৰিছে।

১৬ বছৰ বয়সত দশম শ্ৰেণীৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ পূৰ্বেই বিয়া হৈছিল প্ৰতীক্ষাৰ। ফলত বন্ধ হয় পঢ়া-শুনা। স্বামী সদাশিৱ কুড়ু আছিল এছবিআইৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী। বিবাহৰ চাৰি বছৰৰ পাছতে এক দুৰ্ঘটনাত স্বামীৰ মৃত্যু হয়। ইয়াৰ পাছত এছবিআইৰ নিয়ম অনুসৰি, উক্ত বেংক শাখাতে প্ৰতীক্ষাই চাফাইকৰ্মীৰূপে নিয়োজিত হয়। এই চাকৰিটো তেওঁ ল'বই লাগিব, কিয়নো তেতিয়ালৈ তেওঁ এটি পুত্ৰ সন্তানৰ মাতৃও হৈছিল। অৱশ্যে শৈশৱৰ পৰাই প্ৰতীক্ষাই কিতাপ পঢ়িবলৈ বৰ ভাল পাইছিল। তাতে বিপদৰ সময়ত সকলোৱে নহ'লেও বহুতেই তেওঁৰ কাষত থিয় দিছিল। সেই বাবেই ইটোৰ পাছত সিটোকৈ কঠিন বাধা অতিক্ৰম কৰিব পাৰিছে বুলি প্ৰতীক্ষাই কয়।

মৃত স্বামীৰ বেংকৰ কৰ্মচাৰীসকলে প্ৰতীক্ষাত যথেষ্ট সাহায্য কৰিছিল। ফলত দুবেলা চাফাইকৰ্মীৰ কাম কৰিছিল আৰু বাকী সময়খিনি তেওঁ দশম শ্ৰেণীৰ পৰীক্ষাৰ বাবে পঢ়া-শুনা কৰিছিল। সেই সময়ত কোলাত থাকিছিল শিশু পুত্ৰ। কিতাপ কিনিবলৈ ধন নাছিল, সেয়ে আত্মীয়সকলৰ পৰাই কিতাপ সংগ্ৰহ কৰিছিল। অৱশেষত ৬০ শতাংশ নম্বৰ লৈ তেওঁ দশম শ্ৰেণীৰ পৰীক্ষাত উত্তীৰ্ণ হয়। ইয়াৰ পাছত তেওঁ এখন নৈশ মহাবিদ্যালয়ত নামভৰ্তি কৰে। সেই সময়ত ধন ৰাহি কৰিবলৈ তেওঁ এটা ষ্টপেজৰ পূৰ্বেই বাছৰ পৰা নামিছিল। ফলত টিকটৰ পইচা কিছু কম হৈছিল। দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত প্ৰতীক্ষা উক্ত বেংকৰ চাফাই কৰ্মীৰ পৰা কেৰাণীৰ পদলৈ উন্নীত হয়। ফলত আৰ্থিক কষ্টও বহুখিনি লাঘৱ হয়, কিন্তু নিজক প্ৰমাণ কৰাৰ প্ৰৱল ইচ্ছা অৱদমিত হোৱা নাছিল।

১৯৯৫ত মুম্বাইৰ ভিখৰৌলি মহাবিদ্যালয়ৰ পৰা প্ৰতীক্ষাই মনোবিজ্ঞানত স্নাতক হয়। ইয়াৰ মাজতে তেওঁ ১৯৯৩ত দ্বিতীয়বাৰলৈ বিবাহপাশত আবদ্ধ হয়। বেংক কৰ্মচাৰী প্ৰমোদ তণ্ডৱাকাৰৰ স'তে তেওঁৰ বিয়া হয়। প্ৰতীক্ষাই কয় যে প্ৰমোদৰ উৎসাহতে তেওঁ ইমান ওপৰত উঠিবলৈ সক্ষম হৈছে। সম্প্ৰতি প্ৰতীক্ষা মুম্বাইৰ ষ্টেট বেংকৰ এটা শাখাৰ সহকাৰী মহাপ্ৰবন্ধক। ২০২০ৰ জুলাইত তেওঁৰ উক্ত পদলৈ পদোন্নতি হয়। প্ৰতীক্ষা আৰু প্ৰমোদৰ দুই সন্তান। সকলো মিলাই তেওঁ তিনি সন্তানৰ মাতৃ। তিনি সন্তানেই এতিয়া ডাঙৰ হৈছে। ৫৭ বছৰীয়া প্ৰতীক্ষা সম্প্ৰতি সকলো দিশৰ পৰাই সফল। স্বয়ং প্ৰতীক্ষাই নিজৰ এই কঠিন জীৱন সংগ্ৰামক কেতিয়াবা বিশ্বাস কৰিবলৈ টান পায়। তেওঁ কয়, 'যেতিয়া উভতি চাওঁ, ধাৰণা হয় অসম্ভৱ। কিন্তু মই ইমানখিনি কৰিব পাৰিছো বুলি ভাবিলেই আনন্দ লাগে।' চলচলীয়া চকুৰে তেওঁ পুনৰ কয়, 'যিসকল বিষাদগ্ৰস্ত, মোৰ জীৱনৰ কথা শুনিলে হয়তো তেওঁলোক অনুপ্ৰাণিত হ'ব পাৰিব।'



# এম্বুলেঞ্চৰ অভাৱত মটৰ চাইকেলত বান্ধি নিলে মাতৃৰ মৃতদেহ

## মধ্যপ্ৰদেশৰ স্বাস্থ্য বিভাগৰ গাফিলতি উদঙালে যুৱকে



**নিউজ ব্যুৰ'**

**ভূপাল, ১ আগষ্ট ঃ** সম্প্ৰতি মধ্যপ্ৰদেশৰ স্বাস্থ্য বিভাগৰ গাফিলতিয়ে সমগ্ৰ দেশতে চৰ্চা লাভ কৰিছিল। সম্প্ৰতি এটা চিৰিঞ্জৰ দ্বাৰা ৩০জন লোকক প্ৰতিষেধক দিয়াৰ অভিযোগ উঠিছিল। তাৰ পাছদিনাই ৰাজ্যখনত দেখা গ'ল এক হৃদয়বিদাৰক দৃশ্য। এম্বুলেঞ্চৰ অভাৱত মাতৃৰ মৃতদেহ নিজৰ মটৰ চাইকেলত বান্ধি হাস্পতালৰ পৰা ঘৰলৈ নিবলগীয়া হ'ল এজন যুৱকে। সেইদৰে তেওঁ ৮০ কিলোমিটাৰ দূৰলৈ মাতৃৰ মৃতদেহ কঢ়িয়াই নিয়ে। যুৱকজনে অভিযোগ কৰে যে চৰকাৰী হাস্পতালৰ চিকিৎসক-নাৰ্ছৰ গাফিলতিৰ বাবেই তেওঁৰ মাতৃৰ মৃত্যু হয়। ইয়াৰ পাছত অনুৰোধ জনোৱা সত্ত্বেও মৃতদেহ নিবলৈ হাস্পতাল কৰ্তৃপক্ষই নিদিলে শৱবাহী বাহন বা এম্বুলেঞ্চ। এই ঘটনা পোহৰলৈ অহাৰ লগে লগে মধ্যপ্ৰদেশৰ স্বাস্থ্য বিভাগৰ নিন্দাত সৰৱ হৈ পৰিছে বহুজন।

এই ঘটনাত মধ্যপ্ৰদেশৰ ছাহদুল জিলাৰ ছাহদুল চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ। তালৈকে মাতৃক চিকিৎসাৰ বাবে আনিছিল অনুপপুৰ জিলাৰ নিবাসী দুজন লোকে। অনুপপুৰৰ গোদৰাও গাঁৱৰ নিবাসী জয়মন্ত্ৰী যাদৱৰ বুকুৰ বিষৰ বাবে তেওঁক প্ৰথমে নিজা জিলা হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। স্বাস্থ্যৰ অৱনতি ঘটাত চিকিৎসকৰ পৰামৰ্শ অনুসৰি মহিলাগৰাকীক ছাহদুল চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ আনে তেওঁৰ দুই পুত্ৰই। মৃত মহিলাগৰাকীৰ পুত্ৰ সুন্দৰ যাদৱে অভিযোগ কৰে যে চিকিৎসা মহাবিদ্যালয়খনৰ নাৰ্ছসকলে সঠিকভাৱে ৰোগীৰ পৰিচৰ্যা কৰা নাছিল। মাতৃৰ মৃত্যুৰ বাবে সুন্দৰে পোনপটীয়াকৈ হাস্পতালৰ গাফিলতিকে দোষাৰোপ কৰে। আনকি অনুৰোধ কৰা সত্ত্বেও তেওঁলোকক এম্বুলেঞ্চৰ ব্যৱস্থা কৰি দিয়া নহ'ল। সুন্দৰে কয় যে হাস্পতাল চৌহদত থকা ব্যক্তিগত গাড়ীসমূহে পাঁচ হেজাৰ টকা বিচাৰিছিল। অথচ সেই ধন দিয়াৰ সামৰ্থ তেওঁলোকৰ নাছিল। এনে অৱস্থাত বাধ্য হৈয়েই সুন্দৰে এশ টকাত কাঠৰ তক্তা ক্ৰয় কৰে। তক্তাতে মাতৃৰ মৃতদেহ বন্ধাৰ পাছত তক্তাখন মটৰ চাইকেলত উঠাই দুই পুত্ৰই ৮০ কিলোমিটাৰ দূৰত থকা নিজগৃহলৈ উভতে। সম্প্ৰতি এই দৃশ্যৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে।

অসম চৰকাৰ
হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়
বস্ত্ৰ ভৱন, গোপীনাথ বৰদলৈ পথ, আমবাৰী, গুৱাহাটী-১

জনতাৰ চৰকাৰ | my GOV

স্বনিৰ্ভৰ নাৰী
নাৰী সবলীকৰণৰ দিশে আৰু এটা খোজ
অসম চৰকাৰৰ ২০২১-২২ বৰ্ষৰ বাজেট ঘোষণা অনুসৰি ৰূপায়িত এক জনমুখী আঁচনি



স্বনিৰ্ভৰ নাৰী আঁচনিৰ অধীনত নিৰ্ধাৰিত নিশ্চিত ক্ৰয় কৰাৰ বাবে নিৰ্বাচিত সামগ্ৰীসমূহ

বিভিন্ন প্ৰকাৰৰ গামোচা, বড়ো আৰনাই, কাৰ্বি পছ, মণিপুৰী খুদেই (অংগবস্ত্ৰ), ৰাভা পাজাৰ, ডিমাচা ৰিচা-ৰাচা, মিচিং ভুমেৰ আৰু এৰক'গ, কোচ-ৰাজবংশী গামোচা, তিৱা ফালি, দেউৰী গামোচা

২০২২-২৩ বৰ্ষৰ বাবে পঞ্জীয়নৰ অন্তিম তাৰিখ
৩ ছেপ্টেম্বৰ ২০২২

বিভাগীয় ক্ষেত্ৰভিত্তিক সত্যতা নিৰূপণৰ অন্তিম তাৰিখ
১৩ ছেপ্টেম্বৰ ২০২২

নিৰ্ধাৰিত তাৰিখৰ আগতে সকলো শিপিনীকে পঞ্জীয়ন কৰিবলৈ অনুৰোধ জনোৱা হ'ল

>> কোনো মধ্যভোগী নোহোৱাকৈ শিপিনীসকলৰ পৰা পোনপটীয়াকৈ হস্ততাঁতত উৎপাদিত ৩১ বিধ নিৰ্ধাৰিত পৰম্পৰাগত বস্ত্ৰ সামগ্ৰী ক্ৰয় কৰাৰ ব্যৱস্থা।
>> বিক্ৰীমূল্য শিপিনীসকলক তেওঁলোকৰ বেংক একাউণ্টত চাৰিদিনৰ ভিতৰত আদায়ৰ ব্যৱস্থা।
>> ক্ৰয় কৰা সামগ্ৰী আৰ্টফেড আৰু অসম চৰকাৰৰ বেচা-কিনা নিগমৰ জৰিয়তে বিক্ৰীৰ ব্যৱস্থা।
>> বিভিন্ন জিলাত স্থাপন হ'ব লগা ক্ৰয় কেন্দ্ৰসমূহৰ যোগেদি নিৰ্ধাৰিত মূল্যত নিৰ্ধাৰিত বস্ত্ৰ সামগ্ৰীসমূহ ক্ৰয় কৰাৰ ব্যৱস্থা।
>> অসমত স্থায়ীভাৱে বসবাস কৰা আৰু ঘৰত কমপক্ষেও এখন হস্ততাঁত থকা সকলো শিপিনীয়ে অনলাইন পৰ্টেল swanirbharnaari.assam.gov.in যোগে নাম পঞ্জীয়ন কৰিব পাৰিব।
>> হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ পৰিদৰ্শক পৰ্যায়ৰ বিষয়াৰ দ্বাৰা ক্ষেত্ৰভিত্তিক সত্যতা নিৰূপণৰ পাছতহে শিপিনীসকলৰ পঞ্জীয়ন গৃহীত কৰা হ'ব।

অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়, আমবাৰী, গুৱাহাটী-১ ৰ দ্বাৰা প্ৰকাশিত
জনসংযোগ/ডি/৯৫২৩/২২

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com